● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

তুমি মহাসাগৰৰ
এটি মাত্ৰ
টোপাল নহয়।
তুমি এটি
টোপালত সমগ্ৰ
মহাসাগৰ।

ৰুমী
ত্ৰয়োদশ শতিকাৰ ফাৰ্ছী কবি



www.dainikagradoot.in

৭ মিত্ৰ দেশক উন্নত অস্ত্ৰৰে সহায় কৰিব ৰাছিয়াই
১৫ ফিফাৰ দ্বাৰা নিলম্বিত ভাৰত
৪ দেশৰ সংবিধান সলনিৰ আখৰা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩০৭তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৩১ শাওণ ১৪২৯ ভাস্কৰাব্দ ১৭ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 17 August 2022 মূল্য ঃ ৯.০০ টকা

■ প্ৰথম ছমাহৰ তথ্যত অপৰাধৰ ভয়াৱহতা ■ ৩৮টা হত্যাকাণ্ডৰে শীৰ্ষত শোণিতপুৰ জিলা ■ তিনিচুকীয়াত ৩৪-গুৱাহাটীত ৩০ হত্যা ■ ডুমডুমা-তেজপুৰ থানা অঞ্চলত সৰ্বাধিক ১১টাকৈ হত্যা

ছমাহতে ৪৯৬টা হত্যাকাণ্ড ৰাজ্যত

চৰম নিৰাপত্তাহীনতাত ভুগিছে সাধাৰণ ৰাইজ ■ আৰক্ষীৰ সক্ৰিয়তাক লৈও প্ৰশ্ন উত্থাপন

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে উদ্‌যাপিত হোৱা 'আজাদী কা অমৃত মহোৎসৱ'ৰ সময়তে ৰাজ্যত হত্যাকাণ্ডৰ দৰে জঘন্য অপৰাধ বৃদ্ধিৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। অন্যান্য অপৰাধৰ সমান্তৰালভাৱে অস্বাভাৱিক হাৰত সংঘটিত এটাৰ পাছত আন এটা নৃশংস হত্যাকাণ্ডই জোঁকাৰি গৈছে অসমক। বিগত বৰ্ষসমূহৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি চলিত বৰ্ষৰ প্ৰথম ছমাহতে পহিলা জানুৱাৰীৰ পৰা ৩০ জুনলৈ ৰাজ্যখনত ৪৯৬টা হত্যাকাণ্ড সংঘটিত হোৱাৰ তথ্য অসম আৰক্ষীৰ সূত্ৰই সদৰী কৰিছে। সমান্তৰালভাৱে যোৱা চাৰে ১০ বছৰত ২০১২ৰ পহিলা জানুৱাৰীৰ পৰা ২০২২ৰ ৩০ জুনলৈ ৰাজ্যখনত ১৩,২৯০ টা হত্যাকাণ্ড সংঘটিত হোৱা বুলি সূত্ৰটোৱে তথ্য সদৰী কৰিছে।

ইফালে, গুৱাহাটী মহানগৰীকে ধৰি শোণিতপুৰ, তিনিচুকীয়া, বৰপেটা আদি জিলাত প্ৰায়ে সংঘটিত হৈ অহা তথা এনে অপৰাধৰ সংখ্যা দ্ৰুতহাৰত বৃদ্ধিৰ ফলত সাধাৰণ জনতাই চৰম নিৰাপত্তাহীনতাত ভুগিবলগীয়া হৈছে। বিগত বৰ্ষটোত ৰাজ্যখনত ১,১৮৫ টা হত্যাকাণ্ডৰ ঘটনা সংঘটিত হোৱাৰ সমান্তৰালভাৱে চলিত বৰ্ষৰ প্ৰথমৰ পৰাই মহানগৰীত ধাৰাবাহিকভাৱে সংঘটিত হোৱা কালাপাহাৰৰ তাৰাহীৰা কমপ্লেক্সৰ স্বত্বাধিকাৰী অণু হাজৰিকা,

১০ পৃষ্ঠাত চাওক

স্বাধীনতাৰ অমৃত মহোৎসৱৰ উদ্‌যাপন

আজি আবেলি বিধানসভাৰ চাৰিঘণ্টীয়া বিশেষ অধিবেশন

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে পালন কৰা আজাদী কা অমৃত মহোৎসৱৰ অংশৰূপে কাইলৈ অনুষ্ঠিত হ'ব অসম বিধানসভাৰ এখন বিশেষ অধিবেশন। বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া

১০ পৃষ্ঠাত চাওক

গা ধুবলৈ গৈ ভিডিঅ' প্ৰস্তুত কৰি ব্ৰহ্মপুত্ৰত পুনৰ নিৰুদ্দেশ হ'ল কিশোৰ



স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ স্বাধীনতা দিৱসৰ দিনটোতে মহানগৰীৰ পাণ্ডু ঘাটত পুনৰ সংঘটিত হ'ল এক শোকাৰহ

১০ পৃষ্ঠাত চাওক

বাংগালুৰুত অসমৰ যুৱ অভিযন্তাৰ ৰহস্যজনক মৃত্যু



অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ১৬ আগষ্ট ঃ যোৱা ১২ আগষ্টৰ নিশা নাৰায়ণপুৰৰ এজন যুৱকৰ বাংগালুৰুত ৰহস্যজনক পৰিস্থিতিত মৃত্যুৰ ঘটনাই

১০ পৃষ্ঠাত চাওক

ঘাইপথতে ই-ৰিক্সাৰ ওপৰত ডাম্পাৰ বাগৰি এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ১৬ আগষ্ট ঃ আৰক্ষী আৰু পৰিবহণ বিভাগৰ চকুৰ সন্মুখতে নিয়ন্ত্ৰণহীনভাৱে চলাচল কৰা একাংশ ডাম্পাৰৰ সন্ত্ৰাসত প্ৰায় নিয়মীয়াকৈ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। তেনে এক ঘটনাৰ পৰিণতিত আজি শোণিতপুৰৰ ঠেলামৰাৰ

১০ পৃষ্ঠাত চাওক



তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩৩°	২৭°
ডিব্ৰুগড়	৩২°	২৬°
দিল্লী	৩১°	২৬°
কলকাতা	৩৪°	২৭°
মুম্বাই	২৭°	২৬°
চেন্নাই	৩৪°	২৭°
বাংগালুৰু	২৯°	১৯°
শ্বিলং	২৪°	১৮°

১৬ আগষ্ট, ২০২২

চেঙা তেল



পতাকা উৰুওৱাৰ নামত এদিনতে কোটি কোটি টকা উপাৰ্জন কৰি আমি দেশপ্ৰেমৰেই পৰিচয় দিলো!

স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অসম আৰক্ষীৰ ব্লেক পেন্থাৰ্চ জোৱানৰ কুচ-কাৱাজ, মহানগৰীত সোমবাৰে।

■ স্বাধীনতা দিৱসত পতাকা উত্তোলন ■ বিপিএল আৰু ৰেছন কাৰ্ড থকা সকলো পৰিয়াললৈ আয়ুষ্মান কাৰ্ড ■ ম্যাদী পট্টা প্ৰদানৰ যোজা

লঘু অপৰাধৰ এক লাখ গোচৰ প্ৰত্যাহাৰ কৰিব চৰকাৰে ঃ ঘোষণা মুখ্যমন্ত্ৰীৰ

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ ছ'চিয়েল মিডিয়াত কৰা বিতৰ্কিত প'ষ্টৰ দৰে যিসমূহ অপৰাধমূলক গোচৰৰ অভিযোগ অতি গুৰুতৰ নহয়, তেনে প্ৰায় এক লাখ গোচৰ প্ৰত্যাহাৰ কৰিবলৈ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। কালি দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে গুৱাহাটীৰ খানাপাৰা খেলপথাৰত পতাকা উত্তোলন কৰি ৰাজ্যবাসীক উদ্দেশি দিয়া ভাষণত এই ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয় যে ন্যায়িক ব্যৱস্থাটোৰে যাতে নাগৰিকক ন্যায় দিয়ে আৰু তাকো ন্যূনতম সময়ত, সেয়া নিশ্চিত কৰিবলৈ ২০২২ৰ ১৪ আগষ্টৰ মাজনিশা পৰ্যন্ত ৰুজু হৈ থকা কম গুৰুতৰ গোচৰসমূহৰ ক্ষেত্ৰত চৰকাৰে এই ব্যৱস্থা লোৱাৰ ফলত প্ৰায় এক লাখ গোচৰ নিষ্পত্তি হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই কথাও ঘোষণা কৰে যে ৰাজ্যবাসীৰ চিকিৎসা সেৱা সুনিশ্চিত কৰাৰ বাবে ইউনিভাৰ্চেল হেল্থ ক'ভাৰেজ প্ৰদান কৰা হ'ব। একেদৰে প্ৰধানমন্ত্ৰী আয়ুষ্মান কাৰ্ড ৰাজ্যৰ প্ৰতিটো বিপিএল পৰিয়াল আৰু ৰেছন কাৰ্ড থকা পৰিয়ালক প্ৰদান

১০ পৃষ্ঠাত চাওক

ৰাজ্যজুৰি প্ৰাক্তন বিধায়ক-বিজেপি নেতা আব্দুল আজিজৰ ভাষ্যত তীব্ৰ প্ৰতিক্ৰিয়া

বাংলা এৰি অসমীয়াক মাতৃভাষা লিখা মিঞা মুছলমানক বেইমান আখ্যা

অগ্ৰদূত বাৰ্তা

ৰূপহীহাট, ১৬ আগষ্ট ঃ মাতৃভাষা বাংলাক এৰি অসমীয়াক মাতৃভাষাৰূপে লিখা অসমত বসবাস কৰা মিঞা মুছলমানসকলক গাড্ডাৰ, বেইমান আৰু মিৰজাফৰ বুলি প্ৰাক্তন বিধায়ক তথা বিজেপি নেতা আব্দুল আজিজে কৰা মন্তব্যক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কালি ৰূপহীহাটত এখন বিদ্যালয়ত স্বাধীনতা দিৱস উপলক্ষে পতাকা উত্তোলন কৰি তীব্ৰ অসমীয়া ভাষা বিদ্বেষী মন্তব্য কৰা শাসকীয় নেতা আজিজে এই বুলিও কয় যে তেওঁ প্ৰথমতে মুছলমান আৰু তাৰ পাছতহে ভাৰতীয়। সততে কেতবোৰ সস্তীয়া আৰু টুলুঙা মন্তব্য কৰি অহা

১০ পৃষ্ঠাত চাওক

'কা' প্ৰত্যাহাৰৰ দাবীত আজিৰে পৰা পুনৰ আন্দোলন

নেছ'ৰ আহ্বানত উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যৰে ৰাজধানীত প্ৰতিবাদ

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ হিন্দু বাংলাদেশীক অসমত সংস্থাপন দিয়াৰ পথ প্ৰশস্ত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা সংশোধিত নাগৰিকত্ব আইন (কা)ৰ বিৰুদ্ধে কাইলৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলজুৰি পুনৰ প্ৰতিবাদ

১০ পৃষ্ঠাত চাওক

জ্যেষ্ঠ সাংবাদিকৰে বাৰ্তালাপ মন্ত্ৰী হাজৰিকাৰ

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী তথা ৰাজ্য চৰকাৰৰ মুখপাত্ৰ পীযুষ হাজৰীকাই স্বাধীনতাৰ অমৃত মহোৎসৱৰ উপলক্ষে আজি

১০ পৃষ্ঠাত চাওক

জ্যেষ্ঠ সাংবাদিকসকলৰে বাৰ্তালাপত মন্ত্ৰী পীযুষ হাজৰিকা, মঙলবাৰে।

পাঁচশ টকা বিচাৰি ভাবুকি দিওতাক কাটি দুছেও কৰিলে

ৰঙাপৰাত মাজনিশা আৰক্ষী থানাত ছিন্ন মুণ্ডসহ উপস্থিত অভিযুক্ত

স্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা

তেজপুৰ/ৰঙাপৰা, ১৬ আগষ্ট ঃ পাঁচশ টকা বিচৰাক লৈ সৃষ্টি হোৱা বিবাদৰ পৰিণতিত যোৱা নিশা শোণিতপুৰৰ ৰঙাপৰাৰ

১০ পৃষ্ঠাত চাওক

দাবী ভৱেশ কলিতাৰ ঃ স্বীকাৰ কৰিলে কাৰ্যকৰী সভাপতিয়ে

বিজেপি-ইউডিএফলৈ যাবলৈ সাজু কংগ্ৰেছৰ কে'বাজনো বিধায়ক

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ ৰাজ্যৰ ৰাজনীতিত অচিৰে পুনৰ বিধায়কৰ দল বাগৰা প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। আজি তেনে সম্ভাৱনা ব্যক্ত কৰে দুটা দলৰ দুজনকৈ নেতাই। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই আজি কয় যে চলিত মাহৰ শেষত অথবা ছেপ্টেম্বৰৰ প্ৰথমতে শাসক দলত অন্যান্য দলৰ একাধিক বিধায়কে যোগ দিব। অৱশ্যে কোন দলৰ বিধায়কে

১০ পৃষ্ঠাত চাওক

উৎকোচ লৈ ধৰা পৰা কৰ্মচাৰীক জৰিমনাসহ সশ্ৰম কাৰাদণ্ড

স্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ ৰাজ্যত চৰকাৰী কামত উৎকোচৰ বজাৰ বহুওৱা একাংশ বিষয়া-কৰ্মচাৰী সঘনে তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰি আহিছে। নিৰ্দিষ্ট

১০ পৃষ্ঠাত চাওক

■ ৰাজ্যৰ সমাজ কল্যাণ বিভাগত সামগ্ৰী যোগানৰ নামত বৃহৎ কেলেংকাৰিৰ অভিযোগ ■ মুখ্যমন্ত্ৰীক তদন্তৰ ব্যৱস্থা কৰাৰ আহ্বান

এখন ষ্টীলৰ তেনেই সাধাৰণ চামুচৰ মূল্য ১৬৫ টকা, প্লেটৰ মূল্য ১১০ টকা

স্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ আগষ্ট ঃ যি বিধ ষ্টীলৰ চামুচ এডজনৰ মূল্য ৫০ টকা সেই একেই চামুচ মাত্ৰ এখনৰ মূল্য ১৬৫ টকা। তদুপৰি এখন প্লেটৰ মূল্য ১১০ টকা। সমাজ কল্যাণ বিভাগে যোগনিয়াৰৰ পৰা লাভ কৰা এনে সামগ্ৰীৰ নমুনাত লিখা আছে এই আচৰিত মূল্য। মুঠতে ৰাজ্যৰ শিশুসকলক প্ৰকৃত সোণৰ চামুচেৰে আহাৰ খুৱাব নোৱাৰিলেও মূল্যৰে কিন্তু সোণৰ চামুচেৰেই খোৱাৰ দৰে ব্যৱস্থা কৰিছে ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে। বিগত দুটা বছৰে একাংশ ঠিকাদাৰ যোগনিয়াৰে সমাজ কল্যাণ বিভাগৰ কৃপাত এনে আজৰ মূল্যৰ বিনিময়তে ৰাজ্যৰ অংগনৱাড়ী কেন্দ্ৰসমূহত

১০ পৃষ্ঠাত চাওক

বন্ধন বেংক
আগবাঢ়োঁ একেলগে
প্ৰগতিৰ বন্ধনে
470+ বেংকিং শাখা
24,75,000+ লোকৰ জীৱন সলনি
3,36,000+ সামাজিক উন্নয়নৰ উপভোক্তা

বিজ্ঞাপনৰ বিশেষ ৰেহাই

মাত্ৰ দুশ টকাত
■ শোক বাৰ্তা

মাত্ৰ পাঁচশ টকাত
■ কৃতিত্ব বাৰ্তা

মাত্ৰ তিনিশ টকাত
পাত্ৰ-পাত্ৰীৰ বিজ্ঞাপন

বিজ্ঞাপন বিভাগ
দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ
ফোন ঃ ৯৮৬৪৮৯৭১৭৫
৯৮৬৪৬২০০৬৫

NAME CHANGED

I Ajit Kumar Das village Azara Medhipara P. O. & P. S. Azara Kamrup Metro change my name Ajit Das to Ajit Kumar Das before the court of Judicial Magistrate ,1st Class , Kamrup Metro at Guwahati dt.4/8/2022. Ajit Kumar Das and Ajit Das is the same and one person.

পদ খালী

Direct Posting গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা **Free** দৰমহা ৩০,০০০/- টকালৈকে।

Perfect Jobsite
Dispur
9864020419,
8011007148

জ্যোতিষী

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
(M) 8099336044.

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ **ৰত্নসাগৰ**
জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।

জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
ড° ত্ৰিকাল ৰাজগুৰু
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
(M) 9954021556,
9957066469.

ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

ধুবুৰী, ১৬ আগষ্ট ঃ ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে উলহ-মালহেৰে উদ্‌যাপন কৰে।পুৱা ন বজাত ধেমাজিৰ নাৰকীয় শিশু হত্যাকাণ্ডৰ বাবে পতাকা অৰ্ধনমিত কৰি প্ৰতিবাদ সাব্যস্ত কৰা হয়। ৯.৩০ বজাৰ পৰা মুকলি সভা আৰম্ভ হয়। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰি অগ্নিস্তোত্ৰ পাঠ কৰে সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ড° মৌচুমী ভট্টাচাৰ্যই। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই আঁতধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° সুস্মিতা সেনগুপ্তাৰ তত্ত্বাৱধানত বিশিষ্ট শিল্পী লোকনাথ গোস্বামীৰ কথা-সুৰেৰে নিৰ্মিত মহাবিদ্যালয় সংগীত সমূহীয়াভাৱে পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ আব্দুল মতলেব মণ্ডল আৰু পৰিসংখ্যা বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ ড° ব্ৰজেন্দ্ৰকান্ত শৰ্মাই। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাৰ দ্বাৰা সময়ে সময়ে প্ৰকাশ পোৱা গৱেষণাধৰ্মী প্ৰবন্ধৰ সংকলন স্পেকটাম উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সন্মানীয় অতিথিদ্বয়ে। উন্মোচন আৰু অধ্যাপক-অধ্যাপিকাক সম্বৰ্ধনা প্ৰদান অনুষ্ঠানৰ আঁত ধৰে পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° হিতেন শৰ্মাই। ভাষণ প্ৰসংগত আব্দুল মতলেব মণ্ডল আৰু ড° ব্ৰজেন্দ্ৰকান্ত শৰ্মাই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ ইতিহাস দাঙি ধৰাৰ লগতে ছাত্ৰ-ছাত্ৰীলৈ বহুমূলীয়া উপদেশ প্ৰদান কৰে। অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে মহাবিদ্যালয়খনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীবৃন্দক জীৱন গঢ়াৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। বিভিন্ন কোষৰ উৎকৃষ্ট মানৰ কামৰ বাবে সমন্বয়ক ড° ছেমুৱেল শ্বেখ আৰু সুমিত পালক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত কৃতীমান-ধৃতিমান ছাত্ৰ-ছাত্ৰীবৃন্দক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত ড° উপেন্দ্ৰজিৎ শৰ্মাই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ ইতিহাস দাঙি ধৰাৰ লগতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক সৎকৰ্ম, সৎ চিন্তাৰে আগবাঢ়ি নিজৰ জীৱন গঢ়াৰ লগতে নিজৰ সমাজ, অঞ্চলক আগবঢ়াই দেশখনৰ সুনাগৰিক হ'বলৈ আহ্বান জনায়। জাতীয় সংগীত পৰিৱেশনেৰে আজি এই অনুষ্ঠানৰ সামৰণি পৰে।

নাওবৈচাত 'মানৱ জীৱনৰ গতিধাৰাৰ লগত গীতাৰ প্ৰাসংগিকতা' শীৰ্ষক ধৰ্মালোচনী সভা

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ১৬ আগষ্ট ঃ 'পৰোপকাৰতকৈ আনন্দ নাই, ত্যাগতকৈ শান্তি নাই।'— এই মন্তব্য আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীৰ। নাওবৈচা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন্দ্ৰ নাথ শৰ্মাৰ অৱসৰ গ্ৰহণৰ প্ৰাকমুহূৰ্তত মহাবিদ্যালয়খনত আজি আয়োজন কৰা ধৰ্মালোচনী সভাত 'মানৱ জীৱনৰ গতিধাৰাৰ লগত গীতাৰ প্ৰাসংগিকতা' শীৰ্ষক বিষয় সন্দৰ্ভত ব্যাখ্যা প্ৰসংগত এই মন্তব্য কৰে। তদুপৰি গীতাৰ বিষাদ যোগ, সংখ্যা জ্ঞান আৰু শ্ৰীকৃষ্ণ, অৰ্জুন, সঞ্জয়, ধৃতৰাষ্ট্ৰ এই চৰিত্ৰ-ব্যক্তিত্বৰ সম্পৰ্কে আলোচনা কৰি সত্ৰাধিকাৰজনে কয়, 'এলাহ, আলোচ্য আৰু নিদ্ৰা যি ছাত্ৰ-ছাত্ৰীয়ে পৰিত্যাগ কৰে তেওঁ কেতিয়াও জীৱনত উজুটি খাবলগীয়া নহয়।' মহাবিদ্যালয়খনৰ অধ্যক্ষ নগেন্দ্ৰ নাথ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোৰ ধৰ্মালোচনী সভাখন উদ্বোধন কৰে লখিমপুৰ ঘাৰমৰা সৰু সত্ৰাধিকাৰ বিষ্ণুদেৱ গোস্বামীয়ে। গোস্বামীয়ে নৱ প্ৰজন্মক গুৰু দুজনাৰ অনুপম সৃষ্টিসমূহক বুজিবলৈ আশ্বাস জনায়। নাওবৈচা কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰবক্তা কল্পনা বৰাই পৰিৱেশন কৰা এটি বৰগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত সম্বৰ্ধনা বাণী মইনা পাৰিজাত দলে পৰিৱেশন কৰা দিহানামো পৰিৱেশন কৰা হয়।

সমাজকৰ্মী নৰেন চন্দ্ৰ শইকীয়াৰ মৃত্যু

বিশেষ সংবাদদাতা

নগাঁও, ১৬ আগষ্ট ঃ নগাঁও চহৰৰ সমীপৰ ডিফলুৰ বিশিষ্ট সমাজকৰ্মী নৰেন চন্দ্ৰ শইকীয়া (৮৮)ৰ আজি বিয়লি মৃত্যু হয়। কালি শইকীয়া হঠাতে অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে স্থানীয় এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰে। আজি বিয়লি চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। স্থানীয় বিভিন্ন সামাজিক, সাংস্কৃতিক কাম-কাজৰ লগত জড়িত শইকীয়া এগৰাকী সুদক্ষ ফুটবলাৰ আছিল। শইকীয়াৰ মৃত্যুত স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ, কন্যাসহ বহু আত্মীয়ক এৰি গৈছে।

No. B/GLP/DFO (T)/Timber Lot/E-Tender/4980

NOTICE INVITING E-TENDER FOR SALE OF TIMBER LOTS UNDER GOALPARA FOREST DIVISION (T), GOALPARA

This is for general information to all concerned that 42 (Fort Two) Nos. of timber lots which have been kept in various Range Headquarter/Beat/Depot under Gaolpara Forest Division (T), Goalpara are intended to be sold by e-tender as per 'Assam Sale of Forest Produces Coupes and Mahal Rule' 1977 and Amended Rules' 2000'.

The details of E-Tender will be available on **www.assamforestonline.in** portal from **18/08/2022 (1.00PM) to 12/09/2022 (5.00PM).**

Sd/-
Divisional Forest Officer (T),
Goalpara Division, Goalpara

Janasanyog/C/8228/22

NIT NO. B/TIM/Timber Lot/E-Tender/234/1

NOTICE INVITING E-TENDER FOR SALE OF TIMBER LOTS UNDER NORTH KAMRUP DIVISION.RANGIA

This is for general information to all concerned that timber lots which have been kept in various Range Headquarter/Beat/Sub-Beat under North Kamrup, Division, Rangia are intended to be sold by e-tender as per 'Assam Sale of Forest Produces Coupes and Mahal Rule' 1977 and Amended Rules'2000'.

The details of E-tender will be available on https://www.assamforestonline.in portal from 20.08.2022 (12.00 PM) to 13.09.2022 (5.00 PM).

E-tender date is fixed on 12-09-2022 at 11.00 AM to 2.00 PM.

Divisional Forest Officer
North Kamrup Division, Rangia.

Janasanyog/C/8268/22

শব্দ-বেহ ঃ ১৭ আগষ্ট ২০২২

শিৱসাগৰত ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৬ আগষ্ট ঃ শিৱসাগৰ জিলাত শান্তি-শৃংখলাৰ পৰিস্থিতি বিঘ্নিত হোৱাৰ আশংকা কৰি শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ বিতোপন নেওগ স্বাক্ষৰিত নিৰ্দেশযোগে সমগ্ৰ শিৱসাগৰ জিলাত তৎকালে বলৱৎ হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি ৰাজহুৱা স্থানত পাঁচজন বা ততোধিক লোকৰ সমাৱেশ, সভা-সমিতি পতা, শোভাযাত্ৰা উলিওৱা, ছহিদ বেদী নিৰ্মাণ, দেৱাল লিখন, শ্ল'গান ছপা কৰা, কোনো লোক বা ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয় আদিত যিকোনো ধৰণৰ বৰঙণি সংগ্ৰহ বা প্ৰদান কৰা নিষিদ্ধ কৰিছে। জিলাখনত অসামাজিক লোক তথা উগ্ৰপন্থীৰ আইন বিৰুদ্ধ কাৰ্যকলাপ, গুলিচালনা, হত্যা, অপহৰণ বা ধনলুটৰ আশংকা কৰি দুচকীয়া বাহনত দুজন বা ততোধিক লোকৰ বিচৰণো নিষিদ্ধ কৰিছে। অৱশ্যে ৬০ বছৰ উৰ্ধৰ লোক, ১২ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালী, মহিলা, চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু আৰক্ষীৰ লোকক এই নিষেধাজ্ঞাৰ পৰা ৰেহাই দিয়া হৈছে।

নলবাৰীত অটল বিহাৰী বাজপেয়ীক স্মৰণ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৬ আগষ্ট ঃ নলবাৰী জিলাৰ পূব নলবাৰী মণ্ডল বিজেপিৰ উদ্যোগত যজ্ঞভূমিস্থিত মণ্ডল কাৰ্যালয়ত আজি সন্ধিয়া দলটোৰ প্ৰতিষ্ঠাপক, প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰত ৰত্ন, প্ৰয়াত অটল বিহাৰী বাজপেয়ীক স্মৰণ কৰা হয়। মণ্ডল যুৱ মৰ্চাৰ সভাপতি অনুপম মেধিয়ে আঁতধৰা অনুষ্ঠানত বিজেপিৰ জিলা উপ-সভাপতি তথা পৌৰসভাৰ কমিছনাৰ জয়ন্ত বুজৰবৰুৱা, মণ্ডল বিজেপিৰ সভাপতি প্ৰতুল কলিতা, জিলা বিষয়ববীয়া মিন্টু তামুলী, অপূৰ্ব শৰ্মা আদি বহু সংখ্যকে বন্তি প্ৰজ্বলন, প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি স্মৰণ কৰে। অনুষ্ঠানত ভাষণ ৰাখি জিলা উপ-সভাপতি জয়ন্ত বুজৰবৰুৱাই কয় যে অটল বিহাৰী বাজপেয়ীক শ্ৰদ্ধাঞ্জলি জনালেই নহয় তেওঁৰ আদৰ্শ, নীতি প্ৰতিটো দিশতে কাৰ্যকৰ্তাসকলে পালন কৰিলেহে প্ৰকৃতাৰ্থত শ্ৰদ্ধা জনোৱা হ'ব। তেওঁ লগতে কয় যে বিজেপিয়ে এটা দল যিটো দলে দেশক সকলো দিশতে আগবঢ়াই নিব বুলিও ব্যক্ত কৰে।



অসম চৰকাৰ
অন্তৰ্দেশীয় জল পৰিবহন, অসম
GOVERNMENT OF ASSAM
OFFICE OF THE DIRECTOR: INLAND WATER TRANSPORT, ASSAM
ULUBARI, GUWAHATI-7

Website: http://iwtdirectorate.assam.gov.in/Telephone no-0361-2526421 E-mail: diriwtassam01@gmail.com

No : DWT-(T) 01/2022-23/39

Notice Inviting Quotation

Sealed Quotation affixing court Fee stamp at Rs 8.25 (Rupees eight and paise twenty five) only are invited by the undersigned from the Registered/approved Contractor/Supplier under I.W.T Department Assam, for approval of all rates for supply of approach & hardware materials under IWT Department, Assam, Guwahati. Detailed particulars may please be obtained from the office of the undersigned on all working days during office hours on payment of Rs 500.00 (Rupees Five hundred) only in the form of Demand draft in favour of Director IWT Assam, Ulubari, Guwahati-7.

Quotation will be received up to 1.00 PM on 30th August and will be opened on the same date at 3.00 PM in presence of intending quotationer or their authorized representative in the office of the undersigned.

Director
Inland Water Transport, Assam
Ulubari, Guwahati-7

Janasanyog/C/8184/22

ডংমুছা (উইক্‌লী) প্ৰাইভেট লিমিটেড
চি আই এন ঃ ইউ ২২১২১ এ এছ ১৯৮৭ পি টি চি ০০২৭১৪
পঞ্জীকৃত কাৰ্যালয় ঃ জি এছ ৰোড, দিছপুৰ, গুৱাহাটী-৭৮১০০৫, অসম
ইমেইল আই ডি. sentinelnortheast@gmail.com; ম'বাইল নং ৯৭০৬০১০৫১৮

"প্ৰপত্ৰ নং আই এন চি-২৬"
[কোম্পানী (নিগমবদ্ধকৰণ) অধিনিয়ম, ২০১৪ ৰ নিয়ম নং ৩০ অনুসৰি]
কোম্পানীৰে পঞ্জীকৃত কাৰ্যলয় এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ স্থানান্তৰ কৰাৰ বাবে বাতৰি কাকতত প্ৰকাশ পাবলগীয়া বিজ্ঞাপন

কেন্দ্ৰীয় চৰকাৰৰ

আঞ্চলিক সঞ্চালক, উত্তৰ-পূব অঞ্চল'ৰ আগত কোম্পানী আইন ২০১৩ ৰ ১৩ নং ধাৰাৰ ৪ নং উপ ধাৰা আৰু কোম্পানী (নিগমবদ্ধকৰণ) অধিনিয়ম, ২০১৪ ৰ ৩০ নং নিয়মৰ ৫ নং উপনিয়মৰ দফা (ক)

আৰু

ডংমুছা (উইক্‌লী) প্ৰাইভেট লিমিটেড,
পঞ্জীকৃত কাৰ্যালয় জি এছ ৰোড, দিছপুৰ, গুৱাহাটী-৭৮১০০৫, অসম সম্পৰ্কত

ইয়াৰ দ্বাৰা সাধাৰণ ৰাইজক জনোৱা হ'ল যে কোম্পানীয়ে ইয়াৰ পঞ্জীকৃত কাৰ্যালয় 'অসম ৰাজ্য'ৰ পৰা 'মেঘালয় ৰাজ্য' লৈ পৰিৱৰ্তন কৰিবলৈ সমৰ্থ হোৱাৰ উদ্দেশে ২৪ জুন, ২০২২ ত অনুষ্ঠিত বিশেষ সাধাৰণ সভাত গৃহীত বিশেষ প্ৰস্তাৱ সম্পৰ্কত কোম্পানীৰ সহযোগিতাৰ চুক্তি পৰিৱৰ্তনৰ নিশ্চয়তা বিচাৰি কোম্পানী আইন, ২০১৩ ৰ ১৩ নং ধাৰাৰ অধীনত কেন্দ্ৰীয় চৰকাৰলৈ আবেদন কৰাৰ প্ৰস্তাৱ কৰিছে।

কোম্পানীৰ পঞ্জীকৃত কাৰ্যালয়ৰ প্ৰস্তাৱিত পৰিৱৰ্তনৰ দ্বাৰা স্বাৰ্থ বিঘ্নিত হোৱাৰ সম্ভাৱনা থকা যি কোনো ব্যক্তিয়ে হয় বিনিয়োগকাৰী অভিযোগ প্ৰপত্ৰ পূৰণ কৰি এম চি এ-২১ পৰ্টেল (www.mca.gov.in) ত যাব পাৰে, নহয় তেওঁৰ/তাইৰ স্বাৰ্থৰ প্ৰকৃতি আৰু বিৰোধিতাৰ ভিত্তি উল্লেখ কৰি এখন শপত নামাসহ তেওঁৰ/তাইৰ অভিযোগ পঞ্জীকৃত ডাকযোগে তলত উল্লেখিত ঠিকনাৰ পঞ্জীকৃত কাৰ্যালয়লৈ আবেদকাৰী কোম্পানীৰ নিমিত্তে এটা কপিসহ এই জাননী প্ৰকাশৰ চৈধ্য দিনৰ ভিতৰত আঞ্চলিক সঞ্চালকলৈ ৫ ম মহলা, পৃথিপ্ৰেনেট, হনুমান মন্দিৰৰ পিছফালে, উলুবাৰী, জি এছ ৰোড, গুৱাহাটী-৭৮১০০৭, অসমৰ ঠিকনাত দিয়াব বা পঠিয়াব পাৰেঃ

পঞ্জীকৃত কাৰ্যালয়ৰ ঠিকনা ঃ জি এছ ৰোড, দিছপুৰ, গুৱাহাটী ৭৮১০০৫, অসম

হকে আৰু হৈ
ডংমুছা (উইক্‌লী) প্ৰাইভেট লিমিটেড
স্বাক্ষৰ/-
ৰাহুল ৰাঘৱ ৰাজখেৱা, সঞ্চালক
ডি আই এন ঃ ০১৭৬৭২৪৫
তাৰিখ ঃ ১৬-০৮-২০২২
স্থানঃ গুৱাহাটী



আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৩১ শাওণ বুধবাৰ ১৭ আগষ্ট

সূৰ্যোদয় ঃ ঘঃ ৪।৫৮।৪০, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫৪।২৫। **তিথি ঃ** কৃষ্ণা ষষ্ঠী, দং ৪৭।২০।৩৮ ৰাঘঃ ১১।৫৪।৫৯। **নক্ষত্ৰ ঃ** অশ্চিনী, দং ৫৩।১৩।২১ ৰাঘঃ ২।১৬।০। **যোগ ঃ** গণ্ড, দং ৫২।৩৫।৩৭ ৰাঘঃ ২।০।৫৫। **কৰণ ঃ** গৰ। **জন্মত ঃ** মেষৰাশি, ক্ষত্ৰিয়বৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱগণ, ঘোঁৰাৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী শুক্ৰ, বিংশোত্তৰী কেতুৰ দশা, ৰাঘঃ ২।১৬।০ যোৱাত মনুষ্যগণ হাতীৰ অস্থি, বিংশোত্তৰী শুকুৰ দশা। **আদ্যঋতু হ'লে ঃ** ৪৫ দিনীয়া দুঃশীলা যোগ। **মৰণত দোষ ঃ** নাই, ৰাঘঃ ১১।৫৪।৫৯ যোৱাত এপদ। **যোগিনীঃ** পশ্চিমত, ৰাঘঃ ১১।৫৪।৫৯ যোৱাত বায়ুকোনত । **যাত্ৰা ঃ** নাই, সংক্ৰ্যান্তাদি দোষ । **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** নিমতিতা, ৰাঘঃ ১১।৫৪।৫৯ যোৱাত নিমতিতা খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ পুৰণি চেষ্টাৰ সুফল পাব, কৰ্মতৎপৰতা বৃদ্ধি, পূব দিশত ভ্ৰমণ নকৰিব। ব্যয় বৃদ্ধি, ভয় শংকা বৃদ্ধি, নীলা ৰং শুভ, শুভ সংখ্যা ২।

বৃষ ঃ বন্ধুৰ পৰা উৎসাহ পাব, কৰ্মক্ষেত্ৰত মাধ্যম, আকোঁৰগোজ মনোভাৱে ক্ষতি কৰিব পাৰে, শনি মন্দিৰ দৰ্শন কৰক, শুভ ৰং মাখন, শুভ সংখ্যা ৬।

মিথুন ঃ জ্ঞানী বা সৎলোকৰ সান্নিধ্য লাভ কৰিব, কৰ্মত মাধ্যম, নিবনুৱাৰ কৰ্মসংস্থাপনৰ যুগ, মূল্যৱান সম্পদ লাভ, শুভ ৰং ৰঙা, শুভ সংখ্যা ৩।

কৰ্কট ঃ পৰিশ্ৰমৰ উপযুক্ত মৰ্যাদা পাব, ব্যৱসায়-বাণিজ্যত উন্নতি, শৰীৰৰ কিছু বিষ অনুভৱ হ'ব পাৰে, বিদ্যাত মাধ্যম, শুভ ৰং কমলা , শুভ সংখ্যা ৯।

সিংহ ঃ সন্মান বৃদ্ধি, কৰ্মস্থানত কিছু জটিলটা থাকিব পাৰে, আনৰ পৰা প্ৰশংসা পাব, ঘৰুৱা মাধ্যম, অৰ্থ লাভ, শুভ ৰং সেউজীয়া, শুভ সংখ্যা ৪।

কন্যা ঃ ৰাজনৈতিক আৰু সামাজিক, দূৰ ভ্ৰমণৰ যুগ, কৰ্মত উন্নত, পাৰিবাৰিক শান্তি, শিৱ মন্দিৰ দৰ্শন কৰক, শুভ, শুভ ৰং কমলা , শুভ সংখ্যা ৭।

তুলা ঃ কৰ্মস্থানত উন্নতি, বন্ধুৰ পৰা উৎসাহ পাব, কাৰ্যকৰী চিন্তা, খং নকৰিব। পূব দিশত ভ্ৰমণ নকৰিব, শুভ ৰং গেৰুৱা, শুভ সংখ্যা ৪।

বৃশ্চিক ঃ শত্ৰু বৃদ্ধি, যানবাহন ক্ৰয় কৰিব পাৰিব। পানীৰ পৰা সাৱধান, কৰ্ম উন্নতি, শুভ ৰং মাখন, শুভ সংখ্যা ৮।

ধনু ঃ কাৰ্যসিদ্ধি, সৎ আৰু গুণিলোকৰ সান্নিধ্যৰ পৰা উন্নতি লাভ, খৰচ বৃদ্ধি, মামলা-মোৰ্কদমাৰ পৰা জয় লাভ, শুভ ৰং মাখন, শুভ সংখ্যা ৭।

মকৰ ঃ কায ক্ষেত্ৰত সন্মান বৃদ্ধি, সামাজিক দিশত নিষ্ঠা আৰু সততা বৃদ্ধি, প্ৰেমত শুভ, পাৰিবাৰিক শান্তি, শুভ ৰং ক্ৰীম। শুভ সংখ্যা ২।

কুম্ভ ঃ কৰ্মযোগ্যতা বৃদ্ধি, আপোনাৰ সৰলতাই আনে আঘাত কৰিব পাৰে। সোণ ধাৰণ কৰক, খৰচ বৃদ্ধি, শুভ ৰং মাখন, শুভ সংখ্যা ৪।

মীন ঃ শুভ কাম পুৱাৰ ভাগত সম্পন্ন , কৰিব, যানবাহনৰ পৰা কষ্ট হ'ব পাৰে, ধৈৰ্য্য শান্তি, উদাৰতা প্ৰকাশ পাব, বিদ্যাত মাধ্যম, শুভ ৰং বগা। শুভ সংখ্যা ৩।

দক্ষিণ কামৰূপৰ বৰিহাটৰ প্ৰৱঞ্চক নিপু দাসক গ্ৰেপ্তাৰ পলাশবাৰী আৰক্ষীৰ

■ প্ৰৱঞ্চনাৰে কোটি কোটি টকা লুটি পিষ্টলেৰে গৰাকীকেই হত্যাৰ চেষ্টা

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ১৬ আগষ্ট ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী থানাৰ অন্তৰ্গত বৰিহাটৰ নিপু দাসে তিনিজনীয়া প্ৰৱঞ্চকৰ দলেৰে মিলি লুটিলে কোটি কোটি টকা। অৱশেষত এশ গৰু মাৰিলে বাঘৰো মৰণ মিলাৰ দৰেই দশা হ'ল নিপু দাসৰ। উক্ত অঞ্চলটোৰে সুশীল শৰ্মা আৰু ৰাজেশ ঠাকুৰীয়াৰ স'তে মিলি তিনি প্ৰৱঞ্চকে দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইৰ লোকৰ পৰা কোটি কোটি টকা ধাৰলৈ লৈ কিছুদিনৰ ভিতৰতে দুগুণকৈ বৃদ্ধি কৰি দিয়াৰ প্ৰলোভন দেখুৱাই পাছত পলাই পত্ৰং দিয়ে।

আঠ পৃষ্ঠাত চাওক

দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৭ আগষ্ট, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

■ নগাঁও জিলাত শ শ শিশু শ্ৰমিকৰ স্বাধীনতা কুক্ষিগত কৰিছে এচাম ধনৱান লোকে

স্বাধীনতাৰ ৭৫ বছৰতো পৰাধীন একাংশ দুৰ্ভগীয়া শিশু

ডিব্ৰুগড়ত স্বাধীনতা দিৱসৰ মাৰ্চ পাষ্টৰ অভিবাদন গ্ৰহণ কৰিছে মন্ত্ৰী অতুল বৰাই।

■ হেমেন কুমাৰ দাস

নগাঁও, ১৪ আগষ্ট ঃ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে সমগ্ৰ দেশজুৰি অতি আড়ম্বৰপূৰ্ণভাৱে স্বাধীনতাৰ অমৃত মহোৎসৱৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ সময়তে নগাঁও জিলাত শ শ শিশু শ্ৰমিকে কেৱল দৰিদ্ৰতাৰ বাবেই গোলামীৰ গৰল পান কৰি থাকিবলগীয়া হৈছে। এওঁলোকৰ বাবে স্বাধীনতা কেৱল এক প্ৰহসন মাথোঁ। তেওঁলোকৰ সকলো স্বাধীনতা কুক্ষিগত কৰিছে এচাম ধনৱান লোকে। প্ৰতি পদে পদে খৰ্ব হৈছে এই শিশু শ্ৰমিকসকলৰ স্বাধীনতা।

উল্লেখ্য যে এমুঠি ভাত, এডোখৰ কাপোৰৰ প্ৰয়োজনতকৈ এখন কিতাপৰ প্ৰয়োজনক অধিক গুৰুতৰ অনুভৱ কৰিয়েই বুকুত শিল বান্ধিয়েই নিজৰ সন্তানক আনৰ ঘৰলৈ শ্ৰমিকৰূপে পঠিয়াইছে একাংশ অভাৱী লোকে। আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ; কিন্তু শিশুসকলক সুস্থ-সবল আৰু উপযুক্ত নাগৰিকৰূপে গঢ়ি তুলিবলৈ উপযুক্ত শিক্ষা-দীক্ষা প্ৰদান কৰি তেওঁলোকৰ প্ৰতি যত্নৱান হোৱাকৈ সক্ষম নহয় বহু পৰিয়াল। নগাঁও, মৰিগাঁও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ একাংশ লোকে কেৱল পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবেই এই শিশুসকলৰ প্ৰতি যত্নৱান হ'ব পৰা নাই। ইয়াৰেই সুযোগ গ্ৰহণ কৰি একাংশ তথাকথিত সম্ভ্ৰান্ত আৰু ধনৱান লোকে এই দুৰ্ভগীয়া শিশুসকলক তেওঁলোকৰ ল'ৰালিৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি প্ৰায় বলপূৰ্বক পিতৃ-মাতৃৰ বুকুৰ পৰা আঁজুৰি আনি শ্ৰমিকৰূপে ব্যৱহাৰ কৰি থকা পৰিলক্ষিত হৈছে। অথচ শিশু শ্ৰমিক (প্ৰতিৰোধ আৰু ব্যৱস্থাপনা) আইন ১৯৮৬ মতে, ১৪ বছৰ বয়সৰ তলৰ কোনো শিশুকেই শ্ৰমিকৰূপে ব্যৱহাৰ কৰিব নোৱাৰে। এই আইন

ছয় পৃষ্ঠাত চাওক

আজাৰাৰ সমাজকৰ্মী ৰঞ্জিত মেধিৰ মৃত্যু

নাট্য আন্দোলনৰ গুৰি ধৰোতাৰ মৃত্যুত শোকস্তব্ধ আজাৰাবাসী

অগ্ৰদূত বাৰ্তা

আজাৰা, ১৬ আগষ্ট ঃ আজাৰা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা আজাৰাৰ নাট্য আন্দোলনৰ অন্যতম গুৰি ধৰোতা ৰঞ্জিত মেধিৰ যোৱা ১৫ আগষ্টৰ পুৱতি নিশা পৰলোকপ্ৰাপ্তি ঘটে। দুদিন পূৰ্বে হঠাৎ স্বাস্থ্যৰ অৱনতি ঘটাত ততাতৈয়াকৈ গুৱাহাটীৰ ৰেলৰে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তাতেই ৮০ বছৰ বয়সত শেষ নিশ্বাস

ছয় পৃষ্ঠাত চাওক

হামৰেণত ৭৫ সংখ্যক স্বাধীনতা দিৱসত অঘটন

■ পেৰেড চলি থকাৰ মাজতে পেৰেড গ্ৰাউণ্ডত ঢলি পৰিল ছাত্ৰ-ছাত্ৰী, আৰক্ষী জোৱানৰ

অগ্ৰদূত বাৰ্তা

ডংকামোকাম, ১৬ আগষ্ট ঃ সমগ্ৰ দেশৰ লগতে পশ্চিম কাৰ্বি আংলঙতো দেশৰ ৭৫ সংখ্যক স্বাধীনতাৰ 'আজাদী কা অমৃত মহোৎসৱ' উদ্‌যাপন কাৰ্যসূচী শান্তিপূৰ্ণভাৱে সামৰণি পৰে। পুৱা ছয় বজাৰ পৰা জিলাখনৰ সদৰ হামৰেণস্থিত ৰংবং ৰংহাং খেলপথাৰত দিনজোৰা এক বৰ্ণীল কাৰ্যসূচীৰে উদ্‌যাপন কৰা কাৰ্যসূচীত সহস্ৰাধিক লোকৰ উপস্থিতিত জিলা উপায়ুক্ত কৃষ্ণা বৰুৱাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। ইপিনে, পুৱাৰে পৰা প্ৰখৰ ৰ'দকো নেওচি ৰংবং ৰংহাং খেলপথাৰত কটকটীয়া নিৰাপত্তাৰ মাজত সদৰৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে পেৰেড গ্ৰাউণ্ডত

ছয় পৃষ্ঠাত চাওক

হাজোত যৌতুকৰ বাবে গৰ্ভৱতী পত্নীক হত্যাৰ অভিযোগ ঃ স্বামীক আটক

অগ্ৰদূত বাৰ্তা

হাজো, ১৬ আগষ্ট ঃ হাজো আৰক্ষী থানাৰ অন্তৰ্গত বৰ্ণিত যৌতুক বিচাৰি এগৰাকী গৰ্ভৱতী মহিলাক স্বামীয়ে নিৰ্মমভাৱে হত্যা কৰাৰ এক অবাঞ্ছিত ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত অভিযোগ মতে, প্ৰায় ১০ মাহ পূৰ্বে বৰ্ণিৰ ছফিকুল হক নামৰ যুৱকজনে নলবাৰীৰ কৰিয়াৰ মামণি বেগম নামৰ যুৱতীগৰাকীক সামাজিকভাৱে বিয়া কৰায়। বিয়াৰ পাছৰ পৰাই যৌতুক বিচাৰি ছফিকুলে প্ৰায়ে শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলাই অহাৰ অভিযোগ পিতৃ পৰিয়ালৰ। পিতৃ পৰিয়ালে অভিযোগ কৰা মতে, চাৰিমহীয়া অন্তঃসত্ত্বা মামণিক স্বামী ছফিকুলে নিৰ্মমভাৱে হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা কৰে। কেৱল এয়াই নহয় বিভিন্ন সময়ত ধন দাবী কৰি পত্নীক মানসিক নিৰ্যাতনো চলাই আহিছিল

ছয় পৃষ্ঠাত চাওক

ভগ্নীৰ জন্মদিন পালন কৰিবলৈ গৈ জীয়াভৰলী নৈত সন্ধানহীন যুৱক

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ আগষ্ট ঃ জ্যেষ্ঠ ভগ্নীৰ জন্মদিন জীয়াভৰলীৰ পাৰত উদ্‌যাপন কৰিবলৈ আহি কালি বিয়লি প্ৰায় ৪-৩০ বজাত এজন যুৱক সন্ধানহীন হয় শোণিতপুৰৰ সোণাইপাম অঞ্চলত। উল্লেখ্য যে চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত লখৰাৰ শ্যামৰাই নামৰ যুৱকজনে তেওঁৰ জ্যেষ্ঠা ভগ্নীৰ জন্মদিন উপলক্ষে পৰিয়ালৰ আন একাংশ ভ্ৰাতৃ-ভগ্নীসহ জীয়াভৰলীৰ পাৰত জন্মদিন উদ্‌যাপন কৰিবলৈ আহিছিল। বিয়লি প্ৰায়

ছয় পৃষ্ঠাত চাওক

পৰ্যটনস্থলী দ্বাৰাগাঁৱত অবৈধ সুৰাৰ মুকলি বেহা

সুৰাপায়ীয়ে বিনষ্ট কৰিছে দ্বাৰাগাঁৱৰ পৰিৱেশ

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ১৬ আগষ্ট ঃ পানীৰ পৰ্যটনৰ বাবে বিখ্যাত বাগ্‌সাৰ দ্বাৰাগাঁও। প্ৰকৃতিৰ শীতল কোলাত উমলিবলৈ দৈনিক আগমন ঘটে শ শ পৰ্যটকৰ। ভাৰত ভূটান সীমান্তৱৰ্তী এই ঠাইখন বিগত তিনি-চাৰি বছৰৰ পৰা অতিকৈ চৰ্চাৰ কেন্দ্ৰ হৈ পৰিছে। শ্বিলং কিম্বা

ছয় পৃষ্ঠাত চাওক

দুমুনিচকীত দুৰ্ঘটনা ঃ আহত এক

দুমুনিচকী ১৬ আগষ্ট ঃ ছিপাঝাৰৰ আৰক্ষী থানাৰ অন্তৰ্গত দুমুনিচকীত আজি আবেলি এক পথ দুৰ্ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্য মতে, ১৫ নম্বৰ ঘাইপথৰ গুৱাহাটী অভিমুখে দুখন বাহন আহি আছিল। আগত আহি আছিল পালছাৰ দুচকীয়া বাহন। বাহনখনৰ নম্বৰ এএছ-২৫ আৰ-২৭২২ ।পাছফালৰ পৰা আহি আছিল এখন বলেনো বাহন। বাহনখনৰ নম্বৰ এএছ-০১ ডিএ- ৩১৫০ পাছফালৰ পৰা আহি থকা বলেনো বাহনখনে দুচকীয়া বাহনখনত খুন্দা মাৰে ফলত মটৰ চাইকেল আৰোহীজন গুৰুতৰ আঘাতপ্ৰাপ্ত হয়। স্থানীয় লোকে সংকটজনক অৱস্থাত ততাতৈয়াকৈ ছিপাঝাৰ উপ-স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰে। সঘনাই এই পথছোৱাত দুৰ্ঘটনা হোৱা কাৰণ ৰাইজে পথটো ঠেক হোৱা বুলি উল্লেখ কৰিছে। গুৰুতৰ আঘাতপ্ৰাপ্ত লোকজনৰ নাম বৰ্তমানলৈ জানিব পৰা হোৱা নাই।

বগা হাতীত পৰিণত অটল জ্যোতি যোজনাৰ ষ্ট্ৰীট লাইট

অগ্ৰদূত বাৰ্তা

উত্তৰ গুৱাহাটী, ১৬ আগষ্ট ঃ গুৱাহাটী সমষ্টিৰ সাংসদ কুইন ওজাই সাংসদ পুঁজিৰে অটল জ্যোতি যোজনাৰ অধীনত উত্তৰ গুৱাহাটী পৌৰসভা অঞ্চলৰ লগতে পঞ্চায়ত অঞ্চলতো কিছু সংখ্যক ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰিছিল। সৌৰশক্তি আৰু বেটাৰী সংযুক্ত ষ্ট্ৰীট লাইট লগোৱাত পথত পোহৰৰ ব্যৱস্থা দেখি উৎফুল্লিত হৈ পৰিছিল

ছয় পৃষ্ঠাত চাওক

সগৌৰৱেৰে ৭৫ বছৰ গৰকিলে অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ে

■ কাইলৈৰ পৰা আৰম্ভ হ'ব বছৰজোৰা মহাৰজত জয়ন্তী

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৬ আগষ্ট ঃ স্বনিৰ্ভৰশীল অসম গঢ় দিয়াৰ লক্ষ্যৰে ১৯৪৮ৰ ১৮ আগষ্টত তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে স্থাপন কৰা তথা সম্প্ৰতি দেশৰ শীৰ্ষ ১০ খন চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ভিতৰত অন্যতম অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ে সগৌৰৱেৰে ৭৫টা বছৰত ভৰি দিলে। দেশজুৰি মানৱ সম্পদ গঢ় দিয়াৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াই অহা উত্তৰ-পূবৰ একমাত্ৰ তথা অন্যতম খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহ্যাবিদ্যালয়খনে এই ৭৫ বছৰীয়া পৰিক্ৰমাত ৪,৪৭৩জন পশু চিকিৎসক সৃষ্টি কৰিবলৈ সক্ষম হোৱাৰ লগতে ১,২৫৬ জন স্নাতকোত্তৰ ডিগ্ৰী আৰু ২,২৮২ জনে পশু চিকিৎসাৰ ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ পশুপালন আৰু পশু চিকিৎসা ক্ষেত্ৰখনৰ বাটকটীয়া চিকিৎসা বিজ্ঞান মহাবিদ্যালয়খনে ৭৫ বছৰ গৰকা তথা মহাৰজত জয়ন্তী উপলক্ষে বৰ্ষজোৰা কাৰ্যসূচী ঘোষণা কৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষই। এই উদ্দেশ্যে আজি গুৱাহাটী প্ৰেছ ক্লাবত

ছয় পৃষ্ঠাত চাওক

অসম চৰকাৰ

www.rtps.assam.gov.in
বসুন্ধৰা সেৱাসমূহ এতিয়া উপলব্ধ হ'ল
আৰটিপিএছ ৱেব-প'ৰ্টেলত

সকলোধৰণৰ বসুন্ধৰা সেৱাৰ বাবে আবেদন কৰাৰ
এক একক মঞ্চ

এতিয়া বসুন্ধৰা সেৱাৰ বাবে আবেদন
কৰিবলৈ বাৰম্বাৰ চৰকাৰী কাৰ্যালয়লৈ
যোৱাৰ নাই প্ৰয়োজন

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ
অধীনস্থ বসুন্ধৰা সেৱাৰ বাবে সহজে আবেদন কৰিবলৈ পদাৰ্পণ কৰক আপোনাৰ নিকটৱৰ্তী
ৰাজহুৱা সুবিধা কেন্দ্ৰ নহিবা সাধাৰণ সেৱা কেন্দ্ৰত
অথবা লগইন কৰক আৰটিপিএছ ৱেব-প'ৰ্টেল
www.rtps.assam.gov.in

- উত্তৰাধিকাৰীসূত্ৰে নামজাৰি
- পঞ্জীয়নকৃত দলিলসূত্ৰে নামজাৰি
- আপোচ বাটোৱাৰা
- একচনা পট্টাৰ ম্যাদীকৰণ
- ভূমিৰ শ্ৰেণী পৰিৱৰ্তন
- ভূমি নথিৰ পৰা দখলবিহীন পট্টাদাৰৰ নাম কৰ্তন
- আবণ্টিত ভূমিৰ ম্যাদীকৰণ
- পট্টাদাৰৰ নাম সংশোধনী
- কালি সংশোধনী
- ভূমিনথিত পট্টাদাৰৰ মোবাইল নম্বৰ অন্তৰ্ভুক্তিকৰণ

যিকোনো অভিযোগ/ মতামত/ প্ৰশ্নৰ বাবে যোগাযোগ কৰকঃ
১৮০০-৩৪৫-৩৫৭৪

অসম : এক ডিজিটেল পৰিৱেশৰ
দিশে অগ্ৰসৰ

আমাক অনুসৰণ কৰক
Assam Citizen-Centric Service Delivery Project
ACCSDP ARIAS Society
@accsdp_assam

প্ৰশাসনিক সংস্কাৰ, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগ, অসম চৰকাৰৰ তত্ত্বাৱধানত বিশ্ববেংকৰ আৰ্থিক সাহায্যপ্ৰাপ্ত অসম নাগৰিক-কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্প (ACCSDP), ARIAS ছ'চাইটিৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৩১ শাওণ ১৪২৯ ভাস্কৰাব্দ ১৭ আগষ্ট ২০২২

চীনৰ জাহাজ

শ্ৰীলংকাৰ হাম্বানটোটা বন্দৰত চীন দেশৰ জাহাজ এখনৰ অৱতৰণে ভাৰতত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ভাৰতে ইয়াৰ আগেয়ে সন্দেহ প্ৰকাশ কৰিছিল যে এই চীনা জাহাজখনে দেশৰ সামৰিক ঘাটিসমূহত চোৰাংচোৰাগিৰি কৰি তথ্য আহৰণ কৰিব পাৰে। উল্লেখ্য যে ভাৰতৰ আপত্তি সত্ত্বেও শ্ৰীলংকাই চীন দেশৰ এই জাহাজখনক হাম্বানটোটা বন্দৰত লংগৰ পেলাবলৈ অনুমতি প্ৰদান কৰিছে।

আন্তঃৰাষ্ট্ৰীয় জাহাজ বিশ্লেষক সংস্থাৰ ৱেবছাইটত কোৱা হৈছে যে চীনৰ ইয়ুৱা ৱাং-৫ নামৰ জাহাজখন মাথোন গৱেষণা আৰু গণনা কৰা এখন জাহাজ; কিন্তু ভাৰতীয় সংবাদ মাধ্যমৰ মতে এই জাহাজখন দুয়ো ধৰণে ব্যৱহাৰ কৰিব পৰা চোৰাংচোৰাগিৰি কৰা জাহাজ। জাহাজখন যোৱা ১১ আগষ্টতেই হাম্বানটোটা বন্দৰত উপস্থিত হোৱাৰ কথা আছিল; কিন্তু শ্ৰীলংকাই জাহাজখন কেইদিনমান পাছতহে আহিবলৈ চীনক বাৰ্তা পঠিয়াইছিল। পাছত ১৩ আগষ্টত শ্ৰীলংকাই চীনৰ বিতৰ্কিত জাহাজখনক বন্দৰটোলৈ আহিবলৈ পুনৰ অনুমতি দিয়ে। অৱশ্যে শ্ৰীলংকাই জাহাজখনক শ্ৰীলংকাৰ সমুদ্ৰভাগত থকা কালীন কোনো ধৰণৰ গৱেষণামূলক কাম-কাজ নকৰিবলৈ চৰ্ত আৰোপ কৰে।

হাম্বানটোটা শ্ৰীলংকাৰ এটি বন্দৰ যিটো চীনৰ সাহায্যত গঢ়ি তোলা হৈছে আৰু চীনকেই লীজত দিয়া হৈছে। হাম্বানটোটা সামুদ্ৰিক বন্দৰটো প্ৰতিৰক্ষাৰ দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ। বিশেষকৈ ভাৰতীয় উপ-মহাদেশৰ নিচেই কাষতে এটি বন্দৰত চীনে ঘাটি গঢ়ি তোলাৰ পাছত এইটোক যে সামৰিক ঘাটিত পৰিণত কৰা নহ'ব তাৰ কোনো নিশ্চয়তা নাই। লক্ষ্যণীয় যে চীনে হাম্বানটোটা বন্দৰটো কোটি কোটি টকা ব্যয় কৰি অত্যাধুনিকভাৱে গঢ়ি তুলিছে। এই বন্দৰটোত শ্ৰীলংকাৰ কোনো নিয়ন্ত্ৰণ নাই।

ভাৰতে মুকলিকৈ চীনৰ এই জাহাজখনৰ বিৰুদ্ধে উচ্চ বাচ্য নকৰিলেও বৈদেশিক মন্ত্ৰণালয়ে যোৱা ২৮ জুলাইতেই কৈছিল যে ভাৰতে অতি সাৱধানতাৰে দেশৰ নিৰাপত্তা আৰু অৰ্থনৈতিক স্বাৰ্থৰক্ষাৰ বাবে পৰিস্থিতিলৈ লক্ষ্য কৰি আছে। মন কৰিবলগীয়া যে যোৱা আঠ আগষ্টত চীনে কোনো দেশৰ নাম নোলোৱাকৈ এক বিবৃতিত কৈছে যে আন কোনো দেশে শ্ৰীলংকাৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাটো সমূলি অযুক্তিকৰ। ভাৰতে শ্ৰীলংকাক চীনৰ জাহাজখনক হাম্বানটোটা বন্দৰলৈ অহাৰ ক্ষেত্ৰত বাধা প্ৰদানৰ উদ্দেশ্যে হেঁচা দিয়া নাই বুলি পাছলৈ এক স্পষ্টীকৰণ দিয়ে।

১৯১৭ তেই শ্ৰীলংকাই ৯৯ বছৰৰ বাবে সেইখন দেশৰ এই গুৰুত্বপূৰ্ণ বন্দৰটো চীনক লীজলৈ দিছিল। চীনৰ পৰা ধন লৈ ওভতাবলৈ সক্ষম নোহোৱাত শ্ৰীলংকাই বন্দৰটো চীনক সপি দিছিল তেতিয়াই ভাৰতে সন্দেহ প্ৰকাশ কৰিছিল যে এই বন্দৰটো চীন দেশে সামৰিক কাৰণতেই ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে। এতিয়া বন্দৰটোলৈ অহা চীনৰ যুৱান ৱাং-৫ নামৰ জাহাজখন চীনে দাবী কৰা মতে সাধাৰণ গৱেষণামূলক জাহাজ নে চোৰাংচোৰাগিৰি কৰা জাহাজ, সেয়া সন্দেহৰ আৱৰ্তত আছে। এনে পৰিপ্ৰেক্ষিতত ইয়াক লৈ ভাৰতৰ আশংকা যুক্তিসংগত।

খোলা মঞ্চ

অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা

অসমৰ সংবাদ জগতত আজিৰ তাৰিখত এখন তিনিদিনীয়া কাকতে অৰ্ধ শতক অতিক্ৰম কৰাটো এটা ভাল খবৰ। লগতে যথেষ্ট আশা ব্যঞ্জক। নানা ঘাত-প্ৰতিঘাত আৰু প্ৰত্যাহ্বানৰ মাজত অগ্ৰদূতে কঠোৰ পৰিশ্ৰমৰ মাজেৰে আহি সোণালী জয়ন্তীৰ সুদিন অতিক্ৰম কৰিলে। এতিয়া অগ্ৰদূতৰ গৌৰৱোজ্জ্বল বাৱন্ন বছৰ। দীৰ্ঘদিনীয়া এই যাত্ৰাত আমিও অগ্ৰদূতৰ স'তে বেছ কিছুদিন ধৰি জৰিত হৈ আছোঁ। সাম্প্ৰতিক সময়ত বাতৰি কাকতলৈ যথেষ্ট প্ৰত্যাহ্বান আহিছে। বিশেষকৈ ক'ভিড কালত ক'ভিডৰ ভয়তে হওক বা সামাজিক মাধ্যমৰ ব্যাপক অপপ্ৰচাৰৰ বাবেই হওক বাতৰি কাকতৰ প্ৰচলন আগতকৈ বহুত কমিল।

জুৰি শইকীয়া, *লেখিকা*

এইখন কাকতে অসমৰ লব্ধ প্ৰতিষ্ঠিত বহুতো সাহিত্যিক, লেখক-লেখিকাৰ জন্ম দিলে। শৰৎ চন্দ্ৰ সিংহৰ পৰা নগেন শইকীয়ালৈ নিৰুপমা বৰগোহাঞিৰ পৰা ক্ষেত্ৰধৰ বৰগোহাঁইলৈ এই সকলোৰে কাকতখনত এসময়ত নিয়মীয়াকৈ লিখিছিল। শাৰদীয় সংখ্যা, বিহু সংখ্যা আলোচনীবোৰত নিৰ্বাচিত লেখক-লেখিকাৰ উন্নত মানৰ লেখাই পাঠকক আকৰ্ষণ কৰিছিল। সম্পাদক কনকসেন ডেকাৰ যুক্তিনিষ্ঠ নিৰন্ধই নতুন প্ৰজন্মক উপযুক্ত বাট দেখুৱাইছিল। অসম আন্দোলনক ব্যাপকভাৱে সমৰ্থন কৰা কাকতখনে পাছলৈ আলফাৰ আত্মঘাতী কাৰ্যকলাপৰ ক্ষুৰধাৰ সমালোচনা কৰিছিল। প্ৰফুল্ল কুমাৰ মহন্ত চৰকাৰৰ ছশ কোটি টকীয়া এল অ' চি কেলেংকাৰিৰ ধাৰাবাহিক প্ৰতিবেদন প্ৰমাণ পাইছিল, যাৰ বাবে সেই সময়ত প্ৰফুল্ল কুমাৰ মহন্তৰ চৰকাৰে জিতুমণি বৰাৰ লগতে নৰেশ কলিতাক গ্ৰেপ্তাৰ কৰিছিল। সম্পাদককো আৰক্ষীয়ে থানালৈ মাতি নি দুৰ্ব্যৱহাৰ কৰিছিল। আলফাৰ দুষ্কাৰ্য এইখন কাকতে নিৰ্ভীকভাৱে লেখাৰ বাবে সেই সময়ৰ জনপ্ৰিয় লেখক/সাংবাদিক কমলা শইকীয়াক আলফাই হত্যা কৰিছিল। সম্পাদককো মৃত্যুৰ ভাবুকি দিছিল। ৰুছ অভিযন্তা গ্ৰীট ছাংকো ছাৰ্গে, সঞ্জয় ঘোষকে ধৰি বিভিন্নজনক আলফাই হত্যা কৰাৰ প্ৰতিবাদত সম্পাদক কনকসেন ডেকাই 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' নামেৰে এলানি যুক্তি নিৰ্ভৰ প্ৰবন্ধ লিখিছিল। নতুন পুৰুষ সেই লেখাৰ যোগেদি উদ্বুদ্ধ হৈছিল। সামাজিক দায়বদ্ধতাৰে অগ্ৰদূতৰ প্ৰতিটো লেখা নিপোটল আছিল। ক্ষেত্ৰধৰ বৰগোহাঁইৰ ৰস ৰচনা, লক্ষ্যধৰ চৌধুৰীৰ 'মানুহ বিচাৰি' নামৰ এলানি অভিজ্ঞতাভিত্তিক ৰসাল কথাৰে কাকতখনত মনোৰঞ্জনো আছিল। পুণ্য শইকীয়াই প্ৰথমবাৰৰ বাবে দীঘলীয়াকৈ 'নেপথ্যত গুণগুণনি' শিতানত লিমাৰিক লিখিছিল। সেই সময়ৰ কথাবোৰ তাত প্ৰতিফলিত হৈছিল। স্বৰ্ণজয়ন্তীৰ স্বৰ্ণীল গৌৰৱ, ঐতিহ্যক কাকতখনে শতবৰ্ষৰ বৰ্ণিল অধ্যায়লৈ লৈ যাবলৈ হ'লে মান সম্পন্ন লেখা প্ৰকাশ কৰাত অধিক গুৰুত্ব দিব লাগিব আমি আশাবাদী। যিহেতু অগ্ৰদূত এখন কাকতৰ নাম নহয়। এটা অনুষ্ঠান। যিটো অনুষ্ঠানৰ আমিও এক সদস্য। এই কাকতৰ যোগেদিয়েই সম্পাদক মহোদয়ৰ চেনেহৰ প্ৰেৰণাতে আজি আমি এইকণ লিখাৰ সুবিধা পাইছোঁ।

ঘৃণা-উচটনি একনায়কত্বৰ লক্ষণ

দেশৰ সংবিধান সলনিৰ আখৰা

নিউজ স্কেন

গীতাৰ্থ পাঠক

আধুনিক বিজ্ঞানৰ যুগত একনায়কত্ববাদ, ধৰ্মতন্ত্ৰ আদি আছে যদিও লাহে লাহে এইবোৰ গণতন্ত্ৰৰ পিনে গতি কৰি আহিছে। বিশ্বৰ বৃহৎ গণতন্ত্ৰ বুলি ভাৰতবাসীয়ে যেতিয়া গৰ্ব কৰি আহিছে তেতিয়া আমি দেখিবলৈ পাইছো আমাৰ দেশত গণতন্ত্ৰৰ স্খলন। আমি ভাৰতীয় সংবিধানক শিৰোগত কৰি যেতিয়া গণতন্ত্ৰৰ বিশাল ধ্বজা উৰুৱাও, স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তিৰ অমৃত মহোৎসৱ উদ্‌যাপন কৰো তেতিয়া আমি দেখিবলৈ পাইছো ভাৰতবৰ্ষক গণতন্ত্ৰৰ পৰা ধৰ্মতন্ত্ৰলৈ ৰূপান্তৰিত কৰাৰ বাবে এচাম হিন্দুত্ববাদী লোক তথা সংগঠনৰ তৎপৰতা। দুৰ্ভাগ্যজনকভাৱে এই তৎপৰতাত ৰাষ্ট্ৰৰ কেতবোৰ উপাদানো জড়িত আছে।

ত্ৰিশগৰাকী স্বনামধন্য ধৰ্মগুৰু আৰু পণ্ডিতে সম্প্ৰতি খচৰা প্ৰকাশ কৰিছে হিন্দু ৰাষ্ট্ৰ ভাৰতৰ সংবিধান। যোৱা ফেব্ৰুৱাৰীতেই প্ৰায়োগৰাজ অথবা পুৰণি এলাহাবাদত অনুষ্ঠিত ধৰ্ম সংসদত প্ৰস্তাৱ উত্থাপন কৰা হৈছিল এই হিন্দু ৰাষ্ট্ৰৰ সংবিধান ৰচনাৰ। সদ্যহতে ৩০ পৃষ্ঠাৰ এক খচৰা প্ৰকাশ কৰিছে হিন্দু ৰাষ্ট্ৰৰ সংবিধান ৰচয়িতাসকলে। অহা ২০২৩ৰ মাঘত হ'বলগীয়া মাঘমেলাত অনুষ্ঠিত হ'ব এক ধৰ্ম সংসদ। এই ধৰ্ম সংসদতেই হিন্দু-ৰাষ্ট্ৰৰ সংবিধানৰ পূৰ্ণ খচৰা দাখিল কৰা হ'ব। উল্লেখযোগ্য যে হিন্দু ৰাষ্ট্ৰৰ সংবিধানত দেশখনৰ ৰাজধানী হিচাপে দিল্লীৰ সলনি বাৰানসী বা কাশীৰ নাম দিয়া হৈছে। এই খচৰা হিন্দু-ৰাষ্ট্ৰৰ সংবিধানখনত শিক্ষা, প্ৰতিৰক্ষা, আইন-শৃংখলা, ভোটদানৰ পদ্ধতি, ৰাষ্ট্ৰৰ মুৰব্বীৰ অধিকাৰ ইত্যাদি কেনেধৰণৰ হ'ব তাক বিশদভাৱে দাঙি ধৰা হৈছে। আনহাতে প্ৰস্তাৱিত ৰাজধানী বাৰানসীতেই এখন ধৰ্মীয় সংসদ সজাৰ কথা কোৱা হৈছে। মুছলমান আৰু খ্ৰীষ্টান লোকসকলে নাগৰিকৰ সকলো অধিকাৰ উপভোগ কৰিব পাৰিব, মাথো তেওঁলোকৰ ভোটদানৰ কোনো অধিকাৰ নাথাকিব। আকৌ প্ৰত্যেকগৰাকী নাগৰিককেই বাধ্যতামূলকভাৱে সামৰিক প্ৰশিক্ষণ দিয়া হ'ব আৰু কৃষিৰ ওপৰত কোনো ধৰণৰ কৰ আৰোপ কৰা নহ'ব। ২০২২ৰ ফেব্ৰুৱাৰীত প্ৰয়াগৰাজত অনুষ্ঠিত ধৰ্মসভাত এই হিন্দু ৰাষ্ট্ৰৰ সংবিধান প্ৰণয়নৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। খচৰা প্ৰস্তুতকাৰী সমিতিত আছে স্বামী আনন্দ স্বৰূপ, সম্ভাৱী পীঠাদিশ্বৰ আৰু শংকৰাচাৰ্য পৰিষদৰ সভাপতি গৰাকীও আছে। কমলেশ্বৰ উপাধ্যায়, উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বি এন ৰেড্ডি, প্ৰতিৰক্ষা বিশেষজ্ঞ আনন্দ বৰ্ধন, সনাতন ধৰ্মৰ বিশেষজ্ঞ চন্দ্ৰমণি মিশ্ৰ আৰু ড° বৈদ্য সাগৰ। এই খচৰা হিন্দু ৰাষ্ট্ৰৰ সংবিধানখনৰ বেটুপাতত অখণ্ড ভাৰতৰ ছবি এখন ছপোৱা হৈছে। অৰ্থাৎ বেটুপাতখনৰ মাজেৰে ইয়াকে বুজোৱা হৈছে যে যিবোৰ ভূখণ্ড ভাৰতৰ পৰা ওলাই নতুন ৰাষ্ট্ৰ হৈছিল সেই আটাইবোৰ ভূখণ্ড অখণ্ড ভাৰতবৰ্ষত চামিল কৰা হ'ব। অৰ্থাৎ পাকিস্তান, বাংলাদেশ আদি ৰাষ্ট্ৰবোৰ পুনৰ ভাৰতৰ অন্তৰ্ভুক্ত কৰা হ'ব। কেনেদৰে কৰা হ'ব সেয়া সহজে কল্পনা কৰিব নোৱাৰি। সংবিধানৰ বেটুপাতত মন্দিৰৰ ওপৰত উৰি থকা এখন গেৰুৱা পতাকাও দেখুওৱা হৈছে। হয়তো ইয়াৰ দ্বাৰা জাতীয় পতাকাৰ স্বৰূপ কি হ'ব তাক বুজোৱা হৈছে। আমি যে কোটি কোটি টকাৰ ত্ৰিৰংগা ঝাণ্ডা যোৱা ১৫ আগষ্টৰ আগে আগে উৰুৱালো— এইবোৰ হিন্দুৰাষ্ট্ৰ হ'লে ইতিহাসত পৰিণত হ'ব। সম্ভাৱী মেলাৰ ছবি এখনো ইয়াত দেখুওৱা হৈছে, য'ত দুৰ্গা, বুদ্ধ, ৰাম, কৃষ্ণ, গুৰু গোবিন্দ সিং, শংকৰাচাৰ্য, চাণক্য, বীৰ সৱৰকাৰ, স্বামী বিবেকানন্দ আদিৰ ছবি সন্নিবিষ্ট হৈ আছে। বৌদ্ধ ধৰ্ম, শিখ, জৈন আদি ধৰ্মকো সাঙোৰা হৈছে কেৱল মুছলমান আৰু খ্ৰীষ্টিয়ানক বাদ দিয়া হৈছে। ৭৫০ পৃষ্ঠাৰ এই হিন্দু ৰাষ্ট্ৰৰ সংবিধানখনৰ ৩০০ পৃষ্ঠা অহা ২০২৩ত অনুষ্ঠিত হ'বলগীয়া মাঘ মেলাত প্ৰকাশ কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছে। এই হিন্দুৰাষ্ট্ৰৰ সংসদত সাংসদৰ সংখ্যা হ'ব ৫৪৩ আৰু ধৰ্মীয় সংসদৰ জৰিয়তে তেওঁলোকক নিৰ্বাচিত কৰা হ'ব। ব্ৰিটিছৰ দিনত প্ৰণয়ন কৰা সকলো নিয়ম-কানুন বাতিল কৰা হ'ব আৰু সকলো বিষয় বৰ্ণ পদ্ধতিৰে নিৰ্ণয় কৰা হ'ব। ভোটদানৰ অধিকাৰ ১৫ বছৰতেই দিয়া হ'ব কিন্তু নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ হ'লে ২৫ বছৰ হ'ব লাগিব। অৰ্থাৎ ভাৰতবৰ্ষ আৰু বৰ্ণবাদলৈ গতি কৰিব। বিজ্ঞান আৰু যুক্তিয়ে নতুন এই ধৰ্মতন্ত্ৰত কোনো বিষয় নিৰ্ধাৰণ নকৰিব, মাথো ধৰ্ম আৰু বৰ্ণবাদে সকলো নিৰ্ণয় কৰিব। আনকি বিজ্ঞান কেনেধৰণৰ হ'ব তাকো নিৰ্ণয় কৰিব।

আমাৰ শাসক দল বিজেপি আৰু তেওঁলোকৰ সমগোত্ৰীয় দলসমূহ তথা তেওঁলোকৰ সহোদৰ সংগঠনসমূহে সদায়েই গণতন্ত্ৰৰ কথা কয়, দেশপ্ৰেমৰ কথা কয়। কিন্তু তেওঁলোকৰ এই সহোদৰ-সংগঠনসমূহে গণতন্ত্ৰক লুটিয়াই আমাৰ দেশখনক ধৰ্মতন্ত্ৰত পৰিণত কৰা পৰিকল্পনাৰ বিৰোধিতা নকৰে বা তাৰ প্ৰতিবাদো কৰা আমি দেখা নাই। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ পৃষ্ঠপোষকতাত উত্তৰ প্ৰদেশত এহাতে চলিছে পুলিচৰাজ, নিৰ্বিচাৰ হত্যা, লুণ্ঠন আৰু ঘৃণা উদ্ৰেককাৰী ভাষণৰ ফুলজাৰি। এখন দেশত যেতিয়া প্ৰভাৱশালী নেতাসকলে এটা জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে ঘৃণা উদ্ৰেককাৰী বক্তব্যৰে সাধাৰণ মানুহৰ মনত সেই জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে তীব্ৰ ঘৃণাৰ সৃষ্টি কৰে তেতিয়া এহাতে লাভবান হয় এই ঘৃণা উদ্ৰেককাৰী নেতাসকল আনহাতে তেনে দেশত সৃষ্টি হয় একনায়কত্ববাদৰ পূৰ্বাভাসৰ।

> **এখন দেশত যেতিয়া প্ৰভাৱশালী নেতাসকলে এটা জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে ঘৃণা উদ্ৰেককাৰী বক্তব্যৰে সাধাৰণ মানুহৰ মনত সেই জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে তীব্ৰ ঘৃণাৰ সৃষ্টি কৰে তেতিয়া এহাতে লাভবান হয় এই ঘৃণা উদ্ৰেককাৰী নেতাসকল আনহাতে তেনে দেশত সৃষ্টি হয় একনায়কত্ববাদৰ পূৰ্বাভাসৰ**

বিশ্বৰ গণহত্যা নিৰীক্ষণ সংস্থা জেনোচাইড ৱাচছৰ সভাপতি মাৰ্কিন ৰাজনীতিবিদ গ্ৰেগৰি ষ্টেণ্টনে মত প্ৰকাশ কৰি কৈছে যে ভাৰতবৰ্ষত যেনেধৰণে মুক্তভাৱে ঘৃণা উদ্ৰেককাৰী ভাষণৰ বেহা চলিছে তেনেদৰে চলি থাকিলে এই দেশখনত পাঁচ বছৰ আগেয়ে ৰ্ৱাণ্ডাত সংঘটিত গণহত্যাৰ দৰে লাখ লাখ নিৰীহ লোক গণহত্যাৰ বলি হ'ব পাৰে। ষ্টেণ্টনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছত ভাৰতত যাতে গণহত্যা সংঘটিত নহয় তাৰ বাবে ভাৰতক সকীয়াই এক প্ৰস্তাৱ লোৱাৰ প্ৰস্তাৱ দিছিল। আমেৰিকাৰ হলোকাষ্ট বা নাজীৰ দ্বাৰা ইহুদী গণহত্যা সোঁৱৰণী মিউজিয়ামৰ অধীনস্থ গণহত্যা প্ৰতিৰোধ কেন্দ্ৰয়ো কৈছে পাকিস্তানৰ পাছতেই ভাৰত হ'ল গণহত্যা সংঘটিত হোৱাৰ সম্ভাৱনা থকা দ্বিতীয়খন দেশ। নাগৰিকত্ব সংশোধন আইনৰ কথাত ষ্টেণ্টনে উল্লেখ কৰি কৈছে যে এয়া ধৰ্মৰ ভিত্তিত বৈষম্যমূলক এক আইন। ইতিমধ্যে হৰিদ্বাৰত যোৱা ১৭ আৰু ১৯ ডিচেম্বৰত অনুষ্ঠিত ধৰ্ম সংসদত এনে ধৰণৰ ঘৃণা উদ্ৰেককাৰী আহ্বানেৰে এক প্ৰকাৰৰ গণহত্যাৰ আহ্বান জনোৱা আমি দেখিবলৈ পাইছো। এনে ধৰণৰ গণহত্যাৰ আহ্বান শুনিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সুদীৰ্ঘকাল নিমাতে থকাৰ কথাও গ্ৰেগৰি ষ্টেণ্টনে উল্লেখ কৰিছে।

কৰ্ণাটকৰ ভূতপূৰ্ব সাংসদ তথা ভূতপূৰ্ব কেন্দ্ৰীয় মন্ত্ৰী অনন্ত কুমাৰ হেগড়েই ১৯১৭ তেই কৈছিল যে শাসকীয় দল বিজেপিয়ে অচিৰেই ভাৰতৰ সংবিধানখন সলনি কৰিব। তেওঁৰ এই বক্তব্যই তেতিয়া বিতৰ্কৰ সৃষ্টি কৰিছিল। এতিয়া আমাৰ দেশৰ হিন্দুত্ববাদী ধৰ্মগুৰুসকলে হাতে-কামে লাগি গৈছে ভাৰতবৰ্ষৰ সংবিধান সলনি কৰিবলৈ। তেওঁলোকে সলনি কৰিব দেশৰ ৰাজধানী, সলনি কৰিব আইন, কানুন, সংস্কৃতি, সাহিত্য, ৰীতি-নীতি ইত্যাদি সকলো। সমাজখনক এইসকলে এনেদৰে বিভাজিত কৰিবলৈ উঠি-পৰি লাগিছে যে যদিহে বিবেকবান ৰাইজ তথা সচেতন জনসাধাৰণে এই প্ৰৱণতাক বাধা নিদিয়ে তেনেহ'লে আমাৰ দেশখন এক নৰকীয় বধ্যভূমিত পৰিণত হ'বলৈ অধিক সময় নালাগিব।

শাসক দলটোৱে যদিহে সঁচাকৈ আমাৰ দেশখনক প্ৰগতিৰ পথেৰে আগুৱাই নিব বিচাৰে, 'সব কা সাথ' বিকাশ বিচাৰে আৰু গণতন্ত্ৰক শক্তিশালী কৰিবলৈ বিচাৰে তেনেহ'লে দেশখনৰ সংবিধানখনক ৰক্ষা কৰক ঘৃণাসূচক উচটনিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি দেশখনৰ ঐক্য অটুট ৰাখক।

ফোন ঃ ৯৪৩৫০৪৮৪৮৪

মাধ্যম নহয় ভাষাৰ ওপৰত গুৰুত্ব দিয়ক

অভাৱগ্ৰস্ত পৰিয়ালৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বে-চৰকাৰী বিদ্যালয়ত উচ্চ হাৰৰ মাচুল দি পঢ়ুৱাব নোৱাৰে

অধ্যাপিকা (অৱসৰপ্ৰাপ্ত) ড° অলকা বুঢ়াগোহাঁই

অধ্যাপিকা (অৱসৰপ্ৰাপ্ত) ড° সোণালী বৰা হাজৰিকা

অসমত অসমীয়া মাধ্যমৰ চৰকাৰী স্কুলসমূহত তৃতীয় শ্ৰেণীৰ পৰাই অংক আৰু বিজ্ঞান ইংৰাজী ভাষাত পঢ়ুৱাবৰ বাবে অসম চৰকাৰৰ কেবিনেটে লোৱা সিদ্ধান্ত আৰু আনহাতে অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থাক ধৰি বিভিন্ন সংস্থা, সমিতিয়ে এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰাটো বৰ্তমান সময়ত এটা জ্বলন্ত জাতীয় সমস্যা। দুয়োপক্ষই তেওঁলোকৰ স্থিতিত শুদ্ধ হ'ব পাৰে। আৰ্থিক অনাটনৰ বাবে আজি ইংৰাজী মাধ্যমৰ বেচৰকাৰী স্কুলত উচ্চ হাৰত মাচুল দি সন্তানক পঢ়ুৱাব নোৱাৰা অভিভাৱকসকলৰ ইংৰাজী মাধ্যমৰ প্ৰতি অহেতুক দুৰ্বলতা থকাটো সঁচা। এনে ধৰণৰ দুৰ্বলতাৰ উত্তৰ হিচাপেই অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰাই দ্বাদশ শ্ৰেণীলৈকে অংক আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত শিকোৱাৰ চৰকাৰী সিদ্ধান্তটো শুদ্ধ হৈছে জানো? অংক আৰু বিজ্ঞান দুয়োটা বিষয়ৰে আমাৰ দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ লগত যোগসূত্ৰ আছে। এনে স্থলত, এই দুয়োটা বিষয় বিদেশী ভাষা এটাত শিকোৱাটো স্বভাৱ-বিৰুদ্ধ হ'ব, যি স্থলত অন্যান্য বিষয়সমূহ মাতৃভাষাতে শিকোৱা হ'ব। আনহাতে, নতুন শিক্ষানীতিয়ে আৰু পণ্ডিতসকলেও মাতৃভাষাত বুনিয়াদী শিক্ষা প্ৰদানৰ পোষকতা কৰিছে। কম বয়সত এজন ছাত্ৰই বিদেশী ভাষা এটা বিশেষকৈ মাতৃভাষাৰ মাধ্যমৰ বিদ্যালয়ত সহজে আয়ত্ত কৰিব নোৱাৰে। কিন্তু নিজৰ মাতৃভাষাত পাঠ্য-পুথিৰ উপৰি বিভিন্ন বাহিৰা কিতাপ সহজতে পঢ়া-শুনা কৰি হজম কৰিব পাৰে; আৰু ছাত্ৰজনৰ জ্ঞানৰ বিকাশ হয়। অলপতে পোপ ফ্ৰান্সিছে কানাডা ভ্ৰমণৰ সময়ত কৈছে যে কানাডাত গিৰ্জাৰ দ্বাৰা স্থাপিত আৱাসিক স্কুলসমূহত খিলঞ্জীয়া সংস্কৃতিসন্মত শিক্ষা ব্যৱস্থাক উৎখাত কৰিব বিচৰাটো জাতি হত্যা বা মাতৃভাষা হত্যাৰ (Cultural genocide) সমাৰ্থক। টাইমছ অৱ ইণ্ডিয়া, ৩১.৭.২২)

আমি বিচাৰ কৰিব লাগিব বৰ্তমানৰ পৰিস্থিতিৰ উদ্ভৱ হ'ল কিদৰে? শ্বিলঙৰ পৰা ৰাজধানী গুৱাহাটীলৈ নামি আহিল। গুৱাহাটীৰ ৰাস্তা-ঘাটত মটৰ-গাড়ী, চাইকেল, বাইক-ৰিক্সা, চোৰ-ডকাইত, ঠগ-প্ৰৱঞ্চকৰ দৌৰাত্ম্য বাঢ়িল। অসমীয়া মাধ্যমৰ আৰ-বেৰ নোহোৱা চৌহদৰ, চকিদাৰ নথকা অসুৰক্ষিত অনাকৰ্ষণীয় চৰকাৰী বিদ্যালয়লৈ পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালী পঠিয়াবলৈ সংকোচ কৰা হ'ল। ফলত ইংৰাজী মাধ্যমৰ মিছনেৰী স্কুলৰ 'কিণ্ডাৰগাৰ্টেন' পদ্ধতিৰ 'নাৰ্ছাৰী' শ্ৰেণীৰ ভৰ্তি পত্ৰ বিচাৰি ডন বস্ক'ৰ দৰে স্কুলৰ চৌহদত ৰাতি ৰাতিও পিতৃ-মাতৃয়ে খাপ পিটি সন্তানক ভৰ্তি কৰিছিল। প্ৰয়োজনত মিছনেৰী স্কুলৰ বাহতে সন্তানক উঠাই দি পিতৃ-মাতৃ নিশ্চিন্ত হৈছিল।

ইতিমধ্যে, সন্তানৰ ছবছৰ নোহোৱা পৰ্যন্ত চৰকাৰে দায়িত্ব নোলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাত, পিতৃ-মাতৃয়ে সন্তানক ছবছৰ বয়সলৈ ঘৰতে বহুৱাই থ'বলৈ অস্বস্তি বোধ কৰিলে। ফলত ইতিমধ্যে ঘৰে ঘৰে গঢ় লৈ উঠা ৰঙা-নীলা কাগজৰ টুকুৰা আৰু বেলুনৰে আকৰ্ষণীয় কৰি তোলা ইংৰাজী মাধ্যমৰ 'নাৰ্ছাৰী' স্কুলবিলাকত সন্তানক ভৰ্তি কৰিবলৈ আৰম্ভ কৰিলে। ইয়াৰ ফলত, ইংৰাজী মাধ্যমৰ 'কিণ্ডাৰগাৰ্টেন' স্কুলৰ পৰা অসমীয়া মাধ্যমৰ চৰকাৰী উচ্চ বা উচ্চতৰ বিদ্যালয়লৈ যাব নোৱাৰা হোৱাত নতুনকৈ ব্যৱসায়িক ভিত্তিত গঢ় লৈ উঠা বে-চৰকাৰী ইংৰাজী মাধ্যমৰ বিদ্যালয়বিলাকত ল'ৰা-ছোৱালী ভৰ্তি হ'ল।

ফলস্বৰূপে, অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয় বিলাকলৈ আঢ্যৱন্ত পৰিয়ালৰ ল'ৰা-ছোৱালী নোযোৱা হ'ল। আনহাতে, অভাৱগ্ৰস্ত পৰিয়ালৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বে-চৰকাৰী বিদ্যালয়ত উচ্চ হাৰৰ মাচুল দি পঢ়ুৱাব নোৱাৰে। এই ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰাচীৰৰ সৃষ্টি কৰিলে আৰু একাংশই হীনমন্যতাত ভুগিবলগীয়া হ'ল। আনকি মধ্যবিত্ত পৰিয়ালেও পঢ়ুওৱা খৰছৰ বাবদ এটা সন্তানৰ পিছত আৰু এটা সন্তান জন্ম দিবলৈকে অলপ ভীতিগ্ৰস্ত হ'ল। এনে এক অস্বস্তিকৰ পৰিস্থিতি ৫০-৬০ বছৰৰ আগতে অসমত কেতিয়াও নাছিল। গুৱাহাটীকে অনুসৰণ কৰি আন আন চহৰ বিলাকতো এনে এটা অস্বস্তিকৰ পৰিস্থিতিয়ে গা কৰি উঠিল। আনকি, গাঁওবিলাকতো ইংৰাজী মাধ্যমৰ বেচৰকাৰী 'কিণ্ডাৰগাৰ্টেন' স্কুলৰ প্ৰাদুৰ্ভাৱ ঘটিব ধৰিলে। দুৰ্ভাগ্যৱশতঃ যোৰহাটৰ অসমীয়া মাধ্যমৰ বাল্যভৱনৰ দৰে প্ৰখ্যাত বিদ্যালয়ৰ উদাহৰণ গ্ৰহণ কৰা নহ'ল। অৰুণাচলৰ এগৰাকী সমাজকৰ্মীয়ে প্ৰয়াত সাংসদ অজিত কুমাৰ শৰ্মাক কেইবাদশকৰ আগতেই কৈছিল— তহঁতে ভাল বুলিয়েই ইংৰাজী মাধ্যমৰ স্কুলত ল'ৰা-ছোৱালী পঢ়াইছ, আমিও সেই কাৰণেই আমাৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমত দিছো। সেই সময়ত অসমীয়া ভাষা-সংস্কৃতিৰ লগত জড়িত জাতীয় অনুষ্ঠানবিলাক সম্পূৰ্ণ নীৰৱ, নিশ্চিন্ত হৈ থাকিল। অসমীয়া মাধ্যমত উপযুক্ত আৰু আকৰ্ষণীয় বুনিয়াদী বিদ্যালয় খোলাৰ প্ৰয়োজনীয়তাৰ কথা তেওঁলোকে ভাবিব নোৱাৰিলে। অৱশ্যে সৌভাগ্যৱশতঃ কেইগৰাকীমান উদ্যোগী শিক্ষাবিদ লগ লাগি 'জাতীয় বিদ্যালয়'ৰ জন্ম দিলে।

এনে পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীৰ বৰ্তমান আৰু ভৱিষ্যতৰ আশা-আকাংক্ষাৰ সুৰক্ষা আৰু অসমীয়া জাতীয় জীৱনৰ পৰিচয় আৰু ভৱিষ্যত অটুট ৰাখিবলৈ হ'লে আমি নিৰপেক্ষভাৱে কিছু কথা চিন্তা কৰাৰ প্ৰয়োজন আহি পৰিছে। সেই মৰ্মে, এই সন্দৰ্ভত আমি কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো—

(১) প্ৰথম/তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু অংক ইংৰাজী মাধ্যমত শিকোৱাৰ অসম চৰকাৰৰ কেবিনেট সিদ্ধান্ত পুনৰ বিবেচনাৰ বাবে বিনম্ৰ অনুৰোধ।

(২) অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহৰ বৰ্তমানৰ পৰিস্থিতি পৰিৱৰ্তনৰ বাবে নিম্নোক্ত ব্যৱস্থাসমূহ অনতিপলমে গ্ৰহণ কৰিব লাগে ঃ

(ক) অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহত বিশেষকৈ প্ৰথম পৰ্যায়ত গুৱাহাটীৰ চৰকাৰী বিদ্যালয় কেইখনত অনতিপলমে প্ৰাক-প্ৰাথমিক শ্ৰেণী সংলগ্ন কৰিব লাগে। প্ৰয়োজন হ'লে পুৱাৰ শাখা খুলিব পাৰি। ইতিমধ্যে, প্ৰতিখন বিদ্যালয়ৰ লগত প্ৰাক-প্ৰাথমিক স্তৰটো সংলগ্ন কৰাৰ ব্যৱস্থা নীতিগতভাৱে চৰকাৰে গ্ৰহণ কৰা বুলি জানিব পাৰিছো।

(খ) এনে বিদ্যালয়সমূহত ইংৰাজী ভাষাৰ পাঠদান সম্পূৰ্ণৰূপে ইংৰাজী কথোপকথনেৰে হ'ব লাগে, যাতে ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী ভাষা শিকাৰ চাৰিওটা কৌশল যেনে, পঠন (reading), লেখন (writing), কথন (speaking) আৰু শ্ৰৱণ (listening) ভালদৰে আয়ত্ব কৰিব পাৰে। লগতে কঠিত ইংৰাজীৰ (Spoken English) পাঠদানো সুকীয়াকৈ হ'ব লাগে।

(গ) মাধ্যম হিচাপে নহয়, ভাষা হিচাপে ইংৰাজী ভাষা শিক্ষণত বেছি গুৰুত্ব দিবলৈ আহ্বান জনোৱা হ'ল।

(ঘ) সেইদৰে অসমীয়া ভাষাৰ পাঠদানতো বৰ্ণৰ শুদ্ধ উচ্চাৰণ প্ৰাথমিক স্তৰতে শিকাব লাগে। যেনে দন্ত্য 'দ'ৰ নামটোৰ লগতে তাৰ উচ্চাৰণটো শিকাব লাগে, তেতিয়াহ'লে ইংৰাজী কথোপকথনৰ ক্ষেত্ৰত শুদ্ধ উচ্চাৰণত ছাত্ৰ-ছাত্ৰীয়ে মনোযোগ দিব।

(ঙ) ওপৰৰ শ্ৰেণীলৈ উত্তীৰ্ণ হ'বৰ বাবে সকলো শ্ৰেণীতে পৰীক্ষা বাধ্যতামূলক হ'ব লাগে।

(চ) বিদ্যালয়ত দুপৰীয়াৰ আহাৰ হিচাপে ভাতৰ বিকল্প ব্যৱস্থা কৰিব লাগে।

(ছ) চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলক যিকোনো সময়তে চৰকাৰী কামত নিয়োজিত নকৰি পাঠদানত মনোনিৱেশ কৰিবলৈ উৎসাহিত কৰিব লাগে।

(জ) গুণোৎসৱৰ পৰিৱৰ্তে বিদ্যালয়সমূহত স্থায়ী জিলা পৰিদৰ্শকৰ দ্বাৰা সঘনাই পৰিদৰ্শন হ'ব লাগে।

শেষত, নতুন শিক্ষানীতি আৰু মনোবিজ্ঞানসন্মতভাৱে ল'ৰা-ছোৱালীয়ে প্ৰাথমিক স্তৰত মাতৃভাষাত শিক্ষা গ্ৰহণ কৰিলেহে জীৱন্ত আৰু সহজভাৱে শিক্ষা গ্ৰহণ কৰিব পাৰিব। এনে সুদূৰ প্ৰসাৰী প্ৰভাৱ থকা বিষয়সমূহৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে সেই বিষয়ত ব্যুৎপত্তি থকা সুধী সমাজৰো মতামত গ্ৰহণ কৰাটো উচিত বুলি ভাবো। আমি মনত ৰাখিব লাগিব যে হাইস্কুলীয়া শিক্ষাইহে ছাত্ৰ-ছাত্ৰীৰ সমগ্ৰ জীৱনৰ ভেটি ৰচনা কৰে। বৰ্তমান সময়তো যাতে ছাত্ৰ-ছাত্ৰীসকলক অসমৰ ভৱিষ্যত জাতীয় সমাজখনৰ উন্নতি আৰু সুৰক্ষাৰ বাবে উপযুক্ত সৈনিক হিচাপে গঢ়ি তুলিব পাৰি তেনে ব্যৱস্থাহে নিতান্ত বাঞ্চনীয়।

সেয়ে, মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীলৈ আমাৰ বিনম্ৰ অনুৰোধ, অংক আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়ুওৱাৰ সিদ্ধান্তটো পুনৰ যেন বিবেচনা কৰে।

ফোন ঃ ৯৮৬৪০-৭৭১০৯
ফোন ঃ ৯৪৩৫৫-৫৫৫৩১

হৃদয়ৰ নিভৃত কোণত জাগি উঠা ভাৱ

অভিমত

গণতান্ত্ৰিক দেশ হোৱা বাবে গণতান্ত্ৰিক পদ্ধতিৰে দেশত বিভিন্ন বিষয়ৰ, বিভিন্ন স্বেচ্ছাসেৱী সংগঠন দুবৰি বন গজাৰ দৰে গজি উঠিছে। যিমানবোৰ সংগঠন দেশত গঢ়ি উঠিছে বিভিন্ন লক্ষ্য আৰু উদ্দেশ্যৰে, সিবোৰৰ পৰা কেনে সেৱা লাভ কৰা হৈছে, সি ৰাইজৰ বিচাৰ্যৰ বিষয়। সংগঠন প্ৰতিষ্ঠা কৰি বহুতৰ বিষয়বাব লোৱা জীৱনৰ একমাত্ৰ অভিলাষ আৰু সেই অভিলাষ পূৰণ কৰি তাৰ যোগেদি ব্যক্তিগত লাভালাভ চৰিতাৰ্থ কৰা যে লক্ষ্য, তাক বহু নেতাৰ ব্যক্তিগত ধনৰ ভঁৰাললৈ চকু কৰিলে প্ৰমাণ পোৱা নাযায়নে? ৰাতিটোৰ ভিতৰতে সম্পত্তিশালী হোৱা উদাহৰণবোৰে সকলোকে চমকিত কৰি তোলে। ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি প্ৰতিষ্ঠা কৰা সংগঠনবোৰৰ ভিতৰৰ বহুতে যে কাগজে-কলমেহে জীয়াই আছে, তাক কোনেইবা নাজানে? সংগঠনবোৰৰ বাৰ্ষিক, দ্বিবাৰ্ষিক সন্মিলনবোৰ উদ্‌যাপন কৰাৰ সময়তো ৰাইজৰ পৰা ধন সংগ্ৰহ কৰা হয়। য'তেই সন্মিলন বা অধিবেশন উদ্‌যাপন কৰিব লোৱা হয়, তাৰেই স্থানীয় ৰাইজ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা সকলোৰে দান-বৰঙণি সংগ্ৰহ কৰে। এইদৰে একেখন ঠাইতে বিভিন্ন সময়ত বিভিন্ন সংগঠনে উদ্‌যাপন কৰিব লোৱা অধিৱেশন বিলাকৰ পৰা ৰাইজৰ ওপৰত ধনৰ হেঁচা পৰে। কোনোৱে অক্ষমতা প্ৰকাশ কৰা হ'লেও, কিছুমান ধন সংগ্ৰহকাৰীয়ে বিবেচনা কৰিবলৈ চেষ্টা নকৰে, নকৰাটোৱে এটা যেন বিশেষত্বত পৰিণত হ'ল। একোটা সু-বৃহৎ অনুষ্ঠানৰ বাৰ্ষিক অধিৱেশন যি ঠাইত অনুষ্ঠিত হয়, সেই স্থানৰ চাৰিওফালে সংলগ্ন ঠাইবোৰৰ অতীত ঐতিহ্য, ইতিহাস সম্প্ৰচাৰ হোৱাত সহায় কৰে। সভাত উপস্থিত হোৱা বিভিন্ন ঠাইৰ প্ৰতিনিধিৰ লগত স্থানীয় ৰাইজৰ সংযোগ স্থাপন হোৱাৰ ফলত ভাৱৰ আদান-প্ৰদান হয়। বিচাৰ-বিশ্লেষণৰ যোগেদি ফলাফল নিৰ্ণয় হোৱাটো উপাদেয়। আকৌ প্ৰায় সকলো ঠাইতে ৰাজহুৱাভাৱে ধৰ্মীয় উৎসৱ, জাতীয় উৎসৱ পালন কৰা হয়। যেনে— দুৰ্গা পূজা, ৰাসপূজা, দৌল উৎসৱ, ৰঙালী-বিহু ইত্যাদি। এইবোৰ ধৰ্মীয় আৰু জাতীয় উৎসৱ পালন কৰাৰ ফলতো স্থানীয় ৰাইজৰ ওপৰত ধনৰ হেঁচা পৰে। সকলো ৰাজহুৱা অনুষ্ঠান ৰাইজৰ কল্যাণৰ হকে প্ৰতিষ্ঠা কৰা হয়। ৰাইজৰ কল্যাণ সাধন কৰাটোৱে সকলো ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰধান লক্ষ্য হোৱাৰ পাছতো শুভফলৰ মুখ দেখাৰ পৰা ৰাইজ বঞ্চিত হ'ব লগা হোৱাটো কাৰো অবিদিত নহয়। গণতান্ত্ৰিক ব্যৱস্থাত ভিতৰ-বাহিৰ দুটা ব্যৱস্থাৰ ভিতৰত, ভিতৰৰ ব্যৱস্থাটো বেছি সক্ৰিয় থাকে বুলি ৰাইজৰ মাজত চৰ্চিত।

কেশৱ শৰ্মা
কৈৰাবা, নলবাৰী

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৭ আগষ্ট বুধবাৰ, ২০২২ পৃষ্ঠা ৫

বিয়াই-সবাহে বেঞ্চত বা চকী-মেজত বহি বিলনীয়াই বিলাই দিয়া খাদ্য তৃপ্তিৰে গ্ৰহণ কৰাৰ পৰা আজি আমি বঞ্চিত, কাৰণ হাতত প্লেট লৈ শাৰী পাতি সজাই থোৱা খাদ্য নিজে প্লেটত লৈ থিয় হৈ খোৱা ‘বুফে’ ছিষ্টেম আজিকালি অধিক জনপ্ৰিয় হৈ উঠিছে। আমাৰ ককা-আইতা নালাগে, মা-দেউতাই আজিকালি ইচ্ছা থাকিলেও এনে অনুষ্ঠানত উপস্থিত থাকিবলৈ টান পায়। তেওঁলোকৰ মতে— ‘নেযাওঁ দে, মগনীয়াৰ দৰে হাতত থাল লৈ খাবলৈ শাৰী পতাৰ বয়স আমাৰ নাই।’ ভাবিলে দুখ লাগে যে আনৰ সংস্কৃতি অনুসৰণ কৰিবলৈ গৈ আমি কিমান যে নিৰ্মল আনন্দ লাভ কৰাৰ পৰা নিজকে বঞ্চিত কৰিছো

ঐতিহ্য আৰু আধুনিকতাৰ যৌগিক সংশ্লেষণৰ পৰিণতিত বৰ্তমানৰ অসমীয়া সংস্কৃতি

সংস্কৃতি হৈছে কোনো এটা জাতি-জনজাতি বা সম্প্ৰদায়ৰ প্ৰতিবিম্বস্বৰূপ। সংস্কৃতিৰ মাধ্যমেৰে এটা জাতিৰ কলা-কৃষ্টি, ৰীতি-নীতি, সাজপাৰ, খাদ্য-পৰম্পৰা আদি প্ৰতিফলিত হয়। বিশ্বৰ সকলো দেশ, জাতি-জনজাতিৰ একোটা সুকীয়া সংস্কৃতি থাকে। আমাৰ অসমো ব্যতিক্ৰম নহয়। অসমৰ সংস্কৃতিও হৈছে বিশ্বপ্ৰসিদ্ধ, অকৰ্ষণীয় আৰু সুন্দৰ। অসমৰ সংস্কৃতি দৰাচলতে গঢ়ি উঠিছে থলুৱা গীত-নৃত্য, খাদ্য, সাজপাৰ, ৰীতি-নীতিৰ মাধ্যমেৰে। প্ৰকৃতিপ্ৰদত্ত মনোৰম সৌন্দৰ্যৰ প্ৰভাৱো অসমৰ সংস্কৃতিত পৰিছে। সেয়েহে ইয়াৰ নানা উৎসৱ-পাৰ্বণ প্ৰকৃতিৰ নানা ঋতু বা কালৰ লগত জড়িত।

গছৰ খোৰোং, পৰ্বতৰ গুহাৰ জীৱন এৰি, কেঁচা মঙহৰ জুতি ত্যাগ কৰি আদিম মানৱে যেতিয়া উৰ্বৰ ধৰিত্ৰীৰ বক্ষ বিদাৰি শইচ ৰোপণ কৰি পেটৰ ক্ষুধা নিবাৰণ কৰিবলৈ শিকিলে, প্ৰকৃততে তেতিয়াই মানৱ জাতিৰ ইতিহাসত কৃষ্টিৰ কঠীয়া গজিল। কালক্ৰমত সেই কঠীয়া লহপহকৈ বাঢ়ি আহিল আৰু সোণসেৰীয়া হৈ গজি উঠিল। যেতিয়া গাইগুটীয়াকৈ বসবাস কৰা মানৱে স্বতন্ত্ৰ জীৱন এৰি সমাজ পাতি জীৱন-যাপন কৰিবলৈ শিকিলে, তেতিয়াই প্ৰতিকূল পৰিৱেশত কৃষি উৎসৱৰ বিহুৰ বীজৰ অংকুৰণ ঘটিল। প্ৰকৃতিৰ বুকুতেই মানুহে পাইছিল অমৃতময় সংগীতৰ সন্ধান। কুলি-কেতেকীৰ মাত, বতাহত হালিজালি পৰা গছ-গছনিৰ অৱলীলা ক্ৰমেই যে বিহুগীত-বিহুনাচৰ সৰ্বাত্মক প্ৰেৰণা আছিল, সেই কথা সহজেই অনুমেয়।

ব’হাগত অসমলৈ বৰদৈচিলাৰ আগমন ঘটে। উখৰ পৃথিৱী জীপাল হৈ উঠে। ধৰিত্ৰী উৰ্বৰা হয়, শস্য-শ্যামলা হয়। সেই একে প্ৰতীকী অৰ্থত ডেকা-গাভৰুসকলেও ব’হাগ বিহুৰ সময়তে মনৰ ভাব আদান-প্ৰদান কৰে। ভৱিষ্যতৰ স্বপ্ন ৰচে। বিহুগীতৰ ভাবাৰ্থ, নৃত্যৰ মুদ্ৰা অংগী-ভংগীত এই বাসনাৰ প্ৰকাশ ঘটে। অতীতত ডেকা-গাভৰুৱে মুকলি পথাৰত আঁহতৰ তলত বিহু মাৰিছিল, পথাৰত বিহু মৰা ডেকা-গাভৰুৰ মিলন বাসনাই পৃথিৱীক উৰ্বৰ কৰে বুলি বিশ্বাস কৰা হয়। কৃষিভিত্তিক অসমীয়া সমাজখনৰ লোকসকলৰ দ্বাৰা পৰিৱেশিত হুঁচৰিৰ জাকটো যেতিয়া গৃহস্থৰ মংগল কামনা কৰি কাৰোবাৰ পদূলি গচকে, তেতিয়া গৃহস্থই হুঁচৰি গোৱা দলটোৰ আগত আঁঠু লয়, তামোল-পাণৰ বটাত সামৰ্থ অনুসৰি মাননি আগবঢ়াই হুঁচৰি দলটো বিদায় দিয়ে। সৰুৱে ডাঙৰক সেৱা কৰে, মৰম-চেনেহৰ চিনস্বৰূপে বিহুৱান যাচে। বিহুৰ প্ৰথম দিনা গৰুক গা ধুৱাই ‘লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা’ বুলি গৰুৰ শ্ৰীবৃদ্ধি কামনা কৰে। কিন্তু ব’হাগৰ এই ছবি বৰ্তমান যান্ত্ৰিক জগতৰ যন্ত্ৰপ্ৰায় সভ্যতাৰ স’তে সহাৱস্থান কৰি যন্ত্ৰ হৈ পৰা মানুহৰ মনত লাহে লাহে ধূসৰ হৈ আহিল। হুঁচৰি, বিহুৱান, লাউ খা, বেঙেনা খা—আদি বৰ্তমান প্ৰজন্মৰ বাবে জাতিস্মৰৰ সাধু। ১৯৫২ত গুৱাহাটীৰ লতাশিল খেলপথাৰত বিহুৱে মঞ্চত স্থান পালে। এতিয়া পৃথিৱীক উৰ্বৰা কৰিবলৈ বিহুৱা ডেকাই বিহু নাগায়, বিহুৱতীয়ে বিহু নানাচে। মঞ্চৰ বিহুত দলীয় বিহু প্ৰতিযোগিতা, বিহুৰাণী, বিহু কুঁৱৰী, বিহু সম্ৰাজ্ঞী আদি প্ৰতিযোগিতাৰ দৰে সামন্ত ধ্যান-ধাৰণাৰ আগমন ঘটিল। এনেদৰে ব’হাগৰ স্বতঃস্ফূৰ্ত বিহু ব্যৱসায়িক দৃষ্টিভংগীৰ পৰিধিলৈ সোমাই আহিল। সম্প্ৰতি ব্যৱসায়িক দৃষ্টিভংগীৰ পৰিধিলৈ সোমাই আহিল। সম্প্ৰতি ব্যৱসায়িক দৃষ্টিভংগীৰে উলিওৱা সৰহসংখ্যক বিহু কেছেটত অসমৰ সমাজ জীৱনৰ কোনো ধৰণৰ ছবি নাই। ইলেক্ট্ৰনিক মাধ্যম বা পশ্চিমীয়া বাদ্যযন্ত্ৰৰ প্ৰয়োগে বিহুৰ স্বকীয়তাত যেন আঘাত কৰিছে। ভোগৰ বিহু ভোগালীৰো বৰ্তমান একেই দুৰৱস্থা. নগৰীয়া আৱহাৱাৰে ডাঙৰ হোৱা বৰ্তমানৰ প্ৰজন্মৰ দেৱালীৰ আতচবাজীৰ শিখাৰ তুলনাত ভোগালীৰ মেজিৰ জুইৰ শিখা তেনেই ম্লান পৰি যোৱা। আজিৰ ডেকা-গাভৰুৱে ভেলাঘৰ সাজি লগ-ভাত খাই আমোদ নাপায়, পিঠা-লাডু খালে পেটৰ অসুখ হয়। তাৰ ঠাইত বন্ধুৰ লগত ৰেস্তোৰাঁত বহি বাৰ্গাৰ, পেষ্ট্ৰি, ম’ম’ খালে একো অপকাৰ নহয়, বৰঞ্চ অলপ ৰিলেক্সহে হোৱা যায়। বিহুৰ নামত ঘোষণা কৰা চৰকাৰী বন্ধটোও সাৰ্থক হয়। পূৰ্বৰ কণীযুঁজ, ম’হযুঁজ, কুকুৰা যুঁজ বিস্মৃতিৰ গৰ্ভত প্ৰায়। ঠিক তেনেদৰে কাতি বিহুৰ তুলসী তল আৰু খেতিপথাৰত জ্বলোৱা চাকিগছিৰ তাৎপৰ্য বৰ্তমান অৰ্থহীন। ভঁৰাল, আকাশবন্তি আদি পূৰ্বতে শুনা কিছুমান শব্দ মাত্ৰ। কাৰ্যক্ষেত্ৰত তাৰ প্ৰয়োগ তেনেই সীমিত।

অসমৰ অন্যান্য সৰু-বৰ নানা উৎসৱ আছে, যিবোৰ বৰ্তমান নিৰ্দিষ্ট কিছুমান অঞ্চলৰ বাহিৰে লাহে লাহে বিলুপ্তিৰ দিশলৈ আগবাঢ়িছে, যেনে— মহ খেদা উৎসৱ, নাও খেলা উৎসৱ, সুৱৰী, বিভিন্ন পূজা-পাৰ্বণ আদি। বৰ্তমান এই সমূহৰ ঠাই লৈছে বন্ধুত্বৰ দিন, ভেলেন্টাইন ডে, মাদাৰ ডে, ৰাখীবন্ধন আদিয়ে। এইবোৰৰ পয়োভৰে আমাৰ সংস্কৃতিৰ স্বকীয়তাত মোক্ষম আঘাত হানিছে বুলি ক’লেও অত্যুক্তি কৰা নহ’ব। সংস্কৃতিৰ অন্যতম এটা উপাদান হৈছে থলুৱা কলা-কৃষ্টিবোৰ। অসমৰ থলুৱা কলা-কৃষ্টিবোৰ অতি মনোৰম। অসমীয়াৰ জাপি, নাঙল-যুৱলিৰ মাজত ইয়াৰ কাৰিকৰী কলা প্ৰদৰ্শিত হয়। অসমৰ গাঁৱে-ভূঞে লুকাই থকা লোকনৃত্যসমূহ যেনে— ৰাভা নৃত্য, বড়ো নৃত্য আদিৰ এটা সুকীয়া মৰ্যাদা আছে। পিছে আজিৰ সময়ত কিছুমান সস্তীয়া মনোবৃত্তিৰ লোকৰ উদাসীন দৃষ্টিভংগীৰ কৰালগ্ৰাসত অসমীয়া সংস্কৃতিৰ এই আপুৰুগীয়া সম্পদসমূহ হেৰাই যাবৰ উপক্ৰম হৈছে। ইয়াৰ গুৰিতে হৈছে এইবোৰৰ সংৰক্ষণ কৰোতাৰ অভাৱ। আধুনিকতাই আমাক এনেকৈ আচ্ছন্ন কৰি ৰাখিছে যে আমি আমাৰ ঐতিহ্যক, আমাৰ পৰম্পৰাক আধুনিকতাৰ কৰালগ্ৰাসৰ পৰা উদ্ধাৰ কৰিবলৈ অকণো চেষ্টা কৰা নাই। সেয়ে বোধহয় কবিয়ে কৈছে—

ধিক্ অসমীয়া মানুহ নহয়
অসম শ্মশান নোহে কোনে কয়?

এসময়ৰ অসমীয়া মানুহৰ হিয়াৰ আমঠু, অসমীয়াৰ আদৰৰ প্ৰতীকস্বৰূপ তাঁতশালখন আজিৰ কেইগৰাকী ডেকা-গাভৰুৱে চিনি পায়? অতীতত মহিলাসকলে তাঁতত কাপোৰ বৈ নিজেও পিন্ধিছিল, আনকো পিন্ধাইছিল। পিছে বৰ্তমান ব্যৱসায়ভিত্তিত ইয়াৰ ব্যৱহাৰ হয় যদিও আধুনিক সমাজত তাঁতশাল বা ইয়াৰ লগত সংলগ্ন অন্যান্য সামগ্ৰী যেনে— য’তৰ, মাকো, গাৰি, ৰাঁহ আদিৰ সম্পৰ্কে নতুন প্ৰজন্মই নাজানে। তদুপৰি অসমীয়া নাৰীৰ মূল সাজ মেখেলা-চাদৰৰ ঠাই অধিকাৰ কৰিছে চুৰিদাৰ, শাৰী, লেহেঁগা-চোলী, ঘাগ্ৰা আৰু আজিৰ আধুনিকাৰ ভাষাত— Most comfortable dress-Jeans pant and T-shirt. মাজে মাজে কিছুমান সাজে শালীনতাৰ শিকলি ছিগিব খোজে। ঠিক তেনেদৰে পুৰুষৰ চুৰিয়া চোলাটোও কিছুমান বিশেষ সময়ৰ বাহিৰে বাকী সময়ত অনাদৃত হৈয়ে থাকে। আজিকালি আনকি অসমীয়া দৰায়ো দৰাৰ সাজত শ্বেৰৱানীহে পৰিধান কৰা পৰিলক্ষিত হয়। হায় অসমীয়া সংস্কৃতি। কবিয়ে এনেয়ে কোৱা নাই—

কুটুমেই ৰান্ধে কুটুমেই বাঢ়ে
কুটুমেই কুটুমক খায়
কুটুমৰ তেজেৰে বন্তি জ্বলালে
মজিয়া ভকেভকায়।

অসমীয়াৰ সুস্বাদু, সুষম পুষ্টিকৰ খাদ্যৰ তালিকাখনো এইখিনিতে উল্লেখ কৰা হ’ল— চিৰা, সান্দহ, এঠা দৈ, নানাবিধ পিঠা-পনাৰ লগতে থেকেৰা দিয়া মাছৰ জোল, মাটিমাহৰ দাইল, খাৰলি-কাঁহুদী, বাঁহগাজ, নানাবিধ শাক ভাজি, খাৰ আদিৰ সোৱাদ পাহৰি আপোন কৰি লৈছে ৰোল, ম’ম’, চাওমিন, ফ্ৰাইড ৰাইচ, পিজ্জা, বাৰ্গাৰ আদিক।

আই, পিতা, খুৰা-খুৰী আদি মিঠা অসমীয়া শব্দবোৰ প্ৰায় হেৰাই গৈছে। মম, পাপা, দাদ, আংকুল, আন্টি আদি বিদেশী শব্দই অসমীয়া সম্বোধনবাচক শব্দবোৰ নোহোৱা কৰিছে। তদুপৰি অসমীয়া ডেকা-গাভৰুৰ (কোনো কোনো ক্ষেত্ৰত আদহীয়া লোকৰ) বাক্য-গঠন পদ্ধতিও উল্লেখ কৰিবলগীয়া— ‘তো সি মোক তেনেকা ক’লে, but মই ক’লো ভাতটো বনাই দেনা। আকৌ, মোক যাব ক’লে but মই ক’লো পেহলে আপুনি যাওক, মই হমেশা এনেকা problemত ফঁচি থাকো ইত্যাদি। লক্ষ্মীনাথ বেজবৰুৱাই কোৱা— ‘অ’ মোৰ সুৰীয়া মাত, অসমৰ সুৱদি মাত’ৰ এই পুতৌলগা মুহূৰ্তত আমি প্ৰত্যেক অসমীয়াই আমাৰ অস্তিত্বক জীয়াই ৰাখিবলৈ সাজু হ’বৰ হ’ল। নহ’লে হয়তো বিজতৰীয়া সংস্কৃতিৰ ধামখুমীয়াত উটি-ভাটি গৈ আমি নিজৰ পৰিচয় হেৰুৱাই ইকুলো নাপাম সিকুলো নাপাম।

বিয়াই-সবাহে বেঞ্চত বা চকী-মেজত বহি বিলনীয়াই বিলাই দিয়া খাদ্য তৃপ্তিৰে গ্ৰহণ কৰাৰ পৰা আজি আমি বঞ্চিত, কাৰণ হাতত প্লেট লৈ শাৰী পাতি সজাই থোৱা খাদ্য নিজে প্লেটত লৈ থিয় হৈ খোৱা ‘বুফে’ ছিষ্টেম আজিকালি অধিক জনপ্ৰিয় হৈ উঠিছে। আমাৰ ককা-আইতা নালাগে, মা-দেউতাই আজিকালি ইচ্ছা থাকিলেও এনে অনুষ্ঠানত উপস্থিত থাকিবলৈ টান পায়। তেওঁলোকৰ মতে— ‘নেযাওঁ দে, মগনীয়াৰ দৰে হাতত থাল লৈ খাবলৈ শাৰী পতাৰ বয়স আমাৰ নাই।’ ভাবিলে দুখ লাগে যে আনৰ সংস্কৃতি অনুসৰণ কৰিবলৈ গৈ আমি কিমান যে নিৰ্মল আনন্দ লাভ কৰাৰ পৰা নিজকে বঞ্চিত কৰিছো।

মঞ্জিৰা শৰ্মা

বৰ্তমান বহুতো অসমীয়া পৰিয়ালত দেখা যায় তেওঁলোকে দিনটোৰ ক্লান্তি, অৱসাদ দূৰ কৰিবলৈ পাৰ্টি কৰে, ক্লাবলৈ যায়। বৰ্তমান আধুনিকতাৰ এটা নতুন ঢৌৰ নাম হ’ল ৰক শ্ব’। পাৰ্টী, ক্লাব, ৰক শ্ব’ আদিৰ নামত যি ব্যভিচাৰ অসমত গা কৰি উঠিছে সি সভ্যতাৰ নামত কলংক। অতীজতে বুঢ়া-মেথাসকলে নামঘৰৰ মজিয়াত বহি কৰা আলোচনা, ডেকাসকলে কৰা নাট-ভাওনাৰ আখৰা, মহিলাসকলে কৰা বিয়নীমেল আদিৰে ৰূপান্তৰ এই ক্লাব, পাৰ্টী, কিটি পাৰ্টী ইত্যাদি।

এতিয়া ডাঙৰ প্ৰশ্ন হ’ল, আমি প্ৰকৃততে অসমীয়া সংস্কৃতিৰ ধ্বজাবহনকাৰী অসমীয়া নে সংস্কৃতিৰ নামত এটা বিজতৰীয়া সংস্কৃতিৰ বোজা কঢ়িয়াই ফুৰা ‘নামত অসমীয়া’। আমি ভাবো আত্মবিশ্লেষণেই এই প্ৰশ্নৰ উত্তৰ পৰিষ্কাৰকৈ দিব। সংস্কৃতিৰ এই দুৰ্দশাৰ বাবে নৱ প্ৰজন্মক দোষ দি লাভ নাই। আমি অগ্ৰজসকলৰ কিমানে আমাৰ সংস্কৃতি যুগমীয়া কৰি ৰাখিবলৈ চেষ্টা কৰিছো? আমি অভিভাৱকসকলে যদি আমাৰ সন্তানক মামা, পাপা ক’বলৈ শিকাওঁ তেন্তে তেওঁলোকে মা, দেউতা শব্দৰ আমেজটো পাব কেনেকৈ? সহজতে হয় বুলিয়ে ল’ৰা-ছোৱালীক ‘মেগী’ বনাই দিয়া মাতৃয়ে কেনেকৈ সন্তানক লাডু-পিঠাৰ সোৱাদ বুজাব? প্ৰতিযোগিতাৰ জগতত ফেৰ মাৰিব পৰাকৈ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নাম লগাই দিয়ক, আপত্তি নাই, তাৰ লগে লগে মাতৃভাষাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিব পৰাকৈ এটা অসমীয়া পৰিৱেশ (কথা পাতোতে শুদ্ধ অসমীয়া শব্দ ব্যৱহাৰ কৰি, মিশ্ৰ শব্দৰে মিশ্ৰ ভাষাৰ সৃষ্টি নকৰি) ঘৰতে সৃষ্টি কৰিব পাৰিব লাগিব। মেখেলাযোৰক আমি অগ্ৰজসকলে আদৰ কৰিলে অনুজসকলেও তাক হয়তো উপেক্ষা নকৰিব বা সেই সাজ পৰিধান কৰিবলৈ অনীহা প্ৰকাশ নকৰিব। আমি এটা কথা অন্তৰেৰে উপলব্ধি কৰা উচিত যে আমি কি সাংস্কৃতিক, কি প্ৰাকৃতিক সকলো ফালৰ পৰা চহকী এটা জাতি। আমাৰ এটা নিজৰ ভাষা আছে, নিজা সংস্কৃতি আছে, যি সংস্কৃতিয়ে আমাক বিশ্বৰ দৰবাৰত এটা সুকীয়া মৰ্যাদাৰে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম কৰি তুলিছে। তেনেস্থলত আমি পশ্চিমীয়া সংস্কৃতিক এনেদৰে অন্ধভাৱে অনুকৰণ কৰিছো কিয়? বিভিন্ন দেশৰ সংস্কৃতিৰ দ্বাৰা এখন দেশ প্ৰভাৱান্বিত হোৱাটো স্বাভাৱিক। সেইবুলি নিজৰ অস্তিত্বক বিসৰ্জন দি আনৰ সংস্কৃতিক অন্ধভাৱে অনুকৰণ কৰাটো অতি লজ্জাজনক কথা। আমি যে মাইকেল জেকচন, পল ৰবচন বুলিলে বলিয়া হওঁ, পশ্চিমৰ দেশৰ কেইজনে শংকৰদেৱক জানে, যিয়ে আমাৰ সংস্কৃতিৰ বৰঘৰটো নিৰ্মাণ কৰি থৈ গ’ল? কেইজনে জ্যোতি, বিষ্ণুক জানে, যিয়ে আমাৰ সংস্কৃতিক এটা সুকীয়া মৰ্যাদা দান কৰি থৈ গ’ল? কেইটা জাতিৰ কেইগৰাকী ভদ্ৰ মহিলাই অসমীয়া মেখেলা-চাদৰ পৰিধান কৰি এটা সুকীয়া আমেজ পায়? আমি ভাবো, অসমীয়াই যিদৰে পপ ছং, চুৰিদাৰ-কামিজ, জীনছ পেন্ট, ৰোল, ম’ম’, পিজ্জা আদিক মৰমেৰে আঁকোৱালি লৈছে, আন কোনো জাতিয়ে হয়তো বিহু, মেখেলা-চাদৰ, বৰগীত, জ্যোতি সংগীত, খাৰলি-কাঁহুদী আদিক ইমান মৰমেৰে বুকুত আঁকোৱালি লোৱা নাই।

শেষত, আমাৰ সীমিত জ্ঞানৰ উপলব্ধিৰে ক’ব খোজো যে আনৰ সংস্কৃতিক নিজৰ সংস্কৃতিলৈ আমন্ত্ৰণ জনাওক, তাত বাধা নাই, মাত্ৰ চাব লাগিব যাতে আনৰ সংস্কৃতিৰ পয়োভৰত আমাৰ বাৰেবৰণীয়া সম্পদশালী অসমীয়া সংস্কৃতি বিজতৰীয়া সংস্কৃতিলৈ পৰিৱৰ্তন নহয়। আমাৰ কৰ্মব্যস্ত জীৱনৰ মাজতে আমি সময় উলিয়াই সন্তানক টাইম পাছ কৰিবলৈ পগ’, হাংগামা আদি কাৰ্টুন চেনেলত ব্যস্ত নাৰাখি আমাৰ সাধুকথাকে কৈ শুনাওচোন, সিহঁতে যে কিমান আনন্দ পাব লগতে আমাৰ লোক-সংস্কৃতিও জীয়াই থাকিব, শুবলৈ লওঁতে সন্তানক চিডি বজাই ‘লোৰী’ শুনোৱাতকৈ আমিয়ে নিচুকনি গীত গাই শুনাওচোন, সিহঁতৰ স্বপ্নালু চকুৰ আৱেশে সিহঁতক এনে এখন ঐন্দ্ৰজালিক জগতলৈ লৈ যাব, য’ত সিহঁতে শিয়ালীক চিনি পাব, বাৰীৰ বগৰী বুটলি খোৱাৰ সপোন ৰচিব পাৰিব। আমাৰ সংস্কৃতিৰ পথাৰখন চহকী কৰি সেউজ কৰা সংস্কৃতিৰ এই পূজাৰীসকলৰ অৱদানৰ কথা তেওঁলোকক ক’ব লাগিব, বুজাব পাৰিব লাগিব যে অতীতত তেওঁলোকে সিঁচি যোৱা সংস্কৃতিৰ পথাৰখনৰ বীজেই বৰ্তমান সংস্কৃতিক জীপাল কৰি তুলিছে, নতুনৰ ৰং-ৰহণে মাথোঁ তাক প্ৰৌজ্জ্বল কৰি তুলিছে। আজিৰ তৰুণ-তৰুণীয়েও অন্তৰেৰে উপলব্ধি কৰা উচিত যে অসমীয়া সংস্কৃতিৰ ভেটিটো বৰ চহকী, ইয়াক অক্ষুণ্ণ ৰখাৰ গুৰুভাৰ তেওঁলোকৰে। গতিকে আমি অগ্ৰজ-অনুজ সকলোৱে মিলি আমাৰ সংস্কৃতিক বিজতৰীয়া নকৰি এটা উচ্চ মানবিশিষ্ট সংস্কৃতিমান জাতি হিচাপে, ‘অসমীয়া জাতি’ হিচাপে নিজকে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰা উচিত। নহ’লে অস্তিত্বৰ সংকটত আমি দিশহাৰা হৈ হয়তো নিজকে নিজে প্ৰশ্ন কৰিবলৈ বাধ্য হ’ম— প্ৰকৃততে আমাৰ ভুলটো কোনখিনিত? গীতিকবি পাৰ্বতিপ্ৰসাদে কোৱাৰ দৰে—

‘আপোন হাতে ঘৰ ভাঙিলি অ’
অঘৰী।
আৰুনো তই কিহৰ আশাত
ফুৰিছ ঘূৰি।।
নিজৰ ভেটি কাকনো বেচি
কৰিলি ধনী।
হেৰাই হাতৰ সোণ বিচাৰ
পৰশমণি।।

আমি অংগীকাৰবদ্ধ হোৱা উচিত— আমাৰ সোণৰ দৰে সংস্কৃতিক আমি হেৰাই যাবলৈ নিদিওঁ। ড° নিৰ্মলপ্ৰভা বৰদলৈৰ এটি কালজয়ী কবিতাৰে আমাৰ লেখা সামৰিছো।

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকৈ নাকত আহি লাগিলে
মই হেৰাই পাওঁ মোৰ দেউতাক।
দোকানৰ জাপ ভগা গামোচাৰ
সুবাসত
মই হেৰাই পাওঁ মোৰ আইক।
মই মোক মোৰ সন্তানৰ বাবে
ক’ত থৈ যাম? ক’ত???

আমি চেষ্টা কৰা উচিত যাতে আমাৰ সন্তানে আমাক ভৱিষ্যতে বিচাৰি পায় আহিনৰ সেউজীয়া পথাৰৰ মাজত, তাঁতশালৰ মাজত, বিহুগীত, আইনাম, বিয়ানাম, নিচুকনি গীতৰ মাজত, ঢোল, পেঁপা, গগনাৰ মাজত, মেখেলা-চাদৰ, কেৰুমণি, থুৰীয়াৰ মাজত, দৈ-চিৰা, পিঠা-পনাৰ মাজত, ছুইমিং পুল, মেডবিন্টন, কাৰ্টুন, ৰক শ্ব’ ভেলেন্টাইন ডে’, ক্লাব, পাৰ্টী, চাওমিন, ম’ম’ৰ মাজত নহয়— কাৰণ এই আটাইবোৰ ক্ষণস্থায়ী। সময়ৰ লগে লগে এইবোৰ নোহোৱা হৈ যাব, পুনৰ নতুনৰ পৰশত নতুনে সাৰ পাই উঠিব আৰু আমিবোৰ? জাতিস্মৰৰ এটা হাঁহি উঠা সাধুলৈ ৰূপান্তৰিত হৈ কালৰ বুকুত হেৰাই যাম।

ফোন ঃ ৮৬৩৮-১৬৭৮০০

লেহেম বৃদ্ধি, মুদ্ৰাস্ফীতি আৰু নিবনুৱা

এইটো সঁচা যে গোটেই পৃথিৱীক কৰোনাৰ-২০২০-২১ আৰু ২০২১-২২-ৰ সময়চোৱাত বিপদজনক অৰ্থনৈতিক ফলাফলে আগুৰি ধৰিছিল আৰু এনেকি ২০২২-২৩ চনতো চলিত বেমাৰে কাম কৰিছে। ভাৰতৰ দৰে বহুতো দেশে অৰ্থনৈতিক বিপৰ্যয়ৰ বিভিন্ন খণ্ডত উৎপাদন কেন্দ্ৰত, প্ৰাথমিক চিন্তা হ’ল সাধাৰণ মানুহৰ বাবে, লাভবান হৈ বা লোকচান ভৰি।

অৰ্থনৈতিক ল’কডাউন মানে কৰ্ম-বিচ্যুতি, সঞ্চয়, কিনা ক্ষমতা শ্ৰমিক শ্ৰেণীৰ, আয়ৰ সংৰক্ষণ (খৰচ নকৰি) মধ্যবিত্ত আৰু ওপৰ মধ্যবিত্ত শ্ৰেণীৰ আৰু চাহিদাৰ কম বজাৰত দেখদেখকৈ। তথাপি চৰকাৰী বিষয়াসকলে মন্ত্ৰীত্বৰ অথবা বিষয়াবৰ্গৰ ক্ষেত্ৰত অৰ্থনীতিত সেউজ সংকটৰ দাবী দেখা যায় আৰু V আকাৰৰ পুনৰুত্থান দেখে, এইটো ব্যাখ্যা নকৰাকৈয়ে যে ক’ৰপৰা এই চাহিদা আহিব। লেহেম পুনৰুত্থান দেখি, সমুখত ব্যক্তিগত লেহেম খৰচ, কেন্দ্ৰীয় চৰকাৰে ইয়াৰ নিজা মূলধনী খৰচ (Capital Expenditure) আৰু ৰাজ্য সমূহৰ পুনৰুদ্ধাৰ প্ৰক্ৰিয়া বচাবলৈ চেষ্টা কৰি আছে।

বিত্তীয় মন্ত্ৰীসকলৰ G-২০ সভাত আৰু কেন্দ্ৰীয় বেংকসমূহৰ গভৰ্ণৰসমূহে বালিত (ইণ্ডোনেচিয়া, জুলাই ১৫, ২০২২) ভাৰতীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ঘোষণা কৰিছিল যে “ভাৰতৰ দীৰ্ঘম্যাদী বৃদ্ধিৰ ৰাজহুৱা মূলধনী খৰচৰ লগত যোগ হৈ আছে।” এইজনীয়েই সেই সীতাৰমণ যিয়ে বাজেটৰ সময়ত ব্যক্তিগত খণ্ডৰ ভূমিকাক প্ৰশংসা কৰিছিল যাতে চৰকাৰে অৰ্থনৈতিক কাৰ্য্যকাৰিতাৰ পৰা বাদ দিয়ে। এতিয়া যেতিয়া সম্পূৰ্ণ অৰ্থনীতিক ব্যক্তিগত কৰণ কৰা হ’ল, কেলেই চাহিদাক ব্যক্তিগতকৰণ কৰা হোৱা নাই। যদিও মন্ত্ৰীয়ে এনেদৰে কোৱা নাই, জন মেইনাৰ্ড কেইনেচে ১৯৩৬ চনত ব্যাখ্যা কৰিছিল, যে বজাৰ অৰ্থনীতিয়ে লেহেম চাহিদাৰ পৰা কষ্ট পায়, কাৰণ মানুহে ধনী হোৱাৰ পাছত বৰ্ধিত আয়ৰ চাহিদাৰ তুলনাত খৰচ নকৰে, আৰু দুখীয়া মানুহে আয়ৰ অভাৱত খৰচ কৰিব নোৱাৰে। কেইনেচে সেয়েহে বৰ্ধিত মূলধনী খৰচ বঢ়োৱাৰ যোগেদি চাহিদাৰ সৃষ্টি কৰাৰ কথা কৈছিল।

এতিয়া ভাৰতৰ অসামনতা এনেদৰে বৃদ্ধি পাইছে যে ধনীক শ্ৰেণীয়ে অনুপাত হিচাপে খৰচ নকৰে আৰু মূলধনী ৰাজহুৱা খৰচ সমাধানৰ বাবে অসম্ভৱ হয়।

এক ব্যক্তিগত আৰু ব্যক্তিগত অৰ্থনীতিত, ধনীক শ্ৰেণীয় চৰকাৰক বাধ্য কৰায় কৰ বঢ়োৱাত তেওঁলোকৰ ওপৰত, উন্নতিকল্পে পুঁজিৰ বাবে, হয় অপ্ৰত্যক্ষ কৰ (যেনে GST) অথবা বজাৰৰ পৰা ঋণ লোৱাত। বৰ্তমান ভাৰত চৰকাৰে এনে দুয়োটা কাম কৰা দেখা গৈছে। আন্তৰ্জাতিক মুদ্ৰানিধিয়ে কৈছে যে চৰকাৰে পৃথিৱীজুৰি আদায় দিয়াৰ ক্ষমতাৰ বাহিৰত ঋণ লয়। এইটো স্পষ্ট যে ভাৰতত ঋণ মুঠ ঘৰুৱা আয়ৰ অনুপাত ৮৯.৬ শতকৰা, তলৰ আয়ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ বুজায় বেচি ত্যাগ। জুলাই, ১৭, ২০২২ ত ব্যৱসায়ীসকলে কৰা “ভাৰত বন্ধু” শতকৰা ৫ ভাগ GST কমেও, অৰ্থাৎ ব্ৰেণ্ড বিহীন সামগ্ৰী এক উদাহৰণ ভৱিষ্যতৰ বাবে। নিশ্চয়কৈ, “Consumer Protest Wings” দুখীয়া লোকৰ হৈ খোলা ৰাজনৈতিক দলসমূহৰ সময় আহি পৰিছে ভৱিষ্যতে সক্ৰিয় হোৱাৰ।



শৰৎ দাস

মুদ্ৰাস্ফীতিৰ দুই ধৰণৰ ফলাফল হয়, “টনিক” আৰু “টক্সিক”। টনিক ফলাফলে লাহে লাহে বৃদ্ধি মূল্যৰ, লাভ, উৎপাদন, নিবনুৱা ইত্যাদি আৰু সেয়েহে ইয়াক ভাল পায় প্ৰায় সকলোৱে। যদি মূল্যবৃদ্ধি পুনৰ হয় আৰু বাহি থাকে ওপৰ অঞ্চলত, চাহিদা বন্ধ হয়, নিয়োগ সৃষ্টি হয়, খৰচৰ মান কমি যায়, নিম্ন মানৰ অৰ্থনীতি স্থবিৰতাত আৰু ৰাজনৈতিক স্থবিৰতাতো ভাতি আহি পৰে।

ভাৰত চৰকাৰে মুদ্ৰাস্ফীতিৰ লক্ষ্য শতকৰা ৪ ভাগ ঠিক কৰিছে আৰু ২ ভাগ শতকৰা যিয়ে বুজায় যে শতকৰা ৬ ভাগৰ এক অঞ্চল সৃষ্টি কৰিছে। বিত্তীয় বছৰত ২০২২-২৩, মুদ্ৰাস্ফীতিৰ হাৰ জনামতে প্ৰায় শতকৰা ৭ ভাগ হ’ব, অৰ্থাৎ চৰকাৰে ঠিক কৰা ওপৰ সীমাকো চেৰাই গৈছে। চৰকাৰ আৰু কৰ্পৰেট খণ্ডই এতিয়া পৰিস্থিতিৰ বাবে অসুবিধাত পৰিছে, কিন্তু অনুষ্ঠানসমূহে (MSME) আৰু চহৰৰ সম্পবিহীন শ্ৰমিক শ্ৰেণীও।

লেহেম পুনৰুদ্ধাৰ, সমূহ অসমৰ্থতা, প্ৰায় পৃথিৱীৰ আটাইতকৈ ওপৰত, নিম্ন নিয়োগ উৎপত্তি, বৰ্ধিত নিবনুৱা ইত্যাদিয়ে যোগ দিছে, এক অৰ্থনৈতিক অনিশ্চয়তাৰ সৃষ্টি কৰিছে। বৰ্তমান নিবনুৱাৰ হাৰ, CMIE-ৰ মতে ১৬ জুলাই ২০২২ ত শতকৰা ৬.৯ ত গ্ৰামাঞ্চলৰ বাবে থিয় হৈছে, শতকৰা ৭.৭ ভাগ চহৰ অঞ্চলত, আৰু শতকৰা ৭.৭ ভাগ সামগ্ৰিকভাবে দেশখনৰ বাবে। এই হাৰ যথেষ্ট উচ্চ আৰু চৰকাৰৰ বাবে প্ৰতি বছৰে ২ কোটি কৰ্মসৃষ্টি অসম্ভৱ। সমানে অসম্ভৱ হ’ল অগ্নিবীৰযচৰকাৰৰ দ্বাৰা গুণগত কাম কৰাটো। এনেকি হাজাৰ হাজাৰ যুৱকে পৰিস্থিতিত বাধ্য হৈ নিয়োগৰ বাবে দৰখাস্ত দিছে।

দৰাচলতে চৰকাৰে ব্যক্তিগতকৰণ সকলো ৰাজহুৱা খণ্ডৰ অনুষ্ঠানসমূহক কৰাৰ প্ৰতিশ্ৰুতি দিছে। ইয়ে নিয়োগৰ ক্ষেত্ৰত প্ৰথম আঘাত আনিছে আৰু লাভালাভ নিশ্চিত কৰাৰ কথা কৈছে যিয়ে উচ্চস্বৰে নিবনুৱাৰ ভৱিষ্যত সম্পৰ্কে উনুকিয়ায়।

আটাইতকৈ চিন্তনীয় ভৱিষ্যত নিয়োগৰ গুণগত মান হ’ল পূৰাদ্যমে কামৰ নিশ্চিত ধ্বংস কৰা, যিয়ে শ্ৰমিকৰ বাবে অস্থিৰতা আনিব আৰু অলপতে শ্ৰমিক চিহ্নই (Codes) নিশ্চিত কৰিছে যে নিয়োগকাৰীয়ে এজনক নিয়োগ কৰিব পাৰে যিমানেই উচ্চ পদ নহওক কিয়, এক চুক্তিত (Contract) এক বিশেষ সময়ৰ বাবে। ইয়ে কৰ্মচাৰীৰ প্ৰমোচনত বাধা দিব, অৱসৰ লাভ নোহোৱা কৰিব। এটা অৰ্থত, সকলো শ্ৰমিকক অস্থায়ী কৰিব নিযুক্তি আৰু ইচ্ছামতে বিদায় দিব পাৰে।

চৰকাৰে নীতি আয়োগৰ মতে জুন ২৭, ২০২২ ত “India's Booming Gig and Platform Economy” প্ৰতিবেদনত কোৱা হৈছে ২০২০-২১ ৭৭ লাখ (৭.৭ নিযুত) শ্ৰমিক ব্যস্ত আছিল গিগ্ অৰ্থনীতিত। ইয়ে শতকৰা ২.৬ ভাগ অনাকৃষি শ্ৰমিক বা ১.৫ ভাগ ভাৰতৰ সমগ্ৰ শ্ৰমশক্তিৰ। শ্ৰমশক্তি আশাকৰামতে বাঢ়িব আৰু ২.৩৫ কোটিলৈ (২৩.৫ নিযুত) ২০২৯ লৈ। প্ৰবণতাই দেখুৱায় যে নিম্ন শ্ৰেণীৰ শ্ৰমিক ২.৩৫ কোটি (২৩.৫ নিযুত) শ্ৰমিক ২০২৯-৩০ লৈ। প্ৰবণতাই দেখুৱাইছে যে কম কাৰিকৰী শ্ৰমিক আৰু উচ্চ কাৰিকৰী শ্ৰমিক বাঢ়ি আছে। ধন্যবাদ অৰ্থনীতি য’ত উচ্চ মানৰ কাৰিকৰী শিক্ষাৰ শ্ৰমিকো এক বোজা।

কিন্তু এতিয়াও অৰ্থনৈতিক নিৰাপত্তাৰ সমৰ্থকৰ অভাৱ হোৱা নাই। সৌ সিদিনা যুৱ আৰু বিবাদমান বিজেপিৰ নেতা তেজস্বী সূৰ্য্যই মতামত দিছিল এক টি ভি স্বত “অৰ্থনৈতিক নিৰাপত্তা হ’ল পুৰণি, কুৰি শতিকাৰ সমাজবাদৰ ধাৰণা। আমি ধন্যবাদ জনাব লাগে তেওঁক কাৰণ তেওঁ স্বীকাৰ কৰিছে যে শ্ৰমিকসকললৈ অৰ্থনৈতিক নিৰাপত্তা সমাজবাদে দিয়ে আৰু বজাৰ অৰ্থনীতিয়ে নহয়। অৰ্থনৈতিক নিৰাপত্তা সকলোৰে বাবে হ’ল এক মধুৰ লক্ষ্য ভাৰতৰ সংবিধানৰ। সেয়েহে— সমাজবাদ দীৰ্ঘজীৱী হওক।”

লেখক গুৱাহাটী ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা
ফোন ঃ ৯৪৩৫৭৩২৯৫৫

চুটি জীৱনকালত সাফল্যৰ অভিলেখ

গণেশ গগৈ

জীৱনকাল ৩১ বছৰ মাত্ৰ

(১৯০৭-১৯৩৮)



অসমীয়া ৰোমাণ্টিক কাব্য জগতৰ অন্তিম লগ্নৰ এজন প্ৰখ্যাত কবি হ’ল গণেশ গগৈ। তেওঁৰ কবিতাত ব্যক্তি হৃদয়ৰ আকুলতা কল্পনা-বিলাস, সৌন্দৰ্যানুৰাগ, প্ৰেম, প্ৰকৃতিপ্ৰীতি, জাতীয়তাবোধ, অধ্যাত্মবোধ প্ৰভৃতি ৰোমাণ্টিক কবিতাৰ প্ৰায় সকলোবোৰ বৈশিষ্ট্যই অনাবিল ৰূপত প্ৰতিভাত হৈছে। এইবোৰৰ ভিতৰত সবাতোকৈ উজ্জ্বল আৰু সহৃদয় হৃদয় সংবাদী ৰূপত প্ৰকাশ পাইছে প্ৰেমানুৰাগ। সেই বাবেই অসমীয়া কাব্য ভুৱনত তেওঁ এজন প্ৰেমৰ কবি হিচাপেই প্ৰসিদ্ধ।

গণেশ গগৈৰ প্ৰেম কবিতাৰ উৎস হ’ল তেওঁৰ ব্যক্তিগত জীৱনৰ প্ৰেম অভিজ্ঞতা। ল’ৰালিৰে পৰা চিনাকি এজনী ছোৱালীৰ প্ৰতি থকা তেওঁৰ মৰম যৌৱনৰ দুৱাৰডলিত আহি গভীৰ প্ৰেমলৈ ৰূপান্তৰিত হয়। ছোৱালীজনীৰ পৰিয়ালৰ স’তেও গগৈৰ ভাল সম্পৰ্ক আছিল। ছোৱালীজনীৰ ককায়েক আছিল তেওঁৰ নলে গলে লগা বন্ধু। সেই সম্পৰ্কৰ আঁত ধৰিয়েই তেওঁ প্ৰায়ে তেওঁলোকৰ ঘৰলৈ অহা যোৱা কৰিছিল আৰু ছোৱালীজনীৰ লগত কথা-বতৰাও পাতিছিল। ছোৱালীজনীৰ কণ্ঠ আছিল অতিশয় সুললিত। এদিন তেওঁ পিয়ানো বজাই গোৱা গীতটো শুনি কবিৰ অন্তৰ বাৰুকৈয়ে তেওঁৰ প্ৰতি আকৰ্ষিত হয়।

গণেশ গগৈৰ এটা দৰদী অন্তৰ থকাৰ উপৰি আছিল অভিনয়, আবৃত্তি, চিকাৰ আৰু খেল-ধেমালিত অসাধাৰণ দক্ষতা। তদুপৰি তেওঁ আছিল প্ৰাণ-চাঞ্চল্যৰে ভৰপূৰ এজন তজবজীয়া সুদৰ্শন যুৱক। কিন্তু ইমানবোৰ গুণৰ অধিকাৰী হোৱা সত্বেও প্ৰধানতঃ যিটো কাৰণত কবিলৈ ছোৱালীৰ বাপেকে নিজৰ ছোৱালীক বিয়া নিদিলে, সেই কাৰণটো হ’ল— সৰুৰে পৰাই থকা গগৈৰ ৰাগিয়াল বস্তু সেৱনৰ বদ অভ্যাস। অপৰিমিত মদ্যপান কৰাৰ ফলতে কবি এদিন আক্ৰান্ত হ’ল যক্ষ্মা ব্যাধিত আৰু অতি কম বয়সতে সেই বেমাৰত তেওঁৰ মৃত্যু হ’ল।

ড° নীলমোহন ৰায়

ফোন ঃ ৯৮৬৪০৬৪২৭৪

অকালতে জীৱনবন্তি নিৰ্বাপিত হোৱা এইজন প্ৰতিভাৱান কবিৰ জন্ম হৈছিল যোৰহাট নগৰত ১৯০৭ৰ ২৮ ডিচেম্বৰত আৰু মৃত্যু হৈছিল ১৮৩৮ৰ ২১ আগষ্টত। ১৯২৬ত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গণেশ গগৈয়ে কটন কলেজ, কলিকতাৰ ৰিপণ কলেজ আৰু কাশী হিন্দু বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰে। কিন্তু বি এ পৰীক্ষাত নবহাকৈ ঘৰলৈ ঘূৰি আহি পোনতে কাঠৰ ব্যৱসায়ত ধৰি পাছত মহলদাৰ হয়। নাটক আৰু কবিতাৰ প্ৰতি থকা ধাউতিৰ বাবে ব্যৱসায়ত তেওঁ মন বহুবাব পৰা নাছিল। মাত্ৰ ডেৰকুৰি বছৰ কালত জীৱন নাটৰ সামৰণি পৰা এইগৰাকী যুৱক অকল কবিয়েই নাছিল, তেওঁ আছিল এগৰাকী গীতিকাৰ আৰু প্ৰসিদ্ধ নাট্যকাৰো। যোৰহাট থিয়েটাৰৰ নিয়মীয়া সভ্যৰূপে অভিনয়ত অংশগ্ৰহণ কৰাৰ উপৰি অন্যান্য নাট্য আৰু সাহিত্য কৰ্মত আগভাগ লৈছিল। তেওঁৰ দ্বাৰা ৰচিত মঞ্চ সফল পূৰ্ণাংগ নাটককেইখন হ’ল—‘শকুনিৰ প্ৰতিশোধ’, দক্ষযজ্ঞ, হৰিশ্চন্দ্ৰ আৰু কাশ্মীৰ কুমাৰী। তেওঁ লিখা চাৰিখন নাটিকা হ’ল— লাচিত, জেৰেঙাৰ সতী, কমলা কুঁৱৰী আৰু কুৰি শতিকা। অৱশ্যে গগৈয়ে লিখা ‘শকুনিৰ প্ৰতিশোধ’ আৰু ‘কাশ্মীৰ কুমাৰী’ নাটক দুখনহে প্ৰকাশিত অৱস্থাত পোৱা গৈছে। আনহাতে গ্ৰামোফোন ৰেকৰ্ডৰ উপযোগী কৰি লিখা তেওঁৰ নাটকবোৰৰ ভিতৰত ‘লাচিত’ আৰু ‘জেৰেঙাৰ সতী’ ৰেকৰ্ড কৰা হৈছিল ১৯৩৬ত। ‘কমলা কুঁৱৰী’ প্ৰকাশিত হৈছিল যদিও ৰেকৰ্ড হোৱা নাছিল। গগৈৰ উভয় শ্ৰেণীৰ নাটৰ অন্যতম বৈশিষ্ট্য আছিল ৰাষ্ট্ৰীয়তাবাদ আৰু দেশভক্তি। তদুপৰি সুমধুৰ গীতৰ অৱতাৰণাও তেওঁৰ নাটৰ আছিল বিশেষ বৈশিষ্ট্য। এইবোৰৰ উপৰি ‘সপোন’ নামৰ কথা-কবিতা আৰু ‘ব্যৰ্থ জীৱন’ নামৰ গল্প তেওঁৰ উল্লেখযোগ্য ৰচনা।

অৱশ্যে যিটো কাৰণত গণেশ গগৈ অসমীয়া সাহিত্যৰ বুৰঞ্জীত অম্লান ভাস্বৰ হৈ আছে আৰু থাকিব চিৰকাল সেয়া হ’ল তেওঁৰ কাব্য সাহিত্যলৈ ৰাখি থৈ যোৱা অনন্য অৱদান। তেওঁৰ আন সকলো প্ৰতিভাকে অতিক্ৰমি গৈছে তেওঁৰ কবি প্ৰতিভাই। গগৈৰ দ্বাৰা ৰচিত কবিতা পুথি তিনিখন—পাপৰি (১৯৩৪), স্বপ্নভংগ (১৯৩৬) আৰু ৰূপজ্যোতি (১৯৪৫)। তদুপৰি এই তিনিখন কাব্য সংকলনত স্থান নোপোৱা বহুতো অপ্ৰকাশিত গীত আৰু কবিতা পৰৱৰ্তী কালত ‘গণেশ গগৈৰ ৰচনা সম্ভাৰ’ নামৰ গ্ৰন্থখনত সংযোজিত হৈছে।

ব্যক্তিগত জীৱনত লাভ কৰা প্ৰেয়সীৰ নিষ্ঠুৰ প্ৰতিদান তথা উদাসীনতাই গগৈক সান্ত্বনা বিচাৰি কাব্যত আশ্ৰয় ল’বলৈ বাধ্য কৰে। প্ৰতিদানহীন একপক্ষীয় প্ৰেমৰ কৰুণ বিননিয়েই ৰূপ ল’লে ‘পাপৰি’ত। গগৈৰ কবিতাত আছে অতীত প্ৰেমৰ ৰোমন্থন। খেদ আৰু হৃদয় বিদাৰক বিৰহ-ব্যথা। প্ৰেম আৰু সৌন্দৰ্য কবিৰ দৃষ্টিত দুটা বেলেগ বস্তু নহয়, প্ৰেমেই কবিৰ মনত সৌন্দৰ্যৰ দুৱাৰ মুকলি কৰি দিছিল। প্ৰেমৰ ব্যৰ্থ পৰিণতিৰ কাৰণে কবিয়ে প্ৰিয়তমাৰ ওচৰত খেদ কৰিছে যদিও দোষাৰোপ কৰা নাই, দোষী সাব্যস্ত কৰিছে নিয়তিকহে। নিয়তিৰ প্ৰভাৱ তেওঁৰ ভাবধাৰাৰ মাজেদি ভালকৈ প্ৰকাশ হৈছে। কবিতাৰ মাজেদি গগৈৰ স্পৰ্শকাতৰ মন, সৌন্দৰ্যবোধ আৰু আৱেগপ্ৰৱণ হৃদয়ৰ পৰিচয় পোৱা যায়। তেওঁৰ কবিতাত গভীৰ অন্তৰ্মুখী দৃষ্টি, বুদ্ধিনিষ্ঠাৰ বা দাৰ্শনিকতাৰ বিশেষ আভাস পোৱা নাযায়ঃ কিন্তু সাৱলীল ছন্দ, মধুৰ শব্দ বিন্যাস, সৰল অথচ আৱেগ সঞ্চাৰী ভাষা-শৈলীৰ প্ৰয়োগ মন কৰিবলগীয়া বিশেষত্ব

প্ৰেমৰ উপৰি গণেশ গগৈৰ কবিতাৰ আন এটা ধাৰা হ’ল জাতীয়তাবোধ তথা দেশাত্মবোধ। পৰাধীন দেশৰ কবি হিচাপে কবিতাত স্বাধীনতা লাভৰ বাবে তীব্ৰ আকুলতা নাথাকিলেও জন্মভূমিৰ প্ৰতি তেওঁৰ গভীৰ আস্থা আৰু ভালপোৱা প্ৰকাশ পাইছে। কবিতাৰ মাজেৰে জাতীয় ভাবধাৰা জগাই তুলিবলৈ তেওঁ অতীত অসমৰ বীৰ-বীৰাংগনাৰ আত্মত্যাগৰ স্মৃতি অংকন কৰিছে। তেওঁলোকৰ মহান আদৰ্শত প্ৰবুদ্ধ হৈ স্বদেশৰ মানুহে নতুন দেশ গঢ়াৰ বাবে আগবাঢ়ি আহিব লাগে বুলি তেওঁ আহ্বান জনাইছে। জননী জন্মভূমিৰ প্ৰতি থকা কবিৰ ঐকান্তিক অনুৰাগৰ নিদৰ্শন গগৈৰ ভালেমান কবিতাত দীপ্যমান হৈ আছে। কবিৰ মতে জন্মভূমিৰ বাহিৰে আন কোনো স্বৰ্গ নাই, সেয়ে তেওঁৰ চিৰসাধনাৰ চৰম লক্ষ্য ঠায়েই হ’ল জন্মভূমি আই। মাতৃৰ ৰূপ-গুণত মুগ্ধ কবিয়ে গাইছে—

ৰূপত জননী তই নিৰুপমা
গুণতো যে তাৰ তুলনা নাই।
স্বৰ্গ বিচাৰি নাযাওঁ জননী,
আৰু যে স্বৰ্গ নাই,
তয়েই আমাৰ চিৰসাধনাৰ
চৰম লক্ষ্য ঠাই।

গণেশ গগৈৰ দেশপ্ৰেমৰ অভিব্যক্তি থকা কবিতাবোৰৰ ভাব আৰু ভাষা অনাবিল, সৰল আৰু স্পষ্ট।

কবিৰ অকাল বিয়োগ অসমীয়া কাব্য জগতৰ বাবে নিঃসন্দেহে এক অপূৰণীয় ক্ষতি।

আজাৰাৰ সমাজকৰ্মী ৰঞ্জিত মেধিৰ মৃত্যু

তিনি পৃষ্ঠাৰ পৰা ত্যাগ কৰে। বিশিষ্ট সমাজকৰ্মীজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে শোকত ম্ৰয়মাণ হৈ পৰে সমগ্ৰ আজাৰাবাসী।

আজাৰা তালুক, আজাৰা বন্ধু মিলন নাট্য সমিতি, আজাৰা জয়া সমূহীয়া কেন্দ্ৰ, হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়, আজাৰা ৰঙালী বিহু সন্মিলনী আদি আজাৰাৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত মেধি মৃত্যুৰ সময়লৈ আজাৰা উন্নয়ন মঞ্চৰ সম্পাদক আছিল।

সমগ্ৰ অসমৰে অন্যতম পুৰণি নাট্য মঞ্চ আজাৰা বন্ধু মিলন নাট্য মন্দিৰ ১৯০৫ তে স্থাপন কৰা হয়। তেতিয়াৰ পৰাই আজাৰা বন্ধু মিলন নাট্য সমিতিয়ে জন্মাষ্টমীত নাট্যাভিনয়, সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। আজাৰাত নাট্য আন্দোলনৰ ধাৰা অব্যাহত ৰখাত অন্যতম গুৰি ধৰোতা আছিল মেধি। তেওঁ টেক্সি ড্ৰাইভাৰ, টিপু চুলতান, লাচিত বৰফুকন, শতিকাৰ বান, ফেহুজালি, দাতা কৰ্ণ, সিংহাসন, আলেকজেণ্ডাৰ, আনাৰকলি আদি কৰি ২০ খনতকৈ অধিক নাটকত অভিনয় কৰি সফল অভিনেতাৰূপে পৰিচিত হৈছিল।

ৰেল বিভাগৰ ছিনিয়ৰ ষ্টোৰ মেনেজাৰ হিচাপে অৱসৰ গ্ৰহণ কৰা মেধিয়ে মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃতদেহ সমদল কৰি আনি গোসাঁইপাৰা মন্দিৰ, হৰি গায়ত্ৰী দাস মহাবিদ্যালয়, আজাৰা ৰাজহুৱা সভাঘৰলৈ নিয়া হয়। তাতেই আজাৰা তালুক, আজাৰা ৰঙালী বিহু সন্মিলনী, বন্ধু মিলন নাট্য সমিতি, আজাৰা উন্নয়ন মঞ্চ, জয়া সমূহীয়া কেন্দ্ৰ, ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয় হীৰক জয়ন্তী উদ্‌যাপন সমিতি, চন্দ্ৰ প্ৰভা হাইস্কুল, মিৰ্জাপুৰ তালুক, আজাৰা ক্ৰীড়া সন্থা, এভাৰেষ্ট ক্লাব, আজাৰা সাহিত্য সভা, আজাৰা ব্যায়াম সমিতি, আজাৰা ছাত্ৰ সন্থা, অগপ আজাৰা আঞ্চলিক সমিতি, বিজেপি ৰাণী মণ্ডল সমিতি আদি অনুষ্ঠান-প্ৰতিষ্ঠানে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। পাছত তেওঁৰ আজাৰা ৰাজহুৱা শ্মশানত অগণন গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সমাপন কৰা হয়।

পৰ্যটনস্থলী দ্বাৰাগাঁৱত অবৈধ সুৰাৰ

তিনি পৃষ্ঠাৰ পৰা ডাৰ্জিলিং সদৃশ পৰিৱেশ এই দ্বাৰাগাঁৱত। সংবাদ মাধ্যমৰ জৰিয়তে ঠাইখন বিশ্ববাসীয়ে দেখিলে। টিভিৰ দ্বাৰা দূৰৈৰ পৰা চোৰাতকৈ নিজে এবাৰ আহি চালে দ্বাৰাগাঁওখন। অহা সকলৰ মতে, অপৰূপ সৌন্দৰ্যৰ আকৰ দ্বাৰাগাঁও। পিছে সকলোৰে নয়নৰ মণি হৈ পৰা ঠাইডোখৰত চেক লাগিল। পৰ্যটনৰ নামত দ্বাৰাগাঁৱত চলিছে সুৰাৰ মুকলি বেহা। চলে সুৰাপান কৰাৰ মুকলি প্ৰতিযোগিতা। ফলত বিপদ মাতিছে দ্বাৰাগাঁও অঞ্চলৰ জনসাধাৰণৰ। উল্লেখ্য যে বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত দ্বৰাগাঁও এতিয়া ৰাজ্যখনৰ ভিতৰতে জনপ্ৰিয় পৰ্যটনস্থলী। ভূটান পাহাৰৰ সেউজ পৰিৱেশ আৰু নদীৰ পানীয়ে হাতবাউল দি মাতে পৰ্যটকক। দৈনিক আগমন ঘটে শ শ পৰ্যটকৰ। কিন্তু পৰ্যটকৰ গইনা লৈ দ্বাৰাগাঁৱত গঢ়ি উঠিছে অবৈধ সুৰাৰ ব্যৱসায়। পৰ্যটনস্থলী দ্বাৰাগাঁৱত থকা দোকানসমূহত মুকলিকৈ বিক্ৰী হৈ আহিছে অবৈধ সুৰা। ইয়াৰ উপৰি পৰ্যটকসকলে মুকলিকৈ কৰি আহিছে সুৰাপান। যেন সুৰাপানৰ এখন অঘোষিত প্ৰতিযোগিতাহে। যিয়ে যেনেকৈ পাইছে তেনেকৈয়ে সুৰাপান কৰি বিনষ্ট কৰি আহিছে পৰিৱেশ। আনকি একাংশই নদীৰ পানীৰ মাজতে সুৰাপান কৰি বটলসমূহো নদীৰ পানীতে পেলাই দিছে। আনহাতে, সুৰাপান কৰি ঘৰলৈ ওভতাৰ পথত সন্মুখীন হৈছে দুৰ্ঘটনাৰ। বিগত সময়ছোৱাত কে'বাটাও দুৰ্ঘটনা সংঘটিত হৈ নিহত আৰু আহত হৈছে কে'বাজনো। এক নিয়ন্ত্ৰণহীন পৰিৱেশে এতিয়া দ্বাৰাগাঁওবাসীক বিৰক্ত কৰি তুলিছে। মটৰ চাইকেলৰ খুন্দাত কোন কেতিয়া ঘুণীয়া হয় কোনো ঠিক নাই। স্থানীয় ৰাইজে সেয়ে অতিশীঘ্ৰে প্ৰশাসনক ব্যৱস্থা ল'বলৈ দাবী জনাইছে। অঞ্চলটোৰ দুৰ্গাবাহাদুৰ ভূজেলে সাংবাদিকক কয় যে আমি বহু আশা কৰিছিলো দ্বাৰাগাঁৱক লৈ। পৰ্যটনৰ বহু আকৰ্ষণীয় দিশ দেখা পোৱা গ'লহেঁতেন ইয়াত। কিন্তু সুস্থ পৰিচালনাৰ অভাৱ দ্বাৰাগাঁৱত। অবাধে ডেকা ল'ৰা-ছোৱালীয়ে সুৰাপান কৰে ইয়াত। হকা বধা দিয়াৰ পৰিৱেশ নাই ইয়াত। দিনক দিনে সুৰাপায়ীৰ অতপালি বাঢ়ি গৈছে। অহাৰ সময়ত ঠিকে থাকে যদিও উভতি যোৱাৰ সময়ত বহু পথ দুৰ্ঘটনা হয়। এই সকলোবোৰ দিশ প্ৰশাসনে চাব লাগে।

সগৌৰৱেৰে ৭৫ বছৰ গৰকিলে অসম

তিনি পৃষ্ঠাৰ পৰা মহাবিদ্যালয়খনৰ ডীন তথা বিজ্ঞান গুৰু ড° বিবেকানন্দ শইকীয়াই এক সংবাদমেল সম্বোধন কৰি মহাৰজত জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচী ঘোষণা কৰে। সেই অনুসৰি, অহা ১৮ আগষ্টত অৰ্থাৎ মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ দিনটোৰ পৰাই আৰম্ভ হ'ব লগা মহাৰজত জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰাৰ লগতে অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব বুলি ড° শইকীয়াই সদৰী কৰে। ফলত কেৱল মানৱ সম্পদ সৃষ্টিৰ দিশতে নহয়; শিক্ষণ, গৱেষণা, সম্প্ৰসাৰণ আদি দিশত সমগ্ৰ দেশতে উল্লেখনীয় অৱদান আগবঢ়াই অহা মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীক কেন্দ্ৰ কৰি এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। উল্লেখ্য যে ভাৰতীয় প্ৰশাসনিক সেৱা, সামৰিক সেৱাৰ উচ্চ পদস্থ বিষয়াৰ পৰা বহুজাতিক কোম্পানীৰ শীৰ্ষ বিষয়ালৈ, বিভিন্ন ৰাজ্যৰ পশুপালন বিভাগৰ সঞ্চালকৰ পৰা বিদেশী ৰাষ্ট্ৰত সুপ্ৰতিষ্ঠিত পশু চিকিৎসকলৈ এক বহল পৰিসৰত অসম পশু বিজ্ঞান মহাবিদ্যালয়ৰ ব্যাপ্তি বিৰাজমান। দেশৰ ভিতৰতে প্ৰথমজন পশু চিকিৎসক হিচাপে হাতীৰ চিকিৎসাৰ ক্ষেত্ৰত উল্লেখনীয় অৱদানৰ বাবে পদ্মশ্ৰী সন্মানপ্ৰাপ্ত ড° কুশল কোঁৱৰ শৰ্মাও এই মহাবিদ্যালৰে প্ৰাক্তন ছাত্ৰ তথা অধ্যাপক। এইখন মহাবিদ্যালয়ে দুজন প্ৰাক্তন ছাত্ৰ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ উপ-সঞ্চালক প্ৰধানৰ দৰে গুৰুত্বপূৰ্ণ আৰু দায়িত্বশীল পদত অধিষ্ঠিত হৈছে বুলি ডীন ড° শইকীয়াই মন্তব্য কৰি বন্যপ্ৰাণী চিকিৎসা, সংৰক্ষণৰ দিশতো মহাবিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থী আৰু অধ্যাপকৰ কৰ্ম ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৃত হৈছে বুলি কয়। উল্লেখ্য যে মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ উপলক্ষে ৰূপায়ণ কৰিবলগীয়া বছৰজোৰা কাৰ্যসূচীৰ লগত সংগতি ৰাখি ৰাজ্যৰ ভিন্ন প্ৰান্তত কৃষক মেলা, বাণিজ্যিক পক্ষী মেলা, ঘোঁৰা প্ৰদৰ্শনী, কুকুৰৰ প্ৰদৰ্শনী, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনাচক্ৰ, পশু চিকিৎসা খণ্ডৰ বিশেষজ্ঞ আৰু খ্যাতিমান সমল ব্যক্তিৰ দ্বাৰা বক্তৃতানুষ্ঠান, ন-পুৰণি শিক্ষাৰ্থী সমাৰোহ আদি আয়োজন কৰা হ'ব বুলি ড° শইকীয়াই সদৰী কৰে। সমান্তৰালভাৱে মহাবিদ্যালয়খনৰ গৱেষণা সঞ্চালক ড° নিৰঞ্জন কলিতাই 'কামৰূপা' নামৰ কুকুৰাৰ জাত, 'এই ডি কে-৭৫' নামৰ গাহৰিৰ জাত এই মহাবিদ্যালয়ৰ অন্যতম উদ্ভাৱন বুলি সদৰী কৰি মহাবিদ্যালয়খনে উদ্ভাৱন কৰা গাহৰিৰ ছোৱাইন ফিভাৰ ৰোগৰ ছিটা, হাঁহৰ ডাক প্লেগ ৰোগৰ ছিটা, কুকুৰাৰ ৰানীখেত বেমাৰৰ ছিটা, অঞ্চল ভিত্তিক খনিজ লৱণ, গাহৰিৰ শুক্ৰাণু পৰিবহণৰ বাবে পিগি ফ্লেক্স আদি উল্লেখনীয় অৱদানে পশুপালক তথা কৃষকসকলক উপকৃত কৰিছে বুলি কয়।

স্বাধীনতাৰ ৭৫ বছৰতো পৰাধীন একাংশ

তিনি পৃষ্ঠাৰ পৰা অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুকেই দোকান, বাণিজ্যিক প্ৰতিষ্ঠান, কাৰখানা, আবাসিক হোটেল, ৰেস্তোৰাঁ, থিয়েটাৰ, বিনোদন কেন্দ্ৰ, ধাবা, ৰাস্তাৰ দাঁতিৰ চাহ-ভাতৰ দোকান আৰু ঘৰুৱা বনকৰা ল'ৰা-ছোৱালী হিচাপে কামত ব্যৱহাৰ কৰিব নোৱাৰে। অথচ ফুল আৰু পখিলাৰে খেলাৰ বয়সতে, হাতত নতুন পাঠ লৈ বিদ্যালয়লৈ যোৱাৰ বয়সতে কেৱল পৰিয়ালৰ আৰ্থিক অনাটনৰ বাবেই নগাঁৱৰ লগতে প্ৰতিবেশী মৰিগাঁও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং আদি জিলাৰ শ শ শিশুৱে শ্ৰমিকৰূপে নিয়োজিত হৈ এক অভিশপ্ত জীৱন কটাবলগীয়া হৈছে। পখিলা খেদাৰ বয়সতে এই শিশুসকলক তেওঁ লোকৰ পিতৃ-মাতৃয়ে অনিচ্ছা সত্বেও কেৱল দৰিদ্ৰতাৰ বাবেই বুকুত শিল বান্ধি, নিজৰ বুকুৰ উমৰ পৰা বঞ্চিত কৰি ঘৰৰ পৰা বহু নিলগত তথাকথিত (ছাৰ-বাইদেউ)ৰ ঘৰত ৰাখিবলগীয়া হৈছে। অৱশ্যে তেওঁলোকৰ সন্তানক টকাৰ চাহিদা পূৰণতকৈ শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদানকে প্ৰাথমিক চৰ্তৰূপে লৈ নগাঁও চহৰ প্ৰমুখ্যে জিলাৰ বিভিন্ন চহৰৰ উচ্চপদস্থ চৰকাৰী বিষয়া, চিকিৎসক, অভিযন্তা, বিভিন্ন চৰকাৰী চাকৰিয়াল, ব্যৱসায়ী আৰু আন একাংশ ধনবান লোকৰ ঘৰত নিয়োজিত কৰিছে। এই শিশুসকলক দৰিদ্ৰ অভিভাৱকসকলে নিজেই নগাঁৱলৈ আনি শ্ৰমিকৰূপে নিয়োজিত কৰা নাই। বৰঞ্চ একাংশ মধ্যভোগী দালাল আৰু ইতিপূৰ্বে জিলাখনৰ বিভিন্ন অঞ্চলত বিভিন্ন লোকৰ ঘৰত শ্ৰমিকৰূপে নিয়োজিত হৈ থকা একাংশ শিশু শ্ৰমিকৰ মাধ্যমেৰেই সৰবৰাহ কৰা পৰিলক্ষিত হৈছে। পাহাৰীয়া জিলা দুখনৰ সহজ-সৰল আৰু দৰিদ্ৰতাৰ ভৰত কুঁজা হ'বলগীয়া হোৱা অভিভাৱকসকলে নিজৰ সন্তানক এমুঠি ভাত আৰু এডোখৰ বস্ত্ৰৰ লগতে প্ৰয়োজনীয় শিক্ষাৰ ব্যৱস্থা কৰিব নোৱৰাৰ বাবেই অনিচ্ছা সত্বেও নিজৰ সন্তানক আনৰ লগত এখন অচিনাকি ঘৰলৈ পঠিয়াই দিয়ে। চকুৰ পানীৰে বাট নেদেখা অৱস্থাৰ সৃষ্টি হয় এই বিদায় ক্ষণত। দৰিদ্ৰ অভিভাৱকসকলে ভাবে যে তেওঁলোকৰ সন্তানে গৈ নগাঁৱত যথেষ্ট সুখত আছে, নিতৌ বিদ্যালয়লৈ যায়। তেওঁলোকে ভাবে যে তেওঁলোকৰ সন্তানে পঢ়ি-শুনি এদিন ডাঙৰ মানুহ হ'ব, তেওঁলোকৰ দুখ-দৰিদ্ৰতা নাইকিয়া কৰিব; কিন্তু এই সহজ-সৰল দৰিদ্ৰ লোকসকলৰ স্বপ্ন ভংগ হ'বলৈ সৰহ দিন নালেগে। কিয়নো এই দৰিদ্ৰ সহজ-সৰল লোকসকলৰ দৰিদ্ৰতা আৰু সৰলতাৰ সুযোগ গ্ৰহণ কৰি শিশুসকলক শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদানতকৈ ঘৰত বনকৰা ল'ৰা-ছোৱালী হিচাপেহে নিয়োজিত কৰি অকথ্য শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উঠে। অভিযোগ অনুসৰি, যিসকল লোকে পাহাৰীয়া জিলা দুখনৰ কণ কণ শিশুক নিজৰ ঘৰত শ্ৰমিকৰূপে নিয়োগ কৰি ৰাখিছে তেওঁলোকে দৰিদ্ৰ অভিভাৱকসকলক আঁভুৱা ভাৰিবলৈকে শিশুসকলক অসমীয়া মাধ্যমৰ কোনো প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰাই দিয়ে। অথচ বিদ্যালয়লৈ নিয়মীয়াকৈ যোৱাৰ অনুমতি প্ৰদান নকৰে। সপ্তাহত এদিন বা দুদিনহে বিদ্যালয়লৈ যাবলৈ দিয়া হয়। ইপিনে, এই শিশুসকলৰ মাতৃভাষা যিহেতু কাৰ্বি সেয়েহে বিদ্যালয়ত ভাষাৰ সমস্যাতো পৰা দেখা যায়। শিশুসকলক স্কুলত পঢ়ুৱাই থকা বুলি গৰাকীসকলে আনৰ আগত দাংকোপ মাৰে যদিও দিনটোৰ সৰহখিনি সময়েই কণ কণ শিশুবোৰক ঘৰৰ কামত খটুওৱা পৰিলক্ষিত হয়। যিটো সময়ত আন শিশুসকলে মাতৃৰ বুকুৰ উম লৈ সুখনিদ্ৰাত থাকে, সেই সময়তে কাহিলি পুৱাতে এই শিশুসকলে শুৱাপাটি এৰি চোতাল সৰা, ঘৰ ঝাড়ু দিয়া, বাচন-বৰ্তন ধোৱা, কাপোৰ ধোৱা আদি কাম কৰিব লাগেল। পঢ়াবলৈ অনা বুলি ফাকি দি অনা এই হতভগীয়া শিশুসকলে গৰাকীৰ ঘৰত ঘৰ ঝাড়ু দিয়া, ঘৰ মচা, বাচন ধোৱা, কাপোৰ ধোৱা আনকি দুই একে ভাত ৰন্ধা কামো কৰিব লাগে। যাৰ ফলত এই শিশুসকলে পঢ়িবলৈ সময়েই নাপায়। আনকি পঢ়ুৱাবলৈ বুলি প্ৰলোভন দি আনি নিজৰ ঘৰত বনকৰা ল'ৰা-ছোৱালী হিচাপে ব্যৱহাৰ কৰা এই হতভগীয়া শিশুসকলক সততে পিতৃ-মাতৃৰ পৰাও কৌশলৰে আঁতৰাই ৰাখে। নিজৰ ঘৰলৈতো এই শিশুসকলক যাবলৈ নিদিয়েই, তেওঁলোকৰ পিতৃ-মাতৃ আহিলেও ভালকৈ কথা পাতিবলৈ নিদিয়ে।

কেৱল কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ শিশুৱেই নহয়, নগাঁও আৰু মৰিগাঁও জিলাৰো গ্ৰামাঞ্চল, সংখ্যালঘু অধ্যুষিত অঞ্চল, চৰ-চাপৰি, চাহ জনগোষ্ঠীৰ বহুসংখ্যক শিশুকো বিদ্যালয়ত পঢ়োৱাকে প্ৰাথমিক চৰ্তৰূপে লৈ অৱশ্যে আন একাংশ মধ্যভোগীয়ে ধনৰ লালসাত জিলাখনৰ বিভিন্ন ঠাইৰ ধনৱান লোকৰ ঘৰত নিয়োগ কৰি ৰাখিছে। এই শিশুসকলেও এক নাৰকীয় জীৱন কটোৱা পৰিলক্ষিত হৈছে। জিলাখনত শিশু শ্ৰমিক আইনক অংগুষ্ঠ প্ৰদৰ্শন কৰি একাংশ লোকে দৰিদ্ৰ পৰিয়ালৰ শিশুসকলক বিদ্যালয়ত পঢ়াৰ সুবিধা দিয়াৰ ভুৱা প্ৰতিশ্ৰুতিৰে শ্ৰমিকৰূপে ব্যৱহাৰ কৰি আহিছে যদিও এই সন্দৰ্ভত জিলা প্ৰশাসনে চকু মুদা কুলিৰ ভাওহে ধৰি অহা পৰিলক্ষিত হৈছে। জিলাখনৰ অন্য ঠাইৰ কথাটো বাদেই, নগাঁও চহৰৰে অসংখ্য ধনৱান লোক, চৰকাৰী বিষয়া-কৰ্মচাৰী, ৰাজনৈতিক নেতা-কৰ্মী, স্বেচ্ছাসেৱী অনুষ্ঠানৰ বিষয়ববীয়াৰ ঘৰতেই নিয়োজিত হৈ আছে শিশু শ্ৰমিক। মাজে সময়ে চহৰখনত চাইল্ড লাইনে অভিযান চলাই কে'বাজনো শিশু শ্ৰমিকক উদ্ধাৰ কৰিছে যদিও এতিয়াও নগাঁও চহৰকে প্ৰমুখ্যে কৰি জিলাখনৰ বিভিন্ন ঠাইত কেঁবাশ দৰিদ্ৰ পৰিয়ালৰ শিশু শ্ৰমিকৰূপে নিয়োজিত হৈ আছে। এই দুৰ্ভগীয়া শিশু শ্ৰমিকসকলৰ বাবে চৰকাৰ, নগাঁও জিলা প্ৰশাসন, জিলা সমাজ কল্যাণ বিভাগ, কাৰ্বি আংলং জিলা স্বায়ত্ত পৰিষদৰ কৰণীয় একোৱেই নাই নেকি বুলি সচেতন ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে।

কাইলৈ সমগ্ৰ দেশে অতি ধুমধামেৰে ৭৫সংখ্যক স্বাধীনতাৰ স্বাধীনতা দিৱস উদ্‌যাপন কৰিব। চৌদিশে উল্লাসৰ বন্যা দেখা যাব। নেতাসকলেও স্বাধীনতা আৰু উন্নয়নৰ প্ৰসংগৰে ভাষণৰ ফুলজাৰি মাৰিব; কিন্তু সেই সময়তো নগাঁও জিলাত বিভিন্ন লোকৰ ঘৰত কৰ্মৰত শ শ শিশু শ্ৰমিকে কামৰ পৰা মূৰ দাঙিব নোৱাৰিব। গতানুগতিকভাৱে কাইলৈ স্বাধীনতা দিৱসৰ দিনটোতো পৰাধীন নাগৰিকৰ দৰে কটাব লাগিব। এই হতভগীয়া শিশুসকলৰো মন যায় হাতত এখন ত্ৰিৰংগা লৈ উল্লসিত হ'বলৈ। মালিকৰ ঘৰৰ ল'ৰা-ছোৱালী কেইটাৰ দৰে স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ সাজি-কাচি যাবলৈ; কিন্তু স্বাধীন দেশৰ নাগৰিক হৈও যে তেওঁলোক পৰাধীন। তেওঁলোকৰ সমস্ত স্বাধীনতা যে মালিক-মালিকনীৰ হাতত কুক্ষিগত। এই দুৰ্ভগীয়া শিশুসকলৰ জীৱনলৈ কেতিয়া আহিব প্ৰকৃত স্বাধীনতা?

আবুল হুছেইনলৈ প্ৰয়াত তৰুলতা ভট্টাচাৰ্য বিশেষ সাংবাদিকতা বঁটা

অগ্ৰদূত বাৰ্তা

কলগাছিয়া, ১৬ আগষ্ট ঃ ডিজিটেল সংবাদ জগতত জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰা ঈশান নিউজে চলিত বৰ্ষৰ ১৫ আগষ্টত তিনিটা বৰ্ষ সম্পূৰ্ণ কৰে। তদুপলক্ষে ঈশান নিউজৰ মুখ্য কাৰ্যালয়ত ১৪ আগষ্টত তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি বৰপেটা জিলাৰ কলগাছিয়াৰ ঈশান নিউজৰ সাংবাদিক তথা জনীয়াৰ সুযোগ্য সন্তান আবুল হুছেইনক প্ৰয়াত তৰুলতা ভট্টাচাৰ্য বিশেষ সাংবাদিকতা বঁটাৰে সন্মানিত কৰা হয়। ঈশান নিউজৰ সাংবাদিক আবুল হুছেইনে তৰুলতা ভট্টাচাৰ্য বিশেষ সাংবাদিকতাৰ বঁটা আঁজুৰি আনি জনীয়ালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত উৎফুল্লিত হৈ পৰিছে জনীয়াবাসী। কলগাছিয়া মহকুমা সাংবাদিক সংস্থা, জনীয়া প্ৰেছ ক্লাব, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে শুভাকাংক্ষীয়ে সাংবাদিক আবুল হুছেইনক উষ্ম আদৰণি আৰু অভিনন্দন জ্ঞাপন কৰে। সংবাদ জগতত ৰাইজৰ পক্ষত থাকি কাম কৰা আপোচবিহীন, সৎ সাহসী পৰিশ্ৰমী সাংবাদিকজনক অনাগত দিনত মূক জনতাৰ বলিষ্ঠ কণ্ঠ হৈ কাম কৰি যাবলৈ জনীয়াবাসী ৰাইজে আহ্বান জনায়। ১৪ আগষ্টত ঈশান নিউজৰ মুখ্য পৰিচালন সঞ্চালক তথা অসমৰ প্ৰাক্তন মন্ত্ৰী, বৰ্তমানৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ সহধৰ্মিণী মনালিছা ভট্টাচাৰ্যৰ পৰা সাংবাদিক আবুল হুছেইনে এই বিশেষ বঁটা গ্ৰহণ কৰে।

তিনি সাংবাদিকক সম্বৰ্ধনা গোসাঁইগাঁও মহকুমা প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ১৬ আগষ্ট ঃ কৰ্মক্ষেত্ৰত উৎসাহ আৰু প্ৰেৰণা দিয়াৰ উদ্দেশ্যে ৰাজ্যৰ আন প্ৰান্তৰ দৰে গোসাঁইগাঁও মহকুমা প্ৰশাসনে কৰ্ম দক্ষতা প্ৰদৰ্শন কৰা সংবাদ কৰ্মী, সাহিত্যিক, শিক্ষক, কৃষক, চৰকাৰী কৰ্মচাৰীকে ধৰি ১০ জন ব্যক্তিক ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি সম্বৰ্ধনা জ্ঞাপন কৰে। গোসাঁইগাঁও মহকুমা সদৰ চহৰৰ লৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত মহকুমা প্ৰশাসনে কেন্দ্ৰীয়ভাৱে ৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰাৰ অন্তত এই কথা ঘোষণা কৰে। মহকুমা প্ৰশাসনে ঘোষণা কৰা মতে, আজি দিনৰ ১২ বজাত গোসাঁইগাঁও মহকুমাধিপতিৰ সভা কক্ষত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। উক্ত সভাত গোসাঁইগাঁৱৰ আমাৰ অসম তথা নিউজ লাইভৰ সাংবাদিক তথা শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি দুলাল চন্দ্ৰ ৰায়ক সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ লগতে ডিডি নিউজৰ গোসাঁইগাঁৱৰ সংবাদদাতা ৰুবুল পাঠক আৰু প্ৰাগ নিউজৰ সাংবাদিক ফুঞ্ছা বৰগয়াৰীক সম্বৰ্ধনা জনোৱাৰ লগতে মহকুমাখনৰ শিক্ষক, সাহিত্যিক, কৃষক, আশা কৰ্মী, নাৰ্ছ, চাফাই কৰ্মী চৰকাৰী বিষয়া-কৰ্মী, ছাত্ৰ-ছাত্ৰীক এখনকৈ মানপত্ৰ, ফুলাম গামোচা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰি কৰ্মক্ষেত্ৰত এক অমূল্য অনুপ্ৰেৰণা আগবঢ়ায়।

অভয়াপুৰীত দৈনিক পাইকাৰী বজাৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ১৬ আগষ্ট ঃ উত্তৰ শালমাৰা মহকুমাৰ সদৰ অভয়াপুৰীত আজি পাইকাৰী বজাৰ এখন মুকলি কৰা হয়। অভয়াপুৰী পৌৰসভাৰ অন্তৰ্গত বজাৰ অঞ্চলত থকা পাইকাৰী বজাৰখন বিগত সময়ত ক'ভিড পৰিস্থিতিৰ বাবে নিকটৱৰ্তী অঞ্চললৈ স্থানান্তৰিত হোৱাত অভয়াপুৰী আৰু পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৰাইজে শাক-পাচলিৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এনে পৰিস্থিতিত পৌৰসভাই বজাৰ অঞ্চলত থকা পূৰ্বৰ গৰু বজাৰত অভয়াপুৰী দৈনিক পাইকাৰী বজাৰ নামকৰণেৰে বজাৰখন উদ্বোধন কৰে অভয়াপুৰীৰ পৌৰপতি ৰমেন্দ্ৰ নাৰায়ণ বণিক্যই। পৌৰসভাৰ উপ-সভানেত্ৰী জোনমণি পাঠক ৰাভা, বঙাইগাঁও জিলা বিজেপিৰ উপ-সভাপতি কৌস্তভ দাস প্ৰমুখ্যে বহুসংখ্যক লোক উপস্থিত থকা অনুষ্ঠানত পৌৰপতি বণিক্যই বজাৰখন কাইলৈৰ পৰা বজাৰ অঞ্চলৰ গৰু বজাৰৰ সমীপত আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰে।

ভগ্নীৰ জন্মদিন পালন কৰিবলৈ

তিনি পৃষ্ঠাৰ পৰা ৪-৩০ বজাত আন এজনৰে স'তে নৈত গা ধুবলৈ নমা শ্যাম কিছু সময়ৰ পাছতে সন্ধানহীন হয়। লগে লগে বাকীসকলৰ মাজত হুৱাদুৱা লাগে আৰু শ্যামৰ সন্ধান কৰে যদিও যুৱকজনৰ সন্ধান নোলোৱাত চাৰিদুৱাৰ আৰক্ষীক ঘটনা সন্দৰ্ভত জনোৱা হয়। ঘটনাস্থলীত উপস্থিত হোৱা চাৰিদুৱাৰ আৰক্ষীয়েও শ্যামৰ সন্ধানত অভিযান চলাই যদিও এই পৰ্যন্ত যুৱকজনৰ সন্ধান ওলোৱা নাই।

হাজোত যৌতুকৰ বাবে গৰ্ভৱতী

তিনি পৃষ্ঠাৰ পৰা স্বামী ছফিকুলে। যোৱা ১৪ আগষ্টৰ নিশাৰ ভাগত সংঘটিত এই ঘটনাৰ পাছতে মামণিৰ মাতৃগৃহৰ পৰিয়ালৰ লগতে স্থানীয় গাঁওবাসীয়ে দোষীক ফাঁচিৰ দাবীত হাজো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত হাজো আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ বাবে মামণিৰ মৃতদেহ জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰে। আনহাতে, কালি সন্ধিয়া হাজো আৰক্ষীয়ে কলিতাকুছিৰ পৰা ছফিকুলক আটক কৰি জেললৈ প্ৰেৰণ কৰে।

বগা হাতীত পৰিণত অটল

তিনি পৃষ্ঠাৰ পৰা ৰাইজ। যদিওবা পৌৰ কাউঞ্চিলৰৰ পদূলি তথা কাউঞ্চিলৰৰ আত্মীয়ৰ ঘৰৰ সন্মুখত সৌৰচাকিসমূহ সংস্থাপিত কৰা হৈছিল, কিছু হ'লেও জনতাৰ উপকাৰ হৈছিল। প্ৰায় এমাহ পূৰ্বে সংস্থাপিত সৌৰচাকি এতিয়া বিকল হৈ পৰিছে। ৰাজকোষৰ ধনেৰে নিৰ্মিত সৌৰচাকি দুদিনতে যেন এলাগী হৈ পৰিল। হঠাৎ ষ্ট্ৰীট লাইটসমূহ অচল হৈ পৰাত ৰাইজৰ মাজত অসন্তুষ্টিয়ে বিৰাজ কৰিছে। কোনো নিবিদাৰ দ্বাৰা নে দলীয় আশিসধন্য ঠিকাদাৰে এই কাম হাতত লৈছিল সেয়া স্পষ্ট নহয়। নিশা উত্তৰ গুৱাহাটীত আন্ধাৰৰ সুযোগ লৈ চোৰ-ডকাইতে অবাধে অপৰাধ সংঘটিত কৰি অহাৰ সময়ত ষ্ট্ৰীট লাইট পুনৰ কাৰ্যক্ষম কৰিবলৈ ৰাইজে দাবী জনাইছে।

হামৰেণত ৭৫ সংখ্যক স্বাধীনতা

তিনি পৃষ্ঠাৰ পৰা অংশগ্ৰহণ কৰে। ইপিনে, পেৰেডৰ মাৰ্চপাষ্টৰ বাবে নিয়োজিত হোৱা আৰক্ষী আৰু সামৰিক বাহিনীৰ স'তে ছাত্ৰ-ছাত্ৰীয়ে প্ৰদৰ্শন কৰা মাৰ্চপাষ্টৰ অভিবাদন গ্ৰহণ কৰে কাৰ্বি জনগোষ্ঠীয় পৰম্পৰা কাৰ্বি ৰজা, বৈঠালাংছ'ৰ সমষ্টিৰ বিধায়ক ৰূপছিং টেৰণ, জিলা আৰক্ষী অধীক্ষক প্ৰমুখ্যে খেলপথাৰত উপস্থিত থকা বহু গণ্যমান্য ব্যক্তিসকলে সমবেত হোৱা সহস্ৰাধিক লোকৰ মাজত পেৰেড প্ৰদৰ্শন কৰাৰ বাবে ঘন্টা ঘন্টা ধৰি প্ৰখৰ ৰ'দৰ মাজত ৰৈ থাকিব লগা হোৱাত সহ্য কৰিব নোৱাৰি ২০জনকৈ ছাত্ৰ-ছাত্ৰী আৰু পাঁচজনকৈ আৰক্ষী জোৱানে পেৰেড গ্ৰাউণ্ডতেই মূৰ ঘূৰাই ঢলি পৰে। পিছে তাৎক্ষণিকভাৱে কৰ্মত নিয়োজিত হৈ থকা আৰক্ষী আৰু সামৰিক বাহিনী জোৱানৰ তৎপৰতাত এম্বুলেন্সেৰে হামৰেণ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। অৱশ্যে ছাত্ৰ-ছাত্ৰী আৰু আৰক্ষী জোৱান কেইজন বিপদ শংকাৰ পৰা মুক্ত বুলি জানিব পৰা গৈছে।

দক্ষিণ কামৰূপৰ বৰিহাটৰ

তিনি পৃষ্ঠাৰ পৰা অৱশেষত আজি বৰিহাটৰে পংকজ দাস নামৰ লোকজনৰ প্ৰায় আঢ়ৈ কোটি টকা ওভতাই দিয়াৰ কথা আছিল যদিও পাছত পিষ্টল দেখুওৱাই ধনৰ সলনি হত্যাৰহে ভাবুকি দিয়ে। কিন্তু প্ৰৱঞ্চনাৰ বলি হোৱা পংকজ দাসে অতি কৌশলেৰে সতীৰ্থৰ স'তে নিপু দাসক কৰায়ত্ত কৰি পিষ্টলসহ পলাশবাৰী আৰক্ষীক গতাই দিয়ে। ঘটনা সন্দৰ্ভত পংকজ দাসৰ এজাহাৰৰ ভিত্তিত পলাশবাৰী থানাত ভাৰতীয় দণ্ড বিধিৰ অধীনত ৩০৮/২২ নম্বৰত গোচৰ ৰুজু কৰি নিপুক জেৰা অব্যাহত ৰাখিছে। এই ঘটনা বিয়পি পৰাৰ লগে লগেই ধন দি প্ৰৱঞ্চনাৰ বলি হোৱা বহু লোকে পলাশবাৰী থানাত ভিৰ কৰিছে। পংকজ দাসে এজাহাৰত উল্লেখ কৰা কোটি কোটি টকা প্ৰৱঞ্চনাৰে আত্মসাৎ কৰা নিপুৰ দুই সহযোগী ৰাজেশ ঠাকুৰীয়া আৰু সুশীল শৰ্মা আৰক্ষীৰ জালত পৰিবনে? ইয়াকৈ লৈ প্ৰৱঞ্চনাৰ বলি হোৱা লোকসকলৰ মাজত প্ৰশ্ন উত্থাপন হৈছে।

জ্ঞানসেতু হ'ব জ্ঞান-সাংস্কৃতিক বিনিময় বাহক

জ্ঞানসেতু উদ্বোধনী অনুষ্ঠানত নৰসিংহ বে

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৬ আগষ্ট ঃ কামৰূপ আৰু তিনিচুকীয়া জিলাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞান আৰু শিক্ষাৰ আদান-প্ৰদানৰ লক্ষ্য আগত ৰাখি ১৫ আগষ্টত জ্ঞানসেতু নামৰ এক বৈদ্যুতিন শৈক্ষিক কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। সমগ্ৰ শিক্ষা কামৰূপ আৰু তিনিচুকীয়াৰ মাজত হোৱা এক বুজাবুজিৰ জৰিয়তে এই আঁচনিখন ৰূপায়ণ কৰা হয়। ১৫ আগষ্টত ভাৰ্চুৱেল মাধ্যমৰ জৰিয়তে কামৰূপৰ উন্নয়ন আয়ুক্ত নৰসিং বে জ্ঞানসেঁতু শৈক্ষিক আঁচনিখন উদ্বোধন কৰে। উদ্বোধনী ভাষণত তেওঁ কয় যে এই শৈক্ষিক আঁচনিখনে দুয়োখন জিলাৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞানৰ বিনিময়ত বিশেষ সহায়ক হ'ব। ইয়ে জিলা দুখনত প্ৰতিভাৰ সন্ধান কৰা, সাংস্কৃতিক সমন্বয়ৰ ক্ষেত্ৰতো বিশেষ সহায় কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত ভাগ লৈ তিনিচুকীয়া জিলাৰ অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্তই কয় যে ই এক ভাল পদক্ষেপ। আঁচনিখনে জিলাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নতুন চিন্তাৰ আদান-প্ৰদানত বিশেষ সহায় কৰিব। তিনিচুকীয়া জিলা প্ৰাথমিক শিক্ষা বিষয়া বিণ্টী শৰ্মাই জ্ঞানসেতুয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত লুকাই থকা প্ৰতিভাসমূহ বিকাশ কৰাত সহায় কৰিব বুলি কয়। তেওঁ এই কাৰ্যসূচী জিলা দুখনৰ মাজত পৰ্যায় ক্ৰমে অধিক সম্প্ৰসাৰিত কৰিব পৰা যাব বুলি আশা কৰে। উদ্বোধনী অনুষ্ঠানত ভাগ লৈ কামৰূপৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই কয় যে জ্ঞানসেতুয়ে বন্ধু জিলা দুখনৰ বাবে সমন্বয় সেতু হিচাপে চিহ্নিত কৰিব। ইয়াৰ জৰিয়তে জিলা দুখনৰ মাজত বহুতো শৈক্ষিক কৰ্মসূচী ৰূপায়ণৰ বাট ওলাব বুলিও তেওঁ কয়। তেওঁ পৰ্যায় ক্ৰমে এই শৈক্ষিক আঁচনিখন আন জিলালৈকে সম্প্ৰসাৰণ কৰা হ'ব বুলি কয়। কামৰূপৰ শৈক্ষিক গোট জ্ঞানমৰ সহযোগত আয়োজন কৰা উক্ত অনুষ্ঠানত জ্ঞানম পৰিয়ালৰ কৰ্মকৰ্তাসকলৰ লগতে বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্য, কামৰূপ জিলা আঁচনি বিষয়া ক্ৰমে ফুলপাহি নাথ আৰু ছুইটী বেজবৰুৱা উপস্থিত থাকে। এই অনুষ্ঠানত জিলা দুখনৰ ছাত্ৰ-ছাত্ৰীসকলে ভালেমান সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে। শিক্ষয়িত্ৰী পল্লবী পাঠকে আঁতধৰা উক্ত অনুষ্ঠানে দুয়োখন জিলাৰ মাজত শৈক্ষিক ক্ষেত্ৰত এক ইতিবাচক প্ৰভাৱ পেলাব বুলি সচেতন মহলে আশা কৰিছে।

গোৱালপাৰাৰ গৰীব সেৱা সমিতিৰ মন্দিৰত মহাযজ্ঞ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৬ আগষ্ট ঃ দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ৰাষ্ট্ৰ শান্তিৰ বাবে গোৱালপাৰা চহৰৰ বৰোবাজাৰস্থিত গৰিব সেৱা সমিতিৰ মন্দিৰ প্ৰাংগণত এক মহাযজ্ঞ অনুষ্ঠান অনুষ্ঠিত হয়। আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা মহাযজ্ঞ অনুষ্ঠানটোত গোৱালপাৰা পৌৰসভাৰ ১৭ নম্বৰ ৱাৰ্ডৰ পৌৰ আয়ুক্ত ধনজীৰ ৰাভা, অধিবক্তা পৰিষদৰ সভাপতি ধনৰাজ পাণ্ডিয়া, অৱসৰপ্ৰাপ্ত শিক্ষক গোপীচান্দ প্ৰসাদ, অধিবক্তা সুশীল পাণ্ডিয়া, সমাজকৰ্মী কমল দাসৰ লগতে কে'বাগৰাকী বিশিষ্ট অতিথি উপস্থিত থাকি ৰাষ্ট্ৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰে।

মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত শোক সভা

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ১৬ আগষ্ট ঃ মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন শোকসভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ পৌৰোহিত্যত ২০১৪ৰ ১৫ আগষ্টত স্বাধীনতা দিৱস উদ্‌যাপনৰ কাৰ্যসূচীত বোমা বিস্ফোৰণত নিহত ছাত্ৰ-ছাত্ৰী আৰু নাগৰিকসকলৰ স্মৃতিত অনুষ্ঠিত হোৱা শোক সভাখনত সকলো ধৰণৰ হত্যা, হিংসাৰ বিৰুদ্ধে শপত বাক্য পাঠ কৰা হয়। শোকসভাত জিলা উপায়ুক্তৰ উপৰি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষীতিশ চন্দ্ৰ পেগু, অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাসকে আদি কৰি চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

তেতেলীয়াত গান্ধীনগৰ বিকাশ সংঘৰ স্থায়ী গৃহৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

সোণাপুৰ, ১৬ আগষ্ট ঃ স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি সোণাপুৰৰ নিকটৱৰ্তী তেতেলীয়াৰ অন্যতম অগ্ৰণী সামাজিক সংগঠন গান্ধীনগৰ আঞ্চলিক বিকাশ সংঘৰ প্ৰস্তাৱিত স্থায়ী গৃহটোৰ কালি আধাৰশিলা স্থাপন কৰা হয়। আয়লিৰ উৰুলি-মংগলাচাৰণ ধ্বনিৰে ভাৰ্চুৱেল মাধ্যমেৰ যোগেদি গৃহটিৰ আধাৰশিলা স্থাপন কৰে ষ্টাৰ চিমেণ্ট কাৰখানাৰ পৰিচালন সঞ্চালক প্ৰদীপ পুৰোহিতে। ইয়াৰ পূৰ্বে সংঘৰ বাকৰিত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে জেষ্ঠ্য নাগৰিক ভুৱনেশ্বৰ ডেকাই। এই উপলক্ষে অনুষ্ঠিত সভাত 'দুৱনি' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে সমাজসেৱী চন্দ্ৰ তামুলীয়ে। সভাত ষ্টাৰ চিমেণ্টৰ সহকাৰী পৰিচালন সঞ্চালিকা সুকন্যা গোস্বামী, সংঘৰ সভাপতি ৰমেশ কলিতা, সম্পাদক উৎপল গগৈ প্ৰমুখ্যে বিশিষ্ট লোকসকল উপস্থিত থাকে। তদুপলক্ষে ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি সংঘই বৰ্ণাঢ্য দেশপ্ৰেমমূলক সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত কৰা হয়।

নগাঁৱত শোক দিৱস পালন

বিশেষ সংবাদদাতা

নগাঁও, ১৬ আগষ্ট ঃ ধেমাজিত স্বাধীনতা দিৱস উদ্‌যাপনত অংশগ্ৰহণ কৰি উগ্ৰপন্থীৰ বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা শিশু আৰু অন্যান্য ব্যক্তিসকলৰ স্মৃতিত প্ৰতিবছৰে ৰছ আগষ্ট দিনটো সমগ্ৰ ৰাজ্যতে শোক দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে আজি নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত উপায়ুক্তৰ কাৰ্যালয়ৰ সভাত শোক দিৱস অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত উপস্থিত উপায়ুক্ত কাৰ্যালয়ৰ সকলো বিষয়া-কৰ্মচাৰীসকলে সন্ত্ৰাসবাদ আৰু উগ্ৰপন্থী হিংসাত্মক সকলো কাৰ্যৰ বিৰুদ্ধে শপত বাক্য পাঠ কৰে।

বৰপেটাত হিন্দু জাগৰণ মঞ্চৰ উদ্যোগত অখণ্ড ভাৰত দিৱস

বিশেষ সংবাদদাতা

বৰপেটা, ১৪ আগষ্ট ঃ হিন্দু জাগৰণ মঞ্চৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত আজি অখণ্ড ভাৰত দিৱস পালন কৰা হয়। উল্লেখ্য যে হিন্দু জাগৰণ মঞ্চই প্ৰতিবছৰে দুদিনীয়া কাৰ্যসূচীৰে স্বাধীনতা দিৱস পালন কৰি আহিছে। জাগৰণ মঞ্চই ১৪ আগষ্টৰ দিনা অখণ্ড ভাৰত সংকল্প দিৱস পালন কৰে। প্ৰতিবছৰৰ দৰে এইবেলিও হিন্দু জাগৰণ মঞ্চৰ বৰপেটা জিলা সমিতিয়ে স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি আজি অখণ্ড ভাৰত সংকল্প দিৱস পালন কৰে। বৰপেটা জিলাৰ নগাঁও অঞ্চলৰ বাৰামাৰা গাঁৱৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত পালন কৰা অখণ্ড ভাৰত দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত চাফাই অভিযান কাৰ্যসূচী পালন কৰা হয়। ইয়াৰ পাছতে হিন্দু জাগৰণ মঞ্চৰ পতাকা উত্তোলন কৰে জাগৰণ হিন্দু জাগৰণ মঞ্চৰ বৰপেটা জিলা সমিতিৰ উপসভাপতি ভাগ্যেন তালুকদাৰে। ভাৰত মাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰাৰ পাছতে মুকলি সভা অনুষ্ঠিত হয়। অবসৰপ্ৰাপ্ত শিক্ষক নীলমোহন সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ বৰপেটা জিলাৰ কাৰ্যবাহ নৰ কুমাৰ পাঠকে ভাষণ প্ৰদান কৰে। সভাত সাংবাদিক কমলেশ বৈশ্যই আমন্ত্ৰিত অতিথি হিচাপে ভাষণ প্ৰদান কৰে। কাইলৈ পুৱা ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পাছতে গছপুলি ৰোপণ কৰা হ'ব। ইয়াৰ পাছতে ত্ৰিৰংগা যাত্ৰা উলিওৱা হ'ব। আজিৰ এই অখণ্ড ভাৰত দিৱসত হিন্দু জাগৰণ মঞ্চৰ বৰপেটা জিলাৰ সভাপতি ৰূপজিৎ দাস প্ৰমুখ্যে কে'বাজনো কাৰ্যকৰ্তা উপস্থিত থাকে।

পাথৰিঘাটত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

দুনী, ১৬ আগষ্ট ঃ দৰং জিলা হাইস্কুল টিউটৰ সন্থাৰ উদ্যোগত যোৱা ১৩ আগষ্টত পাথৰিঘাট হাইস্কুলত দিনৰ এক বজাত ভেৰুৱা হাইস্কুলৰ পৰা যোৱা ১৩ জুলাইত অৱসৰ গ্ৰহণ কৰা টিউটৰ শিক্ষক ৰাজেন্দ্ৰ নাথ ডেকাক বিদায় সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এখনি সভা অনুষ্ঠিত হয়। দিপীলা আঞ্চলিক কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ খগেন চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে সন্থাৰ সভাপতি আব্দুল হামিদে। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত নগাঁও আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক ত্ৰৈলোক্য বৰুৱাই ভাষণত তেওঁ কয় শিক্ষকসকলৰ মাজত টিউটৰ, ঠিকাভিত্তিক বিভিন্ন ভাগ থাকিব নালাগে, সকলো শিক্ষক হ'ব লাগে। টিউটৰসকলেও সমানে কষ্ট কৰে তেওঁলোককো শিক্ষক কৰিব লাগে, অতি কমেও পশিছ হেজাৰকৈ মাহেকত দৰমহা দিবৰ বাবে চৰকাৰক অনুৰোধ জনায়। বিশিষ্ট অতিথিৰ ভাষণত ছিপাঝাৰ ডিজিটেল মিডিয়াৰ সভাপতি কন আলি হাজৰিকাই টিউটৰৰ সমস্যাসমূহ দূৰ কৰি টিউটৰক শিক্ষকৰ মৰ্যদা দিয়াৰ লগতে অৱসৰ প্ৰাপ্তসকলক চৰকাৰৰ প্ৰতিশ্ৰুতি ১০ লাখ টকাৰ পেঞ্চন দিবলৈ আহ্বান জনায়। সভাত উপস্থিত থকা একাংশ শিক্ষকেও ৰাজেন্দ্ৰ নাথ ডেকাৰ দক্ষ কৰ্মৰাজিৰ ওপৰত ভাষণ আগবঢ়ায়। সভাৰ আৰম্ভণিতে বিদায় শিক্ষক ডেকাক সন্থাৰ লগতে উপস্থিত থকা একাংশ শিক্ষকে মানপত্ৰ, গ্ৰন্থৰ টোপোলা, ফুলাম গামোচা, জাপি, শৰাই, চেলেং চাদৰ, ছাতি আদিৰে বিদায় সম্বৰ্ধনা জনায়। উল্লেখ্য যে ডেকাই বিনাবেতনে প্ৰায় ২৫ বছৰ শিক্ষকতাৰ দৰে মহান বৃত্তিত জড়িত থাকি শেহতীয়াভাৱে ছয়মাহ চৰকাৰৰ পৰা টিউটৰ শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছিল। সম্প্ৰতি অৱসৰৰ পাছত পেঞ্চন তথা এন পি এছ একোৱেই সুবিধা নথকাত ডেকাৰ পৰিয়ালটোলৈ নামি আহিছে অমানিশা।

ফকিৰতোলাত ঈদ সন্মিলন

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ১৬ আগষ্ট ঃ নলবাৰী জিলাৰ বৰভাগৰ ফকিৰতোলা যুৱক গোষ্ঠীৰ সৌজন্যত ২০ আৰু ২১ আগষ্টত দুদিনীয়া কাৰ্যসূচীৰে ঈদ সন্মিলনৰ লগতে সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছে। সন্মিলনৰ প্ৰথম দিনা পুৱা যুৱক গোষ্ঠীৰ পতাকা উত্তোলন কৰিব ঈদ সন্মিলন উদ্‌যাপন সমিতিৰ সভাপতি জাবেৰ আলীয়ে। ইয়াৰ পাছতে ২১জন বিশিষ্ট লোকৰ দ্বাৰা ২১ খন পতাকা উত্তোলন কৰা হ'ব। বিভিন্ন কাৰ্যসূচীৰ ভিতৰত আছে গছপুলি ৰোপণ, খেল-ধেমালি প্ৰতিযোগিতা, সুকুমাৰ কলা, কেৰাত পাঠ, সদৌ অসম ভিত্তিত জিকিৰ, এক আধুনিক নৃত্য প্ৰতিযোগিতা আদি। লগতে সমাজহিতৈষী কুশল কুমাৰ তালুকদাৰৰ সোঁৱৰণত অনুষ্ঠিত হ'ব শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। দ্বিতীয় দিনা ভেকশন প্ৰতিযোগিতাৰে লগতে চিত্ৰাংকন প্ৰতিযোগিতা। বিয়লি বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ ফণীধৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা আৰু ঈদ সন্মিলন অনুষ্ঠান। সন্ধিয়া কৃতি ছাত্ৰ-ছাত্ৰীৰ লগতে দাতাক সম্বৰ্ধনা জনোৱা হ'ব। ইয়াৰ পাছতে মঞ্চ উদ্বোধন কৰিব প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ মহন্ত আৰু সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব প্ৰাক্তন শিক্ষক মুখ্য সম্পাদক তফিকউদ্দিন আহমেদে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব সমাজসেৱক এমদাদুল ইচলাম, উপ-প্ৰবক্তা দীনমণি ভাণ্ডাৰ কায়স্থ, কমাৰকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মানস বৰা প্ৰমুখ্যে বহু কে'বাজনো বিশিষ্ট ব্যক্তি। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব ৰাকেশ ৰিয়ান আৰু মেঘনা ভূঞাৰ লগতে অন্যান্য শিল্পীসকল।

আম্বানীক হত্যাৰ ভাবুকি দিয়া ব্যক্তিক গ্রেপ্তাৰ

নিউজ ব্যুৰ', মুম্বাই, ১৬ আগষ্ট ঃ স্বাধীনতা দিৱসৰ দিনাই এক অজ্ঞাত পৰিচয় নম্বৰৰ পৰা ফোনযোগে হত্যাৰ ভাবুকি লাভ কৰিছিল দেশৰ আগশাৰীৰ উদ্যোগপতি মুকেশ আম্বানী আৰু তেওঁৰ পৰিয়ালে। ৰিলায়েন্স ফাউণ্ডেচন হাস্পতাললৈ এটা অচিনাকি নম্বৰৰ পৰা ফোন কৰি আম্বানীৰ লগতে তেওঁৰ পৰিয়ালক হত্যাৰ ভাবুকি দিছিল অজ্ঞাত পৰিচয়ৰ লোকে। দুবাৰকৈ এইদৰে ফোন কৰি ভাবুকি দিয়াৰ পাছত আম্বানী পৰিয়ালে আৰক্ষীক ঘটনাৰ বিষয়ে অৱগত কৰিছিল। ঘটনাৰ তদন্ত চলাই আজি মুম্বাই আৰক্ষীয়ে এজন লোকক গ্রেপ্তাৰ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি ব'ৰিভেলীৰ এম এইচ বি কল'নিৰ বাসিন্দা ৫৬ বছৰীয়া ভৌমিক ওৰফে আফজল নামৰ এজন লোকক আটক কৰা হৈছে আৰু ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত আছে। আম্বানী পৰিয়ালৰ ব্যক্তিগত নিৰাপত্তা ব্যৱস্থাও আৰক্ষীয়ে আজি অধিক কটকটীয়া কৰে।

হেল্ল' নহয়, মহাৰাষ্ট্ৰত ফোনত কথা পাতিলে ক'ব লাগিব 'বন্দে মাতৰম'

নিউজ ব্যুৰ', মুম্বাই, ১৬ আগষ্ট ঃ ফোনকলত এতিয়াৰে পৰা হেল্ল' বুলি কোৱাৰ পৰিৱৰ্তে ক'ব লাগিব 'বন্দে মাতৰম'। এই নিয়ম প্ৰৱৰ্তন কৰিব মহাৰাষ্ট্ৰ চৰকাৰে। স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি এই অভিনৱ পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত ল'লে মহাৰাষ্ট্ৰ চৰকাৰে। মহাৰাষ্ট্ৰৰ নৱনিযুক্ত সংস্কৃতি মন্ত্ৰী সুধীৰ মুংগতিৱৰৰ দাবী অনুসৰি, ফোনত হেল্ল'ৰ পৰিৱৰ্তে 'বন্দে মাতৰম' বুলি ক'ব লাগিব। উল্লেখ্য যে বিশ্বজুৰি ফোনত বাৰ্তালাপ কৰাৰ ক্ষেত্ৰত প্ৰথমে সকলোৱে হেল্ল' শব্দটো উচ্চাৰণ কৰি আহিছে। মহাৰাষ্ট্ৰৰ সংস্কৃতি মন্ত্ৰীয়ে এই পৰম্পৰাৰ অৱসান ঘটাই ৰাজ্যখনত ফোনত কথা পতাৰ সময়ত প্ৰথমে 'বন্দে মাতৰম' কোৱাৰ নিয়ম প্ৰৱৰ্তন কৰিব বিচাৰিছে। অতি শীঘ্ৰে এই বিষয়ত চৰকাৰে বিজ্ঞপ্তি জাৰি কৰিব বুলি মন্ত্ৰীজনে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

পাঁচ মাহৰ সৰ্বনিম্ন হ'ল মুদ্ৰাস্ফীতি, জুলাইত পাইকাৰী মূল্যবৃদ্ধি ১৩.৯৩ শতাংশলৈ হ্ৰাস

নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ আগষ্ট ঃ বিগত জুলাইত ভাৰতৰ পাইকাৰী বজাৰৰ মূল্য সূচাংক আধাৰিত (ডব্লিউ পি আই) মূল্যবৃদ্ধি সামান্য হ্ৰাস পালে। জুলাইত দেশৰ পাইকাৰী মূল্যবৃদ্ধি ১৩.৯৩ শতাংশলৈ হ্ৰাস পায়। উল্লেখ্য যে জুনত দেশত পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ আছিল ১৫.১৮ শতাংশ। একেদৰে যোৱা মাহত দেশত খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ হাৰ ১২.৪১ শতাংশৰ পৰা ৯.৪১ শতাংশলৈ হ্ৰাস পালে। জুলাইত শাক-পাচলিৰ মূল্যবৃদ্ধি ৫৬.৭৫ শতাংশৰ পৰা ১৮.২৫ শতাংশলৈ হ্ৰাস পালে। আলুৰ মূল্য ৩৯.৩৮ শতাংশৰ পৰা ৫৩.৫০ শতাংশলৈ জুলাইত বৃদ্ধি পালে। কণী, মাংস আৰু মাছৰ মূল্য ৭.২৪ শতাংশৰ পৰা ৫.৫৫ শতাংশলৈ হ্ৰাস পালে।

তেজস্বীৰ লগতে মন্ত্ৰী হ'ল তেজপ্ৰতাপ, গাৰ্হস্থ্য হিংসাসহ আছে পাঁচটা গোচৰ

নিউজ ব্যুৰ', পাটনা, ১৬ আগষ্ট ঃ বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ মন্ত্ৰীসভাত স্থান লাভ কৰিলে লালু প্ৰসাদ যাদৱৰ জ্যেষ্ঠ পুত্ৰ তেজ প্ৰসাদ যাদৱে। তেজপ্ৰতাপক নীতিশে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ৰ দায়িত্ব অৰ্পণ কৰিলে। তেজপ্ৰতাপ দ্বিতীয়বাৰৰ বাবে মন্ত্ৰী নিযুক্ত হ'ল। ২০১৫ত তেজপ্ৰতাপে পৰিৱেশৰ লগতে স্বাস্থ্য মন্ত্ৰণালয়ৰ দায়িত্ব লাভ কৰিছিল। ১৯৮৭ৰ ২১ নৱেম্বৰত জন্মলাভ কৰা তেজপ্ৰতাপে দ্বাদশ শ্ৰেণীলৈকে অধ্যয়ন কৰি শিক্ষা জীৱন সমাপ্ত কৰিছিল। অশ্বচালনা কৰি ভাল পোৱা তেজপ্ৰতাপ এজন ভাল বাঁহীবাদকো। ২০১২ত ৰাজনীতিত প্ৰৱেশ কৰা তেজপ্ৰতাপৰ বিৰুদ্ধে গাৰ্হস্থ্য হিংসাসহ মুঠ পাঁচটা অপৰাধৰ গোচৰ আছে।

পঞ্জাৱত পুনৰ ২৫ মোহল্লা ক্লিনিক খুলিব মানৰ চৰকাৰে

নিউজ ব্যুৰ', চণ্ডীগড়, ১৬ আগষ্ট ঃ পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে ৰাজ্যখনত ৭৫ খন আম আদমী মোহল্লা ক্লিনিক আনুষ্ঠানিকভাৱে মুকলি কৰিলে। কালি ৰাজ্যখনৰ পৃথক পৃথক অঞ্চলত স্থাপিত ৭৫ খন মোহল্লা ক্লিনিক জনসাধাৰণক অৰ্পণ কৰিলে মুখ্যমন্ত্ৰী মানে। এই অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীজনে ৰাজ্যখনত পুনৰ ২৫ খন মোহল্লা ক্লিনিক স্থাপন কৰা হ'ব বুলি ঘোষণা কৰে। পঞ্জাৱৰ আম আদমী পাৰ্টিৰ চৰকাৰে ৰাজ্যখনত মুঠ ১০০ খন মোহল্লা ক্লিনিক স্থাপন কৰিব বুলি মানে ঘোষণা কৰিলে।

৩৭ জোৱানক লৈ কাশ্মীৰত নদীত বাগৰিল বাছ, মৃত্যু কমেও সাতজনৰ

নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৬ আগষ্ট ঃ জম্মু-কাশ্মীৰত নদীত বাগৰি পৰিল নিৰাপত্তা বাহিনীৰ জোৱানক কঢ়িয়াই নিয়া এখন বাছ। **বাছখনত ৩৭ জন সেনা জোৱান আছিল আৰু আই টি বি পিৰ জোৱানকেইজনক কঢ়িয়াই নিয়া বাছখন হঠাতে অনন্তনাগ জিলাৰ পহেলগাঁৱত 'ব্ৰেক ফেইল' হোৱাত নদীত বাগৰি পৰিছিল। এই ঘটনাত সাতজন জোৱানৰ মৃত্যু হোৱাৰ লগতে আন কে'বাজনো গুৰুতৰভাৱে আহত হৈছে। খবৰ অনুসৰি, অমৰনাথ যাত্ৰাৰ কৰ্তব্য সমাপন কৰি আই টি বি পিৰ জোৱানকেইজন উভতি অহাৰ পথতে বাছ দুৰ্ঘটনাটো সংঘটিত হ'ল। আহত জোৱানকেইজনক শ্ৰীনগৰৰ সেনাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।**

ৰাছিয়া-আমেৰিকাৰ পৰমাণু যুদ্ধৰ সম্ভাৱনাক লৈ গৱেষণা ৰাটগাৰ্ছ বিশ্ববিদ্যালয়ৰ

আমেৰিকা-ৰাছিয়াৰ পৰমাণু যুদ্ধ হ'লে মৃত্যু হ'ব কমেও ৫০ কোটি লোকৰ

নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ আগষ্ট ঃ আমেৰিকাৰ স'তে যদিহে ৰাছিয়াৰ পাৰমাণৱিক যুদ্ধ আৰম্ভ হয় তেন্তে বিশ্বজুৰি কমেও ৫০ কোটি মানুহৰ প্ৰাণনাশৰ শংকা আছে। তদুপৰি এনে সম্ভাব্য যুদ্ধত একাধিক ভয়াৱহ পৰিণতিৰ সন্মুখীন হ'ব লাগিব মানৱ সভ্যতাই। আমেৰিকাৰ ৰাটগাৰ্ছ বিশ্ববিদ্যালয়ৰ এক প্ৰতিবেদনত এইদৰে দাবী কৰা হৈছে। যোৱা ২৪ ফেব্ৰুৱাৰীত ইউক্ৰেইনত বিশেষ সামৰিক অভিযান আৰম্ভ কৰি ভয়াৱহ যুদ্ধ আৰম্ভ কৰিছিল ৰাছিয়াই। বৰ্তমানেও এই যুদ্ধ অব্যাহত আছে। ঘটনাচক্ৰত ইউক্ৰেইন আৰু ৰাছিয়াৰ যুদ্ধৰ স'তে প্ৰত্যক্ষভাৱে সাঙোৰ খালে বিশ্বৰ সবাতোকৈ শক্তিশালী অৰ্থনীতিৰ দেশ আমেৰিকা। এই পৰিপ্ৰেক্ষিতে ৰাছিয়াৰ স'তে আমেৰিকাৰ পৰমাণু যুদ্ধৰ সম্ভাৱনাক লৈ গৱেষণা কৰিলে নিউ জাৰ্ছিৰ ৰাটগাৰ্ছ বিশ্ববিদ্যালয়ে। বিশ্ববিদ্যালয়ৰ গৱেষকৰ অধ্যয়নৰ প্ৰতিবেদনৰ তথ্য অনুসৰি ৰাছিয়া-আমেৰিকাৰ সম্ভাব্য পৰমাণু যুদ্ধত কমেও ৫০ কোটি লোকৰ মৃত্যুৰ সম্ভাৱনা আছে। তদুপৰি এনে যুদ্ধৰ সূচনা হ'লে মানৱ সভ্যতাই সবাতোকৈ ভয়াৱহ পৰিণতিৰ সন্মুখীন হ'ব লাগিব বুলিও গৱেষকে প্ৰতিবেদনত উল্লেখ কৰিছে। সম্ভাব্য পৰমাণু যুদ্ধত ভয়াৱহভাৱে ক্ষতিগ্ৰস্ত হ'ব কৃষিকাৰ্য আৰু বিশ্বত কৃষি ব্যৱস্থা সম্পূৰ্ণ সলনি হ'ব পাৰে। ৰাটগাৰ্ছৰ গৱেষকে যুদ্ধৰ সম্ভাব্য মুঠ ছটা পৰিণতিৰ সন্দৰ্ভত এই অধ্যয়ন চলাইছিল। 'নেচাৰ ফুড' নামৰ এখন বিজ্ঞান গৱেষণা পত্ৰিকাত ৰাটগাৰ্ছৰ গৱেষকৰ অধ্যয়নৰ প্ৰতিবেদন প্ৰকাশ পাইছে। উল্লেখ্য যে ইউক্ৰেইন যুদ্ধ আৰম্ভ হোৱাৰ পাছত যোৱা এপ্ৰিলত ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লাভৰভে আশংকা প্ৰকাশ কৰি কৈছিল যে যিকোনো মুহূৰ্তে পাৰমাণৱিক যুদ্ধ আৰম্ভ হ'ব পাৰে। কিন্তু এনে যুদ্ধ বাস্তৱত সংঘটিত হ'লে ইয়াৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে সেই তথ্য স্পষ্ট হ'ল ৰাটগাৰ্ছৰ গৱেষকৰ প্ৰতিবেদনত।

ছিয়াচিনত ছহিদ হোৱা লেন্স নায়কৰ মৃতদেহ ৩৮ বছৰৰ পাছত উদ্ধাৰ



নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ আগষ্ট ঃ ভাৰত-পাকিস্তানৰ মাজত ৩৮ বছৰ পূৰ্বে হোৱা এক সংঘাতৰ সময়ত তুষাৰপাতৰ ঘটনাত সন্ধানহীন হোৱা লেন্স নায়ক চন্দ্ৰশেখৰ হৰ্বলাৰ মৃতদেহ ছিয়াচিনৰ পুৰণি বাংকাৰত উদ্ধাৰ হ'ল। এই তথ্য ইতিমধ্যে কুমায়ুঁ ৰেজিমেণ্ট ৰাণীখেতে চন্দ্ৰশেখৰৰ পৰিয়ালক অৱগত কৰিলে। চন্দ্ৰশেখৰৰ লগতে আন এজন সৈনিকৰো মৃতদেহ উক্ত স্থানত উদ্ধাৰ কৰা হৈছে। অলমুড়াৰ নিবাসী চন্দ্ৰশেখৰৰ পত্নী শান্তি দেৱী আৰু তেওঁৰ পৰিয়ালে বৰ্তমানে হলদ্ৰানিৰ সৰস্বতী বিহাৰ কল'নিত বাস কৰে। লেন্সনায়ক চন্দ্ৰশেখৰ ১৯৮৪ৰ ২৫ মে'ত তুষাৰপাতৰ ঘটনাত সন্ধানহীন হৈছিল। এই ঘটনাত এগৰাকী সেনা বিষয়াসহ সাতজন জোৱান সন্ধানহীন হৈছিল। সেনাৰ অপাৰেচন মেঘদূতৰ অধীনত এই সময়ত এইকেইজন সেনা ছিয়াচিনত নিয়োজিত হৈ আছিল। তুষাৰপাতৰ পাছত পাঁচজন জোৱানৰ মৃতদেহৰ সন্ধান উদ্ধাৰকাৰীয়ে লাভ কৰিব পৰা নাছিল। অৱশেষত ৩৮ বছৰৰ পাছত লেন্সনায়ক চন্দ্ৰশেখৰৰ মৃতদেহৰ সন্ধান লাভ কৰিলে সেনাই।

ভ্ৰষ্টাচাৰৰ গোচৰত দোষী সাব্যস্ত ছ্যু কীক পুনৰ ছবছৰৰ কাৰাদণ্ড

নিউজ ব্যুৰ', নেপিতা, ১৬ আগষ্ট ঃ সেনা শাসিত ম্যানমাৰৰ এখন আদালতে গণতান্ত্ৰিক নেত্ৰী তথা দেশখনৰ অপসাৰিত শাসক আং ছান ছ্যু কীৰ শাস্তিৰ ম্যাদ পুনৰ ছবছৰ বৃদ্ধি কৰিলে। এইবাৰ ভ্ৰষ্টাচাৰৰ একাধিক অভিযোগত গণতান্ত্ৰিক নেত্ৰীগৰাকীক আদালতে দোষী সাব্যস্ত কৰিলে। ছ্যু কীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অনুসৰি ক্ষমতাত থকাৰ সময়ত তেওঁ নিজৰ পদৰ অপব্যৱহাৰ কৰি চৰকাৰী ভূমি বজাৰ মূল্যতকৈ কম মূল্যত ভাড়ালৈ লৈ তাত ন্যাসৰ নামত গৃহ নিৰ্মাণ কৰিছিল। আদালতে চাৰিটা গোচৰত ছ্যু কীক তিনি বছৰকৈ দুটা শাস্তিৰ ৰায় দিলে। ছ্যু কীয়ে অৱশ্যে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে। উল্লেখ্য যে ২০২১ৰ পহিলা ফেব্ৰুৱাৰীত ম্যানমাৰত ছ্যু কীক ক্ষমতাৰ পৰা অপসাৰণ কৰি সেনাই সামৰিক অভ্যুত্থান ঘটাইছিল। ইয়াৰ পাছৰে পৰা ছ্যু কীক বন্দী কৰি ৰখা হৈছে।

'হৰ ঘৰ ত্ৰিৰংগা'ৰে দেশত ৫০০ কোটি টকাৰ ব্যৱসায়, ১০ লক্ষাধিকৰ কৰ্মসংস্থাপন

নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ আগষ্ট ঃ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা 'হৰ ঘৰ ত্ৰিৰংগা' কৰ্মসূচীৰ ফলত দেশত প্ৰায় ৫০০ কোটি টকাৰ বাণিজ্যিক লেনদেন সম্পন্ন হয়। কনফেডাৰেচন অৱ্ অল ইণ্ডিয়া ট্ৰেডাৰ্ছ (চি এ আই টি)ৰ প্ৰতিবেদনত এই কথা প্ৰকাশ। বিগত ১৫ দিনত ভাৰতত কমেও ৩০ কোটি ৰাষ্ট্ৰীয় পতাকা বিক্ৰী হ'ল। চি এ আই টিৰ তথ্য অনুসৰি এই কৰ্মসূচীৰ ফলত কমেও ১০ লাখ লোকে কৰ্মসংস্থাপন লাভ কৰিলে। তদুপৰি অতি কম সময়ৰ ভিতৰতে বৃহৎ সংখ্যক পতাকা তৈয়াৰ কৰি এক নজিৰ স্থাপন কৰিলে ভাৰতে। প্ৰসংগত উল্লেখ্য যে পূৰ্বে স্বাধীনতা দিৱসৰ সময়ত দেশত প্ৰায় ডেৰশ কোটি টকাৰ ৰাষ্ট্ৰীয় পতাকা বিক্ৰী হৈছিল। এইবাৰৰ স্বাধীনতা দিৱস উপলক্ষে যোৱা ১৩ৰ পৰা ১৫ আগষ্টলৈকে প্ৰতি ঘৰতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। হাতৰে তৈয়াৰ কৰা খাদী পতাকাৰ লগতে মেচিনত তৈয়াৰী পলিয়েষ্টাৰ বা সূতাৰ পতাকাও উত্তোলন কৰাৰ বাবে কেন্দ্ৰৰ চৰকাৰে এইবাৰ অনুমতি দিছিল। তদুপৰি ২৪ ঘণ্টা পতাকা উত্তোলনৰ অনুমতি দিয়া হৈছিল। চি এ আই টিৰ অধ্যক্ষ বি চি ভাৰাতীয়াই এই সন্দৰ্ভত এনেদৰে কয়, 'মাত্ৰ কুৰি দিনত দেশত ৩০ কোটিৰ অধিক পতাকা তৈয়াৰ কৰা হৈছিল। ভাৰতৰ মানুহে প্ৰয়োজনত কিমান সক্ৰিয়তাৰে কাম কৰিব পাৰে তাৰ প্ৰমাণ দিলে হৰ ঘৰ ত্ৰিৰংগা কৰ্মসূচীয়ে। স্বাধীনতা দিৱস উপলক্ষে কমেও তিনি হেজাৰৰ অধিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এইবোৰতো যথেষ্ট সংখ্যক ৰাষ্ট্ৰীয় পতাকা ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ ফলত কমেও ১০ লাখ লোকে কৰ্মসংস্থাপন লাভ কৰিলে।'

দুমাহৰ পাছত দেশত ক'ভিড সংক্ৰমণ ন হেজাৰলৈ নামিল, কমিল মৃত্যুও

নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ আগষ্ট ঃ দেশজুৰি ক'ভিডৰ দৈনিক আক্ৰান্তৰ ৰেখাচিত্ৰ বিগত কিছুদিন ধৰি ঊৰ্দ্ধমুখী হৈ থকাৰ পাছত যোৱা ২৪ ঘণ্টাত আক্ৰান্তৰ সংখ্যা যথেষ্ট হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত ভাৰতত ৮৮১৩ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। দুমাহৰ পাছত দেশৰ দৈনিক আক্ৰান্তৰ সংখ্যা ন হেজাৰৰ তললৈ নামিল। সোমবাৰে আক্ৰান্তৰ সংখ্যা আছিল ১৪,৯১৭ জন। যোৱা ২৪ ঘণ্টাত দিল্লীত ১২২৭, কৰ্ণাটকত ১২০৬, মহাৰাষ্ট্ৰত ১১৮৯ আৰু কেৰালাত ৭৫৮ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ২৯ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

পুনৰ কাশ্মীৰি পণ্ডিতক গুলীয়াই হত্যা সন্ত্ৰাসবাদীৰ



নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৬ আগষ্ট ঃ সন্ত্ৰাসবাদীৰ গুলিত প্ৰাণ হেৰুৱালে পুনৰ এজন কাশ্মীৰি পণ্ডিতে। জম্মু-কাশ্মীৰৰ ছ'পিয়ানত সন্ত্ৰাসবাদীয়ে আজি পুৱাতে এখন আপেলৰ বাগিচাত প্ৰৱেশ কৰি কাশ্মীৰি পণ্ডিতক গুলিবৰ্ষণ কৰে। এই ঘটনাত এজন কাশ্মীৰি পণ্ডিতৰ মৃত্যু হোৱাৰ লগতে আন এজন আহত হয়। ঘটনা সংঘটিত কৰিয়ে আক্ৰমণকাৰীয়ে পলায়ন কৰিছিল। উল্লেখ্য যে শেহতীয়াভাৱে কাশ্মীৰত সন্ত্ৰাসবাদীয়ে পুনৰ সংখ্যালঘু সম্প্ৰদায়ৰ কাশ্মীৰি পণ্ডিতক আক্ৰমণৰ লক্ষ্য হিচাপে লৈছে। তিনিদিন পূৰ্বে বিহাৰৰ পৰা কাশ্মীৰত কাম কৰা এজন প্ৰব্ৰজনকাৰী শ্ৰমিকক বান্দিপুৰাত সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰিছিল।

মিত্ৰ দেশক অতি উন্নত অস্ত্ৰৰে সহায় কৰিব ৰাছিয়াই ঃ ঘোষণা পুটিনৰ



নিউজ ব্যুৰ' মস্কো, ১৬ আগষ্ট ঃ যোৱা ফেব্ৰুৱাৰীৰ পৰা ইউক্ৰেইনৰ স'তে ৰক্তক্ষয়ী যুদ্ধত লিপ্ত হৈ আছে ৰাছিয়া। এই যুদ্ধত বন্ধু দেশসমূহক ধন্যবাদ জ্ঞাপন কৰিলে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে। ৰুছ ৰাষ্ট্ৰপতিয়ে লগতে ঘোষণা কৰি কয় যে মিত্ৰ দেশসমূহৰ স'তে সামৰিক সহযোগিতা অব্যাহত ৰাখিবলৈ ৰাছিয়া প্ৰতিশ্ৰুতিবদ্ধ। আনকি দেশৰ অস্ত্ৰাগাৰত থকা অত্যাধুনিক যুদ্ধাস্ত্ৰও প্ৰতিবেশী বন্ধু দেশলৈ সৰবৰাহ কৰিবলৈ প্ৰস্তুত আছে ৰাছিয়া। যোৱা মঙলবাৰে ৰাছিয়াৰ বাৰ্ষিক অস্ত্ৰ প্ৰদৰ্শনী অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। ৰাজধানী মস্কোত আয়োজিত অনুষ্ঠানত অংশ লৈ পুটিনে ভাষণ প্ৰসংগত কয়, 'আমাক সমৰ্থনৰ বাবে মিত্ৰ দেশসমূহক ধন্যবাদ। আমাৰ অনেক প্ৰতিবেশী আৰু মিত্ৰদেশ আছে। তেওঁলোকে আমাৰ চিন্তা-ভাৱনাক লৈ আলোচনা কৰে। আমি তেওঁলোকক ধন্যবাদ জনাও। মস্কোৱে এক সাৰ্বভৌম আৰু স্বাধীন উন্নয়নৰ পথ গ্ৰহণ কৰিছে। আন্তৰ্জাতিক আইন পালনৰে আঞ্চলিক সমস্যা সমাধানৰ পদক্ষেপ আমি গ্ৰহণ কৰি আহিছো। আমি আমাৰ মিত্ৰ আৰু অংশীদাৰক সবাতোকৈ উন্নত অস্ত্ৰ দিবলৈ প্ৰস্তুত। কামান, যুঁজাৰু বিমান, ড্ৰন বা ক্ষেপণস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা প্ৰতিবেশী দেশৰ স'তে ভাগ কৰি ল'বলৈ প্ৰস্তুত ৰাছিয়া।'

নীতিশ চৰকাৰত দুই দাগী মন্ত্ৰীক অন্তৰ্ভুক্ত

নিউজ ব্যুৰ', পাটনা, ১৬ আগষ্ট ঃ বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি তেওঁৰ কেবিনেটৰ পৰিসৰ বৃদ্ধি কৰিলে। নীতিশ মন্ত্ৰীসভাত স্থান লাভ কৰা ৩১ জন মন্ত্ৰীয়ে আজি শপত গ্ৰহণ কৰে। শপত গ্ৰহণ কৰা ৩১ বিধায়কৰ মাজত আৰ জে ডিৰ ১৬, জে ডি ইউৰ ১১, কংগ্ৰেছৰ দুই, হামৰ এক আৰু নিৰ্দলীয় এজন আছে। নীতিশৰ কেবিনেটত স্থান লাভ কৰিলে আৰ জে ডিৰ দাগী বিধায়ক সুৰেন্দ্ৰ যাদৱ আৰু জে ডি ইউৰ বাহুবলী বিধায়ক জমা খানে। সুৰেন্দ্ৰ যাদৱ বেলাগঞ্জৰ বিধায়ক আৰু বিহাৰৰ ৰাজনীতিত তেওঁ এজন প্ৰভাৱশালী নেতা হিচাপে পৰিচিত। ৩০ বছৰ ধৰি বিধায়ক নিৰ্বাচিত হোৱা যাদৱে দুবাৰ জনতা দল আৰু পাঁচবাৰ আৰ জে ডিৰ টিকটত জয়লাভ কৰিছিল। যাদৱ আৰ জে ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱ আৰু তেওঁৰ পুত্ৰ তেজস্বী যাদৱৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত। যাদৱৰ বিৰুদ্ধে একাধিক অপৰাধৰ গোচৰ আছে। ইফালে, জে ডি ইউৰ জমা খানো এজন অপৰাধী নেতা হিচাপে বিহাৰৰ ৰাজনীতিত পৰিচিত। খানৰ বিৰুদ্ধে ২৪ টাৰো অধিক অপৰাধৰ গোচৰ আছে। ২০২০ত খানে বিএছপিৰ টিকটত বিধায়ক নিৰ্বাচিত হৈছিল আৰু পাছত তেওঁ দল ত্যাগ কৰি জে ডি ইউত যোগদান কৰিছিল।

ব্যক্তিগত খণ্ডত দেশত নিয়োগ বৃদ্ধি, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত পালে হ্ৰাস

নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ আগষ্ট ঃ ভাৰতত ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহত নিযুক্তি ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে। ২০২১-২২ বিত্তীয় বৰ্ষত এছ বি আই লাইফ ইন্সুৰেন্স আৰু আই আৰ চি টি চিৰ বাহিৰে অন্যান্য ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহত নিয়োগ বৃদ্ধি পোৱা নাছিল। এল আই চিয়ে অৱশ্যে যোৱা ৩১ মাৰ্চলৈকে নিযুক্তিৰ সন্দৰ্ভত সবিশেষ পৰিসংখ্যা প্ৰকাশ কৰা নাছিল। পৰিসংখ্যা অনুসৰি ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজ, ইনফ'ছিছ, টি চি এছ, এইচ ডি এফ চি, আই চি আই চি আই বেংকত বিগত বিত্তীয় বৰ্ষত নিয়োগ বৃদ্ধি পালে। 'ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ তথ্য অনুসৰি বজাৰ পুঞ্জীকৰণৰ আধাৰত শীৰ্ষ ১০ ব্যক্তিগত কোম্পানীৰ আঠটাই ২০২১-২২ বিত্তীয় বৰ্ষত তিনি লাখৰো অধিক লোকক নিযুক্তি প্ৰদান কৰিছিল। ব্যক্তিগত খণ্ডৰ ৰিটেইল, আই টি আৰু বেংকিং খণ্ডত যোৱা বিত্তীয় বৰ্ষত সৰ্বাধিক নিযুক্তি প্ৰদান কৰা হৈছিল। নিযুক্তি বৃদ্ধি কৰা কোম্পানীৰ ভিতৰত ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজ লিমিটেড, ইনফ'ছিছ, টি চি এছ, এইচ ডি এফ চি বেংক, আই চি আই চি আই বেংক, বাজাজ ফাইনেন্স আৰু মাৰুতি ছুজুকী লিমিটেড আছে। ভাৰতৰ সৰ্ববৃহৎ বেংক ষ্টেট বেংক অৱ্ ইণ্ডিয়াই ২০১৭-১৮ কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি কৰিছিল। উক্ত বৰ্ষত পাঁচটা সহযোগী বেংক আৰু ভাৰতীয় মহিলা বেংকৰ চামিলকৰণৰ জৰিয়তে এছ বি আয়ে ৭১,০০০ কৰ্মচাৰীক অন্তৰ্ভুক্ত কৰিছিল। ইয়াৰ পূৰ্বে এছ বি আইত কৰ্মচাৰীৰ সংখ্যা ধাৰাবাহিকভাৱে হ্ৰাস পাইছিল।

তেজস্বীৰ বিপদ ঃ আইআৰচিটিচি কেলেংকাৰিৰ বিচাৰ দ্ৰুত কৰাৰ দাবী চি বি আইৰ

নিউজ ব্যুৰ', পাটনা, ১৬ আগষ্ট ঃ বিহাৰত নীতিশ কুমাৰৰ নেতৃত্বত মহাগটবন্ধন চৰকাৰ গঠনৰ পাছত উপমুখ্যমন্ত্ৰী তেজস্বী যাদৱ আৰু তেওঁৰ পৰিয়ালৰ বিপদ বৃদ্ধি পালে। দৰাচলতে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (চি বি আই)ই আদালতত আই আৰ চি টি চি হোটেল কেলেংকাৰিৰ বিচাৰ দ্ৰুত কৰিবলৈ দাবী জনালে। এই গোচৰত তদানীন্তন ৰেল মন্ত্ৰী লালু প্ৰসাদ যাদৱ, তেওঁৰ পত্নী ৰাবড়ী দেৱী আৰু বিহাৰৰ বৰ্তমানৰ উপমুখ্যমন্ত্ৰী তেজস্বী যাদৱৰ লগতে আন ১১ জনক চি বি আয়ে অভিযুক্ত হিচাপে চিনাক্ত কৰিছিল। চিবিআইৰ বিশেষ আদালতত তদন্তকাৰী সংস্থাটোৱে চাৰি বছৰ পূৰ্বে এই কেলেংকাৰিৰ অভিযোগনামা দাখিল কৰিছিল যদিও এতিয়াও বিচাৰ সম্পূৰ্ণ হোৱা নাই। অলপতে চি বি আয় বিশেষ আদালতত আইআৰচিটিচি হোটেল কেলেংকাৰিৰ বিচাৰ দ্ৰুত কৰিবলৈ দাবী জনায়।

আমিৰ-অক্ষয়ৰ দুৰ্দশা ঃ বক্স অফিচত ডুবিল 'লাল সিং চড্ডা', 'ৰক্ষা বন্ধন'

নিউজ ব্যুৰ', মুম্বাই, ১৬ আগষ্ট ঃ আমিৰ খান অভিনীত 'লাল সিং চড্ডা' আৰু অক্ষয় কুমাৰ অভিনীত 'ৰক্ষা বন্ধন' ছবি দুখনে যোৱা ১১ আগষ্টত চিত্ৰগৃহত মুক্তি লাভ কৰিছিল। কিন্তু দুয়োখন ছবিয়ে বক্স অফিচত সফল হ'ব নোৱাৰিলে। ১৮০ কোটি টকাৰ বাজেটৰে নিৰ্মিত 'লাল সিং চড্ডা'ই প্ৰথম সপ্তাহৰ অন্তিম ভাগলৈকে বক্স অফিচত ৫০ কোটি টকাৰো ব্যৱসায় কৰিবলৈ সফল নহ'ল। মুক্তিৰ দিনা ছবিখনে বক্স অফিচত প্ৰায় ১২ কোটি টকাৰ ব্যৱসায় কৰিছিল। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষকৰ মতে, আমিৰ অভিনীত এইখন ছবিৰ প্ৰায় এশ কোটি টকাৰ লোকচান হোৱাৰ সম্ভাৱনা আছে। ইফালে, ৭০ কোটি টকা বাজেটৰে নিৰ্মিত 'ৰক্ষা বন্ধন' ছবিখনেও বক্স অফিচত সফলতা লাভ কৰিব পৰা নাই। এইখন ছবিয়ে সোমবাৰলৈকে নিৰ্মাণ ব্যয়ৰ প্ৰায় ৫০ শতাংশহে ব্যৱসায় কৰিবলৈ সক্ষম হ'ল। আমিৰৰ লগতে অক্ষয়ো বক্স অফিচত বেয়াকৈ ব্যৰ্থ হ'ল। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষকৰ মতে, বৰ্তমানৰ গতিত ব্যৱসায় অব্যাহত থাকিলে 'লাল সিং চড্ডা'ই ৭০ কোটি টকা আৰু 'ৰক্ষা বন্ধন'-এ ৬০ কোটি টকাৰ ব্যৱসায় কৰাৰ সম্ভাৱনা আছে।

পাকিস্তানত তেলৰ টেংকাৰৰ স'তে বাছৰ সংঘৰ্ষত নিহত কমেও ২০ জন

নিউজ ব্যুৰ', মুলতান, ১৬ আগষ্ট ঃ পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ মুলতানত আজি পুৱাতে এখন বাছৰ স'তে তেলৰ টেংকাৰৰ সংঘৰ্ষত কমেও ২০ জন লোকৰ মৃত্যু হ'ল। প্ৰকাশিত বাতৰি অনুসৰি, সংঘৰ্ষৰ ফলত যাত্ৰীবাহী বাছখনত অগ্নিকাণ্ড সংঘটিত হৈছিল আৰু অগ্নিদগ্ধ হৈ কমেও ২০ জন যাত্ৰীৰ মৃত্যু হয়। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত আন ছজন লোক সম্প্ৰতি চিকিৎসাধীন হৈ আছে। লাহোৰৰ পৰা কৰাচী অভিমুখে ৰাওনা হোৱা বাছখন পুৱা চাৰি বজাত মুলতানত দুৰ্ঘটনাগ্ৰস্ত হয়।

হাজোত আৱাস যোজনাত দুৰ্নীতি
বিভাগীয় নীতি-নিৰ্দেশনা উলংঘনৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

হাজো, ১৬ আগষ্ট ঃ কেন্দ্ৰীয় চৰকাৰে দৰিদ্ৰ পৰিয়াল তথা লোকসকলক উপকৃত কৰাৰ উদ্দেশ্যে কোটি কোটি টকা ব্যয় কৰি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ জৰিয়তে গৃহ প্ৰদান কৰি আহিছে যদিও গৃহ প্ৰদানৰ ক্ষেত্ৰত কামৰূপ জিলাৰ হাজো উন্নয়ন খণ্ডৰ অধীনস্থ ১৬খনকৈ গাঁও পঞ্চায়তৰ একাংশ পঞ্চায়তত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে। বিশেষকৈ একাংশ জনপ্ৰতিনিধিয়ে দালালৰ জৰিয়তে নিজ নিজ পঞ্চায়তত কৰ্মৰত পঞ্চায়তৰ সমন্বয়ক (জি পি চি)ক লগত লৈ ধন সংগ্ৰহত ব্যস্ত হৈ পৰা বুলি জানিব পৰা গৈছে। এই ক্ষেত্ৰত একাংশ ৱাৰ্ড সদস্যয়ো দিনে-নিশাই ধন ঘটাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীসকলৰ ঘৰলৈ গৈ নানা ছলাহী কথাৰে ধন সংগ্ৰহ কৰি পঞ্চায়ত কৰ্মচাৰীৰ লগত ভাগ বাটোৰোৱা কৰাত লাগি পৰিছে বুলিও জানিব পৰা গৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি, ২০১১তে ছাৰ্ভে কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বৈ যোৱা হিতাধিকাৰীৰ তালিকা প্ৰকাশ হোৱাৰ পাছতে একাংশ ৱাৰ্ড সদস্য, পঞ্চায়ত প্ৰতিনিধিৰ অতি ঘনিষ্ঠ কিছুমান দালালে পঞ্চায়ত কৰ্মচাৰীৰ লগত মিলি বিভাগীয় নীতি-নিয়ম উলংঘন কৰি একমাত্ৰ ধনৰ লালসাত কিছুমান চৰকাৰী চাকৰি থকা আৰু পকী ঘৰ থকা ব্যক্তিৰ গোহালিঘৰ নাইবা বাৰীৰ পিছফালে পৰি থকা জৰাজীৰ্ণ ঘৰটোকে একমাত্ৰ ঘৰ বুলি দেখুৱাই একোজন লোকৰ পৰা ১০-১৫ হেজাৰ টকা লৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ধন মোকলাই দিয়ে। ধন দিব নোৱাৰা একাংশ প্ৰকৃত হিতাধিকাৰীক আৱাস গৃহৰ পৰা বঞ্চিত কৰা বুলিও তেওঁ লোকে অভিযোগত প্ৰকাশ কৰে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল ধনৰ লেনদেন কৰি একাংশ চৰকাৰী চাকৰি কৰা অথবা পকী ঘৰ থকা লোককো প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ প্ৰথম কিস্তিৰ ধন মোকলাই দিয়াৰ পাছতে এই সকল দুষ্কৃতিকাৰীয়ে হিতাধিকাৰীসকলৰ লগত চুক্তিপত্ৰ কৰাৰ নামত পুনৰ দুৰ্নীতিৰ আশ্ৰয় লৈ হিতাধিকাৰীসকলৰ পৰা এক-দুহেজাৰকৈ ধন দাবী কৰি লোৱা কাৰ্যত কিছুসংখ্যক লোক অতিষ্ঠ হৈ পৰা বুলিও জানিব পৰা গৈছে। সেয়ে কামৰূপ জিলাৰ নৱনিযুক্ত উপায়ুক্তক দুৰ্নীতিৰ তদন্ত কৰাৰ বাবে সচেতন ৰাইজে দাবী জনায়।

বৰপেটা আছুৰ উপসভাপতি ৰাজীৱ দাসক বহিষ্কাৰ

বিশেষ সংবাদদাতা

বৰপেটা, ১৬ আগষ্ট ঃ বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ উপসভাপতি ৰাজীৱ দাসক দলবিৰোধী কাৰ্যকলাপৰ বাবে কালি এক প্ৰেছ বিবৃতিযোগে আছুৰ পৰা বহিষ্কাৰ কৰিছে। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰাহুল সূত্ৰধাৰ আৰু সাধাৰণ সম্পাদক বিদ্যুৎ দাসে বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ উপসভাপতি পদৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰা বহিষ্কাৰ কৰা বুলি ঘোষণা কৰে। উল্লেখ্য যে বিভিন্ন সময়ত দাসে ছাত্ৰ সন্থাৰ গৰিমাত আঘাত হনা কাৰ্যৰ লগতে ছাত্ৰ সন্থাৰ নাম লৈ বিভিন্ন অসামাজিক কাৰ্যত জড়িত হৈ পৰিছিল। সেয়েহে বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই এক কঠোৰ পদক্ষেপ গ্ৰহণ কৰি দাসক বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ পৰা বহিষ্কাৰ কৰে।

হাজো পঞ্চতীৰ্থ দেৱালয়ৰ তদৰ্থ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

হাজো, ১৬ আগষ্ট ঃ তীৰ্থনগৰী হাজোৰ ঐতিহাসিক হয়গ্ৰীৱ মাধৱ মন্দিৰকে ধৰি পঞ্চতীৰ্থ দেৱালয় পৰিচালনা কৰা সম্পৰ্কত দেওবাৰে বৰদেউৰী সমাজ, সেৱাইত, হাজো ৰাইজ সমিতিৰ উপস্থিতিত ২১ জনীয়া তদৰ্থ সমিতিখন গঠন হয়। ছবছৰ পূৰ্বে সমিতিখনৰ ম্যাদ উকলি যোৱাৰ পাছতো পূৰ্বৰ সমিতিখনে কাৰ্যনিৰ্বাহ কৰি আছিল। হাজোৰ স্থানীয় ৰাইজে স্থায়ী দলৈ শিৱ প্ৰসাদ শৰ্মাৰ লগত হোৱা আলোচনা মৰ্মে কামেশ্বৰ মন্দিৰত অনুষ্ঠিত এক বিশেষ সভাত প্ৰস্তাৱ গ্ৰহণ কৰি বৰদেউৰী সমাজৰ পৰা ১১ জন আৰু সেৱাইতৰ ফালৰ পৰা ১০ জন সদস্য লৈ এখন তদৰ্থ সমিতি গঠন কৰে। এই সমিতিখনে আগন্তুক সময়ত নতুন সমিতি গঠন, ভোটাৰ তালিকা সংশোধন আৰু আজীৱন দলৈ পদবীৰ বিষয়টো সংশোধন কৰাৰ ক্ষেত্ৰত সমগ্ৰ বিষয়টো আগুৱাই নিব বুলি প্ৰস্তাৱ গ্ৰহণ কৰে। এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে দলৈ শিৱপ্ৰসাদ শৰ্মাই। দলৈ শৰ্মাৰ সভাপতিত্বত কামেশ্বৰ মন্দিৰত অনুষ্ঠিত এই বিশেষ বৈঠকৰ আঁত ধৰে মন্দিৰ পৰিচালনা সমিতিৰ পূৰ্বৰ সমিতিৰ সদস্য দ্বীজেন ভৰালীয়ে। ৰাইজে বাছনি কৰা ২১ জনীয়া সমিতিখনৰ সদস্যসকল ক্ৰমে বৰদেউৰী সমাজৰ নৱ কুমাৰ শৰ্মা (হাজো), বৰগাঁৰৰ অশ্বিনী শৰ্মা, দেৰেন শৰ্মা, ৰমেশ শৰ্মা, গেৰুৱাৰ নৱ শৰ্মা, দ্বীজেন শৰ্মা, অনন্ত শৰ্মা, নকুছিৰ মুনিন শৰ্মা, জগদীশ শৰ্মা, পদ্ম শৰ্মা আৰু ৰাতুল শৰ্মা। আনহাতে, সেৱাইতৰ ফালৰ পৰা বাছনি কৰা হয় ড° সোণ চন্দ্ৰ মালাকাৰ, শৰৎ নায়ক, মোহন চন্দ্ৰ মালাকাৰ, বিৰেন্দ্ৰ কুমাৰ দাস, বিচিত্ৰ নাৰায়ণ ঠাকুৰীয়া, বিকাশ দাস, দীননাথ বৰুৱা, অনিল আঠপৰীয়া, পংকজ শৰ্মা আৰু দিপাংকৰ মজুমদাৰ।

শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ সোণালী জয়ন্তী

অগ্ৰদূত বাৰ্তা

আজাৰা, ১৬ আগষ্ট ঃ আজাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত কাঁহিকুছিস্থিত শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ ৫০ বছৰ পূৰ্তি উপলক্ষে অহা ১৯ আগষ্টৰ পৰা চাৰিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উদ্যোক্তাসকলে সদৰী কৰা মতে, ১৯ আগষ্টৰ পুৱা সামূহিক চাফাই আৰু বৃক্ষৰোপণ, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু সম্বৰ্ধনা অনুষ্ঠান তথা নিশা নাম-প্ৰসংগ। দ্বিতীয় দিনা সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰিব কণ্ঠশিল্পী বাবু বৰুৱাই। দুপৰীয়া থিয়নাম পৰিবেশন, সন্ধিয়া ভাগৱত পাঠ। ২১ আগষ্টৰ দিনা আবেলি মুকলি সভাত ড° অমৰজ্যোতি চৌধুৰী মুখ্য অতিথি, সাংসদ কুইন ওজা, প্ৰাক্তন সাংসদ বিজয়া চক্ৰৱৰ্তী, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গুৱাহাটী বিমানকোঠৰ মুখ্য বিমানকোঠ বিষয়া উৎপল বৰুৱাই বিশিষ্ট অতিথি, পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° বলেন্দ্ৰ কুমাৰ দাসে নিৰ্দিষ্ট বক্তা আৰু কবি নিলীম কুমাৰে স্মৃতিগ্ৰন্থ উন্মোচন কৰিব।

খুমটাইত বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত মহিলাৰ মৃত্যু
বিদ্যুৎ বিভাগৰ গাফিলতিৰ বাবে দুৰ্ঘটনাৰ অভিযোগ স্থানীয় ৰাইজৰ

অগ্ৰদূত বাৰ্তা

খুমটাই, ১৬ আগষ্ট ঃ গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত লিকচন বহুপথাৰত স্বাধীনতা দিৱসৰ দিনটোত এগৰাকী সৰববৰহী মহিলাৰ বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখ যে লিকচন বহুপথাৰ গাঁৱৰ নিলিমা ডেকা (৬৭) নামৰ মহিলাগৰাকীয়ে নিজ বাসগৃহৰ পিছফালে থকা এটা দমকলৰ কাষতে বাচন ধুই থকা অৱস্থাত মটৰটোৰ শ্বৰ্ট চাৰ্কিট হৈ ঢলি পৰে আৰু এক হুলস্থুলীয়া পৰিৱেশ সৃষ্টি হয়। ইফালে, পৰিয়ালৰ লোকে মহিলাগৰাকীক দেখি আঁতৰাই আনিব খোজতে পৰিয়ালৰ লোককো শ্বৰ্ট মৰাত বাঁহ খৰিৰে টানি আঁতৰাই আনিবলৈ সক্ষম হয় যদিও মজিয়াতে ঢলি পৰি নিহত হয় সৰবৰহী মহিলাগৰাকী। পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি কিছুদিনৰে পৰা লিকচন বহুপথাৰ গাঁৱৰ বিদ্যুৎ পৰিবাহী তাঁৰত পৰি আছিল এডাল বাঁহ। যাৰ ফলত শ্বৰ্ট চাৰ্কিট হৈ আছিল গাঁওখনত। ইয়াৰ বাবেই মটৰটোৰ শ্বৰ্ট চাৰ্কিট হৈ মহিলাগৰাকীৰ মৃত্যু হোৱাৰ অভিযোগ পৰিয়ালৰ লগতে স্থানীয় ৰাইজৰ। বিদ্যুৎ বিভাগৰ গাফিলতিৰ ফলতেই এগৰাকী মহিলা মৃত্যুমুখত পৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সমগ্ৰ অঞ্চলটোত। ঘটনাস্থলীত দেৰগাঁও আৰক্ষী উপস্থিত হৈ সমগ্ৰ ঘটনাটো তদন্ত কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰে।

বৰঘাটত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

বিশেষ সংবাদদাতা

নগাঁও, ১৬ আগষ্ট ঃ নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী বৰঘাট বাইপাছত কালি সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত এজন লোক থিতাতে মৃত্যু হয়। তথ্য মতে, কোনো টাইলচৰ প্ৰতিষ্ঠানত কৰ্মৰত নানু প্ৰধান আৰু হুছেইন আলী নামৰ লোক দুজন কালি এএছ-০২ কিউ-২৩৩৩ স্কুটীৰে হোজাইৰ পৰা নগাঁও অভিমুখে আহি আছিল। বৰঘাট বাইপাছত স্কুটীখনে ডিভাইডাৰত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত নানু প্ৰধানৰ থিতাতে মৃত্যু হয়। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ নগাঁৱৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত হুছেইন আলী নামৰ আনজন লোক চিকিৎসাধীন হৈ আছে। হুছেইন আলীৰ ঘৰ চিলঙনীত হোৱাৰ বিপৰীতে নানু প্ৰধানৰ ঘৰ ডিমৰুগুৰিত।

শিল্পী-সাহিত্যিক-সাংবাদিকলৈ ৰাভা হাছং পৰিষদৰ বঁটা

অগ্ৰদূত বাৰ্তা

দুধনৈ, ১৬ আগষ্ট ঃ সমগ্ৰ দেশ তথা ৰাজ্যখনৰ লগত কালি দুধনৈতো উদ্‌যাপন কৰা হয় দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ আৰু স্থানীয় প্ৰশাসনৰ উদ্যোগত ৰাইজৰ সহযোগত দুধনৈ ৰাজহুৱা খেলপথাৰত উদযাপন কৰা হয় স্বাধীনতা দিৱস। স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। ইয়াৰ পূৰ্বে ছহিদ তৰ্পণ কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ চাৰুমোহন ৰাভাই। ইয়াৰ পাছতে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদে বিভিন্ন শিতানত প্ৰদান কৰি অহা বঁটাসমূহ প্ৰদান কৰা হয়। সেই অনুসৰি জ্যেষ্ঠ শিল্পী সূৰ্য দাস আৰু ৰাভা লোককৃষ্টিৰ সাধক ধৰণী পামলৈ ৰাভা হাছং স্বায়ত্তশাসিত আগবঢ়ায় 'ৰাজেন পাম স্মৃতি শিল্পী বঁটা'। বঁটাটোত পাজাৰ এখন, ২৫ হেজাৰ নগদ ধন, স্মাৰক এটা আৰু তাম্ৰপত্ৰ এখন। ইপিনে, ৰাজেন ৰাভা সাহিত্য বঁটা প্ৰদান কৰে বিশিষ্ট সাহিত্যিক ড° উপেন ৰাভা হাকাচাম আৰু বিশিষ্ট লেখিকা গীতা দাসলৈ। ছহিদ নিধানুৰাম ৰাজবংশী শৈক্ষিক বঁটা প্ৰদান কৰে বিশিষ্ট শিক্ষাবিদ ড° গণেশ্বৰ চহৰীয়ালৈ, বগেজাৰী বাই বঁটা অঞ্জলিপ্ৰভা দৈমাৰীলৈ, ৰাভা ছহিদ সোঁৱৰণী সাংবাদিক বঁটা দেবদত্ত ৰাভালৈ আৰু নেতাজী সুভাষ চন্দ্ৰ বোস যুৱ বঁটা জোন কুমাৰ ৰাভালৈ আগবঢ়োৱা হয়।

অৱসৰপ্ৰাপ্ত ৰেল বিষয়া বিপিন চন্দ্ৰ ভৰালীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

হাজো, ১৬ আগষ্ট ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া নিবাসী বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত ৰেল বিভাগৰ বিষয়া বিপিন চন্দ্ৰ ভৰালী(৮৭)ৰ নিশা বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। তথ্য মতে, উচ্চ শিক্ষা গ্ৰহণৰ পাছত প্ৰয়াত ভৰালীয়ে প্ৰথমে ৰামদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে যোগদান কৰে। পৰৱৰ্তী সময়ত শিক্ষকতাৰ চাকৰি এৰি উত্তৰ-পূব সীমান্ত ৰেলত যোগদান কৰি ১৯৯৪ত আমগুৰিৰ পৰা মুখ্য বাণিজ্যিক বিষয়া চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। জানিব পৰা মতে, চাকৰিত যোগদানৰ পূৰ্বে ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। ইফালে, চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত ৰামদিয়া অঞ্চলৰ বিভিন্ন সামাজিক কাম-কাজৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ৰামদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী-কৰ্মচাৰী তেওঁৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত ৰামদিয়া হিতসাধিনী সভা, ৰামদিয়া পুথিভঁৰাল আৰু সামূহিক সাংস্কৃতিক কেন্দ্ৰৰ উপৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান ব্যক্তিয়ে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। মৃত্যুৰ সময়ত পত্নী, দুই পুত্ৰ, এগৰাকী বোৱাৰী, দুগৰাকী বিবাহিতা কন্যা জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়ক ইহসংসাৰত এৰি যায়।

শুৱালকুছিৰ প্ৰবীণ নৃত্য শিল্পী হৰিপ্ৰিয়া ডেকাৰ আকস্মিক বিয়োগ

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৬ আগষ্ট ঃ শুৱালকুছিৰ প্ৰবীণ নৃত্য শিল্পী শান্তিটোল নিবাসী হৰিপ্ৰিয়া ডেকা (৬৫)ৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। প্ৰায় সপ্তাহ দিন পূৰ্বে শিল্পীগৰাকীৰ হঠাৎ স্বাস্থ্যৰ অবনতি ঘটাত জিএমছিত ভৰ্তি কৰায়। চিকিৎসকৰ স্বাস্থ্য পৰীক্ষাত তেওঁৰ দুয়োটা বৃক্ক বিকল হোৱাত যোৱা নিশা চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। জীৱিত অৱস্থাত প্ৰয়াত শিল্পীগৰাকী শুৱালকুছিৰ একাধিক সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত থাকি স্বদেশী নৃত্য শিল্পীৰূপে পৰিচিত হৈছিল। সমান্তৰালভাৱে তেও সুদক্ষ অভিনেত্ৰী আছিল। তেওঁ কৰা শ্ৰেষ্ঠ নৃত্যালেখ শকুন্তলাত দৰ্শকৰ ভুয়শী প্ৰশংসা লাভ কৰিছিল। মহিলাসকলৰ দ্বাৰা অভিনীত ৰজা হৰিশ্চন্দ্ৰ নাটত হৰিশ্চন্দ্ৰ অভিনয়ত শ্ৰেষ্ঠ বঁটা লাভ কৰিছিল। ইফালে, প্ৰেম উপকুলৰ ধুমুহা নামৰ ভিচিডি ছবিত অভিনয় কৰিও সমাদৰ লাভ কৰিছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাত গুণমুগ্ধসকল বাসভৱনত ভিৰ কৰে। তেওঁৰ মৃত্যুত শুৱালকুছিৰ নবীন-প্ৰবীণ শিল্পীসকল ব্যথিত হৈ পৰে। আজি পুৱা ভাগত জ্ঞাতি-কুটুম শান্তিটোলবাসী ৰাইজে ব্ৰহ্মপুত্ৰৰ বালিচৰত যথাবিধি নিয়মত হৰিধ্বনিৰে শেষকৃত্য সম্পন্ন কৰে। প্ৰয়াত শিল্পীগৰাকী সদ্য প্ৰয়াত শ্মশান বন্ধু পঞ্চানন ডেকাৰ পত্নী আছিল। মৃত্যুৰ সময়ত তেওঁ দুগৰাকী জীয়ৰীৰ লগত জোঁৱাই আৰু পৰিয়ালবৰ্গক ইহসংসাৰত এৰি যায়।

কোহিনুৰ যুৱক সংঘৰ অভিনন্দন অনুষ্ঠান
'ছাত্ৰ-ছাত্ৰীয়ে মানৱতাৰ শিক্ষা লোৱাৰ প্ৰয়োজন আছে' ঃ ফণীধৰ ডেকা

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৬ আগষ্ট ঃ 'মানৱতা থাকিলেহে এখন ভাল সমাজ গঢ়ি উঠিব। মানৱতা অবিহনে এখন সমাজ প্ৰকৃত শুদ্ধ হ'ব নোৱাৰে। নিজৰ পাঠ্যক্ৰমৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে মানৱতাৰ শিক্ষা লোৱাৰ প্ৰয়োজন আছে।' এই মন্তব্য বিশিষ্ট শিক্ষাবিদ ফণীধৰ ডেকাৰ। নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ সমীপৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান কোহিনুৰ সংঘ আৰু পুথিভঁৰাল (গুৱাকুছি)ৰ উদ্যোগত কালি অনুষ্ঠিত কৰা কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ ডেকাই ছাত্ৰ-ছাত্ৰীসকলক নিজৰ অধ্যয়নৰ জৰিয়তে নিজৰ লক্ষ্যত উপনীত হ'বলৈ আহ্বান জনায়। প্ৰতিযোগিতামূলক সমাজত নিজকে প্ৰতিষ্ঠিত হ'বলৈ কঠোৰ সংগ্ৰামত নিয়োজিত হ'ব লাগিব বুলি শিক্ষাবিদ ডেকাই এই সকল ছাত্ৰ-ছাত্ৰীয়েই সমাজ তথা দেশৰ দায়িত্ব ল'ব লাগিব বুলিও মন্তব্য কৰে। কোনো দিনে ছাত্ৰ-ছাত্ৰীসকলে মূল শিপাৰ পৰা আঁতৰি নগৈ নিজৰ গাঁওখনৰ উন্নয়নৰ চিন্তা কৰিব লাগিব বুলিও ডেকাই কয়। কোহিনুৰ যুৱক সংঘ আৰু পুথিভঁৰালৰ সভাপতি আলহাজ ছাহাবুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্য কৰে সাধাৰণ সম্পাদক পিয়াৰ আলীয়ে। সংঘৰ উপদেষ্টা ৰিয়াজ উদ্দিন আহমেদে আঁতধৰা অনুষ্ঠানত সংঘৰ সভাপতি আহমেদে গাঁওখনৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। শুভেচ্ছামূলক ভাষণত আহমেদে কয় যে কৃতী ছাত্ৰ শ্বাহিদ আলম আৰু মোজাহিদুল ইছলামৰ প্ৰতিভা পূব বনভাগ মিলন এমই স্কুলত অধ্যয়ন কৰি থকা সময়তে প্ৰধান শিক্ষকৰ দায়িত্বত থকাত দেখা পাইছিল। দুয়োজন ছাত্ৰৰ অধ্যয়নত তুমুল প্ৰতিযোগিতা চলাৰ লগতে শ্ৰেণীৰ আন আন ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতাত নামি পৰিছিল বুলি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকজনে কয়। সংঘৰ উপ-সভাপতি মইনুল হক চৌধুৰী, শ্বাহ আলম আহমেদ, মমতাজ আহমেদ, প্ৰাক্তন সাধাৰণ সম্পাদক ৰুহুল আমিন, সদস্য বিৰাজ আহমেদ, জামাল উদ্দিন আহমেদকে ধৰি আন আন বিষয়ববীয়া, অভিভাৱক-অভিভাৱিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটোত কৃতী ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা, ফুলাম জাপি আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত কৃতী ছাত্ৰী-ছাত্ৰীসকলেও মনৰ অনুভৱ ব্যক্ত কৰে।

DURAND CUP

FREE BUS SERVICES FOR DURAND CUP
AT
INDIRA GANDHI ATHLETIC STADIUM, SARUSAJAI SPORTS COMPLEX ON 17TH AUGUST, 2022

Prior to commencement of the match							Post match	
SL No.	Pick up point	Pick up time	Vehicle allotted AS-20-	Conductor Name	Conductor Ph. No.	Dropping point	Pick up point	Dropping point
1	Chandrapur	2:00 PM	1941	Jahanuddin Ali	9957090297	Sarusajai Sports Complex	Sarusajai Sports Complex	Chandrapur
2	Narengi	2:00 PM	1767 1899	Nabab Ali Arup Saki	8638598562 8721042026	Sarusajai Sports Complex	Sarusajai Sports Complex	Narengi
3	Noonmati	2:00 PM	1786	Tapan Malakar	8876111522	Sarusajai Sports Complex	Sarusajai Sports Complex	Noonmati
4	Panjabari	3:00 PM	1932	Wahidur Rahman	9864249696	Sarusajai Sports Complex	Sarusajai Sports Complex	Panjabari
5	Khetri	2:30 PM	1935 1944	Khagen Kalita Haladhar Baishya	7577936517 8638626199	Sarusajai Sports Complex	Sarusajai Sports Complex	Khetri
6	Sonapur	2:30 PM	1900 1933	Bubul Kalita Chandan Pegu	9854325422 7035251472	Sarusajai Sports Complex	Sarusajai Sports Complex	Sonapur
7	Khanapara	3:00 PM	1763	Naser ali	9101727533	Sarusajai Sports Complex	Sarusajai Sports Complex	Khanapara
8	Jalukbari	3:00 PM	1942	Naba Barman	6001482785	Sarusajai Sports Complex	Sarusajai Sports Complex	Jalukbari
9	Azara	2:45 PM	1833	Pradip Das	9860409055	Sarusajai Sports Complex	Sarusajai Sports Complex	Azara
10	Mirza	2:30 PM	1836 1825	Moznur Rahman Imran Hussian	8453500714 7399444934	Sarusajai Sports Complex	Sarusajai Sports Complex	Mirza
11	Boko	12:30 PM	1843 1855	Pyarul Haque Ganesh Das	9401278100 6000621321	Sarusajai Sports Complex	Sarusajai Sports Complex	Boko
12	Rampur	12:30 PM	1867	Niral Ch. Das	9854242079	Sarusajai Sports Complex	Sarusajai Sports Complex	Rampur
13	Maligaon	3:00 PM	1959	Jayanta Kalita	9365979728	Sarusajai Sports Complex	Sarusajai Sports Complex	Maligaon
14	Panbazar / Cotton University	3:00 PM	1824 1858	Ikram Hussain Amulya Baruah	7002234284 9706594164	Sarusajai Sports Complex	Sarusajai Sports Complex	Panbazar/Cotton University
15	Bharalumukh	3:00 PM	1978	Dhrujit Barman	6001396823	Sarusajai Sports Complex	Sarusajai Sports Complex	Bharalumukh
16	ISBT	3:30 PM	1785	Mujakkir Hussain	9864214586	Sarusajai Sports Complex	Sarusajai Sports Complex	ISBT
17	Kharguli	2:00 PM	1850	Phaniruddin Ahmed	8474816440	Sarusajai Sports Complex	Sarusajai Sports Complex	Kharguli
18	Guwahati Club	2:30 PM	1866	Mrinal Deka	7635816440	Sarusajai Sports Complex	Sarusajai Sports Complex	Guwahati Club
19	Silpukhuri	2:30 PM	1841	Rajib Barman	9678830977	Sarusajai Sports Complex	Sarusajai Sports Complex	Silpukhuri
20	Chandmari	2:30 PM	1994	Mokib Ali	7636021090	Sarusajai Sports Complex	Sarusajai Sports Complex	Chandmari
21	Bamunimaidam	2:00 PM	2001	Zakir Hussain	6003028112	Sarusajai Sports Complex	Sarusajai Sports Complex	Bamunimaidam
22	Rehabari	2:30 PM	1655	Samsul Kazi	9085168635	Sarusajai Sports Complex	Sarusajai Sports Complex	Rehabari
23	Paltanbazar	2:30 PM	1602	Atikur Zaman	9435759654	Sarusajai Sports Complex	Sarusajai Sports Complex	Paltanbazar
24	Rupnagar	2:30 PM	1694	Ranjit Kalita	9678305468	Sarusajai Sports Complex	Sarusajai Sports Complex	Rupnagar
25	Bashapara	3:00 PM	1931	Mainul haque	7896912523	Sarusajai Sports Complex	Sarusajai Sports Complex	Bashapara
26	Kahilipara	3:00 PM	1672	Tabibor Rahman	8822520342	Sarusajai Sports Complex	Sarusajai Sports Complex	Kahilipara
27	Lal Ganesh	3:00 PM	1934	Mukul Ali	9365550560	Sarusajai Sports Complex	Sarusajai Sports Complex	Lal Ganesh
28	Suwalkuchi	1:30 PM	1853 1849	Ranjan Thakuria Dipak Deka	8822440461 9365420115	Sarusajai Sports Complex	Sarusajai Sports Complex	Suwalkuchi / Halogaon
29	Hajo (Ramdiya)	1:30 PM	1672	Aman Ullah	936534207	Sarusajai Sports Complex	Sarusajai Sports Complex	Hajo
30	Bamundi (Halogaon)	1:30 PM	1830	Utpal Bharali	9864417878	Sarusajai Sports Complex	Sarusajai Sports Complex	Bamundi
31	Kalitakuchi	1:30 PM	1843	Abed Ullah	9126932279	Sarusajai Sports Complex	Sarusajai Sports Complex	Kalitakuchi
32	Dumdama H S School, Dumdama	1:30 PM	1864	Achyut Das	6901143435	Sarusajai Sports Complex	Sarusajai Sports Complex	Dumdama
33	Uzanbazar	2:15 PM	1831	Dharani Kalita	9508016041	Sarusajai Sports Complex	Sarusajai Sports Complex	Uzanbazar
34	Jatia	2:30 PM	1859	Naba Deka	6900345829	Sarusajai Sports Complex	Sarusajai Sports Complex	Jatia
35	Ganeshguri	3:00 PM	1846	Khagen Kalita	9678118502	Sarusajai Sports Complex	Sarusajai Sports Complex	Ganeshguri
36	Six Mile	3:00 PM	1929	Mahim Ali	7576883599	Sarusajai Sports Complex	Sarusajai Sports Complex	Six Mile
37	Bhangagarh	3:00 PM	1840	Dilip Baruah	9954119281	Sarusajai Sports Complex	Sarusajai Sports Complex	Bhangagarh
38	Hatigaon	3:15 PM	1901	Ramchandra Das	3663960016	Sarusajai Sports Complex	Sarusajai Sports Complex	Hatigaon
39	Borbari	2:30 PM	1636	Javed Ali	7637077953	Sarusajai Sports Complex	Sarusajai Sports Complex	Borbari
40	Gauhati University	2:30 PM	1898 1894	Firoz Ikbal Apurba Talukdar	7662023953 8749805509	Sarusajai Sports Complex	Sarusajai Sports Complex	Gauhati University
41	Assam Engineering College	2:30 PM	1763 1760	Hrishikesh Barman Rupam Borah	6000140624 9854130414	Sarusajai Sports Complex	Sarusajai Sports Complex	Assam Engineering College

Director
Sports & Youth Welfare, Assam

Janasanyog/D/10800/22

সৰুপেটাৰ কৃতী শিক্ষক সনাৰাম দাসৰ স্মৃতিচাৰণ সভা-স্মাৰক গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

সৰুপেটা, ১৬ আগষ্ট ঃ সৰুপেটাৰ বৰলীয়াপাৰা গাঁৱৰ বাসিন্দা তথা সৰুপেটা অঞ্চলৰ কৃতী শিক্ষক, বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত ব্যক্তি প্ৰয়াত সনাৰাম দাসৰ যোৱা ১৩ আগষ্টত প্ৰথম মৃত্যুবাৰ্ষিক তিথি নিজ বাসভৱনত বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰাৰ লগতে 'স্মৃতিৰ পটত সনাৰাম দাস' শীৰ্ষক এখন স্মাৰকগ্ৰন্থও পৰিয়ালৰ লোকে প্ৰকাশ কৰি উলিয়ায়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত স্মাৰক গ্ৰন্থ উন্মোচন কৰে বি এইছবি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° অমিয়া মহন্তই। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত দাসৰ ছবিত বন্তি প্ৰজ্বলন কৰে পত্নী শৈৰা দাসে। কাকলি দাসে আঁতধৰা স্মৃতিচাৰণ সভাখনত বক্তব্য ৰাখে ৪১ নম্বৰ ভবানীপুৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক ড° মনোৰঞ্জন দাস আৰু স্মাৰক গ্ৰন্থখন সম্পাদনা কৰা ব্যক্তি কবি, সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত শিক্ষক নাগেশ্বৰ দাসে। অনুষ্ঠানত উপস্থিত থাকি ভাষণ ৰাখে অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক প্ৰশান্ত কুমাৰ দাস আৰু বৰপেটা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক ৰামকৃষ্ণ তালুকদাৰে। অনুষ্ঠানত আৰম্ভণিতে বৰগীত পৰিবেশন কৰে বিশিষ্ট গায়িকা প্ৰিয়ম দাসে। বিশিষ্ট গায়ক হৰেকৃষ্ণ তালুকদাৰ আৰু কাকলি দাসেও এটিকৈ গীত পৰিবেশন কৰি অনুষ্ঠানৰ সৌন্দৰ্য বৃদ্ধি কৰে। অনুষ্ঠানৰ শেষত পৰিয়ালৰ তৰফৰ পৰা শলাগৰ শৰাই আগবঢ়ায় প্ৰয়াত দাসৰ তৃতীয় পুত্ৰ গোলাপ দাসে।

শ্ৰী কৃষ্ণৰ জন্মাষ্টমীৰ আয়োজন

বকুলতলৰ সাংস্কৃতিক সন্ধিয়াত কে কে-মোহন

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৬ আগষ্ট ঃ শুৱালকুছি হাইস্কুল ৰোড যুৱ সমাজৰ উদ্যোগত অহা ১৯ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে ভগৱান শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমীৰ লগতে বকুলতলৰ সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিছে। ভগৱান শ্ৰীশ্ৰীকৃষ্ণ জন্মাষ্টমী ২২ সংখ্যক উৎসৱ উদ্‌যাপন সমিতিৰ কাৰ্যসূচী মতে, উক্ত দিনা পুৱা ছয় বজাত সমিতিৰ উদ্যোগত বৃক্ষ ৰোপণ, ৭.৩০ বজাত সভাপতি নৱ মহন্তৰ দ্বাৰা পতাকা উত্তোলন নবজাত টেলুৱৈ বাঁহত বগোৱা টেকেলি ভঙা, বিয়লি তিনি বজাত কৃষ্ণ মূলক ভেশছন প্ৰতিযোগিতা। সন্ধিয়া ছয় বজাত বকুলতলত আইসকলৰ নাম প্ৰসংগ, সাত বজাত সাংস্কৃতিক সন্ধিয়াৰ মুখ্যদ্বাৰ উন্মোচন কৰিব মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। ৭.৩০ বজাত মঞ্চত বন্তি প্ৰজ্বলন কৰিব মানৱ অধিকাৰ আয়োগ আবকাৰী বিভাগৰ সচিব কমল কুমাৰ বৈশ্য। আঠ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰঞ্জিত ভট্টাচাৰ্যই। ৮.৩০ বজাত কাশ্মীৰি ওজাৰ বৰগীত পাছত শুৱালকুছি নটৰাজ কলা কেন্দ্ৰৰ শিল্পীসকলে কৃষ্ণ নৃত্য পৰিবেশন কৰিব। ৯.৩০ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত শুৱালকুছি কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা অনিৰ্বান নাথ, উচ্চতৰ মাধ্যমিকৰ কলা শাখাত পঞ্চম স্থান লাভ কৰা শুৱালকুছিৰ জীয়ৰি মধুস্মিতা বেজবৰুৱাক সম্বৰ্ধনা আৰু বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠান। নিশা ১০.৩০ বজাত জনপ্ৰিয় ধাৰাবাহিক বেহাৰবাৰী আউট প'ষ্টৰ কে কে আৰু মোহন খ্যাত যুগল বন্দী সিদ্ধাৰ্থ আৰু দ্বীপজ্যোতি কেওটৰ লগতে স্বনামধন্য শিল্পী দেৱা গীৎজৰ সংগীতানুষ্ঠান। ৰাইজৰ উপস্থিতি কামনা কৰিছে আয়োজক সমিতিয়ে। ইয়াৰ আগেয়ে ১৫ আগষ্টৰ দিনা বিয়লি দুই বজাৰ পৰা প্ৰথমৰ পৰা দশম শ্ৰেণীলৈ চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। ইচ্ছুক প্ৰতিযোগীক সমিতিৰ সভাপতি-সম্পাদকৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

কুলহাটী উচ্চ মাধ্যমিক বিদ্যালয়ত কৃতী শিক্ষাৰ্থীক অভিনন্দন

অগ্ৰদূত বাৰ্তা

হাজো, ১৬ আগষ্ট ঃ কামৰূপ জিলাৰ তীৰ্থ নগৰী হাজোৰ অগ্ৰণী শিক্ষানুষ্ঠান কুলহাটী উচচ মাধ্যমিক বিদ্যালয়ৰ কৃতী শিক্ষাৰ্থীৰ অভিনন্দন অনুষ্ঠান কালি অনুষ্ঠিতহৈ যায়। বিদ্যালয়খনৰ সভাকক্ষত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি গোবিন্দ দাসৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি এমট্ৰনৰ উপ- প্ৰবন্ধক তথা সমাজৰত্ন দিনমণি ভাগুৰ কায়স্থই কয় যে প্ৰকৃততে বিজ্ঞানৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকল সততে আকৰ্ষিত হ'ব লাগিব। বিজ্ঞানৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰত নিহিত হৈ আছে। ছাত্ৰ জীৱন সঠিকভাৱে পৰিচালিত কৰিব লাগিব। প্ৰচেষ্টা এক প্ৰকাৰ সপোন। প্ৰসংগক্ৰমে কায়স্থই পুনৰ কয় যে আধ্যাত্মিকতা হৃদয়ৰ ভিতৰতে নিহিত থাকে। প্ৰকৃততে সমাজত ধৰ্মৰ প্ৰভাৱ একোটা সামাজিক বান্ধোন। সামাজিক অৱস্থাৰ পৰিৱৰ্তনৰ লগত নিজৰ কৰ্মৰাজি পৰিকল্পনা কৰি সকলোৰে আগুৱাই যাব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ সমান্তৰালভাৱে শৰীৰৰ চৰ্চাৰ প্ৰতিও গুৰুত্ব দিব লাগিব। নিজৰ ঘৰ, সমাজ, মাতৃভূমিৰ প্ৰতিও কৃতীমানসকলে সততে নজৰ দিব লাগিব। এই সভাত অংশগ্ৰহণ কৰি দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ গণেশ চন্দ্ৰ দাসে কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নৈতিকতাৰ শিক্ষাৰ অভাৱৰ বাবেই সম্প্ৰতি সমাজত এক বিশৃংখল পৰিৱেশ গা কৰি উঠিছে। মুকলি সভাত জ্যেষ্ঠ নাগৰিক বাবুল দাস, বিশিষ্ট সমাজকৰ্মী নৰেশ্বৰ দাস, সাংবাদিক কমলাকান্ত দাসে অংশগ্ৰহণ কৰি কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ সমান্তৰালভাৱে নিজৰ লগতে সমাজৰ উত্তৰণৰ হকেও কাম কৰি যাবলৈ আহ্বান জনায়। এই সভাত কুলহাটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শৰৎ কলিতাকে ধৰি বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰীৰ উপৰি ছাত্ৰ-ছাত্ৰী, অভিভাৱক- অভিভাৱিকাসকলৰ লগতে বিশিষ্ট গণ্য- মান্য ব্যক্তিসকল উপস্থিত থাকে। এই সভাত কৃতী শিক্ষাৰ্থী সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত সপ্তম স্থান প্ৰাপ্ত দেৱব্ৰত কলিতাৰ লগতে বিদ্যালয়খনৰ পৰা কৃতিত্ব অৰ্জন কৰা দুগৰাকী ছাত্ৰী অংকৃতা দাস আৰু প্ৰণামী পাটোৱাৰীক ফুলাম গামোচা, অভিনন্দন পত্ৰ আৰু জাপিৰে বিপুলভাৱে অভিনন্দন জ্ঞাপন কৰা হয়। অনুষ্ঠানত গীত পৰিৱেশন কৰে বিদ্যালয়ৰ ছাত্ৰীয়ে ।

সৌনক সংঘৰ উদ্যোগত কৰিশ্মা শইকীয়া সোঁৱৰণী কবিতা আবৃত্তি প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ১৬ আগষ্ট ঃ গোলাঘাটৰ চৰকাৰী মাধ্যমৰ শিক্ষা ব্যৱস্থাৰ উত্তৰণৰ বাবে কাম কৰি অহা অগ্ৰণী অনুষ্ঠান সৌনক সংঘৰ উদ্যোগত ১২ আগষ্টত গোলাঘাট টাউনৰ চাৰি নম্বৰ কুমাৰপট্টি প্ৰাথমিক বিদ্যালয়ত কৰিশ্মা শইকীয়া সোঁৱৰণী কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ক আৰু খ দুটা শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত গোলাঘাট নগৰৰ মণ্ডলৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত বিচাৰকৰ আসন শুৱনি কৰে গোলাঘাট পূব শিক্ষা খণ্ডৰ সমন্বয়ক পৰাগ প্ৰতিম বৰা আৰু মৰঙী দিননাথ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী স্বৰণালীম দত্তই। প্ৰতিযোগিতাৰ ন্তত ছাত্ৰ-ছাত্ৰীক আহাৰ বিতৰণ আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। বঁটা বিতৰণী সভাৰ আঁত ধৰে সংঘৰ সাহিত্য বিভাগৰ সম্পাদিকা সুদক্ষিণা শইকীয়া আৰু সাংস্কৃতিক সম্পাদিকা ঋতুপৰ্ণা গগৈয়ে। এই সভাতেই স্বৰণালীম দত্তক সভানেত্ৰী আৰু অপূৰ্ব শইকীয়াক সম্পাদক হিচাপে লৈ সংঘৰ নতুন সমিতিখন গঠন কৰে। অনুষ্ঠানত উপস্থিত থাকে কৰিশ্মা শইকীয়াৰ স্বামী সঞ্জীৱ শইকীয়া। অনুষ্ঠানৰ সফলতাত গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা প্ৰাথমিক শিক্ষা বিষয়া ড° সমীৰণ বৰা আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মনোজ কুমাৰ বৰুৱাই সন্তোষ প্ৰকাশ কৰে। চৰকাৰী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সকলো দিশৰ উন্নতিৰ বাবে সংঘই সদায় কাম কৰি যাব বুলি সংঘৰ প্ৰচাৰ সম্পাদক পাৰ্শ্বজ্যোতি শৰ্মাই সদৰী কৰে। প্ৰতিযোগিতাত ক শাখাৰ প্ৰথম স্থান লাভ কৰে আকাশী গগৈয়ে, দ্বিতীয় অৰ্পনাশ্ৰী বৰকটকী আৰু তৃতীয় স্থান লাভ কৰে নিলয় কল্যাণ গগৈয়ে। খ শাখাত প্ৰথম স্থান লাভ কৰে অনন্যা কৌশিক, দ্বিতীয় আহছিন ইছলাম আৰু তৃতীয় স্থান লাভ কৰে চয়নিকা দাসে। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে লক্ষ্যজিত কলিতাই।

ঘগ্ৰাপাৰ শিক্ষাখণ্ডৰ থানুৰাম প্ৰাথমিক বিদ্যালয়ত ব্যতিক্ৰমী ধৰণে স্বাধীনতা দিৱস পালন

■ কণ কণ ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনত মুগ্ধ শিক্ষা বিভাগৰ সমল ব্যক্তি-ৰাইজ

অগ্ৰদুত বাৰ্তা

ঘগ্ৰাপাৰ, ১৬ আগষ্ট ঃ ভাৰতবৰ্ষৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন ঠাইৰ চৰকাৰী-বেচৰকাৰী, ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত ভিন্নৰঙী কাৰ্যক্ৰম উদ্‌যাপন কৰাৰ সময়তে কালি নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত থানুৰাম প্ৰাথমিক বিদ্যালয়ত ব্যতিক্ৰমী ধৰণে ব্যাপক আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে স্বাধীনতা দিৱস পালন কৰাটোৱে স্থানীয় ৰাইজ আৰু সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মেছেৰ আলীৰ পৰিচালনাত বিদ্যালয়ৰ সহকাৰী শিক্ষক অনিল বৰ্মনৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলক বীৰ-বীৰাংগণাৰ ৰূপত সজ্জিত কৰোৱাৰ লগতে দেশপ্ৰেমমূলক গীতেৰে নৃত্য প্ৰদৰ্শন কৰোৱায়। কণ কণ ছাত্ৰ-ছাত্ৰীৰ এই প্ৰদৰ্শনত মুগ্ধ হৈ পৰিছে শিক্ষা বিভাগৰ সমল ব্যক্তি সুভাষ বৰ্মন, তিনি নম্বৰ ঘগ্ৰাপাৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কংকন বেজবৰুৱাৰ লগতে স্থানীয় ৰাইজ। অনুষ্ঠানত শিক্ষাবিদ তথা সমল ব্যক্তি বৰ্মনে নিজৰ ভাষণত ৭৬ সংখ্যক স্বাধীনতা দিৱসৰ তাৎপৰ্য বাখ্যা কৰা উপৰি বিদ্যালয়খনৰ কণ কণ শিক্ষাৰ্থীৰ প্ৰতিভাক শলাগ লয়। ইপিনে, বড়িগোগ-বনভাগ শিক্ষাখণ্ডত আৰু ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী বিদ্যালয়ত পতাকা উত্তোলন কৰে ক্ৰমে শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতা আৰু প্ৰধান শিক্ষক স্বপন চক্ৰৱৰ্তীয়ে। ২১৫ নম্বৰ চত্ৰা প্ৰাথমিক বিদ্যালয়ত পতাকা উত্তোলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি লাচিত নাৰ্জাৰীয়ে। প্ৰধান শিক্ষয়িত্ৰী বিচিত্ৰা বৰুৱাই জানিবলৈ দিয়া অনুসৰি, বিদ্যালয় চৌহদত গছপুলি ৰোপণৰ আৰম্ভ কৰে মকছেদ আলীয়ে। গাঁৱৰ জ্যেষ্ঠ নাগৰিক ফুকন চন্দ্ৰ বড়োৰ লগতে শিক্ষা বিভাগৰ সমল ব্যক্তি সুভাষ বৰ্মনক স্বাধীনতা দিৱস উপলক্ষে বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচীৰ মাজতে ইতিমধ্যে হৈ যোৱা বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলকো পুৰস্কৃত কৰা হয়।

জামুগুৰিহাটত প্ৰতিভাবান ছাত্ৰৰ সোঁৱৰণত চিত্ৰাংকন প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৬ আগষ্ট ঃ ২০১৫ৰ আঠ এপ্ৰিলত সংঘটিত পথ দুৰ্ঘটনাত অকাল মৃত্যুক আঁকোৱালি লোৱা জামুগুৰিহাটৰ নদুৱাৰ জাতীয় বিদ্যালয়ৰ প্ৰতিৱাভান ছাত্ৰ প্ৰিয়ং কৌশিক বৰুৱাৰ সোঁৱৰণত তেওঁৰ সতীৰ্থ ছাত্ৰ-ছাত্ৰীসকলে অহা ১৫ আগষ্টত এখন চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। আঞ্চলিক ভিত্তিত অনুষ্ঠিত হ'ব লগা এই প্ৰতিযোগিতাখন প্ৰথমৰ পৰা দশম শ্ৰেণীলৈকে মুঠ তিনিটা শাখাত অনুষ্ঠিত হ'ব। দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগীসকলে কোনো ভৰ্তি মাচুল দিব নালাগে। নদুৱাৰ জাতীয় বিদ্যালয়ত অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰতিযোগীসকলক ৭০০২০৯৩৩৭৩ আৰু ৯৩৬৫৪১১৫৮০ নম্বৰ ম'বাইল ফোনত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

সত্ৰীয়া সংস্কৃতিৰ সাধক যতীন বৰাৰ 'বন্দো শ্ৰীযাদৱ ৰায়' গীতৰ সংকলনৰ মুক্তি

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ১৬ আগষ্ট ঃ অসমৰ সাংস্কৃতিক জগতৰ এটি চিৰপৰিচিত নাম যতীন বৰা। সাংস্কৃতিক ক্ষেত্ৰখনত নিজস্ব ব্যতিক্ৰমী প্ৰচেষ্টাৰে ঈৰ্ষণীয় পৰিচিতি লাভ কৰা ঐতিহ্য সেউজ কণ্ঠ বিশিষ্ট সত্ৰীয়া সংস্কৃতিৰ সাধক যতীন বৰাৰ জে বি প্ৰডাকচনৰ ভক্তিপূৰ্ণ নিবেদন 'বন্দো শ্ৰী যাদৱ ৰায়' শীৰ্ষক এটি গীতৰ সংকলন যোৱা ১৩ আগষ্টত টীয়কৰ বৰা বজাৰত শুভমুক্তি কৰে দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱ গোস্বামীয়ে। সত্ৰীয়া দিহানামৰ পৌৰাণিক অস্তিত্বক ধৰি ৰখাৰ নিমিত্তে মুকলি কৰা এই সংকলনত ১০ টা গীত উপলব্ধ হৈছে। ভাওনা পৰিচালক বিমান শইকীয়াই আঁতধৰা উন্মোচনী অনুষ্ঠানত টীয়কৰ কুঞ্জ কানন কলা কেন্দ্ৰৰ ছাত্ৰসকলে গায়ন বায়নেৰে পৰিৱেশ মুখৰিত কৰি তোলে। অনুষ্ঠানত টীয়ক অঞ্চলৰ ভালে সংখ্যক ব্যক্তি উপস্থিত থাকে। ইপিনে, সত্ৰাধিকাৰ ননীগোপাল দেৱ গোস্বামীয়ে লোকশিল্পীজনৰ এই প্ৰচেষ্টাক প্ৰশংসা কৰি হৰি নামৰ ওপৰত এক বিস্তৃত ব্যাখ্যা আগবঢ়োৱাৰ উপৰি নৱপ্ৰজন্মক নতুনৰ লগতে পৌৰাণিক ধ্যান-ধাৰণাক আদৰি ল'বলৈ আহ্বান জনায়।

পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আছু গোট গঠন

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৬ আগষ্ট ঃ সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ অধীনস্থ পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয় আছু গোট যোৱা ১৩ আগষ্টত গঠন কৰা হয়। পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এখন সভাত সভাপতিত্ব কৰে পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰেকিবুদ্দিন আহমেদে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ধনজিৎ কলিতাই। আছুৰ দৃষ্টিভংগী ব্যাখ্যা কৰে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি কল্প ৰাজবংশীয়ে। সভাত শুভেচ্ছামূলক ভাষণ ৰাখে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰঞ্জিত শৰ্মাই। বিদ্যালয়খনৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাত বিশ্বজিৎ ৰাজবংশীক সভাপতি আৰু জিতু দাসক সাধাৰণ সম্পাদকৰূপে লৈ ৩০ জনীয়া পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয় আছু গোটৰ সমিতিখন গঠন কৰা হয়। সভাত পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক বিদ্যুৎ বিকাশ দাস, সাংগঠনিক সম্পাদক ৰাজদ্বীপ চৌধুৰী আৰু চন্দন দাস উপস্থিত থাকে।

খুমটাইত বৃক্ষৰোপণ কাৰ্যসূচী পালন, মঙলবাৰে।

নগাঁৱত অৰ্পণা গোস্বামী শৈক্ষিক বটাঁ প্ৰদান

বিশেষ সংবাদদাতা

নগাঁও, ১৬ আগষ্ট ঃ প্ৰয়াত শিক্ষয়িত্ৰী অৰ্পনা গোস্বামীৰ সোঁৱৰণত প্ৰৱৰ্তন কৰা অৰ্পণা গোস্বামী শৈক্ষিক বঁটা পৰহি নগাঁৱৰ চন্দ্ৰজ্যোতি সংঘৰ সভাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত প্ৰদান কৰা হয়। উল্লেখ যে নগাঁও জিলাৰ ভিতৰত উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সংস্কৃত বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰোতাক এই বঁটা প্ৰদান কৰা হয়। এইবাৰ এই বঁটা লাভ কৰিছে জিলাখনৰ চাপৰমুখ বসুন্ধৰী গাঁৱৰ মেধা ছাত্ৰী পূৰ্বালক্ষ্মী দেৱীয়ে। ছাত্ৰীগৰাকীয়ে এইবাৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সংস্কৃতত ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি সুখ্যাতিৰে উৰ্ত্তীণ হয়। প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত ছাত্ৰীগৰাকীক এই বঁটা প্ৰদান কৰা হয়। বটাত আছে প্ৰশস্তিপত্ৰ, স্মাৰকপত্ৰ আৰু নগদ ধন। অনুষ্ঠানত কবি আশোকৰাম ভট্টাচাৰ্য, চন্দ্ৰজ্যোতি সংঘৰ সভাপতি পল্লৱ গোস্বামী, সম্পাদক স্নেহাংশু গোহাঁই, শিক্ষাবিদ কৃষ্ণ দুলাল বৰুৱা, ছাত্ৰীগৰাকীৰ পিতৃ জগন্নাথ নাথ আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানতে সংস্কৃত শিক্ষক অৰূপ বেজবৰাক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ যে প্ৰয়াত অৰ্পণা গোস্বামীৰ পৰিয়ালবৰ্গই ২০১৮ৰ পৰা এই বঁটা চন্দ্ৰ জ্যোতিসংঘৰ সহযোগত প্ৰদান কৰি আহিছে।

জীৱনৰ অভিনৱ অৰ্থ বিচাৰি উলিওৱাটোৱেই মানুহৰ লক্ষ্য হোৱা উচিত

■ পাঠশালাৰ শিক্ষাপীঠত পোহৰ বিদ্যালয়ৰ অনুষ্ঠানত শিক্ষাবিদ অক্ষয় মিশ্ৰ

পাঠশালা, ১৬ আগষ্ট ঃ মানুহ পোহৰ সন্ধানী, আন্ধাৰৰ পৰা পোহৰলৈ যাত্ৰা কৰাটোৱেই মানুহৰ গতিবিধি। জ্যোতিপ্ৰসাদ আগৰৱালাই কোৱাৰ দৰে জীৱনৰ অভিনৱ অৰ্থ বিচাৰি উলিওৱাটোৱেই মানুহৰ লক্ষ্য হোৱা উচিত। আজি পাঠশালা শিক্ষাপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত পৰেশ বৈশ্য ফাউণ্ডেছনৰ পোহৰ বিদ্যালয়ে আয়োজন কৰা এক আলোক সন্ধানী বক্তৃতা অনুষ্ঠানত ভাষণ দি বিশিষ্ট শিক্ষাবিদ তথা সম্প্ৰতি বৰপেটাৰ বৌদ্ধিক অভিভাৱক স্বৰূপ অক্ষয় কুমাৰ মিশ্ৰই এইদৰে কয়। তেওঁ আৰু কয় যে শিক্ষাই পোহৰ, জ্ঞানেই পোহৰ। সদৰ্থক চিন্তা-ভাৱনাৰে কৰ্মোদ্যমী হৈ জীৱন-পথত অগ্ৰসৰ হ'লে আন্ধাৰকো নেওচি পোহৰ পাব পাৰি। আজিৰ প্ৰজন্মই জীৱনৰ সূৰ্যোদয় চাব খুজিলে উপনিষদৰ 'উঠা, জাগা, বৰেণ্যসকলৰ পথ অনুসৰণ কৰা' এই শাশ্বত বাণী সাৰোগত কৰিব লাগিব। বিদ্যালয়খনৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উপস্থিত হোৱা সভাত ভাষণ দি তেওঁ আৰু কয় যে আমি জ্ঞান আৰু বিজ্ঞানৰ যুক্তিৰ লগত প্ৰযুক্তি বিদ্যাৰ সমন্বয় সাধন কৰা শিক্ষা শিক্ষাৰ্থীসকলক দিব লাগিব। তেওঁ শিক্ষাৰ্থীসকলক মূল্যবোধ ভিত্তিক শিক্ষাৰ লগতে ব্যৱহাৰিক জীৱনৰ উপযোগী, ভৱিষ্যৎ পৃথিৱীৰ স'তে নিজকে খাপখুৱাই চলিব পৰাকৈ শিক্ষা প্ৰদানৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। সমান্তৰালভাৱে শিক্ষাৰ্থীক জীৱনবোধৰ শিক্ষাৰ লগতে সমাজ- চেতনাৰো শিক্ষা দিব লাগিব। শিক্ষাৰ্থীয়ে জীৱনক সমৃদ্ধ কৰাৰ, জীৱনৰ জয়গান গোৱাৰ পৰিৱেশ ৰচনা কৰিব লাগিব। তেওঁ আৰু কয় যে পৰেশ বৈশ্য ফাউণ্ডেছনে 'পোহৰ বিদ্যালয়'ৰ যোগেদি শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত এক নতুন মাত্ৰা সংযোগ কৰিবলৈ প্ৰয়াস কৰাটো অতি আদৰণীয়। পূৰ্ণ বিকশিত মানুহৰূপে নিজকে গঢ়াৰ সমল আৰু উপাদান ছাত্ৰ-ছাত্ৰীয়ে যাতে লাভ কৰিব পাৰে তাৰ নিমিত্তেই পোহৰ বিদ্যালয়ৰ এই জয়যাত্ৰা বুলিও তেওঁ কয়। বক্তৃতাৰ আৰম্ভণিতে পৰেশ বৈশ্য ফাউণ্ডেছনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই পোহৰ বিদ্যালয়ৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। তেওঁ কয় যে শিক্ষাৰ্থীসকলক ইতিবাচক চিন্তাৰে আলোকিত কৰিবলৈ এই প্ৰয়াস লোৱা হৈছে। সভাত পৰেশ বৈশ্য ফাউণ্ডেছনৰ পৰা পাঠশালা শিক্ষাপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলক পোহৰ বিদ্যালয় হিচাপে স্বীকৃতি দি এখন প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। এই বক্তৃতা অনুষ্ঠানত বৰপেটাৰোডৰ বিশিষ্ট সাহিত্যকৰ্মী ডাঃ মাণিক লাল ভৌমিকেও দুষাৰ কয়। পাঠশালা শিক্ষাপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ উৎপল বৰকাকতিয়ে শলাগৰ শৰাই আগবঢ়াই কয় যে পৰেশ বৈশ্য ফাউণ্ডেছনৰ এনে প্ৰয়াসে অসমৰ বিদ্যায়তনিক ক্ষেত্ৰলৈ এক আশাৰ বতৰা কঢ়িয়াই আনিছে। শেষত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰত তিনিদিনীয়া দক্ষতা বিকাশ প্ৰশিক্ষণৰ সামৰণি

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ আগষ্ট ঃ অসম কৃষি বিশ্ববিদ্যালয় অধীনত থকা অগ্নিগড় কৃষি উৎপাদক গোট আৰু নামেৰী কৃষি উৎপাদক গোটৰ দক্ষতা বিকাশৰ বাবে শোণিতপুৰৰ নপামস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত তিনিদিনীয়াকৈ আয়োজন কৰা দক্ষতা বিকাশ প্ৰশিক্ষণ অনুষ্ঠানৰ সামৰণি পৰিছে। কেন্দ্ৰটোৰ মুৰব্বী বিষয়া অংগনা শৰ্মাই আঁত ধৰা প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ কে'বাগৰাকী সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই শিবিৰত কৃষক গোটসমূহৰ দক্ষতা বৃদ্ধিৰ বাবে লিচু আৰু মাকৈ খেতিৰ উন্নত কৃষি প্ৰণালীৰ সম্পৰ্কত আলোচনা কৰাৰ লগতে উৎপাদিত কৃষি সামগ্ৰীৰ বিপণন, সংশোধন আৰু মূল্য সংযোজনৰ ওপৰত আলোকপাত কৰা হয়। এপেদাৰ দ্বাৰা প্ৰযোজিত তথা চিবিবিঅ' কামৰূপ আৰু বিশ্বনাথ কলেজৰ দ্বাৰা আয়োজিত এই শিবিৰৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ। অনুষ্ঠানত অন্যান্য নিমন্ত্ৰিত অতিথিসকলৰ ভিতৰত তেজপুৰৰ চক্ৰ বিষয়া পংকজ বৰা, জিলা কৃষি বিষয়া দিলীপ গায়ন, সহকাৰী কৃষি বিষয়া প্ৰাঞ্জল শৰ্মা, নাবাৰ্ডৰ ডিডিএম প্ৰতীম নাথ, কামৰূপ পিআইইউৰ মুখ্য কাৰ্যবাহী বিষয়া ড° প্ৰমোদ চন্দ্ৰ ডেকা আৰু সমন্বয়ক ড° পল্লৱ শৰ্মা উপস্থিত আছিল। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা দুয়োটা এফপিচিৰ ৫০ গৰাককৈ কৃষকক মানপত্ৰ প্ৰদান কৰা হয়। দেশৰ স্বাধীনতাৰ অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে গছপুলি ৰোপণ কৰে উপায়ুক্ত মিশ্ৰই। এই অনুষ্ঠানতে দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সমগ্ৰ দেশতে উদ্‌যাপিত হৈ থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশ 'হৰ ঘৰ ত্ৰিৰংগা শীৰ্ষক কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে শোণিতপুৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ দ্বাৰা উলিওৱা ৰেলীতো অংশগ্ৰহণ কৰিলে কেন্দ্ৰটোৰ সফল ৰূপায়ণৰ বাবে শোণিতপুৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ দ্বাৰা উলিওৱা ৰেলীতো অংশগ্ৰহণ কৰিলে কেন্দ্ৰটোৰ সমূহ কৰ্মচাৰী আৰু স্থানীয় ৰাইজে।

কমলাবাৰীত স্বাধীনতা দিৱস পালন।

পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ১৬ আগষ্ট ঃ হাজো সমষ্টিৰ অন্তৰ্গত পশ্চিম বড়িগোগ মৌজাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ ৩৮ সংখ্য প্ৰতিষ্ঠা দিৱস যোৱা ১৩ আগষ্টত মহাবিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। তদুপলক্ষে দিনৰ ১২ বজাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাতুল চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয় এখন মুকলি সভা। সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ভূমিদাতাসকলক গামোচাৰে শুভেচ্ছা জনায়। উল্লেখ্য যে ১৯৮৪ৰ আজিৰ দিনটোত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। অঞ্চলৰ বহুতো গুণী জ্ঞানী লোক অহোপুৰুষাৰ্থ চেষ্টাৰ ফলত আজিৰ পৰ্যায় পাইছে উক্ত মহাবিদ্যালয়খনে। মহাবিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী অধ্যাপক খাইৰুজ জামানে আঁতধৰা আৰু কৰ্মচাৰী কিশোৰ গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত গ্ৰন্থ গাৰিকা ড° লতিকা দেৱী আৰু কৰ্মচাৰী মহেশ কলিতাই কামৰূপীয়া লোকগীত পৰিবেশন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাও কে'বাটাও গীত পৰিবেশন কৰে। সভাত ভূমিদাতা পৰিয়ালৰ হৈ অমৰজিৎ শইকীয়াই মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা জড়িত ব্যক্তিসকলৰ ত্যাগৰ কথা স্মৰণ কৰে। ইয়াৰ উপৰি মহাবিদ্যালয়ত কৰ্মৰত কে'বাজনো অধ্যাপক-অধ্যাপিকাই মহাবিদ্যালয়ৰ বিগত দিনকেইটাৰ স্মৃতি সোঁৱৰণ কৰে। ইয়াৰ আগতে পুৱা শোভাযাত্ৰা, পতাকা উত্তোলন আৰু গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে।

ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিংশতিতম বাৰ্ষিক অধিবেশন- বিশেষ অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৬ আগষ্ট ঃ সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত অন্যতম ছাত্ৰ সংগঠন ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিংশতিতম বাৰ্ষিক অধিবেশন আৰু সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ পৰা ষ্টাৰ-ডিষ্টিংচন নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ বাবে এক অনুষ্ঠানৰ আয়োজন কৰা হয়। আজি স্থানীয় বনভাগ কনিষ্ঠ মহাবিদ্যালয়ৰ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত কৃতীমানসকলে অধ্যয়ন কৰা শিক্ষানুষ্ঠানৰ মুৰব্বীসকলকো সম্বৰ্ধনা জনোৱাৰ লগতে গ্ৰীষ্মকালীন বিশেষ পাঠদানত অংশগ্ৰহণ কৰা শিক্ষকসকলকো সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচী অনুসৰি, পুৱা পতাকা উত্তোলন, ছহিদ তৰ্পণৰ পাছতে দিনৰ ১০.৩০ বজাৰ পৰা বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৱজিত বেজবৰুৱা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰিয়াজুদ্দিন আহমেদ, নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি সম্পাদক ক্ৰমে গুণজ্যোতি পাঠক, অক্ষয় ডেকা, শিক্ষাবিদ ড° শৈলেন প্ৰসাদ শৰ্মা, যোগেন্দ্ৰ কলিতা, নলবাৰী জিলা উন্নতি সভাৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদক ৰাতুল চন্দ্ৰ ডেকা উপস্থিত থাকে। আবেলি তিনি বজাত প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভা অনুষ্ঠিত হয়। উক্ত সভাখনত জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়া পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে।

গোৰেশ্বৰত বিজেপি যুৱ মৰ্চাৰ স্বচ্ছ অভিযান কাৰ্যসূচী ৰূপায়ণ

অগ্ৰদূত বাৰ্তা

গোৰেশ্বৰ, ১৬ আগষ্ট ঃ ৰাষ্ট্ৰজুৰি ৰূপায়িত হ'ব লগা ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ বৰ্ষপূৰ্তি অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত আজাদী কা অমৃত মহোৎসৱ উপলক্ষে গোৰেশ্বৰত বিজেপি যুৱ মৰ্চাৰ চাফাই অভিযান অনুষ্ঠিত হৈ যায়। তদুপলক্ষে আজি গোৰেশ্বৰ মণ্ডল বিজেপিৰ সহযোগত আৰু যুৱ মৰ্চাৰ উদ্যোগত এই স্বচ্ছ অভিযান চলোৱা হয়। গোৰেশ্বৰ দুৰ্গা মন্দিৰৰ পৰা আৰম্ভ কৰি গোৰেশ্বৰ চহৰৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত কৰে এই স্বচ্ছ অভিযান। ইপিনে, উক্ত স্বচ্ছ ভাৰত অভিযানত বিজেপিৰ গোৰেশ্বৰ মণ্ডলৰ সভাপতি মহেন্দ্ৰ বৰা, সম্পাদক সমৰেন্দ্ৰ শৰ্মা আৰু যুৱ মৰ্চাৰ মণ্ডল সভাপতি আনন্দ সাহাকে ধৰি দলীয় কাৰ্যকৰ্তাসকলে উপস্থিত থাকি অনুষ্ঠানত অংশগ্ৰহণ কৰে।

‘পাকিস্তান জিন্দাবাদ’ ধ্বনি দি হিন্দু জাগৰণ মঞ্চৰ ৰোষত যুৱক

অগ্ৰদূত বাৰ্তা

হাজো, ১৬ আগষ্ট ঃ স্বাধীনতা দিৱসৰ দিনটোতে হাজোত ছ’চিয়েল মিডিয়াযোগে এজন যুৱকে পাকিস্তান জিন্দাবাদ ধ্বনি দিয়াক লৈ কালি সৃষ্টি হয় উত্তেজনাময় পৰিস্থিতিৰ। জানিব পৰা মতে, কামৰূপ জিলাৰ হাজো থানাৰ অন্তৰ্গত বৰম্বৈৰ মাচুক আব্দুল্লা নামৰ এজন যুৱকে হোৱাটছএপ ষ্টেটাছত পাকিস্তান জিন্দাবাদ ধ্বনি দিছিল। লগে লগে যুৱকজনৰ কৰ্মকাণ্ডক লৈ হাজো অঞ্চলত কালি উত্তেজনাৰ সৃষ্টি হয়। স্থানীয় হিন্দু জাগৰণ মঞ্চ নামৰ সংগঠনটোৰ সদস্যসকলে কালিয়ে এই যুৱকজনক মতাই আনি বৰম্বৈ বজাৰ চ’কত ৰাষ্ট্ৰীয় সংগীত গাবলৈ বাধ্য কৰোৱাৰ লগতে উত্তম-মাধ্যম শোধাই যুৱকজনক ভাৰত মাতা কী জয়, পাকিস্তান মুৰ্দাবাদ আদি ধ্বনি দিবলৈও বাধ্য কৰোৱা হয়। কেৱল সেয়াই নহয়, বৰম্বৈ চ’কৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ পথ কাণত ধৰা সমদল কৰি সকলোকে ৰাজহুৱাকৈ ক্ষমা খুজিবলৈও বাধ্য কৰোৱা হয় এই যুৱকজনক।

গা ধুবলৈ গৈ ভিডিঅ’ প্ৰস্তুত কৰি

এক পৃষ্ঠাৰ পৰা ঘটনা। কালি দিনৰ ভাগত গা ধুবলৈ বুলি ঘৰৰ পৰা ওলাই যোৱা এজন কিশোৰ আজি সন্ধিয়া পৰ্যন্ত ব্ৰহ্মপুত্ৰত নিৰুদ্দেশ হৈ আছে। নিৰুদ্দেশ হৈ থকা কিশোৰজন জালুকবাৰী আৰক্ষী থানাৰ অন্তৰ্গত পাণ্ডুৰ বড়িপাৰাৰ প্ৰয়াত মুন্না ঘোষৰ পুত্ৰ বিশাল ঘোষ (১৭) বুলি নদী আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে ঘটনা সংঘটিত হোৱা স্থানতে কিছুদিন পূৰ্বে অনুৰূপ ঘটনা সংঘটিত হৈছিল; য’ত চাৰিজন কিশোৰ মহাবাহুৰ বুকুত সন্ধানহীন হৈ পৰিছিল আৰু পৰৱৰ্তী সময়ত তিনিজনৰ মৃতদেহ অভিযানকাৰী দলে উদ্ধাৰ কৰিছিল যদিও আজিও এজন কিশোৰৰ কোনো শুংসূত্ৰ নোলাল। তাৰ মাজতে কালি একেটা স্থানত গা ধুই ভিডিঅ’ প্ৰস্তুত কৰি থকা অৱস্থাত এজন কিশোৰ সন্ধানহীন হৈ পৰাৰ পাছতে প্ৰাথমিক তদন্তত কিশোৰজন ব্ৰহ্মপুত্ৰত উটি যোৱা বুলি সন্দেহ কৰিছে আৰক্ষীয়ে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে সদৰী কৰা অনুসৰি, কালি দিনৰ প্ৰায় ১১-৩০ বজাত গা ধোৱাৰ উদ্দেশ্যে কিশোৰজনে চাইকেল লৈ ব্ৰহ্মপুত্ৰৰ পাৰৰ পাণ্ডু ঘাটলৈ আহিছিল। চাইকেলখন কাষত থৈ পানীত গা ধুই থকা অৱস্থাত কিশোৰজনে ভিডিঅ’ প্ৰস্তুত কৰাৰ লগতে ঘৰলৈ ভিডিঅ’ কলো কৰিছিল। পৰৱৰ্তী সময়ত যুৱকজনৰ স’তে পৰিয়ালে সংযোগ স্থাপন কৰিব নোৱাৰাত ঘাটলৈ আহি চাইকেল আৰু কাপোৰ-কানি পাৰত প্ৰত্যক্ষ কৰে। এই কথা সদৰী কৰি আৰক্ষীয়ে বিয়লি প্ৰায় ৩.১০ত খবৰ লাভ কৰাৰ পাছতে সন্ধিয়া পৰ্যন্ত কিশোৰজনৰ সন্ধানত এছডিআৰএফে অভিযান চলায় যদিও কোনো সম্ভেদ পোৱা নগ’ল বুলি কয়। আজি পুৱাৰে পৰা পুনৰ অভিযান চলোৱা হয় যদিও সন্ধিয়া পৰ্যন্ত কোনোধৰণৰ সুফল লাভ কৰা নাই অভিযানকাৰী দলে। একেটা স্থানতে পূৰ্বতে চাৰিজনকৈ কিশোৰৰ সলিল সমাধি ঘটাৰ পাছতো প্ৰশাসনে এই দিশত কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলতে এনে ঘটনাৰ পুনৰাবৃত্তি হোৱা বুলি অভিযোগ কৰিছে স্থানীয় লোকে।

উৎকোচ লৈ ধৰা পৰা কৰ্মচাৰীক

এক পৃষ্ঠাৰ পৰা সময়ৰ মূৰত কাৰাগাৰৰ পৰা জামিন লাভ কৰি সেইসকলে চাকৰিতো পুনৰ যোগদানৰ সুযোগ লাভ কৰিছে। অৱশ্যে সেইসকলৰ বিৰুদ্ধে থকা গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আদালতত চলি আহিছে। তাৰ পৰিণতিতে আজি তেনে এজন অভিযুক্তক ৰাজ্যৰ বিশেষ আদালতে জৰিমনাসহ চাৰি বছৰৰ সশ্ৰম কাৰাদণ্ড বিহে। শুনানিৰ অন্তত দোষী সাব্যস্ত হোৱাত কাৰাগাৰলৈ যোৱাৰ পথ প্ৰশস্ত হোৱা কৰ্মচাৰীজন হ’ল মহানগৰীৰ খানাপাৰাস্থিত পৰিবহণ আয়ুক্তৰ কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক দেবেশ্বৰ তালুকদাৰ। ২০১৫তে উৎকোচ লৈ হাতে-লোটে ধৰা পৰাৰ পাছত কাৰাগাৰলৈ যোৱা তালুকদাৰে আইনৰ আওতাৰে পৰৱৰ্তী সময়ত পুনৰ কৰ্মক্ষেত্ৰত যোগ দিয়ে; কিন্তু তেওঁৰ বিৰুদ্ধে গোচৰটো চলি থাকে। বিগত ২০১৮ৰ ২৭ এপ্ৰিলত তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে তালুকদাৰক অভিযুক্ত কৰি বিশেষ আদালতত অভিযোগনামা দাখিল কৰে। সেই বছৰৰে ১৮ ছেপ্টেম্বৰত আদালতে গোচৰটোৰ ধাৰা নিৰ্ধাৰণ কৰে। কে’বালানি শুনানিৰ অন্তত আজি গোচৰটোৰ চূড়ান্ত ৰায় দিয়া হয়। তালুকদাৰক দোষী সাব্যস্ত কৰি দুৰ্নীতি প্ৰতিৰোধী আইন ১৯৮৮ৰ সাত নম্বৰ ধাৰাৰ অধীনত তিনি বছৰ সশ্ৰম কাৰাদণ্ড আৰু আঠ হেজাৰ টকাৰ জৰিমনা বিহা হয়। একেখন আইনৰ ১৩ (২) ধাৰাৰ অধীনতো চাৰি বছৰ কাৰাদণ্ড আৰু দুহেজাৰ টকাৰ জৰিমনা বিহা হয়। জৰিমনাৰ ধন আদায় দিব নোৱাৰিলে অতিৰিক্ত দুমাহ তালুকদাৰে কাৰাবাস খাটিব লাগিব।

উল্লেখ্য যে সুশীল পাটোৱাৰী নামৰ এজন লোকে ৪২ খন আসনযুক্ত এখন ষ্টাৰ বাছ ক্ৰয় কৰি প্ৰয়োজন হোৱা ৰোড পাৰ্মিটৰ বাবে আশ্বাস পত্ৰ সংগ্ৰহৰ উদ্দেশ্যে নিয়ম অনুসৰি জ্যেষ্ঠ সহায়ক তালুকদাৰৰ কাষ চাপিছিল। তালুকদাৰে আশ্বাস পত্ৰ দিয়াৰ বিনিময়ত ৩৮ হেজাৰ টকা উৎকোচ দাবী কৰিছিল। তেতিয়া পাটোৱাৰীয়ে বিষয়টো তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ত অৱগত কৰি এখন এজাহাৰ দাখিল কৰিছিল। তাৰ ভিত্তিত সঞ্চালকালয়ে নিজৰ আৰক্ষী থানাত ১৫/২০১৫ নম্বৰত এটি গোচৰ পঞ্জীয়ন কৰে। ইয়াৰ পাছত তালুকদাৰৰ বিৰুদ্ধে সাত ডিচেম্বৰত অভিযান চলোৱা হয়। ইয়াৰ বাবে অভিযোগকাৰীক পাটোৱাৰীয়ে আগধন হিচাপে তালুকদাৰক আঠ হেজাৰ টকা দিয়ে। সেই ধন গ্ৰহণ কৰাৰ সময়তে খাপ পিটি থকা তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ আৰক্ষী দলে তালুকদাৰক হাতে-লোটে ধৰা পেলাবলৈ সক্ষম হৈছিল।

ছমাহতে ৪৯৬টা হত্যাকাণ্ড ৰাজ্যত

এক পৃষ্ঠাৰ পৰা ফাঁচীবজাৰৰ ব্যৱসায়ী অৱদেশ যাদৱ, জাপৰিগোগৰ হেমধৰ বাচাবৰুৱা, হাতীগাঁৱৰ অভিযন্তাৰ ঘৰত প্ৰাক্তন ইমাম জৈনুদ্দিন আহমেদৰ হত্যাকাণ্ডই ৰাজ্য জোঁকাৰি যায়। উল্লেখ্য যে চলিত বৰ্ষৰ প্ৰথম ছমাহত ৰাজ্যত সংঘটিত হোৱা ৪৯৬টা হত্যাকাণ্ডৰ শীৰ্ষত আছে শোণিতপুৰ জিলা। জিলাখনত এই সময়ছোৱাত ৩৮টাকৈ হত্যাকাণ্ড সংঘটিত হোৱাৰ বিপৰীতে তিনিচুকীয়া জিলাত ৩৪টা আৰু গুৱাহাটী মহানগৰীত ৩০ টাকৈ হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে বুলি অসম আৰক্ষীৰ সূত্ৰই সদৰী কৰে। সূত্ৰটোৱে সদৰী কৰা অনুসৰি, এই সময়ছোৱাত ৰাজধানী গুৱাহাটীৰ তিনিখনকৈ আৰক্ষী জিলা ক্ৰমে পূব গুৱাহাটীত ১২টা, মধ্য গুৱাহাটীত নটা আৰু পশ্চিম গুৱাহাটী আৰক্ষী জিলাৰ অধীনস্থ অঞ্চলত আঠটা হত্যাকাণ্ড সংঘটিত হৈছে। ইয়াৰ উপৰি গুৱাহাটী ৰেল আৰক্ষীৰ অধীনস্থ অঞ্চলত এটা হত্যাকাণ্ড ঘটনা সংঘটিত হৈছে। সমান্তৰালভাৱে চলিত বৰ্ষৰ যোৱা ছমাহত ডিব্ৰুগড় জিলাত ২৯ টা, কাছাৰ জিলাত ২৫ টা, নগাঁও আৰু কামৰূপ গ্ৰাম্যত ২৪ টাকৈ, চৰাইদেউ আৰু ধুবুৰী জিলাত ২১টাকৈ, বৰপেটা জিলাত ২০ টা, যোৰহাট আৰু বিশ্বনাথ জিলাত ১৭টাকৈ, কোকৰাঝাৰত ১৫টা, মৰিগাঁৱৰ ১৪টা, লখিমপুৰত ১৩টা, শিৱসাগৰ, গোলাঘাট আৰু হোজাই জিলাত ১২টাকৈ, কৰিমগঞ্জত ১১ টা, নলবাৰী, তামুলপুৰ, ডিমাহাছাও আৰু দৰং জিলাত ১০টাকৈ হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে। ইয়াৰ উপৰি ধেমাজি, কাৰ্বি আংলং আৰু ওদালগুৰি জিলাত নটাকৈ, বঙাইগাঁও, চিৰাং, চৰকাৰী ৰেল আৰক্ষী আৰু দক্ষিণ শালমাৰা জিলাত সাতটাকৈ, বাগ্‌সাত চাৰিটা, বজালী আৰু মাজুলী জিলাত দুটাকৈ আৰু পশ্চিম কাৰ্বি আংলঙত এটা হত্যাকাণ্ড চলিত বৰ্ষৰ প্ৰথম ছমাহত সংঘটিত হৈছে বুলি আৰক্ষী সূত্ৰটোৱে সদৰী কৰিছে। উল্লেখ্য যে তেজপুৰ আৰু তিনিচুকীয়াৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত সৰ্বাধিক হত্যাকাণ্ডৰ ঘটনা প্ৰথম ছমাহত সংঘটিত হৈছে। থানা দুখনৰ অধীনৰ অঞ্চলত ১১টাকৈ হত্যাকাণ্ড সংঘটিত হোৱাৰ বিপৰীতে গোসাইগাঁও আৰু বৰপেটা থানাৰ অধীনত ১০টাকৈ, চৰাইদেউৰ সোণাৰি থানাৰ অধীনত নটা, ধুবুৰী থানাৰ অধীনত আঠটা আৰু নগাঁও থানাৰ অধীনত সাতটাকৈ হত্যাকাণ্ড সংঘটিত হয় বুলি সূত্ৰটোৱে সদৰী কৰে। ইয়াৰ উপৰি মহানগৰীৰ জালুকবাৰী, হাতীগাঁও আৰু দিছপুৰ থানাৰ অধীনত চলিত বৰ্ষৰ প্ৰথম ছমাহত চাৰিটাকৈ হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে বুলি আৰক্ষী সূত্ৰই সদৰী কৰে। এনেবোৰ হত্যাকাণ্ডই সাধাৰণ নাগৰিকক আতংকিত কৰি তোলাৰ বিপৰীতে আৰক্ষীৰ সক্ৰিয়তাক লৈও প্ৰশ্ন উত্থাপন কৰিছে।

লঘু অপৰাধৰ এক লাখ গোচৰ প্ৰত্যাহাৰ

এক পৃষ্ঠাৰ পৰা কৰা হ’ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সিদ্ধান্তৰ ফলত গাঁৱৰ ৮৫ শতাংশ আৰু নগৰৰ ৭৫ শতাংশ লোকৰ স্বাস্থ্য সেৱা সুনিশ্চিত হ’ব। আকৌ ৰাজ্যখনত থকা চাৰি হেজাৰখন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ১০ হেজাৰ কোটি টকা ব্যয় কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। একেদৰে অহা ২০ আগষ্টৰ ভিতৰত সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য প্ৰদান কৰা হ’ব বুলিও তেওঁ দোহাৰে। মুখ্যমন্ত্ৰীয়ে ভাষণত এই কথাও ঘোষণা কৰে যে অসমৰ জলাশয়সমূহত অব্যাহত থকা বেদখল বন্ধ কৰিবলৈ ৰাজ্য চৰকাৰে জলাশয়সমূহ সংৰক্ষণৰ বাবে এখন আইন প্ৰণয়ন কৰিবলৈ সিদ্ধান্ত লৈছে। আকৌ গো-চৰণীয়া পথাৰত এটাতকৈ অধিক প্ৰজন্মই বসবাস কৰি অহা পৰিয়ালসমূহক মাটিৰ পট্টা প্ৰদান, প্ৰচলিত একচনীয়া মাটিৰ ধাৰণাটোৰ বিলুপ্তিকৰণেৰে এনে মাটিৰ গৰাকীক ম্যাদী পট্টা প্ৰদান কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। ইফালে, ৰাজ্যখনত নতুনকৈ ১৫ হেজাৰ অংগনৱাড়ী কেন্দ্ৰ স্থাপন কৰা হ’ব বুলিও ড° শৰ্মাই ঘোষণা কৰে। স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰি মুখ্যমন্ত্ৰীয়ে বীৰ লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপনৰ স’তে সংগতি ৰাখি অহা সাত নৱেম্বৰত মহাবীৰগৰাকীৰ জীৱনৰ ওপৰত এখনকৈ ৰচনা লিখিবলৈ আহ্বান জনাইছে। ইয়াৰ বাবে প্ৰতিজন ব্যক্তিকে একোখনকৈ মানপত্ৰ প্ৰদান কৰা হ’ব। সকলো উগ্ৰপন্থী সংগঠনকে শান্তিৰ পথলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই দ্বিতীয়বাৰৰ বাবে কালি এই কথা ঘোষণা কৰিছে যে প্ৰতিজন সন্তানে নিজৰ পিতৃ-মাতৃৰ উপযুক্ত যত্ন লোৱাৰ বাবে জানুৱাৰীত তিনিদিন ছুটী দিয়া হ’ব। আকৌ ৰাজ্যখনৰ প্ৰতিটো প্ৰান্ততে থকা অংগনৱাড়ী কেন্দ্ৰসমূহৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সৰ্বসাধাৰণ ৰাইজক এই বুলি আহ্বান জনায় যে নিজ নিজ অঞ্চলৰ একোটাকৈ অংগনৱাড়ী কেন্দ্ৰ প্ৰতিপালনৰ বাবে নাগৰিক হিচাপে সকলোৰে সামাজিক দায়িত্ব পালন কৰিব লাগে। চহৰত বসবাস কৰা লোকসকলক নিজৰ জন্ম গাঁওখনত বিকাশৰ বাবে চিন্তা কৰি নিজৰ গাঁওখনলৈ বছৰি অন্ততঃ এবাৰকৈ ভ্ৰমণ কৰি সেৱা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক আহ্বান জনাইছে। নিজৰ স্বাস্থ্যৰ যত্ন লোৱাৰ বাবে প্ৰতিজন লোককে আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে নিয়মিত প্ৰাতঃভ্ৰমণ আৰু সান্ধ্য ভ্ৰমণ কৰিবলৈ ৰাজ্যবাসীক অনুৰোধ জনাইছে। দুৰ্নীতিৰ প্ৰসংগতো মুখ্যমন্ত্ৰীয়ে চৰকাৰী কৰ্মচাৰীসকলক উদ্দেশি দুৰ্নীতিৰ পৰা দূৰত থাকিবলৈ সকীয়াই দিছে। আকৌ যিসমূহ পৰিয়ালত ঘৰুৱা সহায়ক লোক আছে, তেওঁলোকক উপযুক্ত স্নেহভাৱ প্ৰদৰ্শন কৰিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই স্বাধীনতা দিৱসৰ দিনটোত ৰাজ্যবাসীক আহ্বান জনাইছে।

বাংলা এৰি অসমীয়াক মাতৃভাষা লিখা

এক পৃষ্ঠাৰ পৰা প্ৰাক্তন বিধায়ক আজিজে এইবাৰ অসমীয়া ভাষাক লক্ষ্য কৰি কৰা শ্লেষাত্মক মন্তব্যক লৈ ৰাজ্যজুৰি ক্ষোভৰ সৃষ্টি হৈছে। ক্ষমতাৰ খঁকত ইটোৰ পাছত সিটোকৈ ৰাজনৈতিক দল সলাই থকা ৰূপহীহাটৰ প্ৰাক্তন বিধায়কজনে মাতৃভাষা অসমীয়া হিচাপে আঁকোৱালি লোৱা অসমত বসবাস কৰা মিঞা-মুছলমানসকলক গাড্ডাৰ আৰু বেইমান বুলি কৰা মন্তব্যৰ বিৰুদ্ধে গৰজি উঠিছে ৰাজ্যৰ একাধিক দল-সংগঠনৰ লগতে সংখ্যালঘু সম্প্ৰদায়টোৰো বিভিন্ন সংগঠনে। আজিজে অসমীয়া ভাষাৰ বিৰুদ্ধে কৰা মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰিছে শাসক দলটোৱেও। বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই আজি কয় যে আজিজৰ দৰে ব্যক্তিসকল কেতিয়াও অসমৰ শুভ চিন্তক নাছিল আৰু নহয়। সঘনাই দেশবিৰোধী মন্তব্য কৰি অহা আজিজৰ লগতে তেওঁৰ অনুগামীসকলৰ এয়া এক এজেণ্ডা বুলিও তেওঁ মন্তব্য কৰে। আজিজে সকলো কথা জানি-বুজি কৈছে বুলি মন্তব্য কৰি শইকীয়াই কয় যে অসমীয়া ভাষা বিদ্বেষী এই চক্ৰটো কেতিয়াও অসমৰ লগত সংপৃক্ত নাছিল আৰু নাথাকেও। আজিজক কঠোৰ সকীয়নি দি বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকজনে কয়, ‘অসমত বসবাস কৰা সকলো লোকেই মাতৃভাষা হিচাপে অসমীয়াক আঁকোৱালি ল’বই লাগিব।’ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আজিজৰ অসমীয়া ভাষা বিদ্বেষী মন্তব্যৰ বাবে আজি ৰূপহীহাট থানাত এজাহাৰ দাখিল কৰিছে। সংগঠনটোৱে এই বিতৰ্কিত মন্তব্যৰ বাবে আজিজক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে। ইফালে, ৰূপহী চাৰিআলিত আজি আজিজক গ্ৰেপ্তাৰ কৰাৰ দাবীত এক সমদল উলিয়াই প্ৰাক্তন বিধায়কজনৰ প্ৰতিকৃতি দাহ কৰিছে সদৌ অসম ছাত্ৰ সন্থাৰ ৰূপহী আঞ্চলিক সমিতিয়ে। আকৌ ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাই অভিযোগ কৰে যে আজিজ বৰ্তমান বিজেপিৰ সদস্য আৰু বিজেপিৰ এজেণ্ডা অনুসৰি অসমীয়া ভাষাৰ বিৰুদ্ধে গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে।

প্ৰসংগত উল্লেখ্য যে পূৰ্বৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু তৰুণ গগৈৰ কাৰ্যকালত তোষামোদত লিপ্ত হৈ সা-সুবিধা আদায় কৰা আজিজে এইবাৰ বিজেপিত যোগদান কৰি নিজকে প্ৰাসংগিক কৰি তুলিবলৈ তৎপৰ হৈছে। এইজন প্ৰাক্তন বিধায়কে ২০১০ত ৰাজ্যসভাৰ নিৰ্বাচনত অগপ প্ৰাৰ্থীক ভোট নিদি কংগ্ৰেছ প্ৰাৰ্থীক ভোট দিয়াৰ বাবে অগপৰ পৰা নিলম্বিত হ’ব লগা হৈছিল।

মন্তব্য প্ৰত্যাহাৰ কৰিবলৈ আজিজক সকীয়নি মিঞা পৰিষদৰ

বাংলা ভাষাক জলাঞ্জলি দি অসমীয়া ভাষাক মাতৃভাষাৰূপে আঁকোৱালি লোৱা মিঞা-মুছলমানসকলক বিশ্বাসঘাতক, মিৰজাফৰ বুলি কৰা মন্তব্যৰ বিৰুদ্ধে আজি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে অসম মিঞা পৰিষদে। সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক এম মুক্তাৰ মণ্ডলে আজি এক সংবাদমেলত কয় যে যিসকলৰ ইতিহাসৰ বিষয়ে জ্ঞান নাই, সেইসকলেহে এনে মন্তব্য কৰিব পাৰে। আজিজে নিজৰ ৰাজনৈতিক ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে মিঞাসকলক বলিৰ পঠা সজাই নিকৃষ্ট ৰাজনীতিত লিপ্ত হোৱা বুলিও সংগঠনটোৱে অভিযোগ কৰে। মিঞাসকলক অসমীয়া জাতি সত্তাৰ পৰা আঁতৰাই আনিব পাৰিলেহে অসমীয়া ভাষাক দুৰ্বল কৰিব পৰা যাব বুলি ভাবি বিজেপিয়ে আজিজক ব্যৱহাৰ কৰি এনে মন্তব্যৰ জৰিয়তে ষড়যন্ত্ৰ ৰচনা কৰিছে বুলি সংগঠনটোৱে মন্তব্য কৰে। অনাগত দিনত মিঞাসকলক লৈ ব্লেকমেইলিঙৰ ৰাজনীতি নকৰিবলৈ অসম মিঞা পৰিষদে আজি আজিজক সকীয়াই দিয়ে।

ৰৈ থকা টেংকাৰত প্ৰচণ্ড খুন্দা ছুইফট ডিজায়াৰৰ, থিতাতে নিহত দুজন, আহত ছজন

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ১৬ আগষ্ট ঃ স্বাধীনতা দিৱসৰ আনন্দ-উল্লাসৰ মাজতে কালি বিয়লি কলিয়াবৰত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন ৰৈ থকা টেংকাৰত এখন ছুইফট ডিজায়াৰ বাহনে খুন্দা মৰাৰ ফলত সংঘটিত হয় দুৰ্ঘটনাটো। দুৰ্ঘটনাটোত থিতাতে দুজন আৰোহী নিহত হোৱাৰ লগতে আহত হয় ছজনকৈ লোক। কলিয়াবৰৰ জখলাবন্ধাৰ সমীপৰ ৰাঙলুৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় দুৰ্ঘটনাটো। ইয়াৰে এজন যুৱক থিতাতে নিহত হোৱাৰ লগতে আন এজন যুৱক জখলাবন্ধা চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। দুৰ্ঘটনাটোত চালক চামচুল হকৰ লগতে যাত্ৰী আনচাৰুল হক নিহত হয়। ইফালে, দিলদাৰ হুছেইন, ইছমাইল হুছেইন, ফলৰুদ্দিন, ফৰিদ আলী আৰু চামচুল আলী গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাগ্ৰস্ত ছুইফট ডিজায়াৰ বাহনখনৰ পঞ্জীয়ন নম্বৰ এ এছ-১৩ পি-৫০৬৬ বাহনখন কাজিৰঙাৰ পৰা ঢেকিয়াজুলি অভিমুখী আছিল বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে।

জ্যেষ্ঠ সাংবাদিকৰে বাৰ্তালাপ

এক পৃষ্ঠাৰ পৰা ৰাজ্যখনৰ বৈদ্যুতিন মাধ্যম আৰু বাতৰি কাকতৰ সম্পাদক তথা কাৰ্যবাহী সম্পাদকসকলৰ স’তে এক সৌজন্যমূলক আলোচনাত মিলিত হয়। আজিৰ আলোচনাত মন্ত্ৰীজনে সাংবাদিকসকলৰ বিভিন্ন সমস্যা সম্পৰ্কে বুজ লোৱাৰ লগতে এখন উমৈহতীয়া সমিতি গঠন কৰি সাংবাদিকসকলৰ সকলো সমস্যা তথা বিষয় লিপিবদ্ধ ৰূপত উপস্থাপন কৰিবলৈ আহ্বান জনায় যাতে চৰকাৰে পৰ্যায়ক্ৰমে সমস্যাসমূহ সমাধানৰ বাবে ব্যৱস্থা ল’ব পাৰে।

আজি আবেলি বিধানসভাৰ

এক পৃষ্ঠাৰ পৰা অধিবেশনৰ সময় চাৰি ঘণ্টা ধাৰ্য কৰা হৈছে যদিও বিধায়কৰ বক্তব্যৰ সময়ৰ ভিত্তিত সেই সময় বৃদ্ধি হ’ব পাৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সদৰী কৰা অনুসৰি কাইলৈৰ অধিবেশনত ভাৰতৰ স্বাধীনতা আন্দোলন, ভাৰতৰ প্ৰগতিৰ ধৰা, ভাৰতক আগবঢ়াই নিবলৈ গ্ৰহণ কৰিবলগীয়া পথ আদিৰ বিষয়ৰ বিধায়কসকলে বক্তব্য প্ৰদান কৰিব।

ঘাইপথতে ই-ৰিক্সাৰ ওপৰত

এক পৃষ্ঠাৰ পৰা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এজন লোকে প্ৰাণ হেৰুৱায়। ৰাষ্ট্ৰীয় ঘাইপথটোত বিয়লি প্ৰায় দুই বজাত তেজপুৰৰ পৰা ঢেকিয়াজুলি অভিমুখী এ এছ-১২ এ চি-৮৮৮৭ নম্বৰৰ এখন তীব্ৰ বেগী ডাম্পাৰে নিয়ন্ত্ৰণ হেৰুৱাই এখন ই-ৰিক্সাৰ ওপৰত লুটি খাই পৰে। ইয়াৰ ফলত ই-ৰিক্সাখনৰ আৰোহী খাইৰুল ইছলাম নামৰ এজন দৃষ্টিহীন লোকৰ থিতাতে মৃত্যু হয়। আনহাতে, আহত হোৱা ই-ৰিক্সাখনৰ চালক চালাম উদ্দিনক তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। দুৰ্ঘটনা সংঘটিত কৰিয়ে ডাম্পাৰখনৰ চালকে পলায়ন কৰে। আৰক্ষী আৰু স্থানীয় লোকে এক্সাভেটৰৰ জৰিয়তে বাগৰি পৰা ইটাৰ দ’মৰ তলত কোনো লোক আবদ্ধ হৈ থকাৰ সন্দেহতো অভিযান চলায়। অৱশ্যে কোনো লোক উদ্ধাৰ নহ’ল। ডাম্পাৰখন বাগৰি পৰাত ই-ৰিক্সাখন সম্পূৰ্ণৰূপে চূৰ্ণ-বিচূৰ্ণ হয়। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, ইটাভৰ্তি ডাম্পাৰখন তীব্ৰ বেগেৰে চলাৰ ফলতে নিয়ন্ত্ৰণ হেৰুৱায় আৰু দুৰ্ঘটনাটো সংঘটিত কৰে।

‘কা’ প্ৰত্যাহাৰৰ দাবীত আজিৰে

এক পৃষ্ঠাৰ পৰা আৰম্ভ কৰিব উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সংগঠন (নেছ’)-এ। নেছ’ৰ আহ্বানত কাইলৈ উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যৰে ৰাজধানী চহৰত ছাত্ৰ সংগঠনটোৱে ‘কা’ প্ৰত্যাহাৰৰ দাবীত শান্তিপূৰ্ণভাৱে আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আছুৰ মুখ্য উপদেষ্টা তথা নেছ’ৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই আজি কয় যে অনুপ্ৰৱেশকাৰীৰ সমস্যাটো চৰকাৰে সমাধান কৰিবই লাগিব। উত্তৰ-পূৰ্বাঞ্চলৰ স’তে সংলগ্ন হৈ থকা বাংলাদেশৰ উন্মুক্ত সীমাৰে অঞ্চলটোলৈ ধাৰাবাহিকভাৱে অব্যাহত থকা অনুপ্ৰৱেশ ৰোধ কৰিব নোৱৰা চৰকাৰে এতিয়া নাগৰিকত্ব আইনৰ জৰিয়তে পুনৰ আন ৰাষ্ট্ৰত ধৰ্মীয় সংখ্যালঘু হোৱা লোকক ভাৰতীয় ভূখণ্ডলৈ আনি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত সংস্থাপন কৰিব বিচৰা কাৰ্য কোনোপধ্যে মানি লোৱা নহ’ব। উত্তৰ-পূৰ্বাঞ্চলত এতিয়াও আংশিকভাৱে প্ৰযোজ্য হৈ থকা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন আৰু নাগৰিকত্ব সংশোধনী আইন প্ৰত্যাহাৰক দাবী নেছ’ৰে কাইলৈ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰে ৰাজধানী চহৰত শান্তিপূৰ্ণভাৱে প্ৰতিবাদ সাব্যস্ত কৰিব বুলি তেওঁ ব্যক্ত কৰে। যদিহে কেন্দ্ৰীয় চৰকাৰে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ এই দীৰ্ঘদিনীয়া অনুপ্ৰৱেশকাৰী সমস্যা সমাধান তথা নতুনকৈ বিতৰ্কিত আইন জাপি দিব বিচাৰে, তেন্তে ত্ৰিপুৰাৰ পাছত অসমো অনুৰূপ পৰিণতিৰ সন্মুখীন হ’ব।

বিজেপি-ইউডিএফলৈ যাবলৈ

এক পৃষ্ঠাৰ পৰা বিজেপিত যোগ দিব সেই বিষয়ে কলিতাই স্পষ্ট নকৰিলে; কিন্তু যোগ দিবলগীয়া বিধায়ককেইজন কংগ্ৰেছৰ বুলি দলটোৰ শীৰ্ষ সূত্ৰই জনায়। আজি সভাপতি কলিতাই সাংবাদিকৰ আগত কয়, ‘ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহলৈ অপেক্ষা কৰক। ৰাজহুৱাভাৱে আমাৰ দলত কে’বাজনো বিধায়কে যোগ দিব।’ উল্লেখ্য যে কংগ্ৰেছৰ কে’বাজনো বিধায়কে দল সলনিৰ তৎপৰতা অব্যাহত ৰখা বুলি ৰাজ্যৰ ৰাজনৈতিক মহলত চৰ্চা চলি আহিছে। তেনে বিধায়কসকলে বিজেপি আৰু এআইইউডিএফত যোগ দিব বুলিও দীৰ্ঘদিন চৰ্চা অব্যাহত আছে। এআইইউডিএফৰ প্ৰসংগত আজি বিধায়ক জাকিৰ হুছেইন লস্কৰে দাবী কৰে যে কাটিগড়াৰ কংগ্ৰেছ বিধায়ক খলিলুদ্দিন মজুমদাৰে তেওঁলোকৰ দলত যোগ দিব। লস্কৰে কয়, ‘তেওঁতো এআইইউএফৰে আছিল। প্ৰাৰ্থিত্ব নোপোৱাৰ বাবেহে নিৰ্বাচনৰ আগত কংগ্ৰেছলৈ গৈছিল। তেওঁ আকৌ আমাৰ দললৈ আহিব।’ ইপিনে, কংগ্ৰেছ বিধায়িনী দলৰ সূত্ৰই কয় যে তেওঁলোকৰ কেইজনমান বিধায়কে অন্য দললৈ যাব নেকি বুলি চৰ্চা চলি আহিছে। আনকি বিজেপিলৈ যাব নোৱাৰি কৌশলগতভাৱে অসম গণ পৰিষদতো যোগদানৰ বাবে দুই-একে চিন্তা কৰি থকাৰ কথা কাণত পৰিছে। উল্লেখ্য যে কংগ্ৰেছৰ পৰা বিজেপিত যোগ দিব বুলি নন্দিতা দাস, দিগন্ত বৰ্মন, বসন্ত দাস, কমলাক্ষ্য দে পুৰকায়স্থ, ৰেকিবুদ্দিন আহমেদ আদি কে’বাজনো বিধায়কৰ নাম দীৰ্ঘদিনৰে পৰা চৰ্চাত আছে; কিন্তু এওঁলোকৰ একাংশই বিজেপিত যোগ দিলে সমষ্টিৰ জনগাঁথনিৰ ভিত্তিত পুনৰ নিৰ্বাচনত বিজয়ী হৈ বিধায়ক হোৱাৰ পদ প্ৰশস্ত হোৱাত জটিলতা আছে। সেয়েহে বিজেপিৰ শীৰ্ষ নেতৃত্বৰ পৰামৰ্শ মৰ্মে অসম গণ পৰিষদৰ লগত যোগাযোগ ৰক্ষা কৰি চলা বুলি চৰ্চা অব্যাহত আছে দিছপুৰত।

বাংগালুৰুত অসমৰ যুৱ

এক পৃষ্ঠাৰ পৰা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নাৰায়ণপুৰৰ সমীপৰ অশোক গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল কোঁৱৰ আৰু সুৰমাই কোঁৱৰৰ একমাত্ৰ পুত্ৰ তথা বাংগালুৰুৰ এটা কোম্পানীত ফুড ইঞ্জিনিয়াৰৰূপে কৰ্মৰত ত্ৰিদিপ কোঁৱৰ (৩২)ৰ আকস্মিক বিয়োগত পৰিয়ালৰ লগতে স্থানীয় ৰাইজ শোকত ভাগি পৰিছে। প্ৰথম অৱস্থাত যুৱকজনে বাস কৰা ফ্লেটৰ দশম মহলাৰ পৰা পৰি তেওঁৰ মৃত্যু হোৱা বুলি পৰিয়ালৰ লোকসকলক অৱগত কৰা হয় যদিও পৰৱৰ্তী সময়ত যুৱকজন ঘৰৰ খটখটিৰ পৰা পৰি মৃত্যু হোৱা বুলি তেওঁলোক অৱগত হয়। ইপিনে, কালি বিয়লি যুৱকজনৰ মৃতদেহ ঘৰ আহি পোৱাৰ পাছতে মৃতদেহৰ মূৰ আৰু হাতত সামান্য আঘাত প্ৰত্যক্ষ কৰি পৰিয়াল তথা স্থানীয় ৰাইজে এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ প্ৰকাশ কৰে। মেধাৱী যুৱকজনক কোনোৱে হত্যা কৰা বুলি অভিযোগ তুলি আজি সৰৱ হৈ পৰে পৰিয়াল তথা ৰাইজ। সকলোৱে ঘটনাৰ এক নিৰপেক্ষ তদন্ত দাবী কৰিছে। এইক্ষেত্ৰত স্থানীয় বিধায়কৰ লগতে অসম চৰকাৰৰ মুখ্যমন্ত্ৰীক উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে সকলোৱে দাবী জনাইছে। উল্লেখ্য যে ২০১৭তে বহিঃৰাজ্যৰ কোম্পানীত অভিযন্তাৰূপে যোগদান কৰা যুৱকজনে শেহতীয়াকৈ যোৱা মাৰ্চত উইংকু নামৰ এটা কোম্পানীত যোগ দি মৃত্যুৰ আগদিনা পদোন্নতি লাভ কৰিছিল। পৰিয়ালৰ লোকসকলে যুৱকজনৰ উন্নতিত ঈৰ্ষান্বিত হৈয়েই কোনোৱে তেওঁক হত্যা কৰা বুলি সন্দেহ ব্যক্ত কৰিছে। মৃত্যুৰ দিনা সন্ধিয়া পৰ্যন্ত স্বাভাৱিকভাৱেই পৰিয়ালৰ লগত যোগাযোগ অব্যাহত ৰখা যুৱকজনৰ আকস্মিক বিয়োগত হতভম্ব হৈ পৰিছে সকলো। ইতিমধ্যে বাংগালুৰুৰ লগতে নাৰায়ণপুৰ আৰক্ষী থানাতো ঘটনা সম্পৰ্কত এজাহাৰ দাখিল কৰিছে পৰিয়ালবৰ্গই। মৃত্যুৰ সময়ত তেওঁ পিতৃ-মাতৃৰ লগতে দুগৰাকী বিবাহিতা ভগ্নী আৰু বহুসংখ্যক আত্মীয়ক ইহসংসাৰত এৰি যায়।

উত্তৰ গুৱাহাটীত যুৱতীৰ মৃতদেহ উদ্ধাৰ, প্ৰেমিকৰ দ্বাৰা হত্যাৰ সন্দেহ

অগ্ৰদূত বাৰ্তা

উত্তৰ গুৱাহাটী, ১৬ আগষ্ট ঃ উত্তৰ গুৱাহাটীৰ ভেটামুখ নয়নপাৰাত বন্ধ কোঠাৰ ভিতৰত এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰৰ ঘটনাৰ চাঞ্চল্য অব্যাহত আছে। নগাঁৱৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত সোণাইপাৰা গাঁৱৰ প্ৰকৃত বাসিন্দা থকা প্ৰায় ১৮ বছৰীয়া যুৱতীগৰাকী হত্যাৰ বলি হোৱাৰ সন্দেহ কৰা হৈছে। এই কাণ্ডত যুৱতীগৰাকীৰ এজন প্ৰেমিক জড়িত থকাৰ অভিযোগ পৰিয়ালৰ লোকে উত্থাপন কৰিছে। আজি ঘটনাস্থলীত উপস্থিত হোৱা যুৱতীগৰাকীৰ আত্মীয়ই সদৰী কৰে যে বৰপেটাৰোডৰ ছফিকুল আৰু উত্তৰ প্ৰদেশৰ পি কে আনন্দ নামৰ দুজন যুৱকৰ লগত যুৱতীগৰাকীৰ প্ৰেমৰ সম্পৰ্ক আছিল। স্থানীয় লোকৰ ভাষ্যৰ ভিত্তিত যুৱতীগৰাকীক পি কে আনন্দ নামৰ যুৱকজনে হত্যা কৰাৰ সন্দেহ কৰা হৈছিল। কাৰণ কালি বিয়লি আনন্দে যুৱতীগৰাকীৰ কোঠাত প্ৰৱেশ কৰি দুৱাৰ-খিৰিকী বন্ধ কৰি দিয়ে। সন্ধিয়ালৈকেও দুৱাৰ-খিৰিকী বন্ধ থকাত ওচৰৰ কোঠাৰ সহকৰ্মী যুৱকে সন্দেহবশতঃ বন্ধ হৈ থকা দৰ্জা খোলাৰ চেষ্টা কৰি বিফল হয়। অৱশ্যে এখন খিৰিকী খুলিবলৈ সক্ষম হয়। তেতিয়া কোঠাৰ ভিতৰত যুৱতীগৰাকী অচেতন হৈ থকা প্ৰত্যক্ষ কৰে। ঘটনাৰ বিষয়ে অৱগত কৰাত আৰক্ষীও আহি ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীৰ উপস্থিতিত পৰ্যবেক্ষণ কৰাত যুৱতীগৰাকীৰ মৃত্যু হোৱাটো নিশ্চিত কৰা হয়। উত্তৰ গুৱাহাটীৰ ৰাজহ চক্ৰ বিষয়াই ঘটনাস্থলী পৰিদৰ্শন কৰি এয়া এক হত্যাকাণ্ড বুলি মন্তব্য কৰে। উল্লেখ্য যে উত্তৰ গুৱাহাটীৰ ঔদ্যোগিক পামত কৰ্মৰত হৈ থকা একাংশ যুৱতী সঘনে নিৰ্যাতনৰ বলি হোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইপিনে, যিটো ঘৰৰ চৌহদত কালিৰ ঘটনাটো সংঘটিত হয় তাত ইয়াৰ পূৰ্বেও কে’বাটাও হত্যাকাণ্ড সংঘটিত হোৱাৰ অভিযোগ আছে। কিন্তু একাংশ অসাধু লোকৰ বাবে ইয়াৰ বেছিভাগ ঘটনাৰে তদন্ত ধোৱাচাঙত উঠিছে। অভিযোগ অনুসৰি, ভাড়া ঘৰৰ মালিকৰ লগত একাংশ আৰক্ষীৰ গোপন বুজাবুজি আছে। সেয়েহে বহু যুৱতী-মহিলাৰ সন্দেহজনক মৃত্যুৰ তদন্তৰ ফাইলো সহজতে খোল নাখায়। কালি যিটো ঘৰৰ চৌহদত ঘটনাটো সংঘটিত হয় তাত চি চি টিভি কেমেৰা আছে যদিও অকামিলা হৈ পৰি আছে। ঘটনাটোক লৈ আজি আৰক্ষীয়ে সাতজন যুৱকক সোধ-পোছৰ বাবে আটক কৰিছে। উল্লেখযোগ্য যে পি কে আনন্দ নামৰ যুৱকজনে চাকৰিৰ প্ৰলোভন দি যুৱতীগৰাকীক বহিঃৰাজ্যলৈও লৈ গৈছিল। কিন্তু কোনো কাৰণত পলাই আহি যুৱতীগৰাকীয়ে পুনৰ উত্তৰ গুৱাহাটীৰ এটা চকলেট উদ্যোগত নিযুক্ত হৈছে। নয়নপাৰাৰ আনিচা ফাৰুকি নামৰ এগৰাকী মহিলাৰ ভাড়া ঘৰত যুৱতীগৰাকী বাস কৰিছিল। এক সূত্ৰই জনোৱা মতে, ছফিকুল নামৰ যুৱকজনে প্ৰেমৰ সম্পৰ্কৰে যোৱা আঠ আগষ্টত যুৱতীগৰাকীক এটা ম’বাইল ফোন উপহাৰ দিছিল।

হাতীগাঁও চাহ বাগিচাত হত্যাকাণ্ড

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ১৬ আগষ্ট ঃ কলিয়াবৰৰ হাতীগাঁও চাহ বাগিচাত যোৱা নিশা শালপতিয়েই হত্যা কৰিলে শালপতিক। নিহত লোকজনৰ নাম মাৰ্টিন তিৰ্কী। পাৰিবাৰিক কন্দলৰ ফলশ্ৰুতিতে হত্যাকাণ্ডটো সংঘটিত হয়। ইতিমধ্যে অভিযুক্ত মাৰিউচ নাগক আটক কৰিছে মিছা আৰক্ষীয়ে। নিশা প্ৰায় ১১ বজাত পুত্ৰ-কন্যাসহ পত্নী শুই থকা অৱস্থাত মাৰ্টিন তিৰ্কীৰ ঘৰলৈ আহিছিল মাৰিউচ নাগ। ইয়াৰ পাছতে দুয়োজনৰ মাজত কথাৰ কটাকটি হৈ পাছত সংঘাতৰ সৃষ্টি হয়। মাৰিউচৰ ঘোচাত ঘৰৰ দেৱালত খুন্দা খাই মৃত্যু হয় মাৰ্টিনৰ। ঘটনাৰ সংক্ৰান্তত অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

পতাকা নমাবলৈ লওঁতে বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ১৬ আগষ্ট ঃ উত্তোলিত ত্ৰিৰংগা বিয়লি নমাবলৈ ধৰাৰ সময়তে পলাশবাৰীৰ জিতুমণি দাস নামৰ এজন যুৱকৰ কালি শোকাৱহভাৱে বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু ঘটিছে। স্বাধীনতা দিৱসৰ দিনটোত সংঘটিত এই ঘটনাই সমগ্ৰ দক্ষিণ কামৰূপতে শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াৰ কাৰ্যালয় সহায়ক হিচাপে কাম কৰা জিতুমণি দাস (৩৩)-এ কালি বিয়লি বিধায়কজনৰ পলাশবাৰীৰ উপৰহালিত থকা কাৰ্যালয়ত উত্তোলন কৰা ৰাষ্ট্ৰীয় পতাকাখন নমাবলৈ চেষ্টা কৰিছিল। পতাকা উত্তোলনস্থলীৰ কাষতে আছিল উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক তাঁৰ। পতাকা উত্তোলন কৰা খুঁটাটো লোৱ হোৱা বাবে যুৱকজনে খুঁটাটো অকলে নমাবলৈ লোৱাৰ লগে লগে দুৰ্ভাগ্যজনকভাৱে হালি গৈ কাষতে থকা উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ প্ৰবাহিত তাঁৰত লাগি ধৰে। লগে লগে বিদ্যুৎ প্ৰবাহিত হৈ যুৱকজন কিছু দূৰৈত ছিটিকি পৰে। লগে লগে স্থানীয় লোকে তেওঁক মিৰ্জাৰ ৩০ খন বিছনাযুক্ত চিকিৎসালয়লৈ নিয়ে যদিও তাৰে পৰা চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। গুৱাহাটীত তেওঁক নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু ঘটে। মৃত্যুৰ সময়ত মাতৃ, পত্নীসহ দুটি কণমানি সন্তান ইহসংসাৰত এৰি যায়। আজি মৰণোত্তৰ পৰীক্ষাৰ অন্ততঃ তেওঁৰ মৃতদেহ নিজ ঘৰলৈ লৈ অহা হয়। বিধায়ক ঠাকুৰীয়াৰ লগতে দলীয় কৰ্মীসকলে তেওঁলৈ অন্তিম শ্ৰদ্ধা নিবেদন কৰে।

পাঁচশ টকা বিচাৰি ভাবুকি দিওতাক

এক পৃষ্ঠাৰ পৰা অসম-অৰুণাচল সীমান্তৰ দয়ালপুৰ নগাঁৱত সংঘটিত এটা শিৰশ্চেদৰ ঘটনাক লৈ সমগ্ৰ জিলাখনত চাঞ্চল্য অব্যাহত আছে। নিশা প্ৰায় ১০ বজাত সংঘটিত এই ঘটনাৰ পাছত হত্যাকাৰী তুনিৰাম মাদ্ৰি (২৫) নামৰ যুৱকজনে ব্ৰইলৰ হেমৰম (৫৫) নামৰ লোকজনৰ কটা মূৰটো এখন মোনাত ভৰাই মাজনিশা ৰঙাপৰা আৰক্ষী থানাত উপস্থিত হয়। তুনিৰামে শিৰশ্চেদ কৰা দাখনো আৰক্ষীৰ ওচৰত জমা দিয়ে। এনেদৰে মাজনিশা এজন লোকে দা আৰু এটা কটা মূৰসহ উপস্থিত হোৱাক লৈ আৰক্ষী থানাতো একপ্ৰকাৰ হুৱাদুৱা লাগে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীৰ লগতে একাংশ লোকে সদৰী কৰে যে স্বাধীনতা দিৱস উপলক্ষে কালি অঞ্চলটোত এখন ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। খেলৰ পুৰস্কাৰ আছিল এটা ছাগলী। প্ৰতিযোগিতাত স্থানীয় দলটোৱে জয়লাভ কৰিছিল। তাৰ ফলত পুৰস্কাৰস্বৰূপে লাভ কৰা ছাগলীটো কটাৰ বাবে তুনিৰামে একেখন গাঁৱৰে ব্ৰইলৰক লগ ধৰে। আৰক্ষীৰ আগত তুনিৰামে কয় যে পুৰা ব্ৰইলৰে তেওঁক পাঁচশ টকা বিচাৰিছিল; কিন্তু দিবলৈ মান্তি নোহোৱাত ব্ৰইলৰে তেওঁক চাই ল’ব বুলি ভাবুকি দিছিল। তাৰ বাবে খঙত জ্বলি পকি ছাগলীটো কাটিবলৈ অনা দাখনৰে ব্ৰইলৰৰ ডিঙি দুছেও কৰি দিয়ে। উল্লেখ্য যে দিন হাজিৰা কৰি জীৱন-নিৰ্বাহ কৰা দুয়োজনে এই ঘটনাৰ পূৰ্বে ব্ৰইলৰৰ জুপুৰিৰ বাৰাণ্ডাত বহি আছিল। সেই সময়ত দুয়োৱে যথেষ্ট সুৰাপান কৰিছিল বুলি ব্ৰইলৰৰ পত্নীয়ে আৰক্ষীক জানিবলৈ দিয়ে। পত্নীয়ে লগতে কয় যে তেওঁ ভাত বাঢ়িবলৈ ঘৰৰ ভিতৰলৈ যোৱাৰ সময়তে ঘটনাটো সংঘটিত হয়। চিঞৰ-বাখৰ শুনি তেওঁ বাহিৰলৈ ওলাই আহে আৰু মুণ্ডহীন ব্ৰইলৰৰ দেহটো আঁঠু কাঢ়ি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। আনহাতে, তুনিৰামে ছিন্ন মুণ্ডটো এখন মোনাত ভৰাই ঘটনাস্থলীৰ পৰা আঁতৰি যায়। আৰক্ষীয়ে জনোৱা মতে, প্ৰায় ২৫ কিলোমিটাৰ খোজ কাঢ়ি আহি নিশা প্ৰায় ডেৰ বজাত নিৰ্বিকাৰ ৰূপত ছিন্ন মুণ্ড আৰু দাসহ তুনিৰাম থানাখনত উপস্থিত হৈ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। ঘটনাটোক লৈ অব্যাহত থকা চৰ্চাৰ মাজতে এক সূত্ৰই সদৰী কৰে যে খেলখনক লৈ তুনিৰাম আৰু ব্ৰইলৰৰ মাজত পাঁচশ টকাৰ বাজি লাগিছিল। তুনিৰামে বাজিত হাৰি পাঁচশ টকাৰ পৰিৱৰ্তে ব্ৰইলৰক ছাগলীৰ মাংস খাবলৈ কৈছিল; কিন্তু ব্ৰইলৰ সেই কথাত মান্তি নহৈ বাৰে বাৰে পাঁচশ টকা বিচাৰিছিল। তাকে লৈ ক্ষুব্ধ হৈ পৰা তুনিৰামে পাছত হত্যাকাণ্ডটো সংঘটিত কৰে বুলিও চৰ্চা অব্যাহত আছে।

এখন ষ্টীলৰ তেনেই সাধাৰণ চামুচৰ

এক পৃষ্ঠাৰ পৰা যোগান ধৰিছে কোটি কোটি টকাৰ বিনিময়ত বিভিন্ন সামগ্ৰী। কন্টেইনাৰ, চামুচ, কেৰাহী, প্লেট, বস্ত্ৰ আদি এইদৰে যোগানৰ নামত সংঘটিত হোৱা দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰৰ নিষ্ক্ৰিয়তাক লৈয়ো সম্প্ৰতি প্ৰশ্ন উত্থাপিত হৈছে। উল্লেখ্য যে ২০১৯-২০ আৰু ২০২০-২১ত সংঘটিত সমাজ কল্যাণ বিভাগৰ এই কেলেংকাৰিৰ সন্দৰ্ভত আজি তেজপুৰত এক সংবাদমেলত তথ্য সহকাৰে প্ৰকাশ কৰিছে আৰটিআই কৰ্মী দিলীপ নাথে। উল্লেখ্য যে যোৱা ১৩ আগষ্টত এইজন আৰটিআই কৰ্মী নাথৰ হুগ্ৰাজুলিস্থিত বাসগৃহলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আন এক প্ৰসংগত আগমন ঘটাৰ সময়তো নাথে মুখ্যমন্ত্ৰীক আন কেতবোৰ বিভাগত চলা দুৰ্নীতিৰ বিষয়ে অৱগত কৰে। প্ৰণিধানযোগ্য যে অঞ্চলটোৰ প্ৰজাপথাৰৰ এগৰাকী কিশোৰী দৰং জিলাৰ এটা পৰিয়ালৰ বাসগৃহত বন কৰিবলৈ নিয়াৰ পাছত কিশোৰীগৰাকীক হত্যা কৰাৰ গুৰুতৰ অভিযোগৰ পাছত আৰক্ষীয়ে প্ৰদৰ্শন কৰা ৰহস্যজনক ভূমিকাৰ বিষয়েও সবিশেষ উদঙাবলৈ সক্ষম হৈছিল নাথ আৰু এই ঘটনাৰ বাবেই মুখ্যমন্ত্ৰী ড° শৰ্মা নিহত কিশোৰীগৰাকীৰ বাসগৃহত উপস্থিত হোৱাৰ লগতে নাথৰ স’তেও আলোচনাত মিলিত হৈছিল তেওঁৰ বাসগৃহত।

আজি নাথে সংবাদমেলত প্ৰকাশ কৰে যে সমাজ কল্যাণ বিভাগৰ একাংশ বৰমূৰীয়াৰ জ্ঞাতসাৰেই সামগ্ৰী যোগানৰ নামত সংঘটিত হৈছে ভয়ানক দুৰ্নীতি। তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত নাথে লাভ কৰা তথ্যই সৰ্বসাধাৰণৰ চকু কপালত তুলিব বুলি উল্লেখ কৰি তেওঁ কয় যে খুচুৰা বজাৰত সাতটকীয়া ষ্টীল চামুচখন যোগান ধৰা হৈছে এখনত ১৬৫ টকা হিচাপত। উল্লেখ্য যে এই চামুচখনৰ মূল্য এখন প্লেটতকৈ অধিক। অৱশ্যে প্লেট যোগানৰ নামতো যোগনিয়াৰে সংঘটিত কৰিছে একেই দুৰ্নীতি। যিখন ১০ ইঞ্চি বহল ষ্টীল প্লেট যোগানৰ ঠিকা সমাজ কল্যাণ বিভাগে আবণ্টন দিছিল, তেনে একোখন প্লেট বজাৰত ২০-৩০ টকাৰ ভিতৰত উপলব্ধ যদিও যোগনিয়াৰে এনে একোখন প্লেট যোগান ধৰিছে ১১০ টকাত। আচৰিতভাৱে সমাজ কল্যাণ বিভাগৰ কোনো বৰমূৰীয়াৰ এনে আজৰ মূল্য আকৌ চকুতেই নপৰিল। উল্লেখ্য যে সমাজ কল্যাণ বিভাগে গুৱাহাটীৰ এইছআৰ এন্টাৰপ্ৰাইজ, অমৰেন্দ্ৰ নাথ শৰ্মা, কুষাণ চৌধুৰী, শ্ৰী সিদ্ধ মংগলম আৰু এছ বি এন্টাৰপ্ৰাইজক ৰাজ্যৰ অংগনৱাড়ী কেন্দ্ৰসমূহত বিভিন্ন সামগ্ৰী যোগানৰ ঠিকা ২০১৯-২০ আৰু ২০২০-২১ত আবণ্টন দিয়াৰ বিষয়ে সংবাদমেলত প্ৰকাশ কৰি আৰটিআই কৰ্মী নাথে কয় যে ইয়াৰে ভিতৰত এইছআৰ এন্টাৰপ্ৰাইজে প্লাষ্টিকৰ ঢাকনিযুক্ত ৪০ কিলোগ্ৰামৰ কন্টেইনাৰ ১০ হেজাৰ ৭১৩টা কেন্দ্ৰত আৰু একেই সংখ্যক কেন্দ্ৰত ৫০ কিলোগ্ৰামৰ কন্টেইনাৰ শোণিতপুৰত ১২০২টা, দৰঙত ৫৬৭টা, লখিমপুৰত ২৩০৫টা, গোলাঘাটত ৬৮৩টা, যোৰহাটত ৬১০টা, শিৱসাগৰত ২১০টা, ডিব্ৰুগড়ত ৩৮০টা, তিনিচুকীয়াত ৫৭০টা, বঙাইগাঁৱত ৪১টা, নগাঁৱত ১৩৩২টা, মৰিগাঁৱত ৮৭৭টা, গোৱালপাৰাত ২৩২টা, কামৰূপ মহানগৰত ৪৭৭টা, কামৰূপ গ্ৰাম্যত ৬২৯টা, নলবাৰীত ৫৯৮টাসহ মুঠ তিনি কোটি ৫১ লাখ ৩৮ হেজাৰ ৬৪০ টকাৰ প্লাষ্টিক কন্টেইনাৰ যোগান ধৰিছিল। উল্লেখ্য যে এই কন্টেইনাৰসমূহৰ ভিতৰত ৪০ কিলোগ্ৰামৰ এটা কন্টেইনাৰৰ মূল্য ১৫৯০ টকা আৰু ৫০ কিলোগ্ৰামৰ কন্টেইনাৰৰ মূল্য ১৬৯০ টকাকৈ আদায় দিয়া হয়। নাথে কয় যে কিন্তু আটাইতকৈ উৎকৃষ্ট মানৰ কন্টেইনাৰৰ মূল্যও বজাৰত ইয়াৰ আধাও নহয়। নাথে লগতে কয় যে একেদৰেই কুষাণ চৌধুৰীয়ে কাছাৰৰ ২৪৫১টা কেন্দ্ৰত এনে দুবিধ কন্টেইনাৰ যোগান ধৰাৰ বিপৰীতে ৮০,৩৯,২৮০ টকা, শ্ৰী সিদ্ধ মংগলমে কৰিমগঞ্জত ৩৪৭টা, ওদালগুৰিত ৭১টা, ধেমাজিত ১০২১টা আৰু বাগ্‌সাৰ ৩৮০টা কেন্দ্ৰসহ মুঠ ১৮১৯টা অংগনৱাড়ী কেন্দ্ৰত ৫৯,৬৬,২২০ টকাৰ কন্টেইনাৰ যোগান ধৰে। তদুপৰি অমৰেন্দ্ৰ নাথ শৰ্মাই হাইলাকান্দিত ৬৮২টা, বৰপেটাত ৫২০টাসহ মুঠ ১২০২টা কেন্দ্ৰত এনে কন্টেইনাৰ যোগান ধৰি আদায় কৰে ৩৯ লাখ ৪২ হেজাৰ ৫৬ টকা। ইপিনে, এছ বি এন্টাৰপ্ৰাইজে কামৰূপ, কৰিমগঞ্জ, লখিমপুৰ, মৰিগাঁও, নগাঁও, হোজাই, নলবাৰী, শিৱসাগৰ, বিশ্বনাথ, শোণিতপুৰ আৰু তিনিচুকীয়াৰ মুঠ ২৬,০২৯টা কেন্দ্ৰত এনে দুবিধ ৫২,০৫৮টা কন্টেইনাৰ যোগান ধৰি মোকলাই নিয়ে ৮,৫৩,৭৫,১২০ টকা। এই যোগনিয়াৰসকলে ৰাজ্যৰ সৰ্বমুঠ ৬৮,২৪৩টা অংগনৱাড়ী কেন্দ্ৰত ৪০ আৰু ৫০ কিলোগ্ৰামৰ এক কন্টেইনাৰ যোগানৰ বিপৰীতে সমাজ কল্যাণ বিভাগৰ পৰা মুঠ ১৩ কোটি ৮৪ লাখ ৬১ হেজাৰ ৮২০ টকা মোকলাই নিয়াৰ উপৰি এলুমিনিয়াম চচপেন, প্লেট, চামুচ আদিকে ধৰি বিভিন্ন সামগ্ৰী যোগানৰ নামত বজাৰ মূল্যতকৈ চাৰি-পাঁচ গুণকৈ অধিক ধন আদায় কৰা তথা এইক্ষেত্ৰত বিভাগীয় শীৰ্ষ আমোলা-বিষয়া আৰু মন্ত্ৰী অজন্তা নেওগে কিয় ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি প্ৰশ্ন কৰি নাথে কয়, ‘এই ব্যাপক দুৰ্নীতিৰ বিষয়টো ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ কৰিলো আৰু এতিয়া এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰিছো।’ নাথে লগতে কয় যে কংগ্ৰেছৰ দিনৰ পৰাই সমাজ কল্যাণ বিভাগত দুৰ্নীতি অব্যাহত আছে আৰু এতিয়া ইয়াৰ মাত্ৰা বৃদ্ধি পাইছে। তেওঁ লগতে কয় যে এইসকল যোগনিয়াৰক এই সামগ্ৰী যোগান ধৰিবলৈ নিদি যদিহে অংগনৱাড়ী কেন্দ্ৰসমূহক নিজাববীয়াকৈ সামগ্ৰীসমূহ ক্ৰয় কৰিবলৈ দিয়া হ’লহেঁতেন তেনেহ’লে চৰকাৰৰ বহু ধন ৰাহি হ’লহেঁতেন। নাথে লগতে প্ৰকাশ কৰে যে ৰাজ্যৰ কোনো বজাৰতে এই সামগ্ৰীসমূহৰ মূল্য প্ৰকৃততে ইমান নহয়। সমাজ কল্যাণ বিভাগত চলা কমিছনৰাজৰ বাবেই এনে বৃহৎ দুৰ্নীতি সংঘটিত হোৱা বুলি অভিযোগ কৰি আৰটিআই কৰ্মী নাথে কয় যে এক শক্তিশালী তদন্তই এই সকলো দুৰ্নীতি পোহৰলৈ অনাটো নিশ্চিত।

ভাৰতীয় সেনাত মহিলা অগ্নিবীৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ

ভাৰতীয় সেনাবাহিনীত অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰৰ নিযুক্তি অব্যাহত আছে। সেনাবাহিনীয়ে মহিলা অগ্নিবীৰৰ নিযুক্তিৰ বাবে আবেদন আহ্বান কৰিছে। ভাৰতীয় সেনাবাহিনীৰ ৱেবছাইটত এই সন্দৰ্ভত জাননী জাৰি কৰা হৈছে। ইচ্ছুক ব্যক্তিয়ে আবেদন কৰিব বিচাৰিলে সবিশেষ তথ্য **joinindianarmy.nic.in** ৱেবছাইট লগ ইন কৰিব লাগিব। জাননীত ভাৰতীয় সেনাই অগ্নিবীৰ নিযুক্তিৰ বাবে ক’ত আৰু কেতিয়া নিযুক্তি ৰেলী অনুষ্ঠিত কৰা হ’ব, সেই সন্দৰ্ভত সবিশেষ উল্লেখ কৰিছে।

যোৱা ন আগষ্টৰ পৰা আবেদন প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে আৰু আগ্ৰহী প্ৰাৰ্থীয়ে অহা সাত ছেপ্টেম্বৰলৈকে আবেদন দাখিল কৰিব পাৰিব। অসম, অৰুণাচল প্ৰদেশ, নগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয় পূৰ্বোত্তৰৰ সকলো জিলাৰ প্ৰাৰ্থীৰ বাবে শ্বিলঙত ২৫ অক্টোবৰৰ পৰা ৩০ নৱেম্বৰৰ ভিতৰত নিযুক্ত ৰেলী অনুষ্ঠিত হ’ব।

আবেদন প্ৰক্ৰিয়া ঃ আগ্ৰহী প্ৰাৰ্থীয়ে প্ৰথমে ভাৰতীয় সেনাৰ ৱেবছাইট **joinindianarmy.nic.in** ভিজিট কৰিব লাগিব। ইয়াৰ পাছত হ’ম পেজত ‘লেটেষ্ট ৰিক্ৰুইটমেণ্ট’ লিংকত ক্লিক্ কৰক। এতিয়া আপুনি **'Registration of Women Military Police Rally will commence on 9 August 2022'** লিংকত ক্লিক্ কৰিব লাগিব। প্ৰথমে ইয়াত আপুনি নিজৰ সকলো তথ্য পূৰণ কৰি নাম পঞ্জীয়ন কৰাব লাগিব। পঞ্জীয়ন কৰাৰ পাছত আপুনি অগ্নিপথ আঁচনিৰ অধীনত ভাৰতীয় সেনাত নিযুক্তিৰ বাবে আবেদন পত্ৰ পূৰণ কৰক। আবেদন পত্ৰ পূৰণ কৰাৰ পাছত আপুনি ইয়াৰ এটা কপি প্ৰিণ্ট কৰি নিজৰ লগত ৰাখিব।

উল্লেখ্য মহিলা অগ্নিবীৰকো ভাৰতীয় সেনাত চাৰি বছৰৰ বাবে নিযুক্তি দিয়া হ’ব। চাৰি বছৰৰ কাৰ্যকাল সম্পূৰ্ণ কৰাৰ পাছত মাত্ৰ ২৫ শতাংশ মহিলা অগ্নিবীৰক সেনাবাহিনীত স্থায়ী নিযুক্তি দিয়া হ’ব। আবেদনকাৰীলৈ ৰেলীত অংশ লোৱাৰ বাবে প্ৰয়োজনীয় এডমিট কাৰ্ড প্ৰাৰ্থীৰ পঞ্জীকৃত ই-মেইল ঠিকনালৈ অহা ১২ অক্টোবৰৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত ভাৰতীয় সেনাই মেইল কৰি পঠিয়াব।

মাতৃয়ে বিক্ৰী কৰিছিল দেশীয় সুৰা, জুপুৰীত থাকি প্ৰথমে চিকিৎসক হোৱা পুত্ৰ এতিয়া আই এ এছ বিষয়া

প্ৰেৰণা

আমি প্ৰায়ে মানুহে কোৱা শুনিবলৈ পাওঁ যে ধনৰ অবিহনে মানুহে স্বপ্ন পূৰণ কৰিব নোৱাৰে। কিন্তু এইখন পৃথিৱীতে এনে একাংশ লোক আছে, যিসকলক নিজৰ স্বপ্ন বাস্তৱত পৰিণত কৰাৰ বাবে ধনৰ প্ৰয়োজন নহয়। ডাঃ ৰাজেন্দ্ৰ ভৰুদ এনে এজন ব্যক্তি। ডাঃ ৰাজেন্দ্ৰই চৰম দৰিদ্ৰৰ মাজত থাকি স্বপ্ন দেখাই নহয়, সেই সাপোনক নিজৰ চেষ্টা আৰু মনোবলৰে বাস্তৱত ৰূপায়ণ কৰি দেখুৱালে। এটা অতি দৰিদ্ৰ পৰিয়ালত জন্ম লাভ কৰা ডাঃ ৰাজেন্দ্ৰই সকলো বাধাক অতিক্ৰম কৰি একে সময়তে এম বি বি এছৰ ডিগ্ৰী গ্ৰহণ আৰু সৰ্বভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ)ৰ বিষয়া নিৰ্বাচিত হৈছিল। ডাঃ ৰাজেন্দ্ৰৰ জীৱন সংগ্ৰামৰ কাহিনী শুনিলে বহুতে বিশ্বাস কৰিবলৈও টান পাব। এক সাক্ষাৎকাৰত তেওঁ কৈছিল, ‘দৰিদ্ৰ কি সেয়া আমি জন্মৰে পৰা প্ৰতিদিন জানিছিলো। আমাৰ গাঁৱৰ প্ৰতিজন ব্যক্তিক দাৰিদ্ৰই এনেদৰে প্ৰভাৱিত কৰিছিল যে এজন ব্যক্তিয়ে তেওঁ যে দৰিদ্ৰ বা নিৰক্ষৰ সেই কথা অনুভৱে নকৰিছিল। প্ৰাকৃতিকভাৱে উপলব্ধ সা-সামগ্ৰীৰে জীৱন যাপন কৰি গাঁৱৰ সকলো মানুহ সুখী আছিল।’

ডাঃ ৰাজেন্দ্ৰ আজি সকলোৰে বাবে এক প্ৰেৰণাৰ সমল। মহাৰাষ্ট্ৰৰ চকৰী মৌজাৰ চমুডে গাঁৱত এটি অতি দৰিদ্ৰ পৰিয়ালত ডাঃ ৰাজেন্দ্ৰৰ জন্ম হৈছিল। এম বি বি এছৰ পাঠ্যক্ৰম সমাপ্ত কৰি ঘৰলৈ উভতি অহা ডাঃ ৰাজেন্দ্ৰই পৰিয়ালৰ লগতে গাঁৱৰ সকলোকে এক চমক দিছিল। কিয়নো তেতিয়া তেওঁ এজন চিকিৎসক হোৱাৰ লগতে এজন আই এ এছ বিষয়া হিচাপেও নিযুক্তি লাভ কৰিছিল। পুত্ৰ যে এজন আই এ এছ বিষয়া হ’ল, সেই কথা মাতৃয়েও জনা নাছিল। দীৰ্ঘদিনৰ পাছত ঘৰলৈ অহা ৰাজেন্দ্ৰ যে চিকিৎসক হোৱাৰ লগতে একেলগে এজন চৰকাৰী আমোলা হ’ল, সেই কথা শুনি মাতৃৰ লগতে চমুডে গাঁৱৰ বাসিন্দাসকল অবাক হৈছিল।

ডাঃ ৰাজেন্দ্ৰৰ জন্ম চমুডে গাঁৱত ১৯৮৮ৰ সাত জানুৱাৰীত হৈছিল। আৰ্থিক দুৰৱস্থাৰ কাৰণত পৰিয়ালটোৱে ৰাজেন্দ্ৰৰ প্ৰয়াত পিতৃৰ ফটো এখনো সংৰক্ষণ কৰি ৰাখিব নোৱাৰিলে। ৰাজেন্দ্ৰৰ মাতৃয়ে পৰিয়াল পৰিচালনাৰ বাবে দেশীয় সুৰা বিক্ৰী কৰিছিল। ঘৰতে নিজে সুৰা তৈয়াৰ কৰি বিক্ৰী কৰা মাতৃয়ে বৰ কষ্টৰে ৰাজেন্দ্ৰৰ পঢ়া-শুনাৰ খৰচ বহন কৰিছিল। পৰিয়ালৰ স’তে গাঁৱত কুঁহিয়াৰৰ পাতৰে সজা এটা জুপুৰী ঘৰতে শৈশৱ অতিবাহিত কৰিছিল ৰাজেন্দ্ৰই। এখন সংবাদপত্ৰৰ এক সাক্ষাৎকাৰত ডাঃ ৰাজেন্দ্ৰই শৈশৱৰ কথা স্মৰণ কৰি এইদৰে কয়, ‘মোৰ বয়স তেতিয়া তিনি বছৰ মান আছিল, সেই সময়ত মই খাবলৈ নাপাই ভোকত প্ৰায়ে বৰ কান্দিছিলো। আমাৰ ঘৰলৈ সুৰাপান কৰিব অহা লোকসকলৰ তেতিয়া বৰ খং উঠিছিল আৰু তেওঁলোকে মোক শান্ত কৰিবলৈ মোৰ মুখৰ ভিতৰত সুৰা ঢালি দিছিল। গাখীৰৰ পৰিবৰ্তে মোক আইতাই সৰুতে সুৰাপান কৰাইছিল যাতে মই কিছু সময় ভোক অনুভৱ নকৰো আৰু শুই থাকো। এইদৰে সৰুতে মোক সুৰা সক্ত কৰা হৈছিল। আনকি চৰ্দি-জ্বৰ হ’লেও দৰৱ হিচাপে দিয়া হৈছিল দেশীয় সুৰা।’ এনে এক ভয়াৱহ পৰিবেশৰ মাজত থাকিয়ে ডাঙৰ-দীঘল হৈছিল ডাঃ ৰাজেন্দ্ৰ। ঘৰৰ বাহিৰৰ মুকলি আকাশৰ তলত বহি পঢ়া-শুনা কৰিছিল ৰাজেন্দ্ৰই। সৰুৰে পৰা অধ্যয়নৰ প্ৰতি ৰাজেন্দ্ৰ বৰ আগ্ৰহী আছিল আৰু পৰীক্ষাত ভাল নম্বৰ লাভ কৰিছিল। বৰ কষ্টৰে কিতাপপত্ৰ যোগাৰ কৰি শৈক্ষিক জীৱনক সম্পূৰ্ণ নিজৰ প্ৰচেষ্টাৰে আগুৱাই নিছিল এইজন অটল মনৰ যুৱকে।

ৰাজেন্দ্ৰৰ ঘৰলৈ প্ৰতিদিনে সুৰাপানৰ বাবে গাঁৱৰ এচাম মানুহ আহিছিল। এইদৰে সুৰাপান কৰিবলৈ অহা গ্ৰাহকে কেতিয়াবা মৰমতে ৰাজেন্দ্ৰক কিবা কিনি খাবলৈ পইচা দিছিল। এইদৰে লাভ কৰা পইচা জমা কৰি তেওঁ প্ৰয়োজনীয় কিতাপ-বহী কিনি অধ্যয়ন অব্যাহত ৰাখিছিল। কোনো পৰিস্থিতিতে হাৰ নামানি পঢ়া-শুনাত ব্যস্ত থকা ৰাজেন্দ্ৰই দশম শ্ৰেণীৰ পৰীক্ষাত ৯৫ শতাংশ নম্বৰ লাভৰে উত্তীৰ্ণ হৈছিল কোনো টিউচন বা ক’চিং অবিহনে ৰাজেন্দ্ৰই দ্বাদশ শ্ৰেণীৰ বিজ্ঞান শাখাৰ পৰীক্ষাত ৯০ শতাংশ নম্বৰসহ সফল হৈছিল। ইয়াৰ পাছতে মেডিকেল প্ৰৱেশ পৰীক্ষাত সফলতা লাভ কৰা ৰাজেন্দ্ৰই এম বি বি এছ পাঠ্যক্ৰমত নামভৰ্তি কৰিছিল। ছাত্ৰবৃত্তিৰ ধন আৰু শিক্ষা ঋণৰে তেওঁ অধ্যয়ন ব্যয় বহন কৰিব লগা হৈছিল। এম বি বি এছৰ চূড়ান্ত বৰ্ষতে ৰাজেন্দ্ৰই ইউ পি এছ চিৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ’বলৈ সিদ্ধান্ত লয়। কিন্তু এয়া আছিল এক অতি কঠোৰ সিদ্ধান্ত। কিয়নো এফালে মেডিকেলৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা আৰু একে সময়তে আই এ এছৰ দৰে অতি প্ৰতিযোগিতামূলক নিযুক্তি পৰীক্ষা দুয়োটাতে একেটা বৰ্ষতে অৱতীৰ্ণ হ’ব ৰাজেন্দ্ৰই। তদুপৰি ক’চিং অবিহনে আই এ এছত সফলতা লাভ কৰাটো অতি কঠিন। আনহাতে, সেই সময়ত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হিচাপে ৰাজেন্দ্ৰ ইণ্টাৰ্ণত আছিল, অৰ্থাৎ দৈনিক ৰোগীক সেৱা আগবঢ়াব লগা হৈছিল। কিন্তু শুনিলে আচৰিত হ’ব যে একে বৰ্ষতে মেডিকেল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ লগতে ৰাজেন্দ্ৰই প্ৰথমবাৰ অৱতীৰ্ণ হৈয়ে ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ)ৰ বাবে বিষয়া নিৰ্বাচিত হ’ল। ২০১৩ বৰ্ষৰ ইউ পি এছ চিৰ পৰীক্ষাত তেওঁ লাভ কৰিলে ৭০৯ সংখ্যক স্থান। আই এ এছ কি সেয়া ৰাজেন্দ্ৰৰ মাতৃৰ মুঠেও জ্ঞাত নাছিল। যেতিয়া এম বি বি এছ ডিগ্ৰী লৈ ৰাজেন্দ্ৰ ঘৰলৈ গৈছিল তেতিয়া মাতৃয়ে পুত্ৰ একে সময়তে ডাঙৰ চৰকাৰী বিষয়া নিযুক্ত হোৱাৰ কথা শুনি আনন্দিত হৈছিল। নিজৰ এই জীৱন সংগ্ৰামৰ কাহিনীৰে ৰাজেন্দ্ৰই মাৰাঠী ভাষাত ২০১৪ তে এখন গ্ৰন্থ লিখি প্ৰকাশ কৰিছিল। দাৰিদ্ৰক অভিশাপ গণ্য কৰা তথা নিজৰ কপালক দোষাৰোপ কৰা ব্যক্তিৰ বাবে ডাঃ ৰাজেন্দ্ৰ হৈছে অন্যতম এক চকু মুকলি কৰিব পৰা উদাহৰণ। ধন নহয়, ধৈৰ্য, পৰিশ্ৰম আৰু একাগ্ৰতাহে যে সফলতাৰ মূলমন্ত্ৰ সেই কথাৰে জীৱন্ত প্ৰমাণ চিকিৎসক-আই এ এছ ৰাজেন্দ্ৰ। সম্প্ৰতি মাতৃ পত্নী আৰু সন্তানৰ স’তে চৰকাৰী বাসগৃহত থাকি আই এ এছ বিষয়া হিচাপে সেৱাত নিয়োজিত হৈছে ডাঃ ৰাজেন্দ্ৰ।

ইউ জি চিৰ চাৰি ছাত্ৰবৃত্তি আঁচনিৰ বাবে আবেদন আহ্বান

বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)-এ চাৰিটা ছাত্ৰবৃত্তি অৰ্থাৎ স্ক’লাৰশ্বিপ আঁচনিৰ বাবে যোগ্যতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। ইচ্ছুক প্ৰাৰ্থীয়ে ৰাষ্ট্ৰীয় ছাত্ৰবৃত্তি প’ৰ্টেল scholarships.gov.in ভিজিট কৰি আবেদন জমা দিব পাৰিব।

ছাত্ৰবৃত্তিসমূহ হৈছে

- উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ইউ জি চিৰ ঈশান উদয় স্ক’লাৰশ্বিপ
- ইউ জি চি পিজি ইন্দিৰা গান্ধী স্ক’লাৰশ্বিপ (কেৱল ছাত্ৰীৰ বাবে)
- বিশ্ববিদ্যালয়ৰ ৰেংক প্ৰাপ্তৰ বাবে পিজি স্ক’লাৰশ্বিপ
- অনুসূচিত জাতি-জনজাতিৰ শিক্ষাৰ্থীৰ বাবে পিজি স্ক’লাৰশ্বিপ

ছাত্ৰবৃত্তিৰ সবিশেষ ঃ

ইউ জি চি ঈশান উদয় স্ক’লাৰশ্বিপ

আবেদনৰ অন্তিম দিন ঃ ৩১ অক্টোবৰ ২০২২

যোগ্যতা ঃ উত্তৰ-পূৰ্বাঞ্চলৰ সেইসকল শিক্ষাৰ্থীয়ে আবেদন দাখিল কৰিব পাৰিব, যাৰ অভিভাৱকৰ বাৰ্ষিক আয় চাৰিৰ পৰা পাঁচ লাখ টকাৰ অধিক নহয়।

ছাত্ৰবৃত্তিৰ পৰিমাণ ঃ সাধাৰণ ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে মাহে ৫,৪০০ টকা আৰু টেকনিকেল/মেডিকেল/প্ৰফেছনেল/পেৰা মেডিকেল পাঠ্যক্ৰমৰ বাবে মাহে ৭,৮০০ টকা প্ৰদান কৰা হয়।

ইউ জি চি পিজি ইন্দিৰা গান্ধী স্ক’লাৰশ্বিপ

আবেদনৰ অন্তিম দিন ঃ ৩১ অক্টোবৰ ২০২২

যোগ্যতা ঃ ইউ জি চিৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত কলেজ/বিশ্ববিদ্যালয়ত প্ৰথম বৰ্ষৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়ন কৰা কেৱল ছাত্ৰীয়েহে এই স্ক’লাৰশ্বিপৰ বাবে আবেদন কৰিব পাৰিব।

ছাত্ৰবৃত্তিৰ পৰিমাণ ঃ এই ছাত্ৰবৃত্তিৰ অধীনত বছৰি ৩৬,২০০ টকা প্ৰদান কৰা হয়।

ইউ জি চি পিজি স্ক’লাৰশ্বিপ ফৰ ইউনিভাৰচিটি ৰেংক হ’ল্ডাৰ্ছ

আবেদনৰ অন্তিম দিন ঃ ৩১ অক্টোবৰ ২০২২

যোগ্যতা ঃ যিকোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা স্নাতক পাঠ্যক্ৰমৰ প্ৰথম আৰু দ্বিতীয় স্থানপ্ৰাপ্ত তথা স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তি কৰোৱা প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব।

ছাত্ৰবৃত্তিৰ পৰিমাণ ঃ প্ৰতি মাহে ৩,১০০ টকা।

ইউ জি চি পিজি স্ক’লাৰশ্বিপ ফৰ এছ চি, এছ টি ষ্টুডেণ্টছ

আবেদনৰ অন্তিম দিন ঃ ৩১ অক্টোবৰ ২০২২

যোগ্যতা ঃ ইউ জি চিৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানত প্ৰফেছনেল পাঠ্যক্ৰমত নামভৰ্তি কৰোৱা অনসূচিত জাতি আৰু জনজাতি শ্ৰেণীৰ শিক্ষাৰ্থীয়ে এই ছাত্ৰবৃত্তিৰ বাবে আবেদন কৰিব পাৰিব।

ছাত্ৰবৃত্তিৰ পৰিমাণ ঃ এম ই/এম টেকৰ শিক্ষাৰ্থীৰ বাবে মাহে ৭,৮০০ টকা আৰু আন প্ৰফেছনেল পাঠ্যক্ৰমৰ শিক্ষাৰ্থীৰ বাবে মাহে ৪,৫০০ টকা প্ৰদান কৰা হয়।

Solved GS Question Paper of Assam Public Service Commission’s Combined Competitive (Pre) Exam

The following is the solved General Studies question paper of Combined Competitive (Preliminary) Examination 2009 of the Assam Public Service Commission. Read the solved questions to upgrade your preparation for various competitive examinations.

11. Name the country which is known as the 'Land of Morning Calm'.
(A) Japan
(B) Korea
(C) Indonesia
(D) Canada
Ans: (B)

12. What is the precise time taken by the earth for one rotation?
(A) 24 hr
(B) 24 hr 30 min
(C) 23 hr 56 min 4.09 sec
(D) 24 hr 5 min 5.02 sec
Ans: (C)

13. The total area of Assam is
(A) 80645 km2
(B) 78438 km2
(C) 79012 km2
(D) 77901 km2
Ans: (B)

14. The largest continent in the world is
(A) Europe
(B) North America
(C) Asia
(D) Africa
Ans: (C)

15. Assam State enjoys
(A) tropical climate
(B) hot climate
(C) warm climate
(D) cold climate
Ans: (A)

ভাৰতীয় সেনাত এছ এছ চিৰ অধীনত দিয়া হ’ব বিষয়া নিযুক্তি

ভাৰতীয় সেনাই শ্বৰ্ট ছাৰ্ভিচ কমিছন (এছ এছ চি)ৰ অধীনত বিষয়া পদত নিযুক্তিৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। ইয়াৰ জৰিয়তে এছ এছ চি ৬০ পুৰুষ আৰু এছ এছ চি ৩১ মহিলাক ১৮৯ টা কাৰিকৰী পদত নিযুক্তি প্ৰদান কৰা হ’ব। ইয়াৰে ১৭৫ টা পদত পুৰুষ প্ৰাৰ্থীক আৰু ১৪ টা পদত মহিলা প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰা হ’ব। নিযুক্তি প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে আগ্ৰহী প্ৰাৰ্থীয়ে joinindianarmy.nic.in ৱেবছাইট ভিজিট কৰি অহা ২৪ আগষ্টলৈকে অনলাইনযোগে আবেদন দাখিল কৰিব পাৰিব।

খালী থকা পদৰ সবিশেষ ঃ

চিভিল ইঞ্জিনিয়াৰিং (কনষ্ট্ৰাকচন)-৪৯ টা পদ

কম্পিউটাৰ ছায়েন্স-৪২ টা পদ

ইলেক্ট্ৰিকেল এণ্ড ইলেক্ট্ৰনিক্স উইং-১৭ টা পদ

ইলেক্ট্ৰনিক্স ইঞ্জিনিয়াৰিং-২৬ টা পদ

মেকানিকেল এণ্ড অট’ম’বাইল ইঞ্জিনিয়াৰিং-৩২ টা পদ

ৰিম’ট ছেন্সিং-প্লাষ্টিক টেকন’লজি-৯ টা পদ

শৈক্ষিক অৰ্হতা ঃ প্ৰাৰ্থী সংশ্লিষ্ট বিষয়ৰ ডিগ্ৰীধাৰী হ’ব লাগিব। চূড়ান্ত বৰ্ষত অধ্যয়নৰত শিক্ষাৰ্থীয়েও আবেদন জনাব পাৰিব।

বেতন ঃ নিৰ্বাচিত প্ৰাৰ্থীসকলক মাহে ৫৬,১০০ টকাৰ পৰা এক লাখ ৭৭,৫০০ টকালৈকে বেতন মাহে প্ৰদান কৰা হ’ব। প্ৰশিক্ষণৰ সময়ত প্ৰাৰ্থীয়ে মাহে ৫৬,১০০ টকাৰ ষ্টাইপেণ্ড লাভ কৰিব।

বয়সৰ সীমা ঃ আবেদনকাৰীৰ বয়স পহিলা এপ্ৰিল ২০২৩ত ২০-২৭ বছৰৰ ভিতৰত হ’ব লাগিব।

আবেদন প্ৰক্ৰিয়া ঃ ভাৰতীয় সেনাৰ ৱেবছাইট www.joinindianarmy.nic.in ভিজিট কৰি Officer Entry Appln/Login লিংকত ক্লিক কৰক। ইয়াৰ পাছত ৰেজিষ্ট্ৰেচন ফৰ্ম পূৰণ কৰক। পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ পাছত Apply Online লিংকত ক্লিক কৰক। এইবাৰ Officers Selection-Eligibility পেইজ খোল খাব। এতিয়া সাৱধানে প্ৰয়োজনীয় তথ্যপাতি দাখিল কৰক। আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পাছত পঞ্জীয়ন নম্বৰ আৰু আবেদন পত্ৰৰ প্ৰিণ্ট আউট কপি সংগ্ৰহ কৰি ৰাখক।

ব্যুৰ’ অৱ ইণ্ডিয়ান ষ্টেণ্ডাৰ্ডত ইঞ্জিনিয়াৰ আৰু ছায়েণ্টিষ্ট নিয়োগ

ব্যুৰ’ অৱ্ ইণ্ডিয়ান ষ্টেণ্ডাৰ্ড (বি আই এছ)ত গ্ৰেজুৱেট ইঞ্জিনিয়াৰ আৰু ছায়েণ্টিষ্ট পদত নিযুক্তিৰ বাবে অৰ্হতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। এই সন্দৰ্ভত সবিশেষ তথা প্ৰাৰ্থীয়ে ব্যুৰ’ অৱ ইণ্ডিয়াৰ ষ্টেণ্ডাৰ্ডৰ ৱেবছাইটৰ পৰা লাভ কৰিব পাৰিব।

প্ৰকাশিত বিজ্ঞাপন অনুসৰি, অহা ২৬ আগষ্টৰ ভিতৰত প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিব লাগিব। প্ৰাৰ্থীয়ে অনলাইনযোগে আবেদন কৰিব লাগিব। আবেদন পত্ৰ বৰ্তমানে বি আই এছৰ ৱেবছাইটত উপলব্ধ। প্ৰাৰ্থীয়ে প্ৰথমে bis.gov.in ৱেবছাইট ভিজিট কৰি তাৰ পাছত ছায়েণ্টিষ্ট বি আৰু গ্ৰেজুৱেট ইঞ্জিনিয়াৰ লিংকত ক্লিক্ কৰিব লাগিব। ইয়াৰ পাছত apply online অপচনত ক্লিক্ কৰিব লাগিব। এতিয়া বিস্তাৰিত বিৱৰণসহ আবেদন পত্ৰ অনলাইনত পূৰণ কৰিব লাগিব। আবেদন পত্ৰৰ স’তে প্ৰয়োজনীয় নথিপত্ৰ আপলোড কৰিব লাগিব। প্ৰাৰ্থীয়ে আবেদন মাচুলো জমা দিব লাগিব। প্ৰাৰ্থীয়ে ভৱিষ্যতৰ সুবিধাৰ বাবে আবেদন পত্ৰৰ এটা কপি প্ৰিণ্ট কৰি ৰাখিব পাৰিব।

শৈক্ষিক অৰ্হতা ঃ প্ৰাৰ্থীয়ে গ্ৰেজুৱেট ইঞ্জিনিয়াৰ আৰু ছায়েণ্টিষ্ট বি পদত আবেদনৰ বাবে বি টেক/বি ইত স্নাতক ডিগ্ৰীধাৰী হ’ব লাগিব। প্ৰয়োজনীয় শিক্ষাগত অৰ্হতাধাৰীক পৰৱৰ্তী সময়ত নিৰ্বাচনৰ বাবে আমন্ত্ৰণ জনোৱা হ’ব।

বয়সৰ সীমা ঃ গ্ৰেজুৱেট ইঞ্জিনিয়াৰ আৰু ছায়েণ্টিষ্ট বি পদত আবেদনৰ বাবে প্ৰাৰ্থীৰ বয়স যথাক্ৰমে ৩৫ আৰু ৩০ বছৰৰ ভিতৰত হ’ব লাগিব।

নিৰ্বাচন প্ৰক্ৰিয়া ঃ আবেদন প্ৰাপ্তিৰ পাছত প্ৰাৰ্থীৰ নাম তালিকা প্ৰস্তুত কৰা হ’ব আৰু ইয়াৰ পাছত প্ৰেক্টিকেল এছেছমেণ্ট, ৰিটেন এছেছমেণ্ট, টেকনিকেল নলেজ এছেছমেণ্ট আৰু সাক্ষাৎকাৰৰ আধাৰত নিযুক্তিৰ বাবে নিৰ্বাচন কৰা হ’ব। সবিশেষ জানিবলৈ bis.gov.in ৱেবছাইট ভিজিট কৰক।

বি এছ এফত দ্বাদশ শ্ৰেণী উত্তীৰ্ণৰ বাবে ৩২৩ পদত দিয়া হ’ব নিযুক্তি

সীমান্ত নিৰাপত্তা বাহিনী (বি এছ এফ)ত খালী হোৱা হেড কনিষ্টবল, এ এছ আই আৰু ষ্টেন’গ্ৰাফাৰৰ মুঠ ৩২৩ টা পদত নিযুক্তিৰ বাবে অৰ্হতাধাৰী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। দ্বাদশ শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীয়ে অহা ২৭ আগষ্টলৈকে এইসমূহ পদত নিযুক্তিৰ বাবে বি এছ এফৰ ৱেবছাইট bsf.gov.inৰ জৰিয়তে অনলাইনযোগে আবেদন কৰিব লাগিব। লিখিত পৰীক্ষাৰ লগতে শাৰীৰিক আৰু মেডিকেল পৰীক্ষাৰ আধাৰত প্ৰাৰ্থীক নিযুক্তিৰ বাবে নিৰ্বাচন কৰা হ’ব।

বেতন ক্ৰম ঃ বিএছএফৰ বিজ্ঞাপনত উল্লেখ কৰা অনুসৰি এছিছটেণ্ট ছাব ইন্সপেক্টৰ (এ এছ আই) পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীয়ে মাহে ২৯,২০০ টকাৰ পৰা ৯২,৩০০ টকাৰ বেতন লাভ কৰিব। আনহাতে, হেড কনিষ্টবল পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীয়ে মাহে ২৫,৫০০ টকাৰ পৰা ৮১,১০০ টকালৈকে বেতন লাভ কৰিব।

শিক্ষাগত অৰ্হতা ঃ খালী হোৱা পদত নিযুক্তিৰ বাবে প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা যিকোনো স্বীকৃতিপ্ৰাপ্ত ব’ৰ্ড বা প্ৰতিষ্ঠানৰ পৰা দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হ’ব লাগিব। ইয়াৰ লগতে এ এছ আই ষ্টেনগ্ৰাফাৰ পদৰ প্ৰাৰ্থীয়ে দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ লগতে কম্পিউটাৰৰ চাৰ্টিফিকেটধাৰী হ’ব লাগিব।

বয়সৰ সীমা ঃ প্ৰাৰ্থীৰ ন্যূনতম বয়স ১৮ বছৰ আৰু সৰ্বাধিক বয়স ২৫ বছৰ হ’ব লাগিব। অন্যান্য পিছপৰা সম্প্ৰদায়ৰ প্ৰাৰ্থীয়ে তিনি বছৰৰ বয়সৰ ঊৰ্ধ্বসীমাৰ ৰেহাই লাভ কৰিব। অনুসূচিত জাতি-জনজাতিৰ প্ৰাৰ্থীয়ে পাঁচ বছৰ বয়সৰ ঊৰ্ধ্বসীমা লাভ কৰিব লাগিব। একেদৰে আৰ্থিকভাৱে পিছপৰা আৰু ই এছ এম শ্ৰেণীৰ প্ৰাৰ্থীয়ে চৰকাৰী নিয়ম অনুসৰি বয়সৰ ৰেহাই লাভ কৰিব।

আবেদন মাচুল ঃ সাধাৰণ শ্ৰেণী, অন্যান্য পিছপৰা সম্প্ৰদায় আৰু আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীয়ে আবেদন পত্ৰৰ স’তে ২০০ টকাৰ মাচুল জমা দিব লাগিব। গ্ৰুপ চি পদৰ ক্ষেত্ৰত সাধাৰণ শ্ৰেণী, অন্যান্য পিছ পৰা শ্ৰেণী আৰু আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীয়ে ১০০ টকাৰ মাচুল জমা দিব লাগিব। অনুসূচিত জাতি, জনজাতি, ই এছ এম আৰু বি এছ এফৰ কৰ্মচাৰী প্ৰাৰ্থীয়ে কোনো মাচুল আদায় দিব নালাগে।

ছেইলত ট্ৰেইনি পদত দিয়া হ’ব নিযুক্তি

ষ্টীল অথ’ৰিটী অব ইণ্ডিয়া লিমিটেড (ছেইল)ৰ ফালৰ পৰা এক বিজ্ঞপ্তি প্ৰকাশ কৰি ট্ৰেইনি পদত নিযুক্তিৰ বাবে আবেদন আহ্বান কৰা হৈছে। আগ্ৰহী অৰ্হতাসম্পন্ন প্ৰাৰ্থীয়ে অহা ২০ আগষ্টৰ ভিতৰত আবেদন অনলাইনযোগে দাখিল কৰিব লাগিব । এই সন্দৰ্ভত সবিশেষ জানিবলৈ প্ৰাৰ্থীয়ে igh.sailrsp.co.in ৱেবছাইট ভিজিট কৰিব লাগিব। প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা অনুসৰি খালী পদৰ সংখ্যা হৈছে ২০০।

পদৰ সবিশেষ

মেডিকেল এটেনডেণ্ট ট্ৰেইনি ১০০ টা পদ
ক্ৰিটিকেল কেয়াৰ নাৰ্চিং ট্ৰেইনি ২০ টা পদ
এডভান্সড স্পেচিয়েলাইজড নাৰ্চিং ট্ৰেইনি (এ এছ এন টি) ৪০ টা পদ
ডেটা এণ্ট্ৰি অপাৰেটৰ/মেডিকেল ট্ৰান্সক্ৰিপচন ট্ৰেইনি ৬ টা পদ
মেডিকেল লেব টেকনিচিয়ান ট্ৰেইনি ১০ টা পদ
হাস্পতাল এডমিনিষ্ট্ৰেচন ট্ৰেইনি ১০ টা পদ
অ’টি/এনাস্থেছিয়া এছিছটেণ্ট ট্ৰেইনি ৫ টা পদ
ডেভেলপ ফিজিঅ’থেৰাপি ট্ৰেইনি ৩ টা পদ
ৰেডিঅ’গ্ৰাফাৰ ট্ৰেইনি ৩ টা পদ
ফাৰ্মাচিষ্ট ট্ৰেইনি ৩ টা পদ

নিৰ্বাচন প্ৰক্ৰিয়া

যোগ্য প্ৰাৰ্থীক নিৰ্দিষ্ট দিনত সাক্ষাৎকাৰলৈ নিমন্ত্ৰণ জনোৱা হ’ব। সাক্ষাৎকাৰৰ স্থান, দিন আৰু সময় প্ৰাৰ্থীৰ পঞ্জীভুক্ত ম’বাইল নম্বৰলৈ এছ এম এছৰ জৰিয়তে অৱগত কৰোৱা হ’ব। প্ৰাৰ্থীয়ে সাক্ষাৎকাৰত সকলো প্ৰমাণ পত্ৰৰ জেৰক্স কপি আৰু মূল নথি পত্ৰ লগত আনিব লাগিব। প্ৰাৰ্থীৰ আবেদনৰ যোগ্যতা, বয়সৰ সীমা, বেতনক্ৰম, আবেদন পদ্ধতিৰ আবেদন বিষয়ত সবিশেষ তথ্য জানিবলৈ প্ৰাৰ্থীয়ে igh.sailrsp.co.in ৱেবছাইট ভিজিট কৰিব লাগিব।

নেচনেল এলুমিনিয়াম কোম্পানী লিমিটেড ১৮৯ পদত নিযুক্তিৰ সুযোগ

নেচনেল এলুমিনিয়াম কোম্পানী লিমিটেড (নালকো)ৰ তৰফৰ পৰা এক বিজ্ঞপ্তি প্ৰকাশ কৰি গ্ৰেজুৱেট ইঞ্জিনিয়াৰ (ট্ৰেইনি) পদত নিযুক্তিৰ বাবে অৰ্হতাধাৰী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। আগ্ৰহী আৰু যোগ্য প্ৰাৰ্থীয়ে কোম্পানীৰ ৱেবছাইট nalcoindia.com ভিজিট কৰিব পাৰিব। প্ৰাৰ্থীয়ে অহা ১১ ছেপ্টেম্বৰৰ ভিতৰত আবেদন পত্ৰ দাখিল কৰিব লাগিব। অনলাইনযোগে প্ৰাৰ্থীয়ে আবেদন কৰিব লাগিব। আবেদন পত্ৰ নেচনেল এলুমিনিয়াম কোম্পানী লিমিটেডৰ ৱেবছাইটত উপলব্ধ।

শূন্য পদৰ সবিশেষ ঃ কোম্পানীটোৱে বিজ্ঞাপনত উল্লেখ কৰা অনুসৰি মুঠ খালী পদৰ সংখ্যা হৈছে ১৮৯ টা। ইয়াৰে মেকানিকেল ৫৮ টা, ইলেকট্ৰিকেল ৪১ টা, ইন্সট্ৰুমেণ্টেচন ৩২ টা, মেটালাৰ্জি ১৪ টা, কেমিকেল ১৪ টা, কেমিষ্ট্ৰি ১৩ টা, মাইনিং ১০ টা আৰু চিভিল ৭ টা পদত নিযুক্তি দিয়া হ’ব। মুঠ পদৰ ৮ টা পদ প্ৰতিবন্ধীৰ বাবে সংৰক্ষিত।

বয়সৰ সীমা ঃ আবেদনকাৰীৰ বয়স ৩০ বছৰৰ ভিতৰত হ’ব লাগিব।

নিৰ্বাচন পদ্ধতি ঃ গেট ২০২২ত প্ৰাপ্ত নম্বৰ আৰু ব্যক্তিগত সাক্ষাৎকাৰৰ পাৰদৰ্শিতাৰ ভিত্তিত প্ৰাৰ্থীক চূড়ান্তভাৱে নিৰ্বাচন কৰা হ’ব। গেটৰ স্ক’ৰ আৰু সাক্ষাৎকাৰত যথাক্ৰমে ৯০ আৰু ১০ অনুপাতত নম্বৰ দিয়া হ’ব।

আবেদন পদ্ধতি ঃ প্ৰাৰ্থীয়ে প্ৰথমে অফিচিয়েল ৱেবছাইট nalcoindia.com ভিজিট কৰিব লাগিব। ইয়াৰ পাছত Apply Now অপচনত ক্লিক কৰি নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। প্ৰাৰ্থীয়ে অনলাইনত আবেদন পত্ৰ পূৰণ কৰিব লাগিব। ইয়াৰ পাছত প্ৰয়োজনীয় নথি-পত্ৰ অনলাইনত আপলোড কৰিব লাগিব। প্ৰয়োজনীয় মাচুল জমা দিব লাগিব। ইয়াৰ পাছত ছাবমিট অপচনত ক্লিক কৰিব লাগিব। প্ৰাৰ্থীয়ে নিজৰ ভৱিষ্যতৰ সুবিধাৰ বাবে আবেদন পত্ৰৰ একপি প্ৰিণ্ট কৰি নিজৰ লগত ৰাখিব পাৰিব।

মৰাণত পদ্মশ্ৰী ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ স্মৃতি দিৱস পালন

অগ্ৰদূত বাৰ্তা

মৰাণ, ১৬ আগষ্ট ঃ মৰাণৰ বাল্য বিকাশ বিদ্যালয় প্ৰাংগণৰ গ্ৰন্থক্ষেত্ৰত যোৱা ১২ আৰু ১৩ আগষ্টত বিদ্যায়তনিক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। গ্ৰন্থক্ষেত্ৰৰ সপ্তম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে ১২ আগষ্টত এখন গ্ৰন্থমেলা অনুষ্ঠিত হয়। যোৱা ১৩ আগষ্টত পদ্মশ্ৰী ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ১৯ সংখ্যক স্মৃতি দিৱসৰ লগত সংগতি ৰাখি লেখক, সাংবাদিক যদু চুতীয়াৰ সোঁৱৰণত এখন স্মাৰক বক্তৃতানুষ্ঠান আয়োজন কৰা হয়। বক্তৃতাৰ বিষয় আছিল 'সাম্প্ৰতিক পৰিৱেশ আৰু সাহিত্য চৰ্চা'। আলোচক হিচাপে ভাগ লয় মৰাণ মহিলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° নিৰোদ গোহাঁইয়ে ।অনুষ্ঠানতে দুখন গ্ৰন্থ উন্মোচন কৰা হয়। প্ৰথমখন গ্ৰন্থ মমী গগৈৰ কাব্য সংকলন 'এক অন্তহীন যাত্ৰা' উন্মোচন কৰে খোৱাং পিথুবৰ ছোৱালী স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ হৰেণ চমুৱাই। আনখন গ্ৰন্থ ৰীণা বৰুৱাৰ কাব্য সংকলন 'আপুনি কুশলে আছেনে' উন্মোচন কৰে ডাঃ লোহিত কুমাৰ বৰাই। উক্ত অনুষ্ঠানতে বিশিষ্ট সাহিত্যিক, সমাজকৰ্মী, ডাঃ লোহিত কুমাৰ বৰাক 'প্ৰজ্ঞা প্ৰভাকৰ' উপাধি প্ৰদান কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ড° স্বপন কুমাৰ চুতীয়াই।

মন্ত্ৰী নেওগে যোৰহাটত মুকলি কৰিলে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ

স্টাফ ৰিপৰ্টাৰ

যোৰহাট, ১৬ আগষ্ট ঃ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে 'সোণালী শৈশৱ বিকশিত' অসম আঁচনিৰ অধীনত আজি ৰাজ্যখনত এহেজাৰ অংগনবাড়ী কেন্দ্ৰ মুকলি কৰে। মহিলা আৰু শিশু বিকাশ বিভাগে ৰূপায়ণ কৰা এই অভিলাষী আঁচনিখনৰ শুভ উদ্বোধনী কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিভাগীয় মন্ত্ৰী অজন্তা নেওগৰ লগতে সমগ্ৰ অসমবাসী ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। শিশুৰ মানসিক আৰু শাৰীৰিক বিকাশৰ লগতে উচ্চ শিক্ষা গ্ৰহণৰ বাবে সাজু কৰি তোলাৰ লক্ষ্যৰে মহিলা আৰু শিশু বিকাশ বিভাগে ৰাজ্য চৰকাৰৰ নিজা অগ্ৰাধিকাৰ উন্নয়ন (এছ অ' পি ডি) পুঁজিৰে এই এহেজাৰটা অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছে। যোৰহাট জিলাত মুঠ চাৰিটা অংগনৱাড়ী কেন্দ্ৰ, ৭৯ নম্বৰ নপমুৰা, ৬৫ নম্বৰ ফুকনহাবি দফলাটিং চেকগেটৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে ঔগুৰি অংগনৱাড়ী কেন্দ্ৰটি ভাৰ্চুৱেলী উদ্বোধন কৰি বিভাগীয় মন্ত্ৰী অজন্তা নেওগে কয়, 'চলিত বিত্তীয় বৰ্ষত আৰু দুহেজাৰটা অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ প্ৰাৰম্ভিক কাম কাজ প্ৰায় শেষ পৰ্যায়ত উপনীত হৈছে। পৰৱৰ্তী তিনি বছৰত আৰু ১৫,০০০ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে আমাৰ চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে। আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে শিশুসকলৰ পুষ্টিহীনতা দূৰীকৰণ আৰু শিশু তথা সন্তান সম্ভৱা মহিলাৰ সঠিক যত্ন লোৱাৰ উদ্দেশ্যে আৰম্ভ কৰা এই আঁচনিখন দেশৰ ভিতৰত প্ৰথম। যোৰহাটৰ এই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে বিভাগীয় মন্ত্ৰী অজন্তা নেওগে মহান স্বাধীনতা সংগ্ৰামী মণিৰাম দেৱান আৰু পিয়লি ফুকনৰ সমাধিস্থলীত সেৱা জনায়। আজি এই উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী নেওগৰ স'তে ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, দেৰগাঁৱৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালী, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মন, প্ৰাক্তন বিধায়ক হেমন্ত কলিতা প্ৰমুখ্যে কৰি বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

তেজপুৰ মহাবিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ

স্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৬ আগষ্ট ঃ তেজপুৰৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান তেজপুৰ মহাবিদ্যালয়ত 'সাহিত্য আৰু ৰাষ্ট্ৰ নিৰ্মাণ উত্তৰ-পূৰ্বাঞ্চলৰ দৃষ্টিকোণসমূহ' শীৰ্ষক বিষয়ৰ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত আৰু ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ আৰ্থিক সহযোগত অনুষ্ঠিত আলোচনাচক্ৰৰ প্ৰথম দিনৰ কাৰ্যসূচী হিচাপে বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভানেত্ৰী ড° স্বাধীনতা মহন্তই। মহাবিদ্যালয়ৰ সংগীত কলা বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মহাবিদ্যালয় সংগীত পৰিৱেশনৰ পাছতেই এই আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাই। শোণিতপুৰ জিলাৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই উদ্বোধন কৰা আলোচনাচক্ৰত মহাবিদ্যালয়ৰ বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উপৰি উপস্থিত থাকে মহাবিদ্যালয়ৰ কে'বাগৰাকী প্ৰাক্তন শিক্ষক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী। উপস্থিত বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱাৰ পাছতে আলোচনাচক্ৰৰ মূল ভাষণ প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাধ্যাপক ড° বিজয় কুমাৰ দান্তাই। আৰম্ভণি অনুষ্ঠানৰ পাছতে অনুষ্ঠিত প্ৰথম কাৰিকৰী সত্ৰখনত সঞ্চালক হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° বিজয় দাসে। এই সত্ৰত অসমৰ বিভিন্ন ঠাইৰ পৰা কে'বাগৰাকীও অধ্যাপক আৰু গৱেষকে তেওঁলোকৰ গৱেষণা পত্ৰসমূহ পাঠ কৰে। একেদিনাই অনুষ্ঠিত আলোচনাচক্ৰখনৰ দ্বিতীয় কাৰিকৰী সত্ৰখনৰ সঞ্চালনা কৰে জাগীৰোড মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী আৰু মুৰব্বী অধ্যাপক ড° ছোহাইল আহমেদে। অনলাইন যোগে অনুষ্ঠিত কাৰিকৰী সত্ৰত দেশৰ বিভিন্ন প্ৰান্তৰৰ ১৬ গৰাকী গৱেষকে তেওঁলোকৰ গৱেষণা পত্ৰসমূহ পাঠ কৰে। দ্বিতীয় দিনা তথা আজি অনুষ্ঠিত আলোচনাচক্ৰখনৰ তৃতীয় কাৰিকৰী সত্ৰ সঞ্চালক হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাধ্যাপক ড° বিভাস চৌধুৰী। এই সত্ৰত ৰাজ্যৰ লগতে ৰাজ্যৰ বাহিৰৰ ১০গৰাকী গৱেষকে তেওঁলোকৰ গৱেষণা পত্ৰসমূহ পাঠ কৰে। উল্লেখ্য যে বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° বিভাস চৌধুৰীয়ে আলোচনাচক্ৰৰ মূল বিষয়বস্তু 'সাহিত্য আৰু ৰাষ্ট্ৰ নিৰ্মাণ উত্তৰ-পূৰ্বাঞ্চলৰ দৃষ্টিকোণসমূহ'ৰ ওপৰত এক মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। একেদিনাই বিয়লি অনুষ্ঠিত আলোচনাচক্ৰৰ সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাই আৰু ইয়াত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ড° বিভাস চৌধুৰী। আলোচনাচক্ৰত গৱেষণা পত্ৰ পাঠ কৰা গৱেষকসকলক প্ৰমাণপত্ৰসমূহ প্ৰদান কৰাৰ পাছতেই আলোচনাচক্ৰৰ আহ্বায়ক তথা তেজপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° ধৰ্মেন্দ্ৰ কুমাৰ বৰুৱাই সকলোলৈকে শলাগৰ শৰাই

ফৰকাটিঙত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ মুকলি মন্ত্ৰী কেশৱ মহন্তৰ

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ১৬ আগষ্ট ঃ গোলাঘাট বিধানসভা সমষ্টিৰ এক নম্বৰ ফৰকাটিং নগৰত অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে ২৫ লাখ অৰ্থ আবণ্টনেৰে নিৰ্মাণ কৰা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটো পৰহি গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্তই উন্মোচন কৰে। উন্মোচনী ভাষণত মন্ত্ৰীজনে কয় যে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটোৰ যোগেদি স্থানীয় অঞ্চলটোৰ কণ কণ শিশুসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশত যথেষ্ট উপকৃত হ'ব বুলি সদৰী কৰে। উল্লেখ্য যে উন্মোচনী অনুষ্ঠানত জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, অতিৰিক্ত উপায়ুক্ত সংগীতা বৰঠাকুৰ, অগপৰ গোলাঘাট জিলা সভাপতি নিপেন বৰুৱা প্ৰমুখ্যে বিভাগীয় কৰ্মচাৰী, পঞ্চায়তৰ প্ৰতিনিধিসকল আৰু দলীয় কাৰ্যকৰ্তাসকল উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে সমাজকৰ্মী ৰাজু আহমেদে।

কৃষকৰ বাবে অধিক সুৰক্ষিত আইনৰ প্ৰয়োজনীয়তা আছেঃ ৰঞ্জন গগৈ

■ অসম কৃষি মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আৰম্ভণি

স্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ১৬ আগষ্ট ঃ 'খেতিয়কৰ বাবে আমাক অধিক শক্তিশালী আইন লাগে। অধিক সুৰক্ষিত আইনৰ প্ৰয়োজনীয়তা আছে। কি ধৰণৰ আইন হ'ব লাগে কমেন্ট নিদিওঁ, কিন্তু কৃষকৰ সুৰক্ষাৰ বাবে আইন লাগে আৰু কৃষকৰ সম্পদ বৃদ্ধিৰ বাবেও আইন হ'ব লাগে। 'এই মন্তব্য দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈৰ। যোৰহাটস্থিত অসম কৃষি মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰি এই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে ৰাজ্যসভাৰ সাংসদ ৰঞ্জন গগৈয়ে। তেওঁ ভাষণ প্ৰসংগত লগতে কয় যে আধাবিঘা মাটিত যিমানেই বিজ্ঞানসন্মত কৃষি নহওক, যিমানেই উৎপাদন নাবাঢ়ক সেয়া মুঠেও যথেষ্ট নহয়। কৃষি মহাবিদ্যালয়ৰ বিষয়ত কয় যে আজিৰ পৰা ৭৫ বছৰ আগতে কোনোবাই ভাবি উলিয়াইছিল কষিভিত্তিক অসমৰ অৰ্থনীতিৰ বাবে এটা বিজ্ঞানসন্মত অধ্যয়ন হ'ব লাগে। বিজ্ঞানসন্মতভাৱে সেয়া ভাবি উলিয়ালে বুলি তাৰ ফল আমি পাইছো বুলি উল্লেখ কৰি শিক্ষাৰ্থীসকলক উদ্দেশি কয় যে তোমালোক উচিত দিশত আহিছা, ভালদৰে কৰা আৰু এই দিশত সচেষ্ট হৈ আগবাঢ়া। কৃষি মহাবিদ্যালয়ৰ বিজ্ঞানগুৰু ড° জয়ন্ত ডেকাই আদৰণি ভাষণত কৃষি মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল পৰিক্ৰমাৰ অগ্ৰগতি সম্পৰ্কত আলোকপাত কৰে। উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই ভাষণ প্ৰসংগত কয় যে কৃষি মহাবিদ্যালয়ে এই ৭৫ বছৰ সময়ছোৱাত ১০ হেজাৰৰ অধিক কৃষি স্নাতক, স্নাতকোত্তৰ ডিগ্ৰীধাৰী তথা পিএইছডি ডিগ্ৰী প্ৰদান কৰিছে। সমান্তৰালভাৱে পাঁচজনকৈ উপাচাৰ্য, ২০ জনৰো অধিক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সঞ্চালক আৰু শতাধিক এচিএছ আৰু এপিএছ বিষয়া সৃষ্টি কৰিবলৈ সক্ষম হৈছে। বন্তি প্ৰজ্বলন আৰু মহাবিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা এই কাৰ্যসূচীতেই ড° নিবেদিতা ডেকা, ড° আব্দুল হালিমৰ সম্পাদনাত প্ৰকাশিত 'স্বাধীনোত্তৰ ভাৰতৰ কৃষি অৰ্থনীতিৰ এক আলোকপাত' আৰু ড° পলাশ দেৱনাথ, ড° অনুৰাগ কাশ্যপ, ড° মুনমী বৰাৰ সম্পাদনাত প্ৰকাশিত গাইড বুক অৱ প্লেন্ট পেথল'জী নামৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। লগতে এটা ৱেব পেজো মুকলি কৰা হয়। চীফ লাইব্ৰেৰীয়ান ড° চন্দন হাজৰিকায়ো বক্তব্য আগবঢ়োৱা অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন গোহাঁই, কৃষি গৱেষণা সঞ্চালক ড° অশোক ভট্টাচাৰ্য, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠক, স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড° অনুপ কুমাৰ দাস, ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰতাপ ভূঞা প্ৰমুখ্যে বিশ্ববিদ্যালয়ৰ বিশেষ বিষয়াসকল, মুৰব্বী অধ্যাপকসকল, গৱেষক বিজ্ঞানীসকল, প্ৰাক্তন অধ্যাপক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে। মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপনৰ আৰম্ভণি উপলক্ষে আজি পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিয়লি ফুটবল খেল আৰু সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

হাজোৰ গেৰুৱা-বৰগাঁৱত মনসা পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

হাজো, ১৬ আগষ্ট ঃ হাজো ৰাইজ চক্ৰৰ অন্তৰ্গত গেৰুৱা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত ১৬ৰ পৰা ২০ আগষ্টলৈ শ্ৰীশ্ৰীমনষা মন্দিৰত মনষা পূজা আৰু দেৱধ্বনি নৃত্যৰ আয়োজন কৰা হৈছে। অনুষ্ঠান পৰিচালনাৰ বাবে পবিত্ৰ শৰ্মাক সভাপতি, অনন্ত কুমাৰ দাসক কাৰ্যকৰি সভাপতি আৰু সুনীল কুমাৰ দাসক সাধাৰণ সম্পাদকৰূপে লৈ শক্তিশালী সমিতি গঠন কৰা হয়। আনহাতে, পাঁচগাঁও উন্নয়ন সমাজৰ উদ্যোগত বৰগাওৰ মা মনষা মন্দিৰত ১৬ৰ ২০ আগষ্টলৈ মনষা পূজা দেওধা নৃত্যৰ আয়োজন কৰা হৈছে। অনুষ্ঠান সু পৰিচালনাৰ বাবে তৰুণ চন্দ্ৰ দাসক সভাপতি, ডিম্বেশ্বৰ কলিতাক উপ-সভাপতি, দ্বিপেন কলিতাক সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰা। লগতে সমূহ ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে।

বিশ্বনাথ গণিত অলিম্পিয়াডৰ প্ৰস্তুতি কৰ্মশালা

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৬ আগষ্ট ঃ পৰহি অসম গণিত শিক্ষায়তন, বিশ্বনাথ জিলা শাখাৰ উদ্যোগত স্থানীয় শংকৰ দেব শিশু বিদ্যা নিকেতনত গণিত অলিম্পিয়াডৰ এখনি কৰ্মশালা অনুষ্ঠিত হৈ যায়। সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে আঁতধৰা কৰ্মশালাখন অসম গণিত শিক্ষায়তনৰ বিশ্বনাথ জিলাৰ সভাপতি ড° অৰুণ চলিহা দেবে উদ্বোধন কৰে। বিভিন্ন বিদ্যালয়ৰ পঞ্চমৰ পৰা একাদশ শ্ৰেণীলৈ প্ৰায় দুই শতাধিক শিক্ষাৰ্থীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। সমল ব্যক্তিৰূপে শিক্ষক সঞ্জীৱ গগৈ, কল্যাণ গগৈ, নিপুঞ্জয় বৰুৱাৰ অংশগ্ৰহণে কৰ্মশালাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ড° অৰুণ চলিহা, প্ৰাঞ্জল বৰদলৈ, আৰু নিপুঞ্জয় বৰুৱাই ছাত্ৰ-ছাত্ৰীৰ লগত ২১ আগষ্টত অনুষ্ঠিত হ'বলগীয় অলিম্পিয়াডৰ সমস্যাসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। উদ্যোগতাসকলে জনাইছে যে গণিত অলিম্পিয়াড পৰীক্ষা তিনিটা শাখাত অনুষ্ঠিত হ'ব। প্ৰথম শাখাত পঞ্চম আৰু ষষ্ঠ, দ্বিতীয় শাখাত সপ্তম আৰু অষ্টম, আৰু তৃতীয় শাখাত নৱমৰ পৰা একাদশ শ্ৰেণী। শিক্ষায়তনৰ এনে প্ৰচেষ্টাক অভিভাৱক সকলে ভূয়সী প্ৰশংসা কৰিছে।

ডিগবৈত আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান

ডিগবৈ, ১৬ আগষ্ট ঃ সদৌ অসম ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ অন্তৰ্গত ডিগবৈ আঞ্চলিক সমিতিয়ে মুলিয়াবাৰীস্থিত লুইত শিল্পী সমাজ প্ৰেক্ষাগৃহৰ প্ৰাংগণত এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। তৈলনগৰী ডিগবৈ চহৰৰ ভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ পৰা সদ্যঘোষিত উচ্চ-উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সুনাম কঢ়িয়াই অনা মুঠ ৮৭ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। ডিগবৈৰ অগ্ৰণী শিক্ষানুষ্ঠান আৰ ডি ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ অধ্যক্ষ দিব্যজ্যোতি দে'ৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে আছুৰ কেন্দ্ৰীয় উপ-সভাপতি বিনয় ডুবে। সভাত ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে ডুবেয়ে প্ৰেৰণাদায়ক বক্তব্য প্ৰদান কৰাৰ লগতে আছুৱে পূৰ্বৰে পৰা শিক্ষাৰ গুণগত মানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি অহাৰ লগতে উপযুক্ত সংস্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰি অহাৰ কথা বক্তব্য ৰাখি বৰ্তমান ৰজাঘৰীয়াই শিক্ষা ব্যৱস্থাৰ ওপৰত লোৱা সিদ্ধান্তক তীব্ৰ গৰিহণা দিয়ে। লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰাথমিক শিক্ষানুষ্ঠানত শিক্ষকৰ অভাৱ আৰু বিদ্যালয়ৰ আন্তঃগাঁথনিৰ দুৰৱস্থাৰ ওপৰত চৰকাৰে দৃষ্টি নিক্ষেপ কৰিবলৈ দাবী জনায়। সভাত উপস্থিত থকা অৱসৰপ্ৰাপ্ত শিক্ষক তথা সাহিত্যিক পেঞ্চনাৰ পূৰ্ণ শইকীয়াই সম্বৰ্ধনা জ্ঞাপন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে কৃতিত্ব অৰ্জন আৰু কৃতিত্বৰ ধাৰাবাহিকতা ৰক্ষাৰ ওপৰত বক্তব্য আগবঢ়ায়। বক্তব্যৰ মাজতে শইকীয়াই বৃদ্ধ বয়সতো শিকাৰ এটা আগ্ৰহী মন সদায় বান্ধি লৈ ফুৰো, আজীৱন ছাত্ৰ হৈ থাকিব খোজো বুলি কয়। লগতে বৰ্তমান যান্ত্ৰিকতাৰ যুগত অধিকাংশ ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মক ম'বাইলে দাসত্বলৈ পৰিণত কৰিছে বুলি মন্তব্য কৰে। সভাত টাইপাৰ কেন্দ্ৰীয় উপ-সভাপতি দুৰ্গা কোঁৱৰ, ডিগবৈ সৌমাৰ বিদ্যাপীঠ বিদ্যালয়ৰ অধ্যক্ষ মানস দাসে ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে চমু বক্তব্য আগবঢ়ায়। ডিগবৈ আঞ্চলিক ছাত্ৰ-সন্থাৰ প্ৰাক্তন সম্পাদক দুৰ্লভ চেতিয়াই আঁত ধৰা বিশেষ সম্বৰ্ধনা অনুষ্ঠানটোত উপস্থিত থাকে আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নিখিল কোঁচ, তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰাজা বালিমৰা, উপ-সভাপতি ৰণ্টু বৰশইকীয়া, সহঃ সম্পাদক জিতেন্দ্ৰ চুতীয়া, জিলা কাৰ্যনিৰ্বাহক সদস্য বসন্ত চুতীয়া, ডিগবৈ আঞ্চলিকৰ প্ৰাক্তন সভাপতি মনজিৎ শইকীয়া, সোণোৱাল কছাৰী ছাত্ৰ সন্থা ডিগবৈ আঞ্চলিকৰ সভাপতি কপিল সোণোৱালসহ ডিগবৈৰ সমাজ জীৱনৰ লগত জড়িত বহুসংখ্যক গণ্যমান্য ব্যক্তি । সভাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ৮৭ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা পত্ৰ, গ্ৰন্থৰ টোপোলা আৰু এটিকৈ গছপুলিৰে অভিনন্দন জ্ঞাপন কৰে।

শতবৰ্ষ গৰকা মুক্তিযুঁজাৰুক সম্বৰ্ধনা

স্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ১৬ আগষ্ট ঃ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত পৰহি শতবৰ্ষ গৰকা মুক্তিযুঁজাৰু খগেশ্বৰ গগৈক ভাৰতীয় ষ্টেট বেংক, যোৰহাট শাখাৰ দ্বাৰা সম্বৰ্ধনা জনোৱা হয়। ভাৰতীয় ষ্টেট বেংকৰ যোৰহাট শাখাৰ হৈ সহকাৰী মহাপ্ৰবন্ধক সিদ্ধাৰ্থ প্ৰতিম পূজাৰী, পুলক কুমাৰ গোস্বামী, প্ৰণৱ চন্দ্ৰ বৰদলৈ আৰু জাহ্নৱী বৰাই তেওঁক এখন ফুলাম গামোচা, ফুলৰ তোৰা আৰু এখন সঁফুৰাসহ সম্বৰ্ধনা জনোৱাৰ লগতে সেৱা জনায়।

(2022-2023)
College of Agriculture
Agricultural University

অসম কৃষি মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ উদ্বোধন প্ৰাক্তন মুখ্য ন্যায়াধীশ-সাংসদ ৰঞ্জন গগৈৰ, মঙলবাৰে।

শিক্ষা অবিহনে কোনো জাতি আগবাঢ়ি যাব নোৱাৰে

■ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত ছয়গাঁও পাণ্টান পৰিষদীয় সমষ্টিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চেক বিতৰণ

অগ্ৰদূত বাৰ্তা

ছয়গাঁও, ১৬ আগষ্ট ঃ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত পৰহি ছয়গাঁৱৰ পাণ্টান পৰিষদীয় সমষ্টিৰ অন্তৰ্গত অঞ্চলৰ ৫০ গৰাকীকৈ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত আৰ্থিক সকাহৰ উদ্দেশ্যে চেক বিতৰণ কৰা হয়। এই উদ্দেশ্যে ছয়গাঁৱৰ ৰিহাবাৰীস্থিত ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উপাধ্যক্ষ তথা পাণ্টান পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য ৰমাকান্ত ৰাভাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক উপেন ডেকাই কয় যে শিক্ষা অবিহনে কোনো জাতি আগবাঢ়ি যাব নোৱাৰে। সংগ্ৰামৰ জৰিয়তে আজিৰ অৱস্থা লাভ কৰা ৰাভা জাতিয়ে শৈক্ষিক আন্দোলনৰ জৰিয়তে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিব পাৰিব। ৰাভাসকলৰ সংগ্ৰামৰ সময়ছোৱাত সকলো ক্ষয়-ক্ষতি ৰাভা জাতিয়ে শিক্ষাৰ জৰিয়তে পূৰণ কৰিলেহে জাতিটো সফল হ'ব। তেওঁ বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। সভাখনত ৰমাকান্ত ৰাভা, কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ শিক্ষা সচিব অনুপ ৰাভা, গোৰৰ্ধন পৰিষদীয় সমষ্টিৰ সদস্য উদ্ধৱ ৰাভা, ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি জীতেন ৰাভায়ো বক্তব্য ৰাখে। সভাখনত ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক অৰবিন্দ ৰাভা, ৰাভা মহিলা নেত্ৰী ললিতা ৰাভা, কামৰূপ জিলা ৰাভা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত ৰাভা, কামৰূপ জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ সাংগঠনিক সম্পাদক অতুল ৰাভা, মিৰা ৰাভা, সবিতা ৰাভা, কৰ্ণ ৰাভা, পূৰ্ণ ৰাভা, ৰাজীৱ ৰাভাকে ধৰি বহুসংখ্যক লোক উপস্থিত থাকে। উল্লেখ্য যে উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ মুঠ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীক তিনি হেজাৰ পাঁচশ টকা আৰু স্নাতক পৰ্যায়ৰ মুঠ ২০ গৰাকী ছাত্ৰ-ছাত্ৰীক চাৰি হেজাৰকৈ টকাৰ চেক আজিৰ এই সভাতেই প্ৰদান কৰা হয়।

কুজীডাঁহত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সৌজন্যত সজাগতা সভা

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৬ আগষ্ট ঃ নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান কুজীডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ১১ আগষ্টত দলংঘাট উন্নয়ন খণ্ড ভিত্তিত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সৌজন্যত অন্ধবিশ্বাস, কু-সংস্কাৰ, ডাইনী হত্যা আদিৰ ওপৰত 'ৰাইজ মেল' নামাকৰণেৰে এখনি সজাগতা সভা সফলতাৰে অনুষ্ঠিত কৰা হয়। কুজীডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° বিজয়লক্ষ্মী মহন্তৰ সঞ্চালনাত অনুষ্ঠিত সভাখনিৰ আৰম্ভণিতে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক বিপুল ৰাজকুমাৰে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে বিষয়বস্তুৰ ওপৰত বিস্তাৰিত আলোকপাতৰে বক্তব্য আগবঢ়ায়। সভাত দলংঘাট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া সমীপ কুমাৰ ডেকাই মুখ্য অতিথিৰূপে ভাষণ প্ৰসংগত শিশুসকলক সৰু কালৰ পৰাই অন্ধবিশ্বাস, কু-সংস্কাৰ আদি জ্ঞান প্ৰদানত গুৰুত্ব দিয়াৰ বিষয়ে উল্লেখ কৰে। সাতটা গাঁও পঞ্চায়ত অঞ্চল সামৰি আয়োজিত সভাত সমল ব্যক্তিৰূপে বিষয় শিক্ষক নিৰৱ দাস আৰু বিজ্ঞান শিক্ষক পুলিন বৰাই ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিৰুদ্ধে সবল যুক্তিৰে সংস্কাৰপূৰ্ণ ভাষণ ৰাখে। সভাত কাকমাৰি গাঁও পঞ্চায়তৰ সভাপতি লক্ষ্যজ্যোতি হাজৰিকাই ভাষণ প্ৰসংগত আধুনিক শিক্ষাৰে শিক্ষিত হৈ সমাজখনক আগুৱাই নিয়াত গুৰুত্ব প্ৰদান কৰে। নিজ হাতীচোং গাঁও পঞ্চায়তৰ সভাপতি অভিজিৎ মেধিয়ে ভাষণ প্ৰসংগত সকলোকে সমাজৰ প্ৰতি দায়িত্বশীল হৈ এনে ব্যাধিৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আহ্বান জনায়। মাজ জাজৰি গাঁও পঞ্চায়তৰ সভাপতি মিণ্টু কোঁৱৰ আৰু কুজীডাঁহ জামুগুৰি গাঁও পঞ্চায়তৰ সচিব আব্দুল মান্নান আদিকে ধৰি সেইদিনাৰ সভাখনত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে গ্ৰামাঞ্চলটোৰ ভালেসংখ্যক লোক উপস্থিত থাকে।

বৰপথাৰত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

বৰপথাৰ, ১৬ আগষ্ট ঃ বৰপথাৰত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন। উদ্বোধন কৰে গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই। উল্লেখ্য যে ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা আৰ্দশ অংগনৱাড়ী কেন্দ্ৰটো সম্পূৰ্ণ নতুনকৈ নিৰ্মাণ কৰিছিল সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ নিজা গাঁৱত। বৰপথাৰ মৌজাৰ ৰতনপুৰ গাঁও পঞ্চায়তৰ চাংপুল গাঁৱত নতুনকৈ নিৰ্মাণ কৰা আৰ্দশ অংগনৱাড়ী কেন্দ্ৰটো শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, জিলা সমাজ কল্যাণ বিষয়া, জিলা আৰক্ষী অধীক্ষক, ধনশিৰি মহকুমাধিপতি, ধনশিৰি মহকুমা আৰক্ষী বিষয়া, ধনশিৰি মহকুমা শিশু প্ৰকল্প বিষয়াসহ বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তদুপৰি চাংপুল আৰ্দশ অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত বৃহৎসংখ্যক স্থানীয় ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটোক এক অনন্য মাত্ৰা প্ৰদান কৰে। অদূৰ ভৱিষ্যতে বিধায়ক বিশ্বজিৎ ফুকনে এই অংগনৱাড়ী কেন্দ্ৰটো ৰাজ্যখনৰ ভিতৰতে এক নম্বৰ অংগনবাড়ী কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ মনস্থ কৰাৰ কথা গোলাঘাট জিলাৰ উপায়ুক্তজনে ভাষণ প্ৰসংগত উল্লেখ কৰে। আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটোৰে অঞ্চলটোৰ শিশুসকলৰ শাৰীৰিক বিকাশৰ লগতে শিক্ষাৰ আদিপাঠ গ্ৰহণ কৰাত সহায় কৰিব বুলি মন্তব্য কৰে বিধায়কজনে। আনহাতে, ঠিকাদাৰজনে কম সময়ৰ ভিতৰত আৰ্দশ অংগনৱাড়ী কেন্দ্ৰটো নিৰ্মাণ কৰি শিশুসকলৰ বাবে মুকলি কৰিবলৈ সুবিধা কৰি দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰে ।

নাহৰকটীয়া শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

নাহৰকটীয়া, ১৬ আগষ্ট ঃ নাহৰকটীয়া শাখা সাহিত্য সভাৰ ৬৪ সংখ্যক প্ৰতিষ্ঠা দিৱস যোৱা ১০ আগষ্টত শাখা সাহিত্য সভাৰ কাৰ্যালয়ত পালন কৰে। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে শাখাৰ সভাপতি প্ৰশান্ত কুমাৰ গগৈয়ে। স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে শাখাৰ প্ৰাক্তন সভাপতি মিনতি দত্ত বৰুৱাই। ইয়াৰ পাছতে অনুষ্ঠিত মুকলি অনুষ্ঠান পৰিচালনা কৰে শাখাৰ সভাপতি প্ৰশান্ত কুমাৰ গগৈয়ে। অনুষ্ঠানত শাখাৰ প্ৰাক্তন সভাপতি ক্ৰমে নৰেন চাংমাই, নৰেন্দ্ৰ নাথ গগৈ, হিৰম্বৰ প্ৰসাদ নাহৰ ডেকা, কমল মজুমদাৰ, নোমান নাহৰডেকা, মিনতি দত্ত বৰুৱা, ৰেজিয়া বেগমক সম্বৰ্ধনা জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উপ-সভাপতি নোমল চন্দ্ৰ গগৈ। অতিথি হিচাপে জিলাৰ সম্পাদক পৰমেশ্বৰ নলবৰীয়াও উপস্থিত থাকে। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ জয়ানন্দ বৰুৱা আৰু অজয় সিংহক সম্বৰ্ধনা জনায়। উপস্থিত সকলোৱে নাহৰকটীয়া শাখা সাহিত্য সভাৰ অতীত স্মৃতি ৰোমন্থন কৰে। শাখাৰ প্ৰথমগৰাকী সভাপতি মদন শৰ্মা আৰু সম্পাদক তিলেন্দ্ৰ নাথ মহন্তৰ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত শাখা সাহিত্য সভাখনে আজিৰ স্থানত উপনীত হোৱাত দুয়োগৰাকী ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰে। অনুষ্ঠানত শাখাৰ প্ৰাক্তন সভাপতি তথা ৰামধেনু যুগৰে বিশিষ্ট গল্পকাৰ-প্ৰৱন্ধকাৰ প্ৰয়াত মহেন্দ্ৰ বৰপূজাৰীৰ সোঁৱৰণত শাখাই অনুষ্ঠিত কৰা লিখিত সাহিত্য প্ৰতিযোগিতাৰ গল্প আৰু প্ৰৱন্ধৰ বিজয়ী প্ৰতিযোগীসকলক মানপত্ৰ প্ৰদান কৰি পুৰস্কৃত কৰে। লগতে শাখাৰ আজীৱন সভ্যসকলকো প্ৰমাণপত্ৰ প্ৰদান কৰে। অনুষ্ঠানৰ শেষত সভাপতিৰ মন্তব্যত উল্লেখ কৰে যে নাহৰকটীয়া শাখা সাহিত্য সভাৰ প্ৰত্যেকজন সদস্যই শাখাখনলৈ যথেষ্ট অৱদান আগবঢ়াই গৈছে। সভাপতিসকলৰ উপৰি এইসকলৰ সভাপতিৰ নেতৃত্বত উপ-সভাপতি, সম্পাদক, সহকাৰী সম্পাদক আৰু প্ৰত্যেকজন বিষয়ববীয়াই শাখাখনলৈ অৱদান আগবঢ়াই গৈছে। অনাগত দিনত সকলোৱে সহযোগিতা আৰু গঠনমূলক দিহা-পৰামৰ্শ কামনা কৰে। অনুষ্ঠানত ব্ৰীজমোহন আগৰৱালা, মেঘালী দত্ত শইকীয়া, মঞ্জিতা ভূঞা সন্দিকৈ, জুৰি দেউধাই ফুকন, পঞ্চানন দেৱগোস্বামী আদিকে ধৰি শাখাৰ যথেষ্ট সংখ্যক সদস্য-সদস্যা উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে শাখাৰ সম্পাদক উমানন্দ গগৈয়ে। শেষত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

ধূপধৰাৰ বিকালী মহাবিদ্যালয়ত অসম জনকৃষ্টি সমাজৰ উদ্যোগত ৰাষ্ট্ৰীয় আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

দুধনৈ, ১৬ আগষ্ট ঃ অসম জনকৃষ্টি সমাজৰ সোণালী জয়ন্তীবৰ্ষ উদ্‌যাপনৰ স'তে সংগতি ৰাখি যোৱা ১৩ আগষ্টত ধূপধৰাৰ বিকালী মহাবিদ্যালয়ত অনুষ্ঠিত হয় 'খিলঞ্জীয়া বিশ্বাস আৰু সংস্কৃতি' শীৰ্ষক এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰ। অসম জনকৃষ্টি সমাজ আৰু বিকালী মহাবিদ্যালয়ৰ যৌথ উদ্যোগত বিকালী মহাবিদ্যালয়ৰ সভাগৃহত আয়োজিত আলোচনাচক্ৰত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে অধ্যাপক দিলীপ কলিতাই। ইয়াৰ পাছতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ এটি সমবেত সংগীতেৰে আদৰণি জনায় অতিথিসকলক। ইপিনে, আদৰণি ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে। ইয়াৰ পাছতে অসম জনকৃষ্টি সমাজৰ সভাপতি ড° প্ৰবীণ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় আলোচনাচক্ৰ। আলোচনাচক্ৰত মুখ্য বক্তাৰূপে অংশগ্ৰহণ কৰে পশ্চিমবংগৰ কল্যাণী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি বিভাগৰ মুৰব্বী অধ্যাপক ড° সুজয় কুমাৰ মণ্ডলে। ড° মণ্ডলে অসম আৰু পশ্চিমবংগৰ লোক সংস্কৃতিৰ ওপৰত তথ্য সহকাৰে ভাষণ প্ৰদান কৰে। ইপিনে, আলোচনাচক্ৰৰ মূল বিষয়ক লৈ ভাষণ আগবঢ়ায় গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° বিৰিঞ্চি কুমাৰ মেধিয়ে। ইপিনে, আলোচনাচক্ৰখনত ৭৫গৰাকী গৱেষক, গৱেষিকাই অংশগ্ৰহণ কৰি তেওঁলোকৰ গৱেষণাপত্ৰ দাখিল কৰে বুলি অসম জনকৃষ্টি সমাজৰ সভাপতি ড° প্ৰবীণ চন্দ্ৰ দাসে জানিবলৈ দিয়ে। আনহাতে, অনুষ্ঠানৰ লগত সংগতি ৰাখি বিকালী অঞ্চলৰ দুগৰাকী লোক সংস্কৃতিৰ ধাৰক আৰু বাহক ক্ৰমে কন্দৰ্প ৰাভা আৰু কনক চন্দ্ৰ ৰাভাক সম্বৰ্ধনা জনোৱা হয়। ইপিনে, আলোচনাচক্ৰৰ প্ৰাকক্ষণত অসম জনকৃষ্টি সমাজ আৰু বিকালী মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে ক্ৰমে অসম জনকৃষ্টি সমাজৰ সভাপতি ড° প্ৰবীণ চন্দ্ৰ দাস আৰু বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে। আবেলি সামৰণি অনুষ্ঠানত আলোচনাচক্ৰত অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

ৰঙাপৰাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

বিশেষ সংবাদতা

ৰঙাপৰা, ১৬ আগষ্ট ঃ গৌৰৱোজ্জ্বল স্বাধীনতা দিৱসৰ ৭৫ সংখ্যক উদ্‌যাপন আজাদী কী অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ৰঙাপৰাত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে সফল হোৱা কৃতী ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত নামনি গাঁৱৰ বৌদ্ধ মন্দিৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কাৰ্যসূচীত অঞ্চলটোৰ ১৫ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক প্ৰশংসা পত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। জাগৃতি মহিলা সমিতিৰ সম্পাদিকা বীণা হালৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰে সমাজ সেৱিকা নমিতা ব্ৰহ্মই। ৰঙাপৰা প্ৰেছ ক্লাবৰ উপ-সভাপতি চাহিন আহমেদে আঁত ধৰা সভাত ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতী, ৰঙাপৰা পৌৰসভাৰ পৌৰপতি হৰিসাধন দাস, ৰঙাপৰা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি নগেন বসুমতাৰী, ৰঙাপৰা শাখা সাহিত্য সভাৰ সভাপতি গোবিন্দ দাস, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য উপেন্দ্ৰ কুমাৰ নাথ, লুম্বিনী বৌদ্ধ বিহাৰ পৰিচালনা সমিতিৰ সম্পাদক তপন বৰুৱা, লুম্বিনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উমেশ তালুকদাৰ, সমাজকৰ্মী আব্দুল ৰহিম, অসীম বৰুৱা, জলহা সম্প্ৰদায়ৰ আকবৰ আলী (গ'ল্ডেন), গ্ৰীণডেল ইংৰাজী বিদ্যালয়ৰ উপাধ্যক্ষ কিৰণ চেত্ৰী, ডি ডাইমণ্ড হাৰ্ট ইংৰাজী বিদ্যালয়ৰ অধ্যাপিকা মেহজেবিন নেছা, অৱসৰপ্ৰাপ্ত বন বিষয়া বিকাশ ভৌমিক, প্ৰেমলাল বৰুৱা, চন্দ্ৰপ্ৰভা হিন্দী বিদ্যালয়ৰ শিক্ষক লোকমান আনচাৰী, সঞ্জীৱনী মহিলা সমিতিৰ সম্পাদিকা সৰলা বৈশ্য গ্ৰহণ ডেল ইংৰাজী বিদ্যালয়ৰ শিক্ষক ইমৰান আহমেদৰ লগতে বহু গন্যমান্য ব্যক্তি অংশগ্ৰহণ কৰে। সভাত নিজৰ ভাষণত পৌৰপতি হৰিসাধন দাসে সুখ্যাতিৰে উত্তীৰ্ণ হোৱা আমাৰ সমাজৰ ভৱিষ্যতসকলক সমাজৰ প্ৰতিও দায়বদ্ধ হ'বলৈ আহ্বান জনায়। সভাত নিজৰ বক্তব্যত বিধায়ক কৃষ্ণ কমল তাঁতীয়ে শিক্ষা সিদ্ধ কৰিবলৈ তিনিটা উধানৰ প্ৰয়োজন। সেইকেইটা হ'ল ছাত্ৰ, শিক্ষক আৰু অভিভাৱক। সেই তিনিটা উধানৰ ওপৰত শিক্ষাৰ উপকৰণ পাত্ৰ বহুৱাই সিদ্ধ কৰিয়েই সম্পূৰ্ণ কৰা হয় শিক্ষা। কিন্তু শিক্ষা নামৰ বৃহৎ পাত্ৰটো ধৰি ৰাখিবলৈ প্ৰতিটো উধানেই হ'ব লাগিব সমান শক্তিশালী বুলি তেওঁ উল্লেখ কৰে। সভাত বক্তাসকলে কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি ইতিবাচক দিশেৰে জীৱন বাটত আগুৱাই যাবলৈ পৰামৰ্শ দিয়ে। তদুপৰি কৃতী ছাত্ৰ-ছাত্ৰীসকলক উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ প্ৰাপ্ত ফলাফলত আত্মসন্তুষ্টি লোৱাৰ পৰিৱৰ্তে গুণগত শিক্ষাৰ ক্ষেত্ৰত ধাৰাবাহিকতা বৰ্তাই ৰাখিবলৈ আহ্বান জনায় । শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগোৱাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি শোণিতপুৰ জিলা মহিলা সমিতিৰ উপ-সভানেত্ৰী নমিতা ব্ৰহ্মই উল্লেখ কৰে।

মাজুলীৰ অৰুণোদয় আদৰ্শ মণ্ডল সংগঠনৰ সাধাৰণ সভা ঃ প্ৰতিযোগিতা সম্পন্ন

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৬ আগষ্ট ঃ দেশৰ স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী উন্নয়ন খণ্ডৰ অৰুণোদই আদৰ্শ মণ্ডল সংগঠনৰ বাৰ্ষিক সাধাৰণ সভাখন ১৪ আগষ্টত বনগাঁওস্থিত কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে দুপৰীয়া ১১ বজাত বৰগীতেৰে আৰম্ভ হোৱা সভাখনত প্ৰথমে ভিন্ন গ্ৰাম্য সংগঠনৰ অৰ্ধ শতাধিক মহিলা প্ৰতিযোগীৰ মাজত আকস্মিক বাক প্ৰতিযোগিতা সম্পন্ন হয়। ইয়াৰ পাছতে মণ্ডল সংগঠনৰ সভানেত্ৰী দীপা মহন্তৰ সভানেত্ৰীত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ প্ৰদান কৰে মাজুলী উন্নয়ন খণ্ডৰ অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ খণ্ড প্ৰকল্প পৰিচালক মানস প্ৰতিম দত্তই। মুখ্য অতিথিৰূপে উপস্থিত থাকে মাজুলী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া গৌৰাংগ দত্ত। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ ৰাজ্যিক প্ৰকল্প প্ৰবন্ধক দীপাংকৰ বৰুৱা । আকস্মিক বাক প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে বনগাঁও শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য সূৰ্য কুমাৰ ভূএগ, বিজ্ঞান কৰ্মী কুশদ্বীপ হাটীমতা, চামগুৰি সত্ৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী দ্বীপ শিখা বৰা। নীল কমল গগৈয়ে আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত প্ৰথম স্থান লাভ কৰে বিয়ানামৰ বিষয়ে কোৱা ৰুবী দত্ত শইকীয়াই, দ্বিতীয় স্থান লাভ কৰে বিয়ানামৰ বিষয়ে কোৱা প্ৰতিমা পূজাৰীয়ে, তৃতীয় স্থান লাভ কৰে কৃষি সঁজুলিৰ বিষয়ে কোৱা মৌচুমী শইকীয়া কলিতাই । শতাধিক মহিলাৰ উপস্থিতিত অনুষ্ঠিত সভাখনত মহিলাসকলে পৰিৱেশন কৰা বিয়ানাম আৰু ৰেখা মুদৈৰ কবিতা আবৃত্তিয়ে সকলোকে আপ্লুত কৰে ।

ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত শ্ৰেষ্ঠ স্নাতক বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

চিনামৰা, ১৬ আগষ্ট ঃ দক্ষিণ যোৰহাটৰ ঢেকিয়াজুলি ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস ১৪ আগষ্ট মহাবিদ্যালয়ত উদ্‌যাপন কৰে। তদুপলক্ষে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ উৎপল বৰদলৈয়ে পুৱা পতাকা উত্তোলনেৰে আৰম্ভ কৰা অনুষ্ঠানৰ স্মৃতি তৰ্পণ কৰে প্ৰতিষ্ঠাপক সম্পাদক ভোগেশ্বৰ শইকীয়াই। দিনৰ ৰবজাত অনুষ্ঠিত মুকলি সভাৰ পৌৰোহিত্য কৰে ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল চন্দ্ৰ বৰদলৈয়ে। মহাবিদ্যালয়ৰ অধ্যাপক ড° হিমান্ত প্ৰতিম বৰগোহাঁয়ে উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰা অনুষ্ঠানত বিশিষ্ট আতিথিৰূপে ভাগ লৈ নকছাৰি মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ উত্তম বৰুৱাই ভাষণত মহাবিদ্যালয়ৰ শৈক্ষিক দিশ উত্তৰণত সন্দৰ্ভত তত্বগধুৰ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে ক্ৰমে সমাজকৰ্মী দিলীপ কুমাৰ বৰদলৈয়ে প্ৰতিষ্ঠা কালৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে ভোগেশ্বৰ শইকীয়াই মহাবিদ্যালয়খনৰ বিভিন্ন উন্নয়নৰ সন্দৰ্ভত বক্তব্য ৰাখে। সমজুৱাৰ একাসাৰত ক্ৰমে সমাজকৰ্মী হেমন্তমংগল বৰৰদলৈ আৰু শিক্ষক- শিক্ষয়িত্ৰীৰ ফালৰ পৰা মহাবিদ্যালয়ৰ উপাধ্যক্ষ জোনালী দত্ত ভূএগই বক্তব্য ৰাখে। সভাতেই ২০০৪ৰ পৰাই চলি অহা মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক বঁটা চলিত ২০২২ৰ ভুগোল বিভাগৰ ছাত্ৰী বনমন মাধুৰী দত্তই সৰ্বোচ্চ নম্বৰসহ শ্ৰেষ্ঠ স্নাতক বঁটা লাভ কৰাত নগদ ধন সহ উক্ত বঁটা সভাতেই বিশিষ্ট অতিথি উত্তম বৰুৱাই ছাত্ৰীগৰাকীক প্ৰদান কৰে। শেষত মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক অধ্যাপক সৰোজ শইকীয়াই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

বগুৱান কেওলীয়া হাটীসত্ৰৰ ভকতৰ ৰান্ধনী গৃহৰ দ্বাৰ মুকলি

অগ্ৰদূত বাৰ্তা

মাটিয়া ১৬ আগষ্ট ঃ পশ্চিম গোৱালপাৰাৰ বগুৱান কেওলীয়া হাটীসত্ৰৰ ভকতৰ ৰান্ধনী গৃহৰ অলপতে দ্বাৰ মুকলি কৰা । উল্লেখ্য যে বগুৱান আৰক্ষী থানাৰ অন্তৰ্গত বৃহত্তৰ বগুৱান অঞ্চলৰ উত্তৰ দিশত পেস্কাৰপাৰা গাঁৱত গুৰুজনাই স্থাপন কৰিছিল ঐতিহ্যমণ্ডিত বগুৱান কেওলীয়া হাটীসত্ৰ। অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগে ২০১৯-২০ত বগুৱান কেওলীয়া হাটীসত্ৰলৈ ১০লাখ টকাৰ অনুদান আগবঢ়াইছিল। উক্ত টকাৰে সত্ৰ পৰিচালনা সমিতিয়ে নিৰ্মাণ কৰি উলিওৱা ২.৩২লাখ টকা ব্যয় সাপেক্ষে ভকতৰ ৰান্ধনী গৃহৰ আনুষ্ঠানিকভাৱে যোৱা ১১ আগষ্টত দ্বাৰ মুকলি কৰে জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে। ভকতৰ ৰান্ধনী গৃহৰ দ্বাৰ মুকলিৰ অন্তত অনুষ্টুপীয়াকৈ এখন সভা অনুষ্ঠিত হয়। বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক কমল কৃষ্ণ নাথে আঁত ধৰা সভাখনত জিলা উপায়ুক্তগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগে আগবঢ়োৱা ধনৰ ব্যয় সাপেক্ষে বগুৱান কেওলীয়া হাটীসত্ৰ পৰিচালনা সমিতিয়ে নিৰ্মাণ কৰি উলিওৱা ভকতৰ ৰান্ধনী গৃহ সত্ৰখনৰ এক দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰাৰ লগতে ভক্তসকলো উপকৃত হ'ব। উপায়ুক্তগৰাকীক ভকত আৰু আয়তীৰ নাম কীৰ্তনেৰে আদৰণি জনোৱা হয়। একেদিনাই একে আঁচনিৰে মণিকূট গৃহৰ সৌন্দৰ্যবৰ্ধন আৰু গুৰু আসন প্ৰতিষ্ঠা কৰে অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ প্ৰধানীয়ে। আনহাতে, অহা ২০২৩ৰ ফেব্ৰুৱাৰীত বগুৱান কেওলীয়া হাটীসত্ৰ প্ৰাংগণতে অসম সত্ৰ মহাসভাৰ বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত হ'ব বুলি সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসম মহন্তই বক্তব্যত উল্লেখ কৰে।

মুক্তামণি হাজৰিকা-লক্ষ্মীকান্ত মজুমদাৰ বৰুৱালৈ অশোক বৰগোহাঞি সাংবাদিকতা বঁটা

■ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ অষ্টাদশ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৬ আগষ্ট ঃ অসমৰ বাতৰি কাকতৰ পীঠস্থান উজনিৰ ডিব্ৰুগড় চহৰৰ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব চমুকৈ 'জিডিপিচি'ত অষ্টাদশ প্ৰতিষ্ঠা দিৱস ১৪ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে স্থানীয় সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হৈ যায়। পুৱাৰ ভাগত যুটীয়া সম্পাদক জেচিম আহমেদে আঁত ধৰা অনুষ্ঠানত ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি মনজিৎ বৰাই। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি ৰাজীৱ বৰগোহাঞিয়ে। স্মৃতি তৰ্পণ কৰে সম্পাদক ৰাতুল বৰগোহাঁয়ে। সভাকক্ষৰ চৌহদত এটি নাৰিকলৰ পুলি ৰোপণ কৰে ক্লাবৰ প্ৰাক্তন সভাপতি ভূষণজ্যোতি সন্দিকৈয়ে। ইয়াৰ পিছতে মনজিৎ বৰাৰ সভাপতিত্বত অনুষ্ঠিত ক্লাবৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাই ক্লাবৰ খালী হৈ থকা কাৰ্যকৰী সভাপতি পদত জ্যেষ্ঠ সাংবাদিক, ক্লাবৰ প্ৰতিষ্ঠাপক সদস্য ৰতন হাজৰিকাক আৰু উপ-সভাপতি পদত জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰাক সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰা হয়। আনহাতে, যাদৱ গগৈয়ে আঁত ধৰা প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত মুকলি সভাৰ উদ্বোধন কৰি অসম আদিত্য কাকতৰ মুখ্য সম্পাদক তথা লেখক ডাঃ নিৰ্মল চাহেৱালাই কয় যে সাংবাদিকসকলৰ মাজত প্ৰফেছনেলিজিমৰ অভাৱ ঘটিছে। ক্ষেত্ৰ থকা সত্বেও নিজকে সাংবাদিকসকলে উজলাই তুলিব পৰা নাই। লগতে পৰিৱেশ জাৰ্ণেলিজিমৰো অসমত অভাৱ ঘটিছে। বাঘজান তৈলক্ষেত্ৰৰ ঘটনাৰ উদাহৰণেৰে তেওঁ অসমত পৰিৱেশ ধ্বংসৰ সম্পৰ্কত যিমান সাংবাদিকতাৰ দুৰদৰ্শিতাৰ প্ৰয়োজন আছিল তাৰ অভাৱ ঘটিল বুলিও মন্তব্য কৰে। সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকি স্থানীয় বিধায়ক তথা উপাধ্যক্ষ প্ৰশান্ত কুমাৰ ফুকনে এখন সুস্থ সমাজ গঠন আৰু চৰকাৰ ভঙা-পতাৰ ক্ষেত্ৰত সাংবাদিক-সংবাদপত্ৰৰ ভূমিকাৰ কথা উল্লেখ কৰি এক সুস্থ সাংবাদিকতাই একো একোজন ৰাজনীতিজ্ঞৰ উন্নতিৰ ৰেখাডাল যিদৰে বঢ়াব পাৰে সেইদৰে কমাব পৰাৰো ক্ষমতা আছে বুলি উল্লেখ কৰে। লগতে উজনি অসমৰ সংবাদ ক্ষেত্ৰত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ বিভিন্ন সময়ত সংবাদ ক্ষেত্ৰৰ লগতে বিভিন্ন ক্ষেত্ৰৰ স'তে জড়িত হৈ সমাজলৈ বৰঙণি যোগাই অহাৰ বিষয়ে শলাগ লয়। ক্লাবৰ সভাপতি মনজিৎ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱায়ো শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। ক্লাবৰ সম্পাদক ৰাতুল বৰগোহাঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নৱনিযুক্ত উপাচাৰ্য ড° জিতেন হাজৰিকাক মানপত্ৰ, গামোচা, চেলেং আৰু পিটলৰ জাপি আৰু স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি উক্ত সভাতেই নতুনকৈ ক্লাবে প্ৰৱৰ্তন কৰা অশোক বৰগোহাঞি সোঁৱৰণী সাংবাদিকতা বঁটা ছপা মাধ্যমৰ বাবে 'অসম স্পন্দন' কাকতৰ সম্পাদক লক্ষীকান্ত মজিন্দাৰ বৰুৱাক আৰু বৈদ্যুতিন মাধ্যমৰ বাবে 'ঈশান নিউজ'ৰ যুৱ সাংবাদিক মুক্তামণি হাজৰিকাক নগদ ধন, মানপত্ৰ, গামোচা, চেলেং, স্মাৰক আৰু পিতলৰ জাপি আৰু স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ক্লাবৰ প্ৰাক্তন সম্পাদক সূৰজ দত্তই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া প্ৰশাসনিক পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, ক্লাবৰ উপদেষ্টা তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া, অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ডাঃ শান্তনু লহকৰ, ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি প্ৰবীৰ চক্ৰৱৰ্তী, সম্পাদক অনিল পোদ্দাৰ, আমন্ত্ৰিত অতিথি হিচাপে ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সভাপতি উদয়ন গগৈ, যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ প্ৰিয়ব্ৰত গোহাঁই, উপ-সভাপতি বিভাস দুৱৰা, উপদেষ্টা ৰাজীৱ বৰগোহাঁই, ভূষণজ্যোতি সন্দিকৈ, মনোৰঞ্জন হাজৰিকাকে ধৰি 'জিপিডিপি', ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাংবাদিকসকলৰ লগতে দুইশতাধিক ৰাইজ উপস্থিত থাকে।

সৰ্বাধিক ৰাজ্যিক কৰদাতা বিশ্বনাথৰ মৃগেন ভাগৱতী

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৬ আগষ্ট ঃ জিলাখনৰ সৰ্বাধিক ৰাজ্যিক কৰদাতা হিচাবে বিবেচিত হৈছে বিশ্বনাথ চাৰিআলিৰ মৃগেন ভাগৱতী। তেওঁ ৰাজ্যিক বাৰ্ষিক কৰদাতা হিচাবে নিৰ্বাচিত হোৱাটো গৌৰৱৰ বিষয় হিচাবে পৰিগণিত হৈছে বিশ্বনাথত। বিশ্বনাথ চাৰিআলিৰ ৰিলায়েন্স পেট্ৰ'ল ডিপ'ৰ স্বত্বাধিকাৰী মৃগেন ভাগৱতীয়ে ১৩কোটিৰো অধিক ৰাজ্যিক কৰ পৰিশোধ কৰে। দেশৰ স্বাধীনতা দিৱসৰ দিনা জিলা কৰ আয়ুক্ত খগেন চন্দ্ৰ শৰ্মাই তেওঁক ৰাজ্যিক কৰ বিভাগৰ ফালৰ পৰা জিলা ভিত্তিত শ্ৰেষ্ঠ কৰদাতা হিচাবে বিবেচিত হোৱাৰ বাবে সন্মান প্ৰদৰ্শন কৰি এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনাইছে। ভাগৱতী বিশ্বনাথৰ বিশিষ্ট সমাজকৰ্মী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক জিতেন ভাগৱতীৰ পুত্ৰ। মৃগেন ভাগৱতীয়ে প্ৰায় সুদীৰ্ঘ ২৭ বছৰ ধৰি বিভিন্ন ব্যৱসায় কৰি বিশ্বনাথ চাৰিআলিত ২০১৭ত ৰিলায়েন্স পেট্ৰ'ল পাম্প প্ৰতিষ্ঠা কৰে। বিশ্বনাথ চাৰিআলিৰ বিভিন্ন সামাজিক কাম-কাজত ভাগৱতীৰ এই সফলতাত অভিনন্দন জ্ঞাপন কৰিছে বিভিন্নজনে।

গোৱালপাৰাৰ বালিজানাত 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে বিশেষ সম্বৰ্ধনা সভা।

ছপা গ্ৰন্থৰ গোন্ধ কেতিয়াও নাইকিয়া হ'ব নোৱাৰে ঃ গ্ৰন্থাগাৰিক দিবসত উপায়ুক্ত

■ গোলাঘাট জিলা গ্ৰন্থাগাৰিক সংস্থাৰ উদ্যোগত 'গ্ৰন্থাগাৰিক দিবস' পালন

অগ্ৰদূত বাৰ্তা

বৰুৱাবামুনগাঁও, ১৬ আগষ্ট ঃ 'প্ৰযুক্তিৰ উন্নতিয়ে অন্যান্য ক্ষেত্ৰৰ লগতে গ্ৰন্থৰ পৃথিৱীখনলৈ আৰু পৰিৱৰ্তন আনিছে, ১৩ আগষ্টত ডিজিটেল মাধ্যমত চলা তথ্য বিপ্লৱে গ্ৰন্থৰ জগতখন তথা পুথিভঁৰালসমূহলৈ এক অভূতপূৰ্ব পৰিৱৰ্তনৰ ধাৰা বোৱাই দি এক নতুন বাতাবৰণৰ সৃষ্টি কৰিছে। কিন্তু প্ৰযুক্তিবিদ্যাই গ্ৰন্থৰ নিজা যি গোন্ধ তাক দিবও নোৱাৰে, মৃত্যু ঘটাবও নোৱাৰে।' গোলাঘাট জিলা গ্ৰন্থাগাৰ সন্থাই নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা গ্ৰন্থাগাৰিক দিবসৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই কালি এইদৰে কয়। তেওঁ লগতে কয় যে জ্ঞান অৰ্জনৰ বাবে গ্ৰন্থ অধ্যয়নৰ একান্ত প্ৰয়োজন। সংস্থাৰ সভাপতি জিতেন্দ্ৰ বৰাৰ সঞ্চালনাত আৰু সম্পাদক সঞ্জয় কুমাৰ হাজৰিকাই আঁতধৰা মুকলি সভাত উপায়ুক্তই সকলোকে গ্ৰন্থাগাৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সংস্থাৰ সভাপতি শ্ৰীমন্ত মাধৱ বৰাই মুকলি সভা উদ্বোধন কৰাৰ লগতে গ্ৰন্থাগাৰিক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী সংগীতা শইকীয়া ৰাভাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা সভাখনত অধ্যক্ষ মহেন শইকীয়াই আদৰণি ভাষণ আগবঢ়ায়। জেডিএছজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সুবক্তা গোপিকানন্দ শইকীয়াই 'অধ্যয়নৰ অভ্যাস গঢ় দিয়াত বিদ্যালয়ৰ পুথিভঁৰালৰ ভূমিকা' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। ড° দীপা বৰুৱাই গ্ৰন্থাগাৰ সংস্থাৰ বিষয়ে আলোকপাত কৰাৰ লগতে ড° জ্ঞানদীপ শইকীয়াই ডিজিটেল লাৰ্ণিং বিষয়ত বক্তব্য আগবঢ়ায়। এই সভাতে ৰচনা প্ৰতিযোগিতাৰ বিজয়ী ১১ গৰাকী ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ প্ৰদান কৰা হয়।



নাওবৈচা কনিষ্ঠ মহাবিদ্যালয়ৰ ধৰ্মালোচনী সভাত আউনী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী।

প্ৰাক্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদলৈ মৰণোত্তৰভাৱে 'ভাওনা প্ৰদীপ' বঁটা

■ মাজুলী জিলা সাংস্কৃতিক মহাসভাৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৬ আগষ্ট ঃ অসমৰ পৰা ভাৰতৰ ৰাষ্ট্ৰপতি পদ অলংকৃত কৰা প্ৰথমগৰাকী অসমীয়া প্ৰয়াত ফখৰুদ্দিন আলি আহমেদৰ সবল নেতৃত্বত ১৯৭৫ত মাজুলীৰ পৰা গুৰুজনাৰ 'ৰামবিজয়' নাট সুদূৰ ইণ্ডোনেছিয়াত প্ৰদৰ্শন কৰোৱাই যি শ্ৰদ্ধা-ভক্তি আৰু সত্ৰীয়া সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাট মুকলি কৰিলে তথা বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিলে সি এতিয়া সঁচা অৰ্থত বিশ্বৰ দৰবাৰত গজগজীয়া হ'ল। মাজুলীত একমাত্ৰ ৰাষ্ট্ৰপতি হিচাপে পদাৰ্পণ কৰা এইগৰাকী বৰেণ্য ব্যক্তিকেই মৰণোত্তৰভাৱে প্ৰদান কৰা হ'ব 'ভাওনা প্ৰদীপ' বঁটা। যোৱা আঠ মে'ত সত্ৰ নগৰী মাজুলীৰ কমলাবাৰী একাডেমীৰ সভাকক্ষত প্ৰভাত বৰা বুঢ়াভকতৰ সভাপতিত্বত অনুষ্ঠিত মাজুলী জিলা সাংস্কৃতিক মহাসভাৰ এক গুৰুত্বপূৰ্ণ সভাত এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত যোৱা ১৪ আগষ্টত এক নম্বৰ কমলাবাৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ কাৰ্যকৰী সভাত অহা ১৬ অক্টোবৰত মৰণোত্তৰভাৱে অসমৰ পৰা ভাৰতৰ ৰাষ্ট্ৰপতি পদ অলংকৃত কৰা প্ৰথমগৰাকী অসমীয়া তথা অসমৰ সত্ৰীয়া সংস্কৃতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ আত্মত্যাগ কৰা প্ৰয়াত ফখৰুদ্দিন আলি আহমেদক 'ভাওনা প্ৰদীপ' বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মাজুলী জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতৰ সভাপতিত্বত অনুষ্ঠিত সভাত উক্ত বঁটা প্ৰদান অনুষ্ঠানত বৰ্তমান সময়ৰ এটি গুৰুত্বপূৰ্ণ আধ্যাত্মিক ভাবাদৰ্শৰ গুৰুত্বপূৰ্ণ বিষয় দিহানামৰ প্ৰতিযোগিতাৰো আয়োজন কৰিছে। আলোচনাচক্ৰত অসমৰ এগৰাকী উল্লেখযোগ্য ব্যক্তি সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠান উদ্‌যাপনৰ বাবে বিশিষ্ট সমাজকৰ্মী শিক্ষক গুণেশ্বৰ গায়নক সভাপতি আৰু সমাজকৰ্মী ফিজু দত্তক সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰে। মাজুলী জিলা সাংস্কৃতিক মহাসভাৰ সাধাৰণ সম্পাদক দীপক বৰুৱাই আঁত ধৰা সভাত পুব মাজুলী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অৰূপ কুমাৰ বৰা, ধ্ৰুৱজ্যোতি বৰা, দিব্যজ্যোতি শইকীয়া, উৎপল বৰা, উৎপল কৌশিক শইকীয়া, সত্যেন দত্ত আদি উপস্থিত থাকে।

তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত বিভাজনৰ বিভীষিকা স্মৃতি দিৱস পালন

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৬ আগষ্ট ঃ তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত পৰহি স্বাধীনতাৰ আজাদী কা অমৃত মহোৎসৱ উপলক্ষে বিভাজনৰ বিভীষিকা স্মৃতি দিৱস পালন কৰা হয় । আজি দিনৰ ১১ বজাত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আৰম্ভ হোৱা অনুষ্ঠানৰ আঁত ধৰে সহকাৰী শিক্ষক দ্বিজেন দাসে। বিভাজনৰ বিভীষিকা স্মৃতি দিৱসৰ উদ্দেশ্য ব্যাখ্যা কৰে অতিৰিক্ত উপায়ুক্ত ডাঃ বেদাংগ তালুকদাৰে । দিৱসটিৰ মূল বিষয় বস্তুৰ ওপৰত আলোকপাত কৰে গোৰেশ্বৰ মহাবিদ্যালয়ৰ প্ৰবক্তা দীপক বাজুগায়ে। তেওঁ দেশ স্বাধীনতাৰ পূৰ্বৰ ভয়াবহ বিভীষিকাময় দিনৰ ঘটনাৰাজি উপস্থিতসকলৰ মাজত সুন্দৰ ভাৱে ব্যাখ্যা কৰে । বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে মুখ্য অতিথিৰ আসন অলংকৃত কৰি দেশৰ বিভাজনৰ বিভীষিকাময় দিনৰ স্মৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলক সভা-সমিতিত অংশগ্ৰহণ কৰি সকলো বিষয়বস্তু ভালদৰে শিকি যাবলৈ আহ্বান জনায়। সভাত মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভা, তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাস,অতিৰিক্ত উপায়ুক্ত কোকিলা গগৈ, সহকাৰী আয়ুক্ত বিভাস পাঠক, প্ৰীতম ঠাকুৰীয়া, তামুলপুৰ মহকুমা সদৰৰ মহকুমাধিপতি ৰামানুজ হাজৰিকা, তামুলপুৰ উচ্চতৰ মাধামিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকা, উপাধ্যাক্ষ দিলীপ বড়ো বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে । বিভাজনৰ বিভীষিকা স্মৃতি দিৱস উপলক্ষে এখন প্ৰদৰ্শনীৰ শুভ উদ্বোধন কৰে বিটিআৰৰ প্ৰধান প্ৰমোদ বড়োৱে। সভাত তামুলপুৰৰ দুগৰাকী স্বাধীনতা সংগ্ৰামীৰ পত্নীকো তামুলপুৰ জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয় ।

বৰপেটা জিলা প্ৰশাসনৰ বিশেষ অনুষ্ঠান

বিশেষ সংবাদদাতা

বৰপেটা, ১৬ আগষ্ট ঃ আজাদী কা অমৃত মহোৎসৱৰ অংশস্বৰূপে পৰহি বৰপেটা জিলা প্ৰশাসনে বৰপেটা আৰক্ষীৰ সহযোগত স্বাধীনতা সংগ্ৰামী তথা সৈনিক শিল্পী ব্ৰজনাথ শৰ্মাৰ স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰে। ব্ৰজনাথ শৰ্মাৰ জন্ম গাঁও বৰপেটা জিলাৰ শিলাত অনুষ্ঠিত হয় স্মৃতিচাৰণ সভা। সাংস্কৃতিক আৰু শক্তিমন্ত্ৰী নন্দিতা গৰ্লোচাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা স্মৃতিচাৰণ সভাত অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষীকেশ গোস্বামীয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। স্মৃতিচাৰণ সভাত ব্ৰজনাথ শৰ্মাৰ কৃতি-কৰ্মৰ বিষয়ে আলোকপাত কৰে মন্ত্ৰী নন্দিতা গৰ্লোচাই। গোস্বামীয়ে স্মৃতিচাৰণ সভাত কয় যে দেশক ভাল পোৱাটো সহজ কথা নহয়। দেশৰ প্ৰতি ভাল পোৱা প্ৰদৰ্শন কৰিবলৈ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিব লাগিব। লগতে ব্ৰজনাথ শৰ্মাৰ বিষয়ে নতুন প্ৰজন্মই বহু কথা জনাৰ দৰকাৰ আছে বুলি তেওঁ মন্তব্য কৰে। স্মৃতিচাৰণ সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰ আৰু ধ্ৰুৱ পাঠকেও ভাষণ দিয়ে। শক্তি আৰু সাংস্কৃতিক মন্ত্ৰী গৰ্লোচাই অনুষ্ঠান প্ৰসংগত উল্লেখ কৰে যে এইবেলি দেশৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তিৰ আজাদী কা অমৃত মহোৎসৱৰ অংশস্বৰূপে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহুল প্ৰচাৰ-প্ৰসাৰ লাভ নকৰা স্বাধীনতাৰ মুক্তিযুঁজাৰুসকলক সশ্ৰদ্ধা স্মৰণ কৰা হয়। সেই মৰ্মে পৰহি সৈনিক শিল্পী ব্ৰজনাথ শৰ্মাৰ স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়।

তামুলপুৰত ই-ৰিক্সা চালকৰ সজাগতা সমদল

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৬ আগষ্ট ঃ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি ১৪ আগষ্টত তামুলপুৰ জিলা সদৰত তামুলপুৰ ই-ৰিক্সা সন্থাই এক বিশাল সজাগতা সমদল উলিয়ায় । তামুলপুৰ জিলা সদৰৰ ঘগ্ৰাচ'কৰ পৰা আৰম্ভ হোৱা ই-ৰিক্সা সমদলটো ই-ৰিক্সা চালকসকলে হৰ ঘৰবন্দে, হৰ ঘৰ ত্ৰিৰংগা, ভাৰত মাতা কী জয় আদি শ্ল'গান দি তামুলপুৰৰ ৰাজপথ মুখৰিত কৰি তোলে । তামুলপুৰ জিলা সদৰৰ বিভিন্ন প্ৰান্ত পৰিভ্ৰমণ কৰি জিলা সদৰ মটঙাচ'কত সমদলটোৰ সামৰণি পৰা পৰহি ই-ৰিক্সা সমদলটোত তামুলপুৰ বিভিন্ন প্ৰান্তৰ প্ৰায় পাঁচশ ই-ৰিক্সা চালকে অংশগ্ৰহণ কৰে। ইপিনে, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এন চি চি কেডাৰসকলেও কালি পুৱা তামুলপুৰৰ ৰাজপথত এক সজাগতা সমদল উলিয়ায়। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা এন চি চি কমানণ্ডেন্ট ভূপেন ৰাভাৰ নেতৃত্বত স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত উলিওৱা সজাগতা সমদলটোত বিদ্যালয়খনৰ প্ৰায় ৮০ জন এন চি চি কেডাৰসকলে ভাৰত মাতা কী জয়, হৰ ঘৰ ত্ৰিৰংগা, বন্দে মাতৰম আদি ধ্বনিৰে তামুলপুৰৰ ৰাজপথ মুখৰিত কৰি তোলে।

বৰপথাৰত আৰ্দশ অংগনৱাড়ী কেন্দ্ৰ উদ্ধোধন

অগ্ৰদূত বাৰ্তা

বৰপথাৰ, ১৬ আগষ্ট ঃ বৰপথাৰত আৰ্দশ অংগনৱাড়ী কেন্দ্ৰ উদ্ধোধন। উদ্বোধন কৰে গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই। উল্লেখ্য যে ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা আৰ্দশ অংগনৱাড়ী কেন্দ্ৰটো সম্পূৰ্ণ নতুনকৈ নিৰ্মাণ কৰিছিল সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ নিজা গাঁৱত। বৰপথাৰ মৌজাৰ ৰতনপুৰ গাঁও পঞ্চায়তৰ চাংপুল গাঁৱত নতুনকৈ নিৰ্মাণ কৰা আৰ্দশ অংগনৱাড়ী কেন্দ্ৰটো শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, জিলা সমাজ কল্যাণ বিষয়া, জিলা আৰক্ষী অধীক্ষক, ধনশিৰি মহকুমাধিপতি, ধনশিৰি মহকুমা আৰক্ষী বিষয়া, ধনশিৰি মহকুমা শিশু প্ৰকল্প বিষয়াসহ বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তদুপৰি চাংপুল আৰ্দশ অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত বৃহৎসংখ্যক স্থানীয় ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটোক এক অনন্য মাত্ৰা প্ৰদান কৰে। অদূৰ ভৱিষ্যতে বিধায়ক বিশ্বজিৎ ফুকনে এই অংগনৱাড়ী কেন্দ্ৰটো ৰাজ্যখনৰ ভিতৰতে এক নম্বৰ অংগনবাড়ী কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ মনস্থ কৰাৰ কথা গোলাঘাট জিলাৰ উপায়ুক্তজনে ভাষণ প্ৰসংগত উল্লেখ কৰে। আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটোৱে অঞ্চলটোৰ শিশুসকলৰ শাৰীৰিক বিকাশৰ লগতে শিক্ষাৰ আদিপাঠ গ্ৰহণ কৰাত সহায় কৰিব বুলি মন্তব্য কৰে বিধায়কজনে। আনহাতে, ঠিকাদাৰজনে কম সময়ৰ ভিতৰত আৰ্দশ অংগনৱাড়ী কেন্দ্ৰটো নিৰ্মাণ কৰি শিশুসকলৰ বাবে মুকলি কৰিবলৈ সুবিধা কৰি দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰে ।

বিশ্বনাথ নগৰৰ ক্লক টাৱাৰৰ সমীপৰ ত্ৰিমূৰ্তি উদ্যানত স্থানীয় বিধায়ক প্ৰমোদ বৰঠাকুৰৰ বন্তি প্ৰজ্জ্বলন

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৬ আগষ্ট ঃ বিশ্বনাথ চাৰিআলি পুৰোধা ব্যক্তি তথা স্বাধীনতা সংগ্ৰামী অগ্নিকবি কমলা কান্ত ভট্টাচাৰ্য, লক্ষীধৰ শৰ্মা আৰু দীনানাথ শৰ্মাৰ আৱক্ষ মূৰ্তিত আজি পুৱাই বিশ্বনাথ সমষ্টিৰ জনপ্ৰিয় বিধায়ক প্ৰমোদ বৰঠাকুৰে নিজ পৰিয়ালক লগত লৈ পুষ্পাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন কৰি ব্যক্তিসকলক স্মৰণ কৰে। বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত প্ৰতি বছৰে ১৫ আগষ্ট আৰু ২৬ জানুৱাৰীত স্থানীয় বিধায়ক প্ৰমোদ বৰঠাকুৰ এইদৰে স্মৰণ কৰি আহিছে। কেৱল বিধায়ক প্ৰমোদ বৰঠাকুৰে নহয়, বিধায়কজনৰ পত্নী পৰি বৰঠাকুৰেও এই ত্ৰিমূৰ্তিত বন্তি প্ৰজ্জ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি অৰ্পণ কৰি পুৰোধা ব্যক্তিক স্মৰণ কৰে। ইয়াৰ পাছতে বিধায়কজনে স্বাধীনতা দিৱস উপলক্ষে বিশ্বনাথৰ বিভিন্ন স্থানত পতাকা উত্তোলন কৰিবলৈ ৰাওনা হয়।

জন্ম দিনৰ উপহাৰ

HAPPY BIRTHDAY

ঝৰ্ণালী শৰ্মা বৰকটকী

পুৱাৰে পৰা কণমানি চিকমিকৰ মনটো উগুল-থুগুল লাগি আছে। তাই সকলোকে মন কৰিছে কোনেও তাইক জন্মদিনৰ আৰ্শীবাদ দিয়া নাই, পাহৰিলে নেকি বাৰু? কোনেও নিদিলেও অন্ততঃ আইতাকে দিব লাগিছিল, তাইক ইমান মৰম কৰে টোপ এটা পৰিব নিদিয়ে। চিকমিকৰ কণমানি মনটোক এই কথাবোৰে ভাবুক কৰি পেলালে। 'চিকমিক স্কুল যাবৰ হ'ল নহয় কি কৰি আছা ওলোৱা আকৌ' চিকমিকক মাকে চিঞৰি চিঞৰি কোৱা কথাবোৰ তাই যেন শুনাই নাই এনে ভাবত বহি থাকিল। 'চিকমিক' মাকে আকৌ মাতিলে। এইবাৰ তাই দৌৰি মাকৰ ওচৰলৈ আহিলে আৰু ক'লে 'আজি কিমান তাৰিখ তুমি জানানে মা, মোৰ যে আজি জন্মদিন তোমালোক সকলোৱে পাহৰিলা ন' এই বুলি কৈ কান্দিবলৈ ধৰিলে। চিকমিকৰ কান্দোন শুনি আইতাক, দেউতাক সকলো তাইৰ ওচৰলৈ আহিল। দেউতাকে তাইক কোলাত ল'লে আৰু ক'লে 'তোমাক কোনে ক'লে আমি তোমাৰ জন্মদিন পাহৰিলো বুলি। তোমাৰ বাবে আইতাই পুৱাই নামঘৰত চাকি দিছে, মায়ে পায়স বনাইছে গোসাঁইৰ ওচৰত দিবলৈ। নাপাই নহয় কান্দিব, যোৱা এতিয়া ভাল ছোৱালীৰ দৰে স্কুল যোৱা।' 'তেতিয়াহলে মোক কোনেও একো কোৱা নাই কিয়, আৰু মোৰ জন্মদিনৰ উপহাৰটো কি হ'ব।' চিকমিকৰ কথা শুনি মাকে ওলাই আহি ক'লে 'তুমি এতিয়া স্কুল যোৱা, আমি গধূলি তোমাক উপহাৰ দিম। আৰু শুনা তোমাৰ পৰীক্ষা পালেহিয়েই নহয় ভালদৰেই স্কুলত সকলোবোৰ লিখি আনিবা।' মাকৰ কথামতে তাই ধুনীয়াকৈ হাঁহি হাঁহি স্কুললৈ ওলাই গ'ল। বুকুত তাইৰ হেজাৰটা প্ৰশ্ন, কি এনে উপহাৰ আজি তাইক ঘৰখনে দিব? চিকমিকে স্কুলত গৈও ভাবিবলৈ ধৰিলে। তাকে দেখি লগৰ পাহীয়ে সুধিলে 'অ' চিকমিক আজি তোমাৰ জন্মদিন নহয়! 'Happy birthday to you', বুলি কৈ চিকমিকক পাহীয়ে সাবটি ধৰিলে। আৰু নানান প্ৰশ্ন কৰিলে। জন্মদিন পাতিছে নে নাই, মাক দেউতাকে জন্মদিনৰ কি উপহাৰ দিলে ইত্যাদি ইত্যাদি। তাই সকলোকে খুউব সুন্দৰভাৱে ক'লে যে তাইক আজি আটাইতকৈ ডাঙৰ উপহাৰটো মাক, দেউতাকে দিব। কাৰণ তাই মাক দেউতাকক ভালদৰে বুজি পায়। কিমান মৰম কৰে, কোনোবাই তাইৰ বিপক্ষে এষাৰ কথা ক'লেও মাকে শুনিব নিবিচাৰে, বৰঞ্চ মাকে যি উত্তৰ দিয়ে সেয়া শুনি একো নোকোৱাকৈ গুচিহে যায়। কিয়নো নকৰিব মাকে তাইক বিশ্বাস? আজিলৈকে ফাকি দিয়া নাই, মাকে যি কয় তাকে কৰে। স্কুলৰ পৰা আহি মাকৰ লগত শোৱে, সাধুকথা শুনে আৰু বহুত কিবাকিবি বহুত কথা পাতে, যিবোৰ কথা তাই দেউতাকক ক'ব নোৱাৰে। চিকমিকৰ মাকে কবিতা লিখে, গল্প লিখে আৰু বহুত কিবাকিবি লিখি থাকে তাই সেইবোৰ পঢ়িবলৈ চেষ্টা কৰে। তাকে চাই চাই তাই লিখিবলৈ চেষ্টা কৰে, কিন্তু অসমীয়াত নহয় ইংৰাজীত নতুবা হিন্দীত। মাকক দেখুৱাই 'চোৱা মা মই কি লিখিলো' মাকে চায় আৰু হাঁহি এটা মাৰি কোলাত বহুৱাই কয়' মাজনি বহুত ধুনীয়া লিখিছা, কিন্তু অসমীয়াত লিখিবা দেই, তোমালোকে যদি অসমীয়া ভাষাটো নিশিকা কোনে শিকিব কোৱা 'চিকমিকে তপৰাই কৈ উঠে' মা মই ডাঙৰ হ'লে ৰাছিয়া যাম তাত চাকৰি কৰিম অসমত নাথাকো নহয়। ক্ৰমশঃ

ভগৱান শ্ৰীকৃষ্ণৰ জন্ম



কুলদীপ শইকীয়া

মথুৰাত কংস নামৰ এজন অত্যাচাৰী ৰজাই ৰাজত্ব কৰিছিল। তেওঁ মথুৰাৰ প্ৰজাৰ ওপৰত অনেক অত্যাচাৰ কৰিছিল। মথুৰাৰ ৰজা কংসই তেওঁৰ ভনীয়েক দৈৱকীৰ বিয়া ৰজা বসুদেৱৰ লগত পাতি দিলে। বিয়াৰ দিনা ৰজা কংসই তেওঁৰ ভনীয়েক দৈৱকী আৰু বসুদেৱক ৰথত উঠাই নিজে ৰথ চলাই লৈ গৈছিল। সেই সময়ত আকাশত অকাশবাণী হ'ল যে— 'তই যি নিজ ভনী দৈৱকীক ৰজা বসুদেৱৰ লগত বিয়া পাতিছে, সেই দৈৱকী আৰু বসুদেৱৰ অষ্টম পুত্ৰই তোক বধ কৰিব।' এই আকাশবাণী শুনি কংসই দৈৱকীক কাটিবলৈ খেদি গ'ল। তাকে দেখি বসুদেৱে কংসক কথা দিলে যে— 'দেৱকীৰ গৰ্ভত জন্ম হোৱা প্ৰতিটো শিশুকে কংসৰ হাতত তুলি দিব।' ইফালে কংসই দৈৱকী, বসুদেৱ আৰু পিতাক উগ্ৰসেনক পোতাশালত বন্দী কৰি থ'লে। কংসই এটা এটাকৈ দৈৱকীৰ জন্ম হোৱা সাতটা শিশুক পোতাশালৰ বেৰত আচাৰি মাৰি পেলালে। দৈৱকীৰ অষ্টম পুত্ৰ জন্ম হোৱাৰ সময় আহি গ'ল। অষ্টম পুত্ৰ জন্ম হোৱাৰ সময় আছিল ভাদ মাহ। কৃষ্ণপক্ষৰ অষ্টমী তিথিৰ নিশা। ধাৰাসাৰ শিল, বৰষুণ দি আছিল। পোতাশালৰ প্ৰহৰীবিলাক টোপনিত শুই পৰিল। সেই সময়তে পোতাশালৰ ভিতৰত ভগৱান বিষ্ণুৱে দৈৱকীৰ গৰ্ভত ভগৱান বিষ্ণুৰ অষ্টম অৱতাৰ কৃষ্ণৰূপে জন্মগ্ৰহণ কৰিলে। বসুদেৱ আৰু দৈৱকীৰ হাতৰ পৰা শিকলি নিজে নিজে খোল খাই গ'ল। দৈৱকীৰ কোলাত থকা শিশুটোৱে বসুদেৱ আৰু দৈৱকীৰ আগত শংখ, চক্ৰ, গদা, পদ্ম এই চতুৰ্ভুজ ৰূপত ভগৱান বিষ্ণু হৈ আবিৰ্ভাৱ হ'ল। এই দৃশ্য দেখি বসুদেৱ আৰু দৈৱকীয়ে চতুৰ্ভজৰূপী ভগৱান বিষ্ণুক প্ৰণাম জনালে। বসুদেৱ আৰু দৈৱকীয়ে অনেক প্ৰাৰ্থনা জনোৱাত ভগৱান বিষ্ণুৱে নিজৰ চতুৰ্ভুজ ৰূপ ত্যাগ কৰি পুনৰ এক কেঁচুৱা হৈ দৈৱকীৰ কোলাত শুই থাকিল। বসুদেৱে অষ্টম শিশুটো কোলাত লৈ গকুললৈ যাব ধৰিলে। বসুদেৱ যেতিয়া যমুনা নদীৰ পাৰত থিয় হ'ল, তেতিয়া শিয়াল এটাই যমুনা নদীৰ মাজেদি বাট দেখুৱাই লৈ গ'ল। বসুদেৱৰ মূৰত বৰষুণ নপৰাকৈ বাসুকী নাগে ছাতিৰ দৰে ফণা মেলি ধৰিলে। গকুলৰ গুৱালসকলৰ ৰজা আছিল নন্দ আৰু তেওঁৰ পত্নীৰ নাম যশোদা। নন্দ আৰু যশোদাৰ ঘৰত যোগমায়া নামেৰে এজনী কন্যাৰ জন্ম হৈছিল। বসুদেৱে শিশু কৃষ্ণক যশোদা শুই থকাৰ কাষতে শুৱাই থৈ নন্দ আৰু যশোদাৰ জীয়েক যোগমায়াক লৈ মথুৰা পালেহে। ইয়াৰ পাছত অত্যাচাৰী ৰজা কংসই দৈৱকীৰ হাতৰ পৰা কেঁচুৱা কন্যাজনীক মাটিত থেকেচি মাৰিবলৈ ধৰোতে কেঁচুৱা কন্যাজনী আকাশত অষ্টভুজা যোগমায়া দেৱী হৈ ক'লে যে— 'তোৰ মহাশত্ৰুৱে জন্ম লৈছে। তোৰ মৃত্যু দৈৱকীৰ সেই অষ্টম পুত্ৰৰ দ্বাৰাই হ'ব।' ইয়াৰ পাছত গৰ্গ ঋষিয়ে নন্দ আৰু যশোদাৰ ঘৰলৈ আহি নামকৰণ কৰি নন্দ আৰু যশোদাৰ পুত্ৰৰ নাম ৰাখিলে শ্ৰীকৃষ্ণ আৰু বসুদেৱৰ আন এগৰাকী পত্নী ৰোহিণী দেৱীৰ পুত্ৰৰ নাম ৰাখিলে বলৰাম। অকণিহঁত এই বলৰাম হ'ল প্ৰকৃততে ভগৱান বিষ্ণুৱে বৈকুণ্ঠত যাৰ ওপৰত শয়ন কৰি থাকে সেই অনন্ত নাগ। এনেকৈয়ে ভগৱান শ্ৰীকৃষ্ণৰ জন্ম হৈছিল।

মুকুতা আৰু সোণৰ বান্ধোন

মুকুতা আৰু সোণ দুয়ো দুটি অনাথ শিশু। চহৰৰ সিমূৰে থকা অনাথ আশ্ৰমখনত দুয়ো থাকে। মুকুতা আৰু সোণ একেবাৰে নলে গলে লগা, এটাক এৰি আনটো থাকিবই নোৱাৰে। সিহঁতে থকা আশ্ৰমখনৰ পৰিচালনাৰ লগতে সমস্ত দায়িত্ব বহন কৰা বাইদেউ গৰাকী বৰ ভাল । সিহঁতে সকলোকে বৰ মৰম কৰে। মুকুতা আৰু সোণে মালা বাইদেউৰ মুখৰ পৰাই শুনিছে সিহঁতৰ আশ্ৰমলৈ অহাৰ কাহিনী। মুকুতাক মোমায়েকে আশ্ৰমত থৈ গৈছিলহি আৰু একেদিনাই মালা বাইদেউয়ে ৰাস্তাত কান্দি থকা অৱস্থাত পাই সোণক লৈ আহিছিল তেওঁৰ আশ্ৰমখনলৈ। সেয়া আজিৰ পৰা আঠ বছৰৰ আগৰ কথা...। এতিয়া সিহঁতে স্কুললৈ যায়। সময়মতে পঢ়া-শুনা কৰাৰ লগতে স্কুল আৰু আশ্ৰমত পালন কৰা বিভিন্ন দিৱস, আ-অনুষ্ঠানত আগভাগ লয়। সকলো মিলিজুলিয়েই আশ্ৰমৰ কামবোৰো সমাধা কৰে। আশ্ৰমৰ প্ৰতিজন আৱাসীৰ মাজত আছে অন্তৰৰ এৰাব নোৱাৰা এডাল অদৃশ্য ডোলো।

সকলো ঠিকেই চলি আছিল। সেইদিনা আছিল ১৫ জুলাই। আশ্ৰমলৈ গহীন খোজেৰে সোমাই আহিল মুকুতাৰ মোমায়েকজন। আহিয়েই নানান ছলাহী কথা কৈ তেওঁ এনে দেখুৱালে যে তেওঁ মুকুতাক সঁচাকৈ বৰ ভাল পায়। মালা বাইদেউয়ে ভালেই পাইছে। অন্ততঃ মুকুতাক বিচাৰি তাৰ নিজৰ মানুহ এজন আহিছে। অলপ পৰ পাছত মোমায়েকে লাহেকৈ ক'লে, 'বাইদেউ, এই ৩০ তাৰিখে মই মুকুতাক ঘৰলৈ একেবাৰে লৈ যাম বুলি ভাবিছো।'

মোমায়েকৰ কথা শুনি সোণ থৰ লাগিল। কেনেকৈ থাকিব সি মুকুতাক এৰি.. আৰু ইমান দিনে খা-খবৰ একো নাই .. হঠাতে ইমান মৰম, একেবাৰেই নিবলৈ আহিছে মুকুতাক ...। কিয় বাৰু...!

সোণে অলপ ৰহস্যৰ গোন্ধ পালে..। মালা বাইদেউ নিৰুপায়। ঘৰৰ কোনোবাই আশ্ৰমৰ পৰা নিবলৈ বিচাৰিলে তেওঁ দিবই লাগিব অনুমতি..। তথাপি তেওঁ কথাটো ভাবি চাওঁ বুলি বিদায় দিলে মুকুতাৰ মোমায়েকক। মোমায়েকে কৈ গ'ল, 'এই কেইদিন বাৰু সি ইয়াতে থাকক। জুলাইৰ ৩০ তাৰিখে মুকুতা যাবই লাগিব মোৰ লগত.. ।'

যিজন মানুহে এটি চাৰিবছৰীয়া শিশুক মাক-দেউতাক নোহোৱাৰ অজুহাতত এখন অনাথ আশ্ৰমত থৈ যাবি পাৰে, মুকুতাৰ সকলো সম্পত্তি কাঢ়ি নিব পাৰে, সেই জন মানুহেই আকৌ নিবলৈ আহিছে মুকুতাক.. একেবাৰে ...কথাটো একেবাৰেই সহজে মানি ল'ব নোৱাৰিলে সোণে। কথাখিনি সি আশ্ৰমৰ বান্ধনি যদুকাইক ক'লে। যদুকাই গাঁৱৰ মানুহ। প্ৰায় সকলো মানুহকেই চিনি পায়। তেওঁ 'মই কি কৰিব পাৰো চাওঁ' বুলি ক'লতহে সোণৰ মনতো অলপ পাতল লাগিল। খবৰ গৰম । আচলতে মুকুতাৰ মোমায়েকে ঘৰতে এটা বিস্কুট ফেক্টৰী আৰম্ভ কৰিছে। মুকুতাৰেই দেউতাকৰ মাটিত। তেওঁক বিভিন্ন ধৰণৰ সহায়কৰ্মীৰ প্ৰয়োজন হ'ব। মুকুতাক বিনা পইচাতেই গাধৰ দৰে খটুৱাব পাৰিব...। সেয়ে ইমান বছৰৰ মূৰত মনত পৰিল মৰমৰ ভাগিনলৈ ...।

সোণে মনতে শপত ল'লে কোনো কাৰণতেই মোমায়েকৰ ফেক্টৰীৰ বণুৱা হ'বলৈ নিদিয়ে সি মুকুতাক। ইফালে দিন চমু চাপি অহাৰ লগে-লগে মুকুতাৰ পেটলৈ ভাত নোযোৱা হ'ল। তাৰো একে দশা সোণৰ দৰে ..। কেনেকৈ থাকিব সি সোণক এৰি..!

এনেদৰেই দিন বাগৰিল। আশ্ৰমত দুখৰ এক চাপ। তাৰ মাজতেই ৩০ জুলাইত কথামতেই পুৱা ন মান বজাতেই মুকুতাৰ মোমায়েক আহি আশ্ৰমত উপস্থিত হ'লহি। পূৰ্বৰ পৰিকল্পনা অনুসৰিয়েই সোণো যাবলৈ ওলাল মুকুতাৰ লগত..। মুকুতাই নিজৰ বিপদৰ উমান পোৱা নাছিলে। সোণো তাৰ লগত যাবলৈ ওলোৱা দেখি সি বহুতেই সুখী হ'ল..। মোমায়েকে ভালেই পালে। এটাৰ লগত এটা ফ্ৰী..। তেওঁৰ মুখমণ্ডলত এক কুটিল হাঁহি বিৰিঙি উঠিল। সেই হাঁহি দেখি সোণে নিজকে নিজে ক'লে,', এই হাঁহি বেছি দিন নিটিকে আপোনাৰ শকুনি মামা। চাই থাকক কিমান জোলোকা-জোলোকে পানী খুৱাম আপোনাক ..।'

এঘন্টা মানৰ পাছত মুকুতাহঁত গৈ গাঁও পালেগৈ। মামীয়েকৰ বিৰাট আয়োজন। নানা তৰহৰ খাদ্য বস্তু। সোণে ভাবিলে, 'কালিলৈৰ পৰা খটুৱাব যে। আজি সেয়ে আমাক অকৰা সজাইছে' পাছদিনা পুৱা চাৰি বজাতে মোমায়েকে দুয়োকে জগালে। মুকুতাই একো বুজি পোৱাৰ আগতেই মোমায়েকে হুটা মতাৰে দুয়োকে লৰালৰিকৈ সাজু হ'বলৈ ক'লে। দুয়ো গোটেই দিনটো ফেক্টৰীত গাধৰ দৰে খটুৱালে। মুকুতাই তেতিয়াহে বুজি পালে কি কৰিব খুজিছে মোমায়েকে ..। পাছদিনাও একে সময়তেই মোমায়েক আহিল। দুয়ো ফেক্টৰীলৈ যাবলৈ সাজু হৈ উঠিল। ক্ৰমশঃ

সুবৰ্ণময় শৈশৱৰ হিৰন্ময় বৈভৱ

ড° নমিতা ডেকা

ৰাছিয়ান সাহিত্যৰ এজন বিখ্যাত সাহিত্যিক হ'ল আইভান্ টুৰ্গেনিভ। তেওঁৰ সাহিত্যিক পৰিচয় ৰাছিয়াৰ মাজতে আবদ্ধ নাথাকি পৃথিৱীৰ চুকে-কোণে বিয়পি পৰিছিল। আজি তেওঁৰেই শৈশৱৰ কিছু কথা পাতি জীৱনৰ বৈভৱৰো সম্ভেদ দিম। ১৮১৮ৰ ২৮ অক্টোবৰত এক ধনী জমিদাৰ বংশত আইভান চেৰগেয়েভিচ টুৰ্গেনিভৰ জন্ম হয়। সৰুতেই টুৰ্গেনিভৰ পিতৃ বিয়োগ হয়। তেওঁৰ মাতৃ ভাৰ্ভাৰা পেত্ৰোভনাই দ্বিতীয় বিবাহ কৰিছিল। পেত্ৰোভনা আছিল ক্ষমতালোভী নাৰী। প্ৰভুত্বৰ সুযোগ লৈ প্ৰজা আৰু কৰ্মচাৰীসকলৰ ওপৰত বহুত অত্যাচাৰ কৰিছিল। মাতৃৰ এই অত্যাচাৰী স্বভাৱে টুৰ্গেনিভৰ শৈশৱকালত বেয়াকৈ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁৰ আৱেগপ্ৰৱণ শিশু মনটোৱে এইবোৰ দেখি হাহাকাৰ কৰি উঠিছিল। শিশুহঁত, পেত্ৰোভনাৰ এনে ব্যৱহাৰত মানৱীয়তা গুণৰ পৰিচয় পোৱা নাযায়, যিটো টুৰ্গেনিভে ভালপোৱা নাছিল। মানৱতা মানুহৰ জীৱনৰ এটা ডাঙৰ গুণ। মহাত্মা গান্ধীয়ে কৈছিল— 'মানুহৰ প্ৰধান ধৰ্ম হ'ল মানৱতা। মানুহে অন্তৰত সুস্থিৰভাৱে মানৱতাক প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰয়োজন জীৱনবোধ। এই জীৱনবোধক জাগৃত কৰিব নোৱাৰিলেও সমাজৰ সামাজিক বাতাৱৰণ শৃংখলিত নহয়।' দুৰ্বলীক ৰক্ষণাবেক্ষণ দি ন্যায় পালন কৰাৰ নীতিৰ মাজতে মানৱতা জীয়াই থাকে। তোমালোকেও সদায় মানৱতা গুণৰ অধিকাৰী হ'বলৈ যত্ন কৰিবা ঠিক টুৰ্গেনিভৰ দৰেই। ল'ৰালি কালতে টুৰ্গেনিভৰ ওপৰত পৰা এই প্ৰভাৱৰ প্ৰতিক্ৰিয়া প্ৰতিফলিত হৈছে তেওঁৰ পৰৱৰ্তী জীৱনৰ লেখাবোৰত।

টুৰ্গেনিভৰ শৈশৱকাল পাৰ হৈছিল গ্ৰামাঞ্চলত। গাঁৱৰ পৰিৱেশ তেওঁ ভাল পাইছিল। তেওঁলোকৰ আছিল প্ৰাসাদোপম ঘৰ। ঘৰৰ চৌপাশ বাগিচাৰে আৱৰা। টুৰ্গেনিভে অকলশৰে সেই বাগিচাত ফুৰি বৰ আনন্দ পাইছিল। তেওঁ ৰাছিয়ান কিতাপ পঢ়ি বৰ ভাল পাইছিল; কিন্তু মাকে তেওঁ ৰাছিয়ান ভাষাৰ কিতাপ পঢ়াতো ভাল নাপাইছিল। কাৰণ ৰাছিয়ান ভাষা-সাহিত্য মাকৰ বাবে আছিল অৱজ্ঞাৰ বস্তু। টুৰ্গেনিভে কিন্তু ঘৰৰ বন কৰা মানুহ আৰু সাধাৰণ প্ৰজাৰ পৰা ৰাছিয়ান ভাষা আয়ত্ত কৰিছিল। আঠ বছৰ বয়সতে টুৰ্গেনিভে ৰাছিয়ান ভাষাত কবিতা ৰচনা কৰি সুনাম আৰ্জন কৰিছিল।

টুৰ্গেনিভৰ স্কুলীয়া শিক্ষা আৰম্ভ হৈছিল মস্কোত। তাত তেওঁ ইংৰাজী ভাষা শিকিছিল। স্কুলৰ প্ৰাথমিক শিক্ষাই তেওঁক পৰৱৰ্তী জীৱনত ইউৰোপীয় সাহিত্য-সংস্কৃতিৰ স'তে নিবিড় সম্পৰ্ক স্থাপনত সহায় কৰিছিল। স্কুলীয়া জীৱনতে তেওঁৰ পৰিচয় ঘটিছিল জাৰ্মান চিন্তাধাৰাৰ স'তে। তদুপৰি স্কুলীয়া জীৱনতে তেওঁ লাভ কৰিছিল বহুতো বন্ধু, যিসকল তেওঁৰ দৰেই আছিল সাহিত্যানুৰাগী। কৈশোৰ অৱস্থাতে টুৰ্গেনিভে বহু কিতাপ অধ্যয়ন কৰিছিল। গ্ৰন্থ অধ্যয়নে তেওঁক গ্ৰন্থ লিখিবলৈও প্ৰেৰণা যোগাইছিল। ১৩ বছৰ বয়সতে তেওঁ কিতাপ লিখিছিল। সেই সময়তে টুৰ্গেনিভৰ জীৱনত প্ৰেমৰ উন্মেষ ঘটিছিল যদিও সেয়া আছিল সাময়িক। পৰৱৰ্তী জীৱনত কৈশোৰ কালৰ সেই ঘটনাকে কেন্দ্ৰ কৰি তেওঁ ৰচনা কৰিছিল 'প্ৰথম প্ৰেম' নামৰ এটা বিখ্যাত গল্প। মাত্ৰ ১৫ বছৰ বয়সতে তেওঁ মস্কো বিশ্ববিদ্যালয়ত ভৰ্তি হৈছিল। আমেৰিকাৰ গণতন্ত্ৰৰ প্ৰতি থকা টুৰ্গেনিভৰ শ্ৰদ্ধাৰ প্ৰতি লক্ষ্য ৰাখি বন্ধুবোৰে তেওঁক 'দি আমেৰিকান' নামেৰে অভিহিত কৰিছিল। শৈশৱ-কৈশোৰ কালতে গ্ৰন্থ অধ্যয়ন কৰি গ্ৰন্থ লিখিবলৈ ভালপোৱা টুৰ্গেনিভৰ জীৱনৰ লক্ষ্য আছিল বিশ্ববিদ্যালয়ৰ অধ্যাপক হোৱাৰ। টুৰ্গেনিভে ভালপোৱা বস্তুটোৱে আছিল কিতাপ। এগৰাকী লেখকৰ মতে 'কিতাপ হ'ল যৌৱনৰ খাদ্য, বৃদ্ধকালৰ আনন্দ, সমৃদ্ধিৰ অলংকাৰ, বিপদৰ সান্ত্বনা আৰু আশ্ৰয়, ঘৰৰ আনন্দ আৰু উত্তম ভ্ৰমণৰ সংগী।' তোমালোকেও কিতাপ পঢ়াৰ অভ্যাস কৰিবা। এই শিশুটোৱে পৰৱৰ্তী কালত শিল্পকলাৰ প্ৰতি সচেতন এজন শ্ৰেষ্ঠ ঔপন্যাসিক হিচাপে পৃথিৱীত পৰিচিত হৈছিল। উপন্যাস, গল্প, নাটক, কবিতা আদি ৰচনা কৰা টুৰ্গেনিভ এজন দক্ষ সাহিত্যিক। নিজে সাহিত্যিক হৈও আন সাহিত্যিকসকলৰ স'তে পৰিচিত হ'বলৈ তেওঁ বৰ আগ্ৰহী আছিল। টুৰ্গেনিভৰ হাততেই ৰাছিয়ান গদ্য জাকতজিলিকা হৈ পৰিছিল। তেওঁৰ অমৰ সৃষ্টি 'চেনেলিয়া'ই পাছলৈ 'Poems in Prose' হিচাপে প্ৰকাশ পাইছিল, যাৰ আধাৰত যতীন্দ্ৰনাথ দুৱৰাই অসমীয়া ভাষাত 'কথা-কবিতা'ৰ সৃষ্টি কৰিছিল।



ভাগৱতৰ ৰসাল কাহিনী

সতীৰ দেহ ত্যাগ আৰু দক্ষৰাজৰ দৰ্পচূৰ্ণ

ড° দিলীপ কলিতা

(যোৱা সংখ্যাৰ পাছৰ পৰা) তেওঁ ক'লে, 'শিৱক সকলোৱে দেৱতাৰো দেৱতা বুলি কয়, শিৱক সাধু বুলি কয়; কিন্তু এই সকলোবোৰ কথা মিছা। তেওঁ মোৰ জোঁৱাই। যজ্ঞথলীত উপস্থিত থকা সকলোৱে মোক সন্মান জনাইছে। মোৰ আন কেইজন জোঁৱাই ধৰ্ম, অগ্নি আদিয়েও মোক সন্মান জনাই থিয় হৈছে। কেৱল শিৱইহে মোক অপমানিত কৰিছে। মই এই চুলিত জঁটা বন্ধা, ভঙুৱা, শ্মশানৰ ছাই গাত ঘঁহা লেতেৰা-পেতেৰা শিৱলৈ মোৰ নুমলীয়া জীয়ৰী সতীক বিয়া দি অতি ভুল কাম কৰিলো। মোৰ পিতৃ ব্ৰহ্মাদেৱেও এই কথাত হাত উজান দিব নালাগিছিল।' দক্ষৰাজে যজ্ঞথলীত শিৱক নানা ধৰণে তিৰস্কাৰ কৰিলে যদিও শিৱই ইয়াৰ কোনো প্ৰতিবাদ নকৰিলে। দক্ষৰাজে পুনৰ ক'লে, 'মই শিৱক অভিশাপ দিছো তেওঁ ইন্দ্ৰ, বৰুণ, উপেন্দ্ৰ আদি দেৱতাসকলতকৈ অধম হ'ব। এই দেৱতাসকলৰ লগত শিৱই যজ্ঞৰ ভাগ নাপাব।' দক্ষৰজাই এনেদৰে শিৱক অভিশাপ দিয়াতো শিৱ মনে মনে বহি আছিল। আনহাতে দক্ষই শিৱক অভিশাপ দি যজ্ঞথলী এৰি গুচি গ'ল। দক্ষই শিৱক এনেদৰে অপমান কৰাত শিৱৰ অনুচৰ নন্দীৰ খুব খং উঠিল। তেওঁ ক'লে, 'মোৰ প্ৰভু শিৱ এলাপেছা লোক নহয় দেই। তেওঁ ভগৱান। পাপী দক্ষই শিৱক কেনেকৈ চিনি পাব? তেওঁ মোৰ প্ৰভুক অভিশাপ দিয়াত মই বৰ দুখ পাইছো। ময়ো অভিশাপ দিছো এই যজ্ঞত উপস্থিত থকা যিসকলে মোৰ প্ৰভু শিৱক হীন চকুৰে চাইছে, প্ৰভুক ঘিণ কৰিছে তেওঁলোকৰ বুদ্ধি নাশ হ'ব। দক্ষৰ মূৰটো ছাগলীৰ দৰে হ'ব। তেওঁ আজীৱন কষ্ট ভোগ কৰি থাকিব লাগিব। তেওঁ পশুৰ দৰে মুৰ্খ হ'ব। মই এইকেইটা অভিশাপ দক্ষৰাজক দিলো। মোৰ অভিশাপ প্ৰভুৰ শিৱৰ জৰিয়তে দক্ষৰ গাত প্ৰতিফলিত হ'ব।' যজ্ঞৰ পুৰোহিত ভৃগু মুনিয়ে দক্ষৰাজক অতি মৰম কৰিছিল কাৰণ দক্ষৰাজ আছিল তেওঁৰ ভ্ৰাতৃ। ক্ৰমশঃ



কাব্যম কৌশিক ভট্টাচাৰ্য, দ্বিতীয় শ্ৰেণী, বিদ্যাঞ্চল দ্যা স্কুল, নলবাৰী।

মোল্লা নাছিৰুদ্দিন হোজাৰ সাধু

(৩৩)

তৰ্ক শাস্ত্ৰত পণ্ডিত এজনে নাছিৰুদ্দিনৰ স'তে তৰ্ক কৰিব বুলি পূৰ্বতে নাছিৰুদ্দিনক দিন এটা দি থৈছিল। নিৰ্দিষ্ট দিনত আহি দেখে যে নাছিৰুদ্দিন ঘৰত নাই। খঙত অতিষ্ঠ হৈ তেওঁ নাছিৰুদ্দিনৰ ঘৰৰ সদৰ দুৱাৰত ডাঙৰকৈ 'গাধ' বুলি লিখি থৈ আঁতৰি গ'ল। নাছিৰুদ্দিন ঘৰলৈ আহি দুৱাৰৰ ওপৰত 'গাধ' বুলি লিখাটো দেখি ততালিকে গৈ তৰ্কবাগীশৰ ঘৰত উপস্থিত হ'ল আৰু ক্ষমা খোজাৰ ভংগীৰে নাছিৰুদ্দিনে ক'লে ঃ 'ক্ষমা কৰিব ডাঙৰীয়া! মই আপোনাৰ কথা একেবাৰেই পাহৰি গৈছিলো। দুৱাৰত আপোনাৰ নামটো দেখিহে আপোনাৰ কথা মনত পৰিল।'

(৩৪)

নাছিৰুদ্দিনৰ এটা পোহনীয়া ছাগলী আছিল। লোদোৰ-পোদোৰ চেহেৰা তাৰ। ওচৰ-চুবুৰীয়াৰ ছাগলীটোৰ ওপৰত ভীষণ লোভ। কেনেকৈ তাৰ মাংস খাব পাৰে সেইটোৱেই সিহঁতৰ চিন্তা। শেষত এদিন সিহঁতে নাছিৰুদ্দিনক ক'লে ঃ 'মোল্লা চাহেব! এটা বৰ বেয়া খবৰ আছে। কাইলৈ এক ডাঙৰ মহাপ্ৰলয় হ'ব আৰু এই মহাপ্ৰলয়ত সমস্ত পৃথিৱী ধ্বংস হৈ যাব। সেয়ে আমি তোমাক কওঁ, তোমাৰ সেই ছাগলীটো ৰাখি আৰু লাভ কি?'

ঃ'ঠিক আছে, তেতিয়াহ'লে ছাগলীটোক বধ কৰা হওক।'—নাছিৰুদ্দিনে ক'লে।

নিশা ওচৰ-চুবুৰীয়াসকল সদলবলে আহি ফুৰ্তি কৰি ছাগলীটোৰ মাংস খালে। তাৰ পাছত আটায়ে নিজৰ গাৰ কাপোৰবোৰ খুলি নাছিৰুদ্দিনৰ বহা কোঠাতে শুই পৰিল।

পুৱা উঠি আটায়ে দেখে যে তেওঁলোকৰ গাৰ কাপোৰবোৰ নাই। আটায়ে আচৰিত হ'ল ।নাছিৰুদ্দিনক কথাটো সোধাত তেওঁ ক'লে ঃ ' এই পৃথিৱী যদি ধ্বংসই হয়, তেন্তে সেই কাপোৰেৰে আৰু কি হ'ব? এতেকে মই সেইবোৰ পুৰি পেলাইছো।'

(৩৫)

প্ৰতি দেওবাৰে এঠাইত গাধৰ হাট বহে। তাত কেৱল গাধই বিক্ৰী হয়। তেনে দেওবৰীয়া হাটলৈ নাছিৰুদ্দিনে এটা ধুনীয়া গাধ লৈ আহে আৰু একেবাৰে কম দামত বিক্ৰী কৰি গুচি যায়।

এজন ব্যৱসায়ীয়ে কথাটো কে'বাদিনো ধৰি লক্ষ্য কৰি এদিন নাছিৰুদ্দিনৰ ওচৰলৈ আহি ক'লে ঃ 'চাওক, মই কৃষকৰ শস্য চুৰি কৰো। বৃবনুৱাবোৰৰ মজুৰি চুৰি কৰো; কিন্তু তথাপি আপোনাৰ দৰে ইমান সস্তাত গাধ বিক্ৰী কৰিব নোৱাৰো। আপুনি কেনেকৈ ইমান সস্তাত গাধ বিক্ৰী কৰিব পাৰে?'

নাছিৰুদ্দিনে ক'লে ঃ 'কথাটো তেনেই সহজ। আপুনি কৃষকৰ শস্য আৰু বনুৱাবোৰৰ মজুৰি চুৰি কৰে; আৰু মই কেৱল গাধকে চুৰি কৰো।

অকণিৰ পদ্য

মঞ্জিত হাজৰিকা

১
দীপৰ বিলত দ্বীপেন দদায়ে
দীঘল ডৰিকনা ধৰে
কলপাতত কপিলি খুড়ীয়ে
নুৰীয়াই পাতত দিয়ে।

২
নাহৰ কাঠেৰে নৰেন দাইটিয়ে
মাকো বনাই বেচে
নলিনী নবৌৰ তাঁতৰ শালত
হাতৰ টিপত নাচে

৩
ৰংমন ককাইৰ ৰঙীয়াল মন
ৰসাল ওঁঠৰ ভাষা
ৰংপুৰত ককাৰ আছে হেনো
বাল্য কালৰ সখা

৪
খগেশ্বৰ ককাই খৰম পিন্ধি
খটক খটক যায়
খৰালি দিনৰ শুকান বাট
বোকা-পানী নাই

৫
হালুৱা পথাৰৰ হৰেন দাইটিয়ে
হালধিৰ খেতি কৰে
হালুৱাটিঙত হালধি বেছি
হেজাৰ টকা ঘটে

৬
মাগুৰী বিলত মাগুৰ মাছে
মুলুকীয়াই মাৰে খৰ
পকা মধুৰী চেপাত ভৰাই
মনবৰ ককাই ধৰ

৭
চেঙেলি মাছৰ চেঙেলীয়া মন
নাথাকে চুকত সোমায়
চেঙেলীয়া ল'ৰাই বৰশী বাই
চেঙেলিক ধৰে টপৰাই

৮
কাউৰী বাইৰ কঠোৰা মাত
কথাত লাগে লেঠা
বাৰীৰ চুকত মাতিলেও মাত
কালুৱে লয় চোঁচা

৯
মইনা চৰাইটিয়ে ডালত বহি
মিঠা মাত মাতে
চোতালত বহি আমাৰ মইনাই
মৰমতে তাক মাতে

১০
মাতৰ মৰতত বহুত মূল্য
কথাটি মনত থবা
মিঠা মাতেৰে জগত জিনি
মানৱতাৰ পৰিচয় দিবা।।

ফোন ঃ ৬০০০৭০৯০৯৬

বৰচোৰ

কোনো এখন দেশত কিছুমান চোৰ আছিল। সিহঁতৰ ভিতৰত এটা সকলোতকৈ অঘাইতং চোৰ আছিল। সেই চোৰটোক তাৰ লগৰীয়া সৰু আন আন চোৰে 'বৰচোৰ' বুলি মাতিছিল। তাৰ এটা পুতেক আছিল; সিয়ো সেই বিদ্যাত বাপেকৰ সমনীয়া হৈছিল। বাপেকে এদিন ভাবিলে, 'মই মৰিলে মোৰ পোৱে মোৰ নাম ৰাখিব পাৰিব নে নোৱাৰে এই কথাৰ প্ৰমাণ চাবলগীয়া হ'ল।' ইয়াকে ভাবি এদিন সি পুতেকক ওচৰলৈ মাতি আনি সুধিলে, 'বোপাই ঔ, মোৰ আজি কালিকৈ আয়ুস টুটি আহিবলৈ ধৰিছে; পাছে তই জানো মোৰ পো বুলি চিনাকি দিব পাৰিবি? আৰু বংশৰ নাম ৰাখিব পাৰিবি?' এই বুলি সোধাত পুতেকে উত্তৰ দিলে,— 'পিতাই তুমি মোক তুলি-তালি ডাঙৰ-দীঘল কৰিছা যেতিয়া তোমাৰ 'বিদ্যা' মই ৰাখিবই লাগিব। নহ'লে তোমাৰো নাম নুমাব আৰু মোকো লোকে জহৰা বুলি হাঁহিব।' এই কথা শুনি বাপেকে ৰং পাই ক'লে, 'মোৰ বোপাই, তই মোৰ নাম ৰাখিবি বুলি মই আশা কৰিছো। কিন্তু তেনেহ'লে তই এটা মহলাত উঠিব লাগিব, তেহে মোৰ মনৰ খুকুৰি যাব।' এদিন বাপেকে পুতেকৰ ইণ্টাহান পাতি ৰাতি তাৰ ঘৰৰ সকলো লোটা-বাটিবোৰত পানী ভৰাই, পুতেকক বাহিৰত উলিয়াই থৈ, দুৱাৰ-ঘৰ মাৰি শুই থাকিল। ৰাতি দুপৰ হ'লত পুতেক চুৰি কৰিবলৈ সাজু হ'ল। সি ঘৰৰ কেউপিনে চাই দেখিলে যে সিন্ধি দিয়াৰ বাহিৰে আন উপায় নাই। সিন্ধি দিলেও বাপেক নিজেই চোৰ, গতিকে বাপেকে সাৰ পালে তাৰ পলাবলৈ টান হ'ব। ইয়াকে ভাবি ভাবি আন এটা উপায় চিন্তি সি ওচৰৰ হাবিৰ পৰা কেইডালমান দীঘল নল আনিলে। নলকেইডাল লৈ লাহেকৈ সি চালৰ ওপৰত উঠিল আৰু য'ত লোটা-বাটিবিলাক আছিল ঠিক সেইপিনেই এটা সৰু বিন্ধ্যা কৰি সেই বিন্ধাটোৰেদি লোটা-কলহৰ পানীবিলাক নলেৰে শুহি আনিলে। শেষত বাপেকে সিমানতে সাৰ নোপোৱা দেখি সি বিন্ধাটো ডাঙৰ কৰি সেইপিনেই সৰকি বেৰেদি বগাই ভিতৰ সোমাল আৰু লাহেকৈ দুৱাৰ মেলি লৈ লৰালৰিকৈ লোটা-কলহবোৰ বাহিৰলৈ উলিয়ালে। সিমানতো বাপেকে সাৰ নোপোৱা যেন দেখি সি এডাল জৰী আনি বাপেকক হাতে-ভৰিয়ে বান্ধিলে আৰু এনেভাৱে বাহিৰলৈ দাঙি আনিলে যে বুঢ়াই পাটীত শুয়েই আছে নে কি কৰিছে গমকে ধৰিব নোৱাৰিলে। ক্ৰমশঃ

ঘোষণা

ৰ'দালি পৃষ্ঠাত ধাৰাবাহিকভাৱে প্ৰকাশ পাই অহা 'দ্য বাইচাইকেল স্পাই' নামৰ উপন্যাসখন অনিবাৰ্য কাৰণবশতঃ এই সংখ্যাত প্ৰকাশ নাপালে। অহা সংখ্যাৰ পৰা পুনৰ ধাৰাবাহিকভাৱে প্ৰকাশ পাব।

আজিৰে পৰা গুৱাহাটীত ডুৰাণ্ড কাপ ফুটবল

সৰুসজাই ষ্টেডিয়ামত নৰ্থ ইষ্ট ইউনাইটেডৰ প্ৰতিদ্বন্দ্বী ওড়িছা এফ চি

গুৱাহাটী, ১৬ আগষ্ট ঃ ভাৰতীয় সেনা বাহিনীৰ উদ্যোগত অনুষ্ঠিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা আজিৰে পৰা কলকাতাত আৰম্ভ হৈছে। অসমৰ ক্ৰীড়াপ্ৰেমীৰ বাবে সুখবৰ এয়ে যে এছিয়া মহাদেশৰ প্ৰথমখন তথা বিশ্বৰ তৃতীয় প্ৰাচীন ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ মেচ এইবাৰ গুৱাহাটীতো অনুষ্ঠিত হ'ব। কাইলৈৰ (১৭ আগষ্ট) পৰা অহা চাৰি ছেপ্টেম্বৰলৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ 'ডি'ৰ মুঠ ১০ খন মেচ। গুৱাহাটীত হ'বলগা প্ৰথমখন মেচত কাইলৈ ঘৰুৱা দল নৰ্থ ইষ্ট ইউনাইটেড এফ চি মুখামুখি হ'ব ওড়িছা এফ চিৰ। আবেলি ৫.৩০ বজাৰ পৰা আৰম্ভ হ'ব এই মেচখন। উল্লেখ্য যে মহামাৰী কৰ'নাৰ পাছত গুৱাহাটীলৈ প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ফুটবল আকৌ এবাৰ প্ৰত্যাৱৰ্তন কৰিছে ঐতিহ্যমণ্ডিত ডুৰাণ্ড কাপৰ জড়িয়তে। দেশৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষ সমাপ্তিত 'আজাদি ক্য অমৃত মহোৎসৱ'ৰ আনন্দৰ মাজতে এয়া অসমৰ ক্ৰীড়া তথা সামাজিক ক্ষেত্ৰলৈ ভাৰতীয় সেনা বাহিনীৰ এক অমৃতসম উপহাৰ। ১৮৮৮ চনৰ পৰা ভাৰতীয় সেনাই আয়োজন কৰি অহা ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা পোন প্ৰথমবাৰৰ বাবে অসমত অনুষ্ঠিত হ'ব। ইতিমধ্যে ক্ৰীড়াপ্ৰেমীৰ মাজত ইয়াৰ ইতিবাচক চৰ্চা-আনন্দ আৰম্ভ হৈছে। গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত

কাইলৈ আবেলি ৪.৩০ বজাত হ'বলগা উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকিব অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। আনহাতে, ভাৰতীয় সেনা, অসম আৰক্ষী আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকলো উপস্থিত থাকিব। উল্লেখ্য যে এইবাৰ ডুৰাণ্ড কাপৰ এক সুন্দৰ থীম ছং প্ৰস্তুত কৰা হৈছে। খেল অনুষ্ঠিত হোৱা তিনিওখন চহৰৰ প্ৰতিফলন তথা ডুৰাণ্ড কাপৰ ঐতিহ্য সম্বলিত ভিডিঅ' গীতটোত কণ্ঠদান কৰিছে বলিউদৰ দুই জনপ্ৰিয় কণ্ঠশিল্পী অসমৰ অংগৰাগ পাপন মহন্ত, কলকাতাৰ ছান আৰু মনিপুৰৰ ৰাৱবেন মাছাংভায়ে। কাইলৈ গুৱাহাটীৰ এঘণ্টাৰ উদ্বোধনী অনুষ্ঠানত পাপন আৰু ৰাৱবেনে নিজৰ সংগীতানুষ্ঠান পৰিৱেশন কৰিব। লগত থাকিব বিহু শিল্পী, নৰ্থ ইষ্ট ৰাৰিয়ৰ্ছৰ অনুষ্ঠান তথা আৰ্মিৰ বেণ্ড। ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ মেচ এইবাৰ দেশৰ তিনিখন চহৰ ক্ৰমে কলকাতা, গুৱাহাটী আৰু ইম্ফলত আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত অংশ লোৱাৰ সুযোগ লাভ কৰিছে দেশৰ আগশাৰীৰ ২০ টা ক্লাবে। এটা গ্ৰুপত পাঁচটাকৈ দল অন্তৰ্ভুক্ত কৰি চাৰিটা গ্ৰুপ কৰা হৈছে। প্ৰতিটো গ্ৰুপৰ শীৰ্ষ দুটা দলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। ফাইনেল, ছেমিফাইনেল আৰু কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব কলকাতাত। তদুপৰি কলকাতাতে গ্ৰুপ 'এ' আৰু 'বি'ৰ মেচো অনুষ্ঠিত হ'ব। ইফালে, গ্ৰুপ 'চি'ৰ মেচ অনুষ্ঠিত হ'ব মনিপুৰত। গুৱাহাটীত খেলিব লগা গ্ৰুপ 'ডি'ৰ পাঁচটা দল হ'ল নৰ্থ ইষ্ট ইউনাইটেড এফ চি, ওড়িছা এফ চি, ছুডেবা দিল্লী এফ চি, কেৰালা ব্লাষ্টাৰ্ছ এফ চি আৰু আৰ্মি গ্ৰীন। উল্লেখ্য যে যি ২০ টা ক্লাবে ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপত অংশ লৈছে ইয়াৰে ১১ টা আই এছ এলৰ ক্লাব। আনহাতে, ভাৰতীয় সামৰিক বাহিনীৰ চাৰিটা দলৰ লগতে আন পাঁচটা ক্লাৱ হ'ল আই লীগৰ।

কলকাতাৰ উদ্বোধনী মেচত এফ চি গোৱাৰ বিৰুদ্ধে মহমেদানৰ জয়লাভ

কলকাতা, ১৬ আগষ্ট ঃ ভাৰতীয় সেনা বাহিনীৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে এছিয়া মহাদেশৰ প্ৰথমখন তথা বিশ্বৰ তৃতীয় প্ৰাচীন ফুটবল প্ৰতিযোগিতা ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ। আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ উদ্বোধনী মেচত বিগত বৰ্ষৰ চেম্পিয়ন এফ চি গোৱাক ৩-১ গ'লত পৰাস্ত কৰি চমকপ্ৰদ আৰম্ভণি কৰিছে মহমেদান স্প'ৰ্টিং ক্লাবে। খেলৰ প্ৰথমাৰ্ধতে ঘৰুৱা দল মহমেদান স্প'ৰ্টিঙে প্ৰত্যাশিত আৰম্ভণি কৰি দুটাকৈ গ'ল কৰাৰ সুযোগ লাভ কৰিছিল যদিও সফল নহ'ল। বিপৰীতে ৩৪ মিনিটত মহম্মদ নমিলৰ দৰ্শনীয় গ'লেৰে বিৰতিলৈ ১-০ ত আগবাঢ়ি থাকে এফ চি গোৱা। অৱশ্যে দলৰ এই আৰম্ভণি সুখৰ নহ'ল। দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাত সফল প্ৰত্যাৱৰ্তন কৰে মহমেদান স্প'ৰ্টিঙে। ৪৯ মিনিটত প্ৰীতম সিঙে গ'ল কৰি মেচত ১-১ ত সমতা স্থাপন কৰে। আনহাতে, ৮৪ মিনিটত ফাছলু ৰেহমানৰ দৰ্শনীয় হেডিং গ'লৰ সহায়ত মেহমেদানে ২-১ ৰ অগ্ৰগতি লয়। আনহাতে, ইঞ্জুৰি টাইমত মহমেদানৰ হৈ তৃতীয়টো গ'ল কৰে অধিনায়ক মাৰ্কছ যোছেফে (৯৩ মিনিট)। এফ চি গোৱাই গ্ৰুপ 'এ'ৰ নিজৰ দ্বিতীয় মেচত অহা ১৯ আগষ্টত ভাৰতীয় বায়ু সেনা দলৰ বিৰুদ্ধে খেলাৰ বিপৰীতে মহমেদান স্প'ৰ্টিং ক্লাবে পৰবৰ্তী মেচত মুখামুখি হ'ব জামছেদপুৰ এফ চিৰ। এই মেচখন অহা ২১ আগষ্টত অনুষ্ঠিত হ'ব। চলিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ দুখন মেচ অনুষ্ঠিত হ'ব। ইয়াৰে প্ৰথম খন মেচ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত। আনহাতে, দ্বিতীয় খন মেচ অনুষ্ঠিত হ'ব কলকতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত। আবেলি ৫.৩০ বজাত গুৱাহাটীত হ'বলগা গ্ৰুপ 'ডি'ৰ মেচখনত নৰ্থ ইষ্ট ইউনাইটেড এফ চি মুখামুখি হ'ব ওডিছা এফ চিৰ। আনহাতে, দিনটোৰ প্ৰথম মেচখনত জামছেদপুৰ এ চিয়ে খেলিব বাংগালুৰু এফ চিৰ বিৰুদ্ধে। কলকাতাত হ'বলগা গ্ৰুপ 'এ'ৰ এই মেচখন দিনৰ ২.৩০ বজাৰ পৰা আৰম্ভ হ'ব।

ৰাজ্যিক কেৰমত ভিকি-হিমাক্ষী চেম্পিয়ন

ষ্টাফ ৰিপৰ্টাৰ

যোৰহাট, ১৬ আগষ্ট ঃ ইয়াৰ প্ৰগতি দ্য ম'চনে আয়োজন কৰা অসম ভিত্তিক পুৰুষৰ প্ৰাইজমানি আৰু মহিলাৰ মুকলি কেৰম প্ৰতিযোগিতাৰ পুৰুষৰ খেলত অসমৰ দ্বিতীয় বাছনিৰ খেলুৱৈ গুৱাহাটীৰ ভিকী সিঙে অসমৰ প্ৰথম বাছনিৰ খেলুৱৈ যুগল কিশোৰ দত্তক পৰাজিত কৰি বিজয়ীৰ সন্মান অৰ্জন কৰে। আনহাতে মহিলাৰ খেলত নগাওঁৰ হিমাক্ষী বৈদ্যই নিজ জিলাৰ জেমিম জিন্নাত জামানক পৰাজিত কৰি বিজয়ীৰ সন্মান অৰ্জন কৰে। উল্লেখ্য যে পুৰুষ বিভাগত অসমৰ ১১ খন জিলাৰ ১৫৪ জন আৰু মহিলাৰ পাঁচখন জিলাৰ ২২ জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। সৰ্ব ভাৰতীয় কেৰম ফেডাৰেচন তথা অসম কেৰম সন্থাৰ সভাপতি তথা বিধায়ক ৰকিবুল হুছেইনে মহিলাৰ বিজয়ীক ট্ৰফী প্ৰদান কৰাৰ লগতে যুগল কিশোৰ দত্তই ভাৰতীয় কেৰম দললৈ নিৰ্বাচিত হোৱাত সম্বৰ্ধনা জ্ঞাপন কৰে। বিজেতা জেমিম জেন্নিত জমানক

অসম কেৰম সংস্থাৰ সম্পাদক বিবেক গোস্বামীয়ে বঁটা প্ৰদান কৰে। আনহাতে পুৰুষৰ বিজয়ীক সুপ্ৰীতি ৰয়, বিজেতাক মিণ্টু ঘোষে তথা আন বঁটাসমূহ বিতৰণ কৰে সুশান্ত সাহা, মনোহৰলাল গুপ্ত , উপ পৌৰপতি দিলীপ দত্ত আৰু গৌতম হাজৰাই।

হাৰাৰেত টীম ইণ্ডিয়াৰ স্বাধীনতা দিৱস পালন

ফিফাৰ দ্বাৰা নিলম্বিত হ'ল ভাৰত

নতুন দিল্লী, ১৬ আগষ্ট ঃ দেশৰ ৭৫ সংখ্যক গৌৰৱময় স্বাধীনতা দিৱসৰ মধ্য ৰাতিয়ে ভাৰতীয় ফুটবলৰ বাবে অপ্ৰত্যাশিত লজ্জাজনক ঘটনা। এক কঠোৰ সিদ্ধান্ত লৈ আজি ফিফাই নিলম্বন কৰিলে ভাৰতীয় ফুটবল ফেডাৰেচনক। উল্লেখ্য যে ভাৰতীয় ফুটবল ফেডাৰেচনৰ কাম-কাজত তৃতীয় পক্ষৰ হস্তক্ষেপ উল্লেখ কৰি এই নিষেধাজ্ঞা আৰোপ কৰা কৰিছে ফিফাই। ফিফাৰ দ্বাৰা জাৰি কৰা এক প্ৰেছ বিজ্ঞপ্তিত সৰ্বভাৰতীয় ফুটবল ফেডাৰচনত তৃতীয় পক্ষৰ হস্তক্ষেপৰ উপৰি ফিফাৰ সংবিধান উলংঘন কৰাৰ অভিযোগত গ্ৰহণ কৰা এই সিদ্ধান্তই এতিয়া ভাৰতীয় ক্ৰীড়া ক্ষেত্ৰত জোকাৰণিৰ সৃষ্টি কৰিছে। অৱশ্যে ফিফাই এতিয়াও আশা কৰে যে সৰ্বভাৰতীয় ফুটবল ফেডাৰচনে তৃতীয় পক্ষৰ হস্তক্ষেপৰ পৰা মুক্ত হ'ব পাৰিব । ফিফাই ভাৰতীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ সৈতেও এই সম্পৰ্কে যোগাযোগ অব্যাহত ৰাখিছে। ফিফাৰ আইন অনুসৰি ইয়াৰ সদস্য সংগঠনসমূহ তেওঁলোকৰ নিজ নিজ দেশৰ আইনী আৰু ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত হ'ব লাগে । কিন্তু ভাৰতীয় ফুটবল ফেডাৰচনৰ খেল পৰিচালনা কৰিবলৈ আৰু ১৮ মাহলৈকে নিৰ্বাচন স্থগিত ৰখাৰ বাবে ফেডাৰেচনৰ সংবিধান সংশোধন কৰিবলৈ তিনিজনীয়া এক কমিটী নিয়োগ কৰিছিল দেশৰ উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে ভাৰতীয় ফুটবল ফেডাৰচনৰ দীৰ্ঘকালীন সভাপতি প্ৰফুল পেটেলক আঁতৰাবলৈ যোৱা মে'ত উচ্চন্যায়ালয়ে গঠন কৰি দিছিল কমিটী অৱ এডমিনিষ্ট্ৰেটৰ । পেটেল ২০০৯ তেই সৰ্ব ভাৰতীয় ফুটবল ফেডাৰেচনৰ সভাপতি নিৰ্বাচিত হৈছিল। তদুপৰি ২০২০ তেই তেওঁৰ তৃতীয় কাৰ্যকালৰ অন্ত পৰিছে । তথাপিও এই পৰ্যন্ত অনুষ্ঠিত হোৱা নাই ভাৰতীয় ফুটবল ফেডাৰেচনৰ সভাপতিৰ নিৰ্বাচন। ইফালে নিলম্বনে ভাৰতত হ'বলগা ১৭ বছৰ অনূৰ্ধ্ব মহিলা ফিফা বিশ্বকাপলৈও অনিশ্চিয়তা নমাই আনিছে। চলিত বছৰৰ অক্টোবৰত ভাৰতৰ মাটিত অনুষ্ঠিত হোৱাৰ কথা আছিল ফিফাৰ ১৭ বছৰ অনূৰ্ধ্ব মহিলা ফিফা বিশ্বকাপ। প্ৰতিযোগিতাৰ বাবে ভাৰতীয় ফুটবল ফেডাৰচনে প্ৰস্তুতি চলোৱাৰ মাজতেই এই ঘটনা হোৱাত প্ৰতিযোগিতাখন ভাৰতত নহোৱাৰ এক ইংগিত পোৱা গৈছে। যদিহে অতি শীঘ্ৰেই ভাৰতীয় ফুটবল ফেডাৰচনে তৃতীয় পক্ষৰ হস্তক্ষেপৰ পৰা মুক্ত নহয় অথবা পৰিস্থিতি উন্নত নহয় তেন্তে ভাৰতে এই মেগা ইভেণ্টখন অনুষ্ঠিত কৰাৰ কৰ্তৃত্ব যে হেৰুৱাব যে সেয়া নিশ্চিত। অৱশ্যে এই পৰ্যন্ত মেগা ইভেণ্টখনক লৈ কোনোধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা নাই ফিফাই । উল্লেখ্য যে ফিফাই ভাৰতীয় ফুটবল ফেডাৰচনক নিষেধাজ্ঞা আৰোপ কৰাৰ ফলত কেৱল যে এই মেগা ইভেণ্টখন অনুষ্ঠিত কৰাৰ কৰ্তৃত্ব হেৰুৱাব কেবল সেয়াই নহয়, ভাৰতীয় ফুটবল দলেও কোনো আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ মেচত অংশ ল'ব নোৱাৰিব। ইফালে, কেন্দ্ৰীয় চৰকাৰে তাৎক্ষণিকভাবে বিষয়টোত হস্তক্ষেপ কৰি আদালত চলি থকা বিষয়টো সমাপ্তিৰ আবেদন কৰিছে। লগতে ফিফাৰ নিয়ম মানিবলৈও পোষকতা কৰিছে তথা দেশত সময়মতে ফিফাৰ ১৭ বছৰ অনূৰ্ধ্ব মহিলা ফিফা বিশ্বকাপ হ'ব বুলি আশাব্যক্ত কৰিছে কেন্দ্ৰই। ইফালে, কাইলৈ আদালতে এই বিষয়ত সমাধানৰ ৰায় দিয়াৰ সম্ভাৱনা আছে লগতে নিৰ্বাচনৰ দিনো ঘোষণা কৰিব পাৰে।

বি ডিভিজন লীগ কাকজান ফুটবল ক্লাব ছেমিফাইনেলত

যোৰহাট, ১৬ আগষ্ট ঃ যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা বি ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি চি গ্ৰুপৰ খেলত কাকজান ফুটবল ক্লাৱে জাগৃতি ফুটবল ক্লাৱক ৩-০ গলত পৰাভূত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে কাকজান ফুটবল ক্লাৱে লীগৰ দুখন খেলত অংশ গ্ৰহণ কৰি সৰ্বমুঠ ছয় পইন্ট সংগ্ৰহ কৰি চি গ্ৰুপৰ পৰা ছেমি ফাইনেলত প্ৰবেশ কৰিছে। আজি কাকজান ফুটবল ক্লাৱৰহৈ গল দিবলৈ সক্ষম হয় মৃণাল কুমী, ৰুহিত ওৰাং আৰু পংকজ তাতীয়ে। আজি খেল পৰিচালনা কৰে মাজত থানেশ্বৰ ৰেগন লাইনত সহায় কৰে বিমান বুঢ়াগোহাই আৰু বিনোজ গগৈ চতুৰ্থ দিপাংকৰ ৰাজখোৱা।

53rd N.N. BHATTACHARYYA PRIZE MONEY KNOCK-OUT FOOTBALL TOURNAMENT 2022
Guwahati Sports Association

জি এছ এৰ এন এন ভট্টাচাৰ্য ফুটবলত গ্ৰীণভেলী চেম্পিয়ন

গুৱাহাটী, ১৬ আগষ্ট ঃ নেহৰু ষ্টেডিয়ামত গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ত্ৰয়োদশ এন এন ভট্টাচাৰ্য প্ৰাইজমানী নকআউট ফুটবল টুৰ্ণামেণ্টত চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে এফ চি গ্ৰীণভেলীয়ে। আজি অনুষ্ঠিত ফাইনেলত এফচি গ্ৰীণভেলীয়ে নৰজ্যোতি ক্লাবক ১-০ গ'লত পৰাস্ত কৰে। দুয়োটা দলে আক্ৰমণৰ প্ৰচেষ্টা চলালেও গ'ল সুযোগ কোনো দলেই লাভ কৰা নাছিল । তাৰ মাজতে এক প্ৰত্যাক্ৰমণৰ সুযোগ লৈ ভিক্টৰ ছাডাপে ৫১ মিনিটত গ'ল কৰি গ্ৰীণভেলীক অগ্ৰগতি দিয়ে । নৰজ্যোতিয়ে আক্ৰমণৰ প্ৰচেষ্টা চলালেও সফল নহ'ল । ফাইনেলৰ পূৰ্বে গুৱাহাটী ক্ৰীড়া সন্থাৰ সভাপতি পুলক গোস্বামীয়ে প্ৰয়াত নৃপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ পুত্ৰত্ৰয় যতীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, ৰথীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য আৰু দ্বিজেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যক দুয়োটা দলৰ খেলুৱৈসকলক চিনাকি কৰি দিয়ে । ফাইনেলৰ বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত ডঃ শ্বাহ মহম্মদ তনবীৰ মনছুৰ। তেওঁৰ লগতে উপস্থিত থাকে গুৱাহাটী লন টেনিছ সন্থাৰ সম্পাদক কল্যাণ দাস, প্ৰাক্তন ৰাষ্ট্ৰীয় ফুটবলাৰ কালিন্দ্ৰ বৰুৱা, বাহাৰুল ইছলাম, বিধান দাস, এৰিডাৰ সভাপতি প্ৰণৱ কুমাৰ শৰ্মা, স্প'ৰ্টছ অথৰিটী অৱ্ আছামৰ ইষ্টেট অফিচাৰ প্ৰসেনজিৎ চৌধুৰী আদি বিশিষ্ট ব্যক্তিবৰ্গ। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয় গ্ৰীণভেলীৰ হৰিষ সিং কাৰ্কী, শ্ৰেষ্ঠ গ'লকীপাৰ হয় নৰজ্যোতিৰ বিযুণ্ড বাছফ'ৰ আৰু শ্ৰেষ্ঠ গ'লদাতা হয় গ্ৰীণভেলীৰ ছেমছন।

সদৌ অসম টাইকোৱান-ড'

অগ্ৰদূত বাৰ্তা, দুলীয়াজান,১৬ আগষ্ট ঃ কাইলৈৰ পৰা দুলীয়াজানত চাৰি দিনীয়াকৈ সদৌ অসম টাইকোৱান-ড' সন্থাৰ দ্বাৰা স্বীকৃত ডিব্ৰুগড় জিলা টাইকোৱান-ড' সন্থাৰ উদ্যোগত সদৌ অসম টাইকোৱান-ড' চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব ।অইল ইণ্ডিয়া লিমিটেড আৰু অসম গেছ কোম্পানীৰ সহযোগিতাত দুলীয়াজান বিহুতলী প্ৰাঙ্গণত আয়োজন কৰা চেম্পিয়নশ্বিপত ল'ৰা আৰু ছোৱালী উভয়ৰে মাজত ছাব জুনিয়ৰ, কেডেট আৰু ছিনিয়ৰ তিনিটা শাখাত প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হব। চেম্পিয়নশ্বিপত অসমৰ বিভিন্ন জিলাৰ প্ৰায় ১৫ শ খেলুৱৈয়ে অংশগ্ৰহণ কৰাৰ লগতে প্ৰায় তিনিশ গৰাকী অফিচিয়েলে অংশগ্ৰহণ কৰিব বুলি অভ্যৰ্থনা সমিতিয়ে জানিবলৈ দিছে । ইতিমধ্যে অসমৰ ৩৭ খন জিলা সন্থাই চেম্পিয়নশ্বিপত অংশগ্ৰহণ নিশ্চিত কৰিছে বুলি জানিব পৰা গৈছে। অহা ২০ আগষ্টলৈকে অনুষ্ঠিত হবলগা চেম্পিয়নশ্বিপৰ ১৭ আগষ্টৰ বিয়লিৰ পৰা কেডেট আৰু চিনিয়ৰ শাখাৰ পঞ্জীয়ন আৰু খেলুৱৈ সকলৰ ওজন পৰীক্ষা কৰা হব। ১৮ আগষ্টৰ পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, উদ্বোধনী অনুষ্ঠান আৰু প্ৰতিযোগিতা আৰম্ভণি। সন্ধিয়া চাব জুনিয়ৰ প্ৰতিযোগী সকলৰ পঞ্জীয়ন আৰু খেলুৱৈ সকলৰ ওজন পৰীক্ষা কৰা হব।ইতিমধ্যে অভ্যৰ্থনা সমিতিয়ে চেম্পিয়নশ্বিপৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

শান্তিপুৰ সংঘৰ জয়লাভ

অগ্ৰদূত বাৰ্তা, মঙলদৈ, ১৬ আগষ্ট ঃ তুষাৰ দাসৰ হেট্ৰিকৰ সহায়ত শান্তিপুৰ সংঘই মঙলদৈ টাউন ক্লাবক ৬-১ গলত পৰাজিত কৰি মঙলদৈ ছুপাৰ ডিভিজন ফুটবল লীগত সম্পূৰ্ণ পইন্ট অৰ্জননেৰে অগ্ৰগতি লাভ কৰিছে। শান্তিপুৰৰ হৈ কংকন হাজৰিকা, সুৰজিত দাসে এটাকৈ গ'ল কৰে । আনহাতে তুষাৰ দাসে হেট্ৰিকসহ চাৰিটা গ'ল কৰাৰ বিপৰীতে টাউন ক্লাবৰ হৈ একমাত্ৰ গলটো কৰে নিৰুপম বড়োই। ইপিনে মঙলদৈ বিদ্যাপীঠ হাইস্কুল খেলপথাৰত চলি থকা কুমাৰ জ্যোতিৰিন্দ্ৰ নাৰায়ণ দেৱ সোঁৱৰণী এ ডিভিজন ফুটবল লীগৰ আজি অনুষ্ঠিত দলগাওঁ আঞ্চলিক ক্ৰীড়া সন্থা আৰু ডাঁহী আঞ্চলিক ক্ৰীড়া সন্থাৰ মাজৰ খেলখন ২-২ গ'লত ড্ৰ হয়।

নগাঁৱত মল্লযুঁজৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা, বেৰেজীয়া, ১৬ আগষ্ট ঃ নগাঁও চহৰৰ আমোলাপট্টিস্থিত সংগীন সংঘত খেল' ইণ্ডিয়াৰ এক ক্ষুদ্ৰ চেণ্টাৰ (ৰেষ্টলিং ইভেণ্ট) আনুষ্ঠানিকভাৱে মুকলি কৰে অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী তথা অসম ৰেষ্টলিং সন্থাৰ সভাপতি পিয়ুষ হাজৰিকাই। এই উপলক্ষে জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ে নগাঁও জিলা ৰেষ্টলিং সংস্থাৰ ব্যৱস্থাপনাত আয়োজন কৰা সভাত নগাঁৱৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্বত থকা পিয়ুষ হাজৰিকাৰ লগতে বিশিষ্ট অতিথিৰূপে নগাঁও সদৰ সমষ্টিৰ বিধায়ক তথা অসম জিমনাষ্টিক সন্থাৰ সভাপতি ৰূপক শৰ্মাৰ উপৰিও প্ৰবীন ক্ৰীড়া সংগঠক ৰাজেন বৰকাকতি, অসম ৰেষ্টলিং সন্থাৰ কাৰ্যকৰী সভাপতি উৎজ্বল বৰুৱা, সম্পাদক অভিজিৎ নাথ, জিলা ক্ৰীড়া বিষয়া মানসপ্ৰতিম দাস, ক্ৰীড়া সংগঠক প্লাৱন বৰুৱা, তপন দাস, সুন্দৰ নেওগ, প্ৰানকৃষ্ণ শৰ্মা, সুন্দৰ শৰ্মা, সমীৰ হাজৰিকা, শশংক শৰ্মা বৰুৱা, দিগন্ত বৰা, গৌৰাংগ ৰয়, প্ৰান্তৰ ভট্টাচাৰ্য, সঞ্জয় মাহাতু, মৌচম দাস, ৰিংকুমনি বৰা, নৰজ্যোতি বৰুৱা আদি উপস্থিত থাকে। অনুষ্ঠানতে সদ্যসমাপ্ত অসম যুৱ অলিম্পিকত পদকপ্ৰাপ্ত নগাঁও জিলাৰ কৈলাশ বৰা, দুল শংকৰ পাটৰ, দীপজ্যোতি হাজৰিকা, নীলাভ মেধি, বিদিশা কোঁৱৰ, কাকলি কলিতা, পৰিণীতা পাটৰ আৰু অংশগ্ৰহণকাৰী নগাঁও জিলাৰ ৰেষ্টলিং খেলুৱৈসকলকো বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। কেন্দ্ৰটোত খেলুৱৈক জুনমনি দাসে গৌৰাংগ ৰয়ৰ সহযোগত প্ৰশিক্ষণ দিব।

ৰাষ্ট্ৰীয় শিবিৰত অসমৰ দৃষ্টিহীন ক্ৰিকেট দল

গুৱাহাটী, ১৬ আগষ্ট ঃ জামচেদপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰশিক্ষণ শিবিৰত অংশ লৈছে অসমৰ দৃষ্টিহীন মহিলা ক্ৰিকেট দলে । অহা বৰ্ষৰ জানুৱাৰীত দেশত অনুষ্ঠিত হ'ব দৃষ্টিহীন ছোৱালীৰ বাবে নাগেশ ট্ৰফী ৰাষ্ট্ৰীয় ক্ৰিকেট টুৰ্ণামেণ্ট । তাৰ প্ৰাকক্ষণত ক্ৰিকেট এছছিয়েচন ফৰ দ্য ব্লাইণ্ড ইন ইণ্ডিয়া চমুকৈ চি এ বি আইৰ তত্বাৱধানত ১৪ ৰ পৰা ১৭ আগষ্টলৈ জামচেদপুৰত অনুষ্ঠিত হৈছে প্ৰশিক্ষণ শিবিৰ । প্ৰশিক্ষণ প্ৰদান কৰিছে চি এ বি আইৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষক তনুময় ভৌমিকে। শিবিৰত অংশগ্ৰহণ কৰিছে অসমৰ দৃষ্টিহীন ক্ৰিকেটৰ ১৩ গৰাকী ছোৱালীয়ে । অসমত দৃষ্টিহীন ক্ৰিকেটক আগুৱাই নিয়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা কেয়াৰ ইউ ৩৬৫ ৰ উদ্যোগত দলটোৱে ইতিমধ্যে জামচেদপুৰত অনুশীলনত ব্যস্ত হৈ পৰিছে । শিবিৰত আজি ঝাৰখণ্ডৰ লগত প্ৰথমখন অনুশীলন মেচত অসমে সাত উইকেটত জয়লাভ কৰে। উল্লেখ্য যে অসম দলটোৰ প্ৰশিক্ষক হিচাপে গৈছে ৰাজদ্বীপ ডাকুৱা, টীম মেনেজাৰৰ দায়িত্বত আছে দিবন বৰা আৰু ৱাৰ্ডেনৰ দায়িত্বত আছে প্ৰিয়ংকা কাকতি। আনহাতে, অসম দলটোৰ টীম লিডাৰ হিচাপে আছে সত্যজিৎ শৰ্মা।

উদয় শংকৰ সন্দিকৈ ফুটবলত ঘগ্ৰাপাৰ এফ চিৰ খিতাপ লাভ

গুৱাহাটী, ১৬ আগষ্ট ঃ গুৱাহাটীৰ দিছপুৰ জনতা ভৱন খেলপথাৰত অনুষ্ঠিত ১৩ সংখ্যক উদয় শংকৰ সন্দিকৈ সোঁৱৰণি স্বাধীনতা দিৱস কাপ নট আউট ফুটবল টুৰ্নামেণ্টৰ চুড়ান্ত খেলখনত নলবাৰী ঘগ্ৰাপাৰ এফ চিয়ে নুনমাটিৰ জে অ ই এফ চি দলক ৩-০ গলত পৰাস্ত কৰি চেম্পিয়ন ট্ৰফী অৰ্জন কৰে। চেম্পিয়ন দলক নগদ নগদ ১০ হেজাৰ টকাসহ প্ৰভাত চন্দ্ৰ দত্ত সোঁৱৰণি ট্ৰফী আগবঢ়োৱা হয়। আনহাতে বিজিত দলক সাত হেজাৰ প্ৰাইজমাণি সহ প্ৰতিভা বৰুৱা সোঁৱৰণি ট্ৰফি প্ৰদান কৰা হয়। অসম জগিং এছ'চিয়েশ্বনে আয়োজন কৰা এই ফুটবল টুৰ্নামেণ্টত মুঠ ১৬ টা ফুটবল দলে অংশ গ্ৰহণ কৰিছিল।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

অৱহেলাত ধ্বংসস্তূপত আবদ্ধ দেশৰ প্ৰথমখন কুষ্ঠ কল্যাণ আশ্ৰম

কলিয়াবৰৰ ৭০ বছৰীয়া কুষ্ঠ কল্যাণ আশ্ৰমত ধূলিসাৎ মহাত্মা গান্ধীৰ সপোন



জয়ন্ত কুমাৰ শৰ্মা

কলিয়াবৰ, ১৪ আগষ্ট ঃ মহাত্মা গান্ধীৰ সমাজ সংস্কাৰৰ সপোন বিজড়িত কুষ্ঠ ৰোগীৰ সেৱাত উৎসৰ্গিত দেশৰ ভিতৰতে প্ৰথমখন পূৰ্ণাংগ অনুষ্ঠান 'কুঠৰী কুষ্ঠ কল্যাণ আশ্ৰম'। একালত সামাজিক অৱহেলাৰ ক'লা ধোঁৱা আঁতৰাই মলিনতাক ধুই নিকা কৰা এখনি ঠাই কলিয়াবৰৰ এই 'কুঠৰী কুষ্ঠ কল্যাণ আশ্ৰম'। কলিয়াবৰৰ পূব প্ৰান্তৰ কুঠৰীৰ সেউজ সীমান্তত অৱস্থিত এই আশ্ৰমখনিতে যেন আবদ্ধ হৈ আছে জাতিৰ পিতা মহাত্মা গান্ধীৰ এক সপোন। কুষ্ঠ ৰোগীক সমাজৰ অৱহেলাৰ পৰা নিলগাই সুস্থ কৰি এক সুন্দৰ সমাজ নিৰ্মাণৰ সপোন। যিখন আশ্ৰমৰ লগত জড়িত হৈ আছে বি কে ভাণ্ডাৰী, বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাস আদিৰ দৰে মহান ব্যক্তিৰ নাম। এইসকল ব্যক্তিৰ প্ৰচেষ্টাতে স্বাধীনতাৰ পাঁচটি বছৰ পাছতে গঢ়ি উঠিছিল মানৱ কল্যাণকামী অনুষ্ঠানটি। অথচ আজি এই অনুষ্ঠানটোৱেই ৰোগাক্ৰান্ত। কলিয়াবৰৰ ৭০ বছৰীয়া কুষ্ঠ কল্যাণ আশ্ৰমত আজি যেন ধূলিসাৎ হৈছে মহাত্মা গান্ধীৰ এই সপোন। দেশৰ ভিতৰতে এনে বৃহৎ পৰিসৰত স্থাপিত প্ৰথমখন কুষ্ঠাশ্ৰম হিচাপে পৰিচিত এই স্থান আছিল সেই সময়ৰ কুষ্ঠ ৰোগীসকলৰ বাবে এক সুৰক্ষিত আলয়। অথচ আজি এই আশ্ৰমখন ৰোগী আৰু সেই সময়ৰে ৰোগীৰ পৰিয়ালৰ দুৰৱস্থাৰ অন্য এক নাম। আজি স্বাধীনতা লাভৰ ৭৫ বছৰীয়া জয়ন্তী 'আজাদী কা অমৃত মহোৎসৱ' পালনৰ সময়তো আশ্ৰমৰ এইসকল লোক যেন হৈ ৰ'ল পৰাধীন। এটুপি খোৱাপানীও এইসকল বাসিন্দাৰ বাবে যেন সৰগৰ অমৃত। স্বাধীনতাৰ পাঁচটা বছৰৰ পাছতে খন্দা পাহাৰীয়া পুখুৰীৰ লেতেৰা পানী সেৱন কৰিয়েই পাৰ কৰিছে দিনৰ পাছত মাহ, বছৰ আদি। আশ্ৰমখনৰ তাহানিতে সুন্দৰকৈ সাজি উলিওৱা কুষ্ঠ ৰোগীৰ আছুতীয়া আবাসগৃহ সমূহৰ স্থানত আজি আছে মাথোঁ এটা ভগ্নাৱশেষ। কুষ্ঠৰোগীৰ বাবে সাজি উলিয়াই চিকিৎসা প্ৰদান কৰি সেই সময়তে সুস্থ কৰি তোলা চিকিৎসালয়খনৰ ভেটিটোও আজি পাহাৰ টিলাৰ জংঘলৰ মাজত নিশ্চিহ্ন হ'ল। ইয়াৰ কোনো চিন-মোকাম নাই। আশ্ৰমৰ মূল গৃহটোও ভগ্নস্তূপত পৰিণত। বৰ্তমানেও ৰৈ যোৱা নামমাত্ৰ ৰোগীৰ অৱস্থা এতিয়া নাজল-নাথল। লোকচক্ষুলৈ আহিবলৈ আজিও ভয় কৰে এইসকল নামমাত্ৰ কুষ্ঠৰোগীয়ে। বাকী সুস্থ পৰিয়ালসকলৰো অৱস্থা প্ৰায় একেই। অন্ন-বস্ত্ৰ-বাসস্থানৰ চিন্তাতেই তেওঁলোক ভাৰাক্ৰান্ত। অথচ মহামানৱ মহাত্মা গান্ধীৰ সপোন বিজড়িত এইখন কুষ্ঠাশ্ৰমৰ আছে এক সুকীয়া ইতিহাস।

কুষ্ঠ ৰোগীৰ সুৰক্ষাৰ বাবে ১৯৫২তে কলিয়াবৰৰ কুঠৰীত স্থাপিত হৈছিল কুঠৰী কুষ্ঠ কল্যাণ আশ্ৰম নামৰ অনুষ্ঠানটি। কলিয়াবৰ মহকুমাৰ জখলাবন্ধা চহৰৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ পূবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ দিশে অৱস্থিত এই কুষ্ঠাশ্ৰমখন একালত সামাজিকভাৱে অৱহেলিত বুলি ভবাসকলৰ কল্যাণৰ হেতু লোকনায়ক অমিয় কুমাৰ দাস, কৰ্ণাটকৰ বি কে ভাণ্ডাৰী, জননেতা বিষ্ণুৰাম মেধি আদি ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লৈ উঠিছিল এই মহৎ উদ্দেশ্যসাধিত অনুষ্ঠানটো। পৰৱৰ্তী সময়ত আশ্ৰমখনৰ তদাৰকৰ দায়িত্ব 'অসম সেৱা সমিতি' নামৰ অনুষ্ঠানটোৰ ওপৰত ন্যস্ত হয় যদিও সম্প্ৰতি সমিতিখনৰ নামটোৰ বাদে আন অৱদান শূন্য। আজি পৰ্যন্ত চৰকাৰী অনুদানৰ নামত এটি ফুটাকড়িও নোপোৱা এই আশ্ৰমখনত ১৯৯২তে পালন কৰা 'কুষ্ঠ নিবাৰণী দিৱস'ত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াই আশ্ৰমখনলৈ এক লাখ টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰিছিল যদিও সময়ত সেই অনুদানো নাপালে আশ্ৰমখনে। কুষ্ঠ ৰোগ নিবাৰণৰ বাবে ধন ব্যয় কৰা 'নেছনেল লেপ্ৰ'ছী ইৰাডিকেছন প্ৰগ্ৰেম' নামৰ কেন্দ্ৰীয় চৰকাৰৰ অভিলাসী আঁচনিখনেও আশ্ৰমখনক স্পৰ্শ কৰিব নোৱাৰিলে। চৰকাৰৰ চৰম অৱহেলা আৰু অমনোযোগিতাৰ বাবেই আজি অৰ্ধাহাৰে-অনাহাৰে দিন কটাব লগাত পৰিছে ইয়াৰ বাসিন্দাসকলে। দুৰ্যোধন জেনা, হিতেশ্বৰী পাথৰী, যুৱৰাজ দাস, সিঞ্জু নামা, নৰেন ৰাজবংশীকে আদি কৰি বহু আবাসীয়েই ইতিমধ্যে মেলানি মাগিলে জীৱনৰ পৰা। হেম লৰিংকিকে আদি কৰি দুই-তিনিজন ৰোগী এতিয়াও বিদ্যমান আশ্ৰমখনত। ইয়াৰ বাহিৰেও আশ্ৰমখনত আছে আৰম্ভণিৰ সময়ৰে বহু কুষ্ঠ ৰোগীৰ পৰিয়াল। যিসকল এতিয়া সুস্থ যদিও এতিয়াও পুৰণি অৱহেলাৰেই অৱহেলিত। এইসকল আবাসীৰ খবৰ ল'বলৈ আজি যেন কাৰো আহৰি নাই। এইসকল আশ্ৰম আবাসীয়ে আজি দিন হাজিৰা কৰি অথবা কাৰ্বি পাহাৰৰ খৰি লুৰি পৰিয়ালসহ অতি দুৰ্বিসহ সময় অতিবাহিত কৰিছে। এটুপি খোৱাপানীৰ বাবেও হাহাকাৰ কৰা এইসকল অৱহেলিতই পাহাৰৰ খাদ, মাটি কুঁৱাৰ পানী অথবা পুখুৰীৰ অপৰিষ্কাৰ পানীৰেই তৃষ্ণা নিবাৰণ কৰিছে। জলজীৱনৰ আৰ্শীবাদ যেন বহু যোজন দূৰত এওঁলোকৰ বাবে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া হোৱাৰ বাবেই দিনে-নিশাই বন্যপ্ৰাণীৰেও কৰি আহিছে বিপজ্জনক সহাৱস্থান। উল্লেখ্য যে অসমৰ ১৩খন কুষ্ঠাশ্ৰমৰ ভিতৰত ১১৬৫ বিঘা ভূমিত পৰিবেষ্টিত আটাইতকৈ পুৰণি এই কুঠৰী কুষ্ঠাশ্ৰমখনৰ চিকিৎসালয়, ৰোগীৰ আবাসগৃহকে ধৰি সকলো কেতিয়াবাই ভাঙি উছন হৈছে। আশ্ৰমৰ নামত আছে মাথোঁ কেইটামান পুৰণা ঘৰৰ ভেটি। ইয়ো হয়তো সম্পূৰ্ণ উছন হ'বলৈ বেছি দিন নাই। লাহে লাহে ১০৬৫ বিঘা ভূমিৰে পৰিবেষ্টিত কুষ্ঠ কল্যাণ আশ্ৰমখন বেদখলৰ কবলতো পৰিছে। ইয়াক বেদখলমুক্ত কৰাৰো প্ৰয়োজনীয়তা আহি পৰিছে। নহ'লে লাহে লাহে হেৰাই যাব কুঠৰীৰ কুষ্ঠ কল্যাণ আশ্ৰম। বৰ্তমানৰ আবাসীসকলৰ চৰকাৰক অনুৰোধ, 'আমাক অন্ন-বস্ত্ৰ-বাসস্থানৰ ব্যৱস্থা কৰি দি জীয়াই থাকিবলৈ দিয়ক। এতিয়া আমি ক'লৈ যাম? এইখনেই আমাৰ ঠাই।'

দেশৰ অখণ্ডতা-সাৰ্বভৌমত্বৰ প্ৰতি সকলোৱে সন্মান প্ৰদৰ্শন কৰিব লাগিব ঃ মন্ত্ৰী হাজৰিকা

বিশেষ সংবাদদাতা

নগাঁও, ১৬ আগষ্ট ঃ সমগ্ৰ ৰাজ্যৰ লগতে নগাঁৱতো কালি ৭৬ সংখ্যক স্বাধীনতা দিৱস ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে পালন কৰা হয়। নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত ঐতিহ্যমণ্ডিত নুৰুল আমিন ষ্টেডিয়ামত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে ৰাজ্যৰ জলসম্পদ, জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। জিলাখনৰ বিশিষ্ট ব্যক্তি, মুক্তিযুঁজাৰু, মুক্তিযুঁজাৰুৰ পৰিয়ালবৰ্গকে আদি কৰি কে'বা সহস্ৰাধিক লোক, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মন্ত্ৰীজনে পতাকা উত্তোলন কৰি দিয়া ভাষণৰ আৰম্ভণিতে দেশৰ স্বাধীনতা আন্দোলনৰ বীৰ ছহিদ আৰু বীৰ-বীৰাংগনাসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। মন্ত্ৰীজনে নিজৰ ভাষণত কয়, 'স্বাধীনতা আন্দোলনৰ সেনানীসকলৰ ত্যাগ আৰু প্ৰচেষ্টাৰ বাবেই আজি আমি স্বাধীন দেশৰ নাগৰিক হিচাপে নিজৰ সাংবিধানিক অধিকাৰ সাব্যস্ত কৰিব পাৰিছো। দেশৰ অখণ্ডতা আৰু সৰ্বভৌমত্বৰ প্ৰতি প্ৰতিজন নাগৰিক সচেতন হ'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আশীৰ্বাদ আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে উন্নয়নৰ ক্ষেত্ৰত নতুন গতি লাভ কৰিছে।' মন্ত্ৰীজনে ভাষণ প্ৰসংগত দেশজুৰি উদ্‌যাপন কৰা 'স্বাধীনতাৰ অমৃত মহোৎসৱৰ হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক কাৰ্যসূচী ৰাজ্যখনৰ সকলো স্তৰৰ ৰাইজৰ সঁহাৰি আৰু সহযোগিতাৰ বাবে ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰে। মন্ত্ৰীজনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৰা অসমৰ উন্নয়নমূলক কাম-কাজৰ এক খতিয়ান দাঙি ধৰি কয়, 'বৰ্তমানৰ ৰাজ্য চৰকাৰৰ নেতৃত্বত অসমে উন্নয়নৰ দিশত নতুন যাত্ৰা আৰম্ভ কৰিছে।' ইয়াৰ পাছতে মন্ত্ৰী হাজৰিকাই কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, অসম আৰক্ষী, গৃহৰক্ষী বাহিনী, স্কাউট এণ্ড গাইড, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। এই অনুষ্ঠানৰ পাছতে বিভিন্ন সাংস্কৃতিক দলসমূহে বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে চৰকাৰী বিভাগসমূহে নিজৰ নিজৰ আঁচনিসমূহৰো প্ৰদৰ্শন কৰে। অনুষ্ঠানত নগাঁৰৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিধায়ক ক্ৰমে ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস , প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁইকে ধৰি গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। ইপিনে, সাংবাদিকৰ আগত মন্ত্ৰীজনে কয়, 'এইবাৰৰ স্বাধীনতা দিৱসত ৰাইজৰ সঁহাৰি অভূতপূৰ্ব। স্বাধীনতা দিৱসত মই ইয়াৰ আগতে দৰ্শক আৰু মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিছিলো যদিও ৰাইজৰ এনে ধৰণৰ সঁহাৰি দেখা পোৱা নাছিলো। এইবাৰ ৰাইজৰ সঁহাৰি দেখি মই অভিভূত হৈ পৰিছো। এইবাৰ নতুন পৰিৱেশৰ সৃষ্টি হৈছে। ৰাইজৰ পাৰ ভঙা উছাহৰ বাবে মই সকলোকে ধন্যবাদ জনাইছো। এই ধাৰা অনাগত দিনত আমি অব্যাহত ৰাখিব লাগিব। দেশৰ স্বাধীনতা সংগ্ৰামীসকলক আমি শ্ৰদ্ধা জ্ঞাপন কৰিব লাগিব। দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি সকলোৱে সন্মান প্ৰদৰ্শন কৰিব লাগিব। অসমক দেশৰ পাঁচখন ৰাজ্যৰ ভিতৰত প্ৰতিষ্ঠা কৰিব লাগিব। ইয়াৰ বাবে সকলোৱে কাম কৰিব লাগিব।' এইবাৰ আলফাই স্বাধীনতা দিৱস বৰ্জন কৰা সম্পৰ্কে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীজনে কয়, 'কাৰো সন্দৰ্ভত মন্তব্য নিদিওঁ। আলফাৰ সম্পৰ্কত একো নকওঁ। কিন্তু এইবাৰ ৰাইজে অতি আনন্দৰে স্বাধীনতা দিৱস উদ্‌যাপন কৰিছে।'

উল্লেখ্য যে সুদীৰ্ঘ বছৰৰ মূৰত এইবাৰ নগাঁও চহৰৰ নুৰুল আমিন ষ্টেডিয়ামত জিলা প্ৰশাসনৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীলৈ ৰাইজে হিলদল ভাঙি অহা পৰিলক্ষিত হয়। ষ্টেডিয়ামত প্ৰৱেশৰ বাবে বিভিন্ন বয়সৰ পুৰুষ- মহিলা, ছাত্ৰ-ছাত্ৰীয়ে প্ৰখৰ ৰ'দতো দীঘলীয়া শাৰী পাতি থিয় হৈ থকা পৰিলক্ষিত হয়।

এএমচিএইছত আত্মহত্যা ৰোধৰ সম্পৰ্কত আলোচনাচক্ৰ

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৬ আগষ্ট ঃ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম পুৰণি চিকিৎসানুষ্ঠান অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল অসম চমুকৈ এএমচিএইছৰ মহাৰজত জয়ন্তীৰ স'তে সংগতি ৰাখি শুকুৰবাৰে মানসিক ৰোগ বিভাগৰ উদ্যোগত 'আত্মহত্যাৰ মূল্যায়ন আৰু ব্যৱস্থাপনা' শীৰ্ষক চিকিৎসা শিক্ষা বিষয়ক এক দিনজোৰা আলোচনাচক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে চেন্নাইৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বক্তা তথা আন্তঃৰাষ্ট্ৰীয় আত্মহত্যা প্ৰতিৰোধ সংস্থাৰ পূৰ্বৰ উপ-সভাপতি, চিকিৎসক লক্ষ্মী বিজয়া কুমাৰে। তেওঁ অনুষ্ঠানত অংশগ্ৰহণ কৰি কয় যে ভাৰতবৰ্ষত প্ৰতিবছৰে এক লাখ ৪০ হেজাৰ লোক আত্মহত্যাৰ চিকাৰ হয়। আনহাতে, উত্তৰ-পূৰ্বাঞ্চলত আত্মহত্যাৰ হাৰ দিনক দিনে বৃদ্ধি পাইছে। প্ৰচাৰ মাধ্যমত আত্মহত্যাৰ বাতৰিৰ অধিক প্ৰচাৰে যে আত্মহত্যাৰ প্ৰতি আসক্তিৰ আশংকা কৰি যথাসম্ভৱ এনে বাতৰি পৰিহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উদাহৰণস্বৰূপে তেওঁ কয় যে বলিউদৰ তাৰকা সুশান্ত সিং ৰাজপুতৰ আত্মহত্যাৰ খবৰৰ অধিক প্ৰচাৰে ইয়াৰ হাৰ দুইসপ্তাহতে ৮০ শতাংশলৈ বৃদ্ধি কৰিছিল বুলিও বক্তাগৰাকীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা মনোৰোগ চিকিৎসক ডাঃ হিৰণ্য কুমাৰ গোস্বামীয়ে অংশগ্ৰহণ কৰি কয় যে অমূল্য মানৱ জীৱন ৰক্ষা কৰিবলৈ হ'লে শিশু অৱস্থাৰ পৰা সন্তানক জীৱন সংগ্ৰামৰ উচিত শিক্ষা দিব লাগিব যাতে তেওঁলোক হতাশগ্ৰস্ততাৰ স্বীকাৰ হ'বলগীয়া নহয়। আত্মহননৰ পৰা ৰক্ষা কৰিবলৈ হ'লে কেৱল চিকিৎসক বা চিকিৎসা সেৱাৰ লগত জড়িত ব্যক্তিসকলেই নহয় সাধাৰণ নাগৰিকসকলো সজাগ হ'ব লাগিব আৰু ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব প্ৰচাৰ মাধ্যমে। এই অনুষ্ঠানত যোৰহাট চিকিৎসা মহাবিদ্যালয় মনোৰোগ বিভাগৰ মুৰব্বী চিকিৎসক কমলা ডেকা, তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ মনোৰোগ বিভাগৰ মুৰব্বী চিকিৎসক সৌমিত্ৰ ঘোষ, অসম চিকিৎসা মহাবিদ্যালয় মনোৰোগ বিভাগৰ অৱসৰপ্ৰাপ্ত চিকিৎসক প্ৰণীত কুমাৰ চৌধুৰী, মনোৰোগ চিকিৎসক তথা সহযোগী অধ্যাপক তথা ভাৰপ্ৰাপ্ত মুৰব্বী ডাঃ ধ্ৰুৱজ্যোতি ভূঞা, সহকাৰী অধ্যাপিকা ডাঃ কাবেৰী বৰা, সহযোগী অধ্যাপিকা ডাঃ সবিতা দিহিঙীয়া আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়, যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু অসম চিকিৎসা মহাবিদ্যালয়, যোৰহাট, শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ মনোৰোগ বিভাগৰ দুকুৰি শিক্ষাৰ্থী চিকিৎসকে অংশগ্ৰহণ কৰি আত্মহত্যাৰ কাৰণ আৰু কিদৰে ৰোধ কৰিব পাৰি তাৰ সম্পৰ্কত আলোচনা কৰে। উল্লেখ্য যে যোৱা ১২ ফেব্ৰুৱাৰীত মানোৰোগ বিভাগৰ উদ্যোগত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথমবাৰৰ বাবে আত্মহত্যা ৰোধ কৰিবৰ বাবে এএমচিএইছৰ মনোৰোগ বিভাগৰ উদ্যোগত এক হেল্পলাইন নম্বৰ (৭০৯৯০২১১০৮) মুকলি কৰি ইয়াৰ দ্বাৰা সেৱা অব্যাহত ৰাখিছে।

'অধিক বাতৰি প্ৰচাৰে আত্মহত্যাৰ প্ৰতি আসক্ত কৰে'

কমনৱেলথত স্বৰ্ণবিজয় নয়নমণিক গৃহভূমি সৰুপথাৰত উষ্ম আদৰণি

ভিন্ন দল-সংগঠনে, প্ৰশাসনে জনালে ৰাজহুৱা সম্বৰ্ধনা, অভিভূত স্বৰ্ণকন্যা

অগ্ৰদূত বাৰ্তা

সৰুপথাৰ, ১৬ আগষ্ট ঃ কমনৱেলথ গেমছত স্বৰ্ণপদক আঁজুৰি আজি সৰুপথাৰৰ স্বগৃহত উপস্থিত হ'ল নয়নমণি শইকীয়া। উছাহে নধৰা হ'ল নয়নমণিৰ জন্মস্থান ধনশিৰি মহকুমা। ধনশিৰি নদীৰ দলঙৰ সমীপৰ পৰা স্থানীয় বিভিন্ন দল-সংগঠনে এক বৃহৎ মটৰ চাইকেল সমদলেৰে আগুৱাই আনিলে প্ৰিয় খেলুৱৈগৰাকীক। সৰুপথাৰত উপস্থিত হৈয়ে নয়নমণিয়ে সৰুপথাৰ মহাবিদ্যালয়ত ধনশিৰি জিলা ক্ৰীড়া সন্থা আৰু গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আয়োজন কৰা এক সম্বৰ্ধনা সভাত ভাগ লয়। বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, এন চি চি দলে আদৰণি জনায়। মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ পৰা প্ৰেক্ষাগৃহলৈ গায়ন-বায়নৰে নয়নমণিক আদৰি নিয়া হয়। এই সম্বৰ্ধনা সভাত স্থানীয় বিভিন্ন দল-সংগঠনে খেলুৱৈগৰাকীক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। ইফালে, ৰাইজৰ মৰমত অভিভূত হৈ পৰা নয়নমণিয়ে অনাগত দিনত খেলুৱৈগৰাকীয়ে দুগুণ উছাহেৰে বিভিন্ন প্ৰতিযোগিতাত ভাগ লৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ প্ৰতিশ্ৰুতি দিয়ে।

মোক ইমান মৰম দিব বুলি মই কাহানিও ভবা নাছিলো ঃ নয়নমণি

দুহেজাৰ জুনৰ পৰা ২০২২ লৈকে এক দীঘলীয়া যাত্ৰা। এফালে, ঘৰৰ পৰা আঁতৰত থাকি চাকৰিৰ ব্যস্ততা, আনফালে, কন্যা সন্তান স্বামীকে ধৰি সংসাৰৰ দায়িত্ব। তাৰ মাজতো আছিল জগত জিনাৰ দুৰ্বাৰ হেঁপাহ। এই হেঁপাহকে মূল ধন হিচাপে লৈ কমনৱেলথ গেমছত ভাগ ল'বলৈ যোৱা নয়নমণি শইকীয়াই ইংলণ্ডৰ বাৰ্মিংহামৰ পৰা ধনশিৰি মহকুমালৈ কঢ়িয়াই আনিলে গৌৰৱৰ ধ্বজা। লনবলত ভাৰতক প্ৰতিনিধিত্ব কৰি স্বৰ্ণ জয় কৰা নয়নমণি শইকীয়াক আজি গৃহভূমি ধনশিৰিত উষ্ম আদৰণি জনোৱাৰ সমান্তৰালকৈ তেওঁৰ গৃহ গাঁও টেঙাবাৰীতো উষ্ম সম্বৰ্ধনা জনোৱা হয়। টেঙাবাৰীৰ বাসগৃহত উপস্থিত হোৱাৰ লগে লগে গায়ন-বায়নৰে ঘৰলৈ আদৰি নিয়া হয় স্বৰ্ণ কন্যা নয়নমণিক। উল্লেখ্য যে লাভলিনাৰ পাছত এইবাৰ নয়নমণিৰ সফলতাই ৰজন-জনাই তোলা মহকুমটোৰ বৰপথাৰ আৰু সৰুপথাৰ ঠাই দুখন যেন ৰূপান্তৰিত হৈছে ক্ৰীড়াৰ কেন্দ্ৰবিন্দুলৈ।

কাইলৈ সাপ্তাহিক 'কলংপাৰ' কাকতৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস

বিশেষ সংবাদদাতা

নগাঁও, ১৬ আগষ্ট ঃ ১৯৯৯ ৰ ১৮ আগষ্টৰ পৰা নগাঁও চহৰৰ পৰা প্ৰকাশ পোৱা সাপ্তাহিক 'কলংপাৰ' কাকতখনে অহা ১৮ আগষ্টত পদাৰ্পণ কৰিব ২৪ সংখ্যক বৰ্ষত । তদুপলক্ষে কাকত গোষ্ঠীৰ উদ্যোগত অহা ১৮ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস আয়োজন কৰা হৈছে। নগাঁও চহৰৰ পানীগাঁও চাৰিআলিস্থিত শ্ৰীমন্ত শংকৰ মিছনৰ লোকসেৱক হলধৰ ভূঞা সভাগৃহত আয়োজিত এই অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ৯.৩০ বজাত পতাকা উত্তোলনেৰে আৰম্ভ কৰিব কাকতৰ মুখ্য সম্পাদক গুৰমাইল সিঙে । তাৰ পাছতেই বৃক্ষৰোপণ আৰু স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হ'ব। পুৱা ১১ বজাত অনুষ্ঠিত হ'ব কাকতৰ সৈতে জড়িত লেখক-লেখিকাসকলৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠান। দুপৰীয়া ১২.৩০ বজাত অনুষ্ঠিত হ'ব মুকলি সভা । সভাত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই মুখ্য অতিথিৰূপে আৰু সাহিত্য সমালোচক, অধ্যাপক অৰিন্দম বৰকটকীয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব । উক্ত অনুষ্ঠানতে তিনিজন শিক্ষাবিদ ক্ৰমে মহেন্দ্ৰ আহোম, জ্যোতিৰ্ময় জানা আৰু ড° খৰ্গেশ্বৰ ভূঞাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। লগতে কলংপাৰৰ উদ্যোগত সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা প্ৰবন্ধ , গল্প , কবিতা, ৰম্য ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতাত স্থান প্ৰাপ্তসকলকো পুৰস্কাৰ প্ৰদান কৰা হ'ব। সন্ধিয়া কলংপাৰ কাকতৰ কাৰ্যালয়ত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ অন্ত পৰিব।

জাতি-জনগোষ্ঠীৰ মিলনভূমি ৰঙাপৰাত আটকধুনীয়াকৈ নিৰ্মাণ হৈ উঠিল নামঘৰ

বিশেষ সংবাদদাতা

ৰঙাপৰা, ১৬ আগষ্ট ঃ নামঘৰ অসমীয়া জনজীৱনৰ স্বাভিমান। ই অসমীয়া জাতিৰ সমন্বয়ৰ প্ৰতীক। সংস্কৃতিৰ আকৰ, স্থাপত্যবিদ্যাৰ এক শ্ৰেষ্ঠ নিদৰ্শন। আজি শোণিতপুৰ জিলাৰ ৰঙাপৰাত মুখ্যমন্ত্ৰী পুঁজিৰে আটক ধুনীয়াকৈ পুনঃনিৰ্মাণ হৈ উঠিল এটা নামঘৰ। পুনঃনিৰ্মাণ হোৱা তেজপুৰ সংযোগী পথত থকা নামনি গাঁও সাৰ্বজনীন নামঘৰত আজি পুৱা শুদ্ধিকৰণ কৰি নামঘৰটোৰ সিংহভাগ প্ৰতিষ্ঠা কৰে ন-আলি বাহবাৰী অঞ্চলৰ ছগৰাকী সত্ৰাধিকাৰে। দিনৰ দুই বজাত নৱনিৰ্মিত নামঘৰত উপস্থিত হৈ পুনঃনিৰ্মাণ হোৱা নামঘৰটো উদ্বোধন কৰি স্থানীয় বিধায়ক কৃষ্ণ কমল তাঁতীয়ে কয় যে বিশ্বশান্তিৰ বাবে গুৰুজনাৰ আদৰ্শ আজিও প্ৰাসংগিক হৈ আছে। ২০০৩তে নিৰ্মাণ হোৱা নামনি গাঁও সাৰ্বজনীন নামঘৰটোৰ পুনঃনিৰ্মাণ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ২০২১-২২ বৰ্ষৰ মুখ্যমন্ত্ৰী পুঁজিৰ ১৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ সম্পন্ন কৰা হৈছে বুলি নামঘৰ নিৰ্মাণ সমিতিৰ সদস্য উৎপল বৰ্মনে সংবাদ মাধ্যমক অৱগত কৰে। আজিৰ উদ্বোধনী অনুষ্ঠানত অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী প্ৰবীণ হাজৰিকা, ৰঙাপৰা পৌৰসভাৰ পৌৰপতি হৰিসাদন দাস, নামনি গাঁও পঞ্চায়তৰ সভাপতি মাথিয়াছ মুণ্ডা, ৰঙাপৰা পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ ৰাজাবাবু শ্বাহ, গণেশ কৰ্মকাৰ, ৰবি শংকৰ দে, অসম সাহিত্য সভাৰ ৰঙাপৰা শাখাৰ সভাপতি গোবিন্দ দাস, জাতীয় ঐক্য মঞ্চৰ সম্পাদক কিশোৰ নাথ, বিজেপি ৰঙাপৰা গ্ৰাম্য মণ্ডলৰ সভাপতি দীপক তেলী, নামঘৰ পৰিচালনা সমিতিৰ সভানেত্ৰী জয়া বৰা, সম্পাদিকা ৰুমি বৰা, আঞ্চলিক পঞ্চায়তৰ সদস্যা কাকলি ভাগৱতী, নামনি গাঁও পঞ্চায়তৰ উপ-সভানেত্ৰী ৰূপালী পাটোৱাৰীৰ লগতে বহু গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

নলবাৰীত গৃহহীন নগৰীয়া পুৰুষ আৱাস গৃহ উদ্বোধন মন্ত্ৰী জয়ন্ত মল্লৰ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৬ আগষ্ট ঃ নলবাৰীত কালি অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ সাহায্যত নলবাৰী জিলা মহিলা সমিতিৰ উদ্যোগত গৃহহীন নগৰীয়া পুৰুষ আৱাস গৃহৰ উদ্বোধন কৰা হয়। চহৰৰ ১১ নম্বৰ ৱাৰ্ডৰ ৰাজনগৰত অনুষ্ঠিত এক অনুষ্ঠানত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী আৰু দক্ষতা বিকাশ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই উক্ত আৱাসটো উদ্বোধন কৰে। নলবাৰী জিলা মহিলা সমিতিৰ সভানেত্ৰী পুণ্যময়ী বৰকাকতিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আদৰণি ভাষণ ৰাখে সম্পাদিকা অনু বৰ্মনে। উল্লেখ্য যে সভাখনৰ আঁত ধৰে এনইউএলএমৰ মিছন সঞ্চালক ত্ৰিদিপ দলৈয়ে। আৱাসী সাতজন পুৰুষক লাৰু, পিঠা মিঠাই আদি মন্ত্ৰীজনৰ হাতেৰে প্ৰদান কৰে। এই উপলক্ষে অনুষ্ঠিত সভাত মন্ত্ৰীয়ে ভাষণ প্ৰসংগত নলবাৰী জিলা মহিলা সমিতিৰ এই কাৰ্যৰ বাবে ভূয়সী প্ৰশংসা কৰে।

জন্মাষ্টমী-বোকাখেচা ভাওনাৰ তোৰণ উন্মোচন



অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৬ আগষ্ট ঃ 'জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা মহোৎসৱৰ পাছতে অসমৰ ভাওনা সংস্কৃতিৰ ক্ষেত্ৰখনত বিশেষ প্ৰসাৰ-প্ৰসাৰতা লাভ কৰি আহিছে ঐতিহ্যমণ্ডিত পাতলৰচুক গাঁওৰ শ্ৰীকৃষ্ণ জন্মাষ্টমী আৰু নন্দোৎসৱ-বোকাখেচা ভাওনাই। ২৬৭ বছৰ গৰকা এই বোকাখেচা ভাওনাৰ মাহাত্ম্য দেশৰ চুকে-কোণে বিস্তাৰিত হওক।' এই মন্তব্য চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ। আজি জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত পাতলৰচুক গাঁৰৰ দক্ষিণ দিশে তথা গাঁৰৰ প্ৰৱেশ পথত বোকাখেচা ভাওনা মহোৎসৱৰ এখন তোৰণ উন্মোচন কৰি বিধায়কজনে আৰু কয় যে জামুগুৰিহাটৰ ভাওনা সংস্কৃতিৰ এক সুকীয়া পৰিচয় আছে। আমাৰ নতুন চামে এই সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্ধনৰ কাৰণে কাম কৰি যাব। আমাৰ সংস্কৃতিয়েহে আমাৰ পৰিচয় বুলি মন্তব্য কৰে বিধায়কজনে। পাতলৰচুক গাঁৰৰ প্ৰয়াত বায়ন তথা শংকৰী সাধক মণিৰাম ভূঞাৰ স্মৃতিত পৰিয়ালবৰ্গই অৰ্পণ কৰা এই বোকাখেচা ভাওনাৰ চিত্ৰ খোদিত তোৰণখন আজি পুৱা দবা, শংখ, খোল, তালৰ শব্দ, আয়তীৰ উৰুলি, হৰিধ্বনিৰ মাজেৰে বিধায়ক হাজৰিকাই উন্মোচন কৰে। পাছত গাঁওবাসী ৰাইজৰ লগত হৰিনাম লৈ গাঁৰৰ মাজেৰে পদযাত্ৰা কৰি নামঘৰত উপস্থিত হয় বিধায়কজন। নামঘৰত আঠু লৈ বিধায়কজনে গাঁওবাসী ৰাইজৰ মংগল কামনা কৰাৰ লগতে ১৯ আৰু ২০ আগষ্টত হ'বলগীয়া বোকাখেচা ভাওনাৰ সফল সমাপ্তিৰ কামনা কৰে। তোৰণ উন্মোচনৰ পূৰ্বে বিধায়ক হাজৰিকাক প্ৰয়াত মণিৰাম ভূঞাৰ পুত্ৰ তুলেশ্বৰ ভূঞা, পত্নী নিৰু ভূঞা আৰু পুত্ৰ প্ৰকাশ ভূঞাই গামোচা, চেলেঙৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে।

বজ্ৰাঙ্গ

এম. এম. টেব (ফোৰ্ট) আৰু ডাইবিক্যোৰ

নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।

অম্লশূলশমন চূৰ্ণ

অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।

শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন

(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)

মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)

ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com